…দুৰাৰ মহাবিদ্যালয় আলো…



সম্পাদনাত -
শ্ৰীভৱন চন্দ্ৰ বৰা

# সম্পাদকীয়



জয় জয়তে অসমী আইৰ অস্তিত্ব ৰক্ষাৰ আন্দোলন তথা অসমৰ ন্যায্য স্বাৰ্থৰ হকে ওলাই আহি পুলিচমিলিটাৰী অথবা আততায়ীৰ হাতত যি সকল লোকে নিজৰ প্ৰাণ বিসৰ্জন দি অক্ষয় কীৰ্তি ৰাখি গ'ল, সেই সকল পুণ্যাত্মা শ্বহীদক মোৰ সম্পাদকীয়ৰ প্ৰাৰম্ভণিতে সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ। লগতে যি সকল অবৰ্ণনীয় অত্যাচাৰেৰে পঙ্গু হৈ ৰ'ল, সেই সকলক জনাইছো মোৰ বৈপ্লৱিক অভিনন্দন।

সম্পাদকীয়ৰ বাবে কলম তুলি লোৱাৰ লগে লগে মন দাপোণত প্ৰতিবিম্বিত হৈছে কুৰি শতিকাৰ বিশ্ব মানৱৰ এখনি ছবি। এই ছবিখনিত আমি যুৱ-সমাজ তথা ছাত্ৰ সমাজে কি দেখিছো বাৰু? দুখন মহাযুদ্ধই অভাৱনীয়ভাবে বিশ্বৰ অশেষ ক্ষতি সাধন কৰাৰ পিছতো পৃথিৱীৰ বৃহৎ শক্তিসমূহে ক্ষমতাৰ মোহত অন্ধ হৈ পুনৰ অস্ত্ৰ-শস্ত্ৰৰ প্ৰতিযোগিতা আৰম্ভ কৰি শক্তি পৰীক্ষাৰ কথা চিন্তা কৰা দেখা গৈছে। বিজ্ঞানৰ নামত, মানৱ সভ্যতা এনে এটা পৰ্য্যায়ত উপনীত হোৱাৰ পিছতো ইখন দেশে সিখন দেশক আক্ৰমণ কৰিব খোজা, সীমান্ত বিবাদ গঢ়ি তোলা, বিমান অপহৰণৰ দৰে জঘন্য কাৰ্য্য সংঘটিত কৰি আৰোহী আৰু যাত্ৰীক 'পণ' ৰূপে ব্যৱহাৰ কৰা ইত্যাদি কাৰ্য্যই বিশ্বত অশান্তিৰ বীজ বিয়পাই তুলিছে। বৃহৎ ৰাষ্ট্ৰসমূহে ক্ষুদ্ৰ ৰাষ্ট্ৰসমূহক নিৰ্লজ্জ ভাবুকীৰে প্ৰতি ক্ষণে ক্ষণে স্তম্ভিত কৰি তুলিছে। এই ক্ষেত্ৰত বিশ্বৰ প্ৰতিখন ৰাষ্ট্ৰৰ ৰাজনৈতিক পৰিবৰ্তন আদিয়েও অৰিহণা নোযোগোৱাকৈ থকা নাই। বহু ৰাষ্ট্ৰৰ সামৰিক অভ্যুত্থান, ইৰাক-ইৰাণৰ সংঘৰ্ষ, আফগানিস্থানৰ সমস্যা, ইৰাণৰ আভ্যন্তৰীণ সমস্যা, ইংলণ্ডৰ বগা-ক'লাৰ বৰ্ণবাদী বৈষম্য আৰু অলপতে ঘটি যোৱা অমানুষিক সংঘৰ্ষ, আইৰিচ ৰিপাব্লিকানবিলাকৰ বিদ্ৰোহ আদিও মন কৰিবলগীয়া। এই ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় সংগঠন ৰাষ্ট্ৰসংঘই এনেবোৰ আন্তঃৰাষ্ট্ৰীয় খুটি-নাটি দূৰ কৰি পৃথিৱীৰ দূষিত বাতাবৰণ নিৰ্মলৰ পৰা নিৰ্মলতৰ কৰি তোলা উচিত। এনে পৰিস্থিতিত বিশ্বৰ শান্তিকামী মানৱগোষ্ঠীৰ লগতে আমিও বিশ্বশান্তি আৰু মৈত্ৰীৰ বাবে জনমত গঢ়ি তোলা প্ৰয়োজন।

o o o o

১৯৪৭ চনত ভাৰতবৰ্ষ বৃটিছ শাসনৰ শৃংখল চিঙি স্বাধীন হয়। এই স্বাধীনোত্তৰ কালৰ ভাৰত গান্ধীজীৰ সপোনৰ 'ৰাম ৰাজ্য'ত পৰিণত হ'ব বুলি ভবা ব্যক্তিসকলে এতিয়া পাইছে কি? যি সকললোকে বিদেশীৰ বুট-জোতাৰ গোৰ সহ্য কৰিও এখন স্বাধীন ৰাষ্ট্ৰৰ কল্পনা কৰি শান্তি লভিছিল, সিবিলাকে বৰ্তমান ভাৰত চৰকাৰৰ পৰা বোধকৰোঁ প্ৰবঞ্চনাতকৈ একো বেছি পোৱা নাই। দুখৰ বিষয় স্বাধীনতা লাভৰ এই সুদীৰ্ঘ চৌত্ৰিশ বছৰৰ পিছতো, আন ৰাষ্ট্ৰৰ তুলনাত ভাৰতবৰ্ষই বিশেষ অগ্ৰগতি লাভ কৰিব পৰা নাই। মুষ্ঠিমেয় কেইখনমান ৰাজ্য আৰু চহৰৰ বাহিৰে প্ৰায়বোৰ ঠাই যাতায়ত, বাণিজ্য, যোগাযোগ, উদ্যোগ আদিৰ বাবে অৱহেলিত হৈয়ে আছে। অসম, অৰুণাচল, নগালেণ্ড আদিয়ে তাৰ সাক্ষ্য দিব। এই পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনক প্ৰাপ্য সমূহৰ পৰা বঞ্চিত কৰি ৰখাটোও কেন্দ্ৰৰ এক চাতুৰ্য্যতাৰ পৰিচায়ক বুলি কলেও নিশ্চয় ভুল কোৱা নহ'ব।

অৰ্থনীতিৰ ক্ষেত্ৰত অসম ভাৰতৰ আন ৰাজ্যৰ তুলনাত নিচেই চালুকীয়া অৱস্থাতে আছে। অসমত প্ৰচুৰ খনিজ, কৃষিজ সম্পদ উৎপাদন হয় যদিও কেন্দ্ৰীয় চৰকাৰৰ আজ্ঞাবহ উদ্যোগ বিশেষজ্ঞ

সকলে অসমত কোনো বৃহৎ উদ্যোগ আদি গঢ়ি উঠিবলৈ অনুমতি দিব নোখোজে। ফলত অসম তথা পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনত শিক্ষিত নিবনুৱাৰ প্ৰকোপ দিনক দিনে চৰিছে। পিছে এইদৰে আৰু কিমান দিন! অসম তথা পূৰ্বাঞ্চলৰ যুৱ সমাজে নিশ্চয় এদিন নিজেই আগবাঢ়ি আহি এনে সমস্যাৰ ওৰ পেলাবৰ বাবে সমৰ্থ হ'ব।

o o o o

অসমীয়া সাহিত্য চাক্ষুস দৃষ্টিত আশাতীতভাবে আগুৱাই যোৱা যেন লাগিলেও আপাতদৃষ্টিত ই সিমান সমুজ্জ্বল অৱস্থালৈ উন্নীত হোৱা নাই যেন লাগে। কাৰণ সু-সাহিত্যিৰ সৃষ্টি আৰু সু-পাঠক সৃষ্টি এই দুয়োটাই বৰ জটিল কাম। বহু ক্ষেত্ৰত দেখা যায় এচাম ভুৱা সাহিত্যিকে সস্তীয়া সাহিত্যৰ সৃষ্টি কৰি ৰাতাৰাতি বজাৰ গৰম কৰি তোলে; আৰু ইয়াৰ ফলত এচাম সস্তীয়া পাঠকৰ আবিৰ্ভাৱ হয়। ফলত মানুহে আচল মুকুতাৰ ঠাইত নকল মুকুতাকে সাদৰি ল'ব লগা হয়। আনহাতে নিভাঁজ সাহিত্য তল সৰা ফুলৰ দৰে নিৰ্জনতাত লেৰেলি যোৱা দেখা যায়। অতি সুখৰ বিষয় যে, বৰ্তমানে অসমীয়া সাহিত্যৰ উৰ্দ্ধমুখী গতি এটাও দেখা গৈছে। অসমীয়া ভাষাত বহু কেইখন গহীন ভাৱৰ আলোচনী প্ৰকাশ হৈ অসমীয়া সাহিত্য সৃষ্টিত এটি বাতাবৰণ আনি দিয়া পৰিলক্ষিত হৈছে। নাট্য সাহিত্য, গল্প সাহিত্য, অনুবাদ সাহিত্য আদিয়ে এক যুগান্তৰ সূচনা কৰাৰ প্ৰয়াস পাব বুলি আশা কৰিব পাৰি। উপন্যাস সাহিত্যৰ ক্ষেত্ৰত অসমীয়া লিখকে আন্তৰ্দেশীয় বঁটা লাভ কৰাটো নিতান্তই শুভ লক্ষণ।

অসমৰ বাবে ৰহণীয়া সংস্কৃতিও মন কৰিবলগীয়া। সংস্কৃতিৰ মেটমৰা পথাৰখনত বিচৰণ কৰিব খুজিলে পোনচাতেই মনলৈ আহে অসমীয়াৰ বাপতি সাহোন "বিহু"ৰ কথা। অসমীয়াৰ বুকুৰ আমঠু স্বৰূপ বিহুগীত, লোকগীত, বৰগীত, টোকাৰী গীত, দেহ বিচাৰ গীত, আইনাম, বিয়ানাম, ওজাপালী, দেওধনী নৃত্য, ঝুমুৰা, চালিনাচ, দেৱদাসী, সূত্ৰধাৰী আদি গীত-নাচ চৰ্চা ক্ৰমান্বয়ে হেৰাই যোৱা পৰিলক্ষিত হৈছে। উঠি অহা সমাজখনক আজি অপসংস্কৃতিয়ে গ্ৰাস কৰিব খুজিছে। গীত, নাচ, সাজ-পাৰ আদি সকলোতে আমি বিদেশী অনুকৰণত অন্ধ। অসমীয়া সাজ-পাৰ এৰি আমি নিজকে বিদেশী সাজ-পোছাকেৰে সজাই সন্তোষ লভিবলৈ অলপো কুণ্ঠিত হোৱা নাই। ল'ৰাই ছোৱালীৰ দৰে চুলি ৰাখি মতা তিৰোতাৰ প্ৰভেদ বিহীন সমাজ গঢ়িবৰ চেষ্টা কৰিছোঁ। আমাৰ মহিলাসকলেও অসমীয়া সাজ-পাৰ এৰি নিজকে বিলাতী ধৰণে সজাব খোজা দেখা গৈছে। যদি অসমীয়া সংস্কৃতিয়ে এইদৰে দুভেচীয়া সংস্কৃতি হিচাপে গঢ় লৈ উঠে, তেনেহলে অসমীয়া সংস্কৃতি সদায়ে দুৰ্বল হৈয়ে ৰ'ব।

o o o o

অসমীয়া সমাজৰ জাতীয় জীৱনৰ গতিধাৰাও মন কৰিবলগীয়া। অসমতে কিয়, সদৌ বিশ্বতে এক প্ৰৱল গতিত জনসংখ্যা বাঢ়িছে। ক্ৰমবৰ্দ্ধিত জনসংখ্যাই এক ভয়াবহ সমস্যাৰ সৃষ্টি কৰিছে। ভাৰতৰ লগতে অসমকো এই সমস্যাই ভবাই তুলিবৰ উপক্ৰম কৰিছে। ইয়াৰোপৰি অসমৰ ব্ৰহ্মপুত্ৰ নদী আৰু ইয়াৰ উপনদীসমূহে প্ৰতিবছৰে প্ৰৱল বানপানীৰ সৃষ্টি কৰি অলেখ সা-সম্পত্তি, হাজাৰ হাজাৰ হেক্টৰ খেতি পথাৰৰ শষ্য নষ্ট কৰি হাহাকাৰৰ সৃষ্টি কৰিছে। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনদীসমূহৰ বুকু তৰাং হৈ পৰাই মূলতে বানপানীৰ কাৰণ। যোৱা কেইবছৰৰ ভিতৰতে ব্ৰহ্মপুত্ৰৰ তৰাং বক্ষ গভীৰ কৰিবৰ উদ্দেশ্যে বিদেশৰ পৰা দুখনকৈ 'ড্ৰেজাৰ' আনিও পুনৰ ঘূৰাই পঠোৱা কাৰ্য্যও মন কৰিবলগীয়া।

ইয়াৰ অন্য এটা দিশ হ'ল জল-সিঞ্চন ব্যৱস্থা। যোৱা বছৰ প্ৰকৃতিয়ে যি এটা সমস্যাৰ সৃষ্টি কৰি তুলিছিল, সি সকলোৰে মনত অলপ হলেও সাঁচ বহুৱাই গৈছে। অসমত জল-সিঞ্চনৰ নামত

যা-যোগাৰহে চলিছে, কাৰ্য্যতঃ কোনো ফলদায়ক অৱস্থাত উপনীত হ'বগৈ পৰা নাই। মই ভাবো, বিশেষজ্ঞসকলে অতি শীঘ্রে খৰাং অঞ্চল অথবা প্রকৃতিৰ প্রতিকূল অৱস্থাতো যাতে কৃষক ৰাইজক জল সিঞ্চনেৰে উপকৃত কৰি তুলিব পাৰে তাৰ বাবে কাৰ্য্যকৰী ব্যৱস্থা হাতত লৈ কৃষি ক্ষেত্রত আলোড়ন সৃষ্টি কৰিবলৈ সমৰ্থ হ'ব।

অসমীয়া জাতি বুলিলে আমি কেতবোৰ লোকে অকল উচ্চ হিন্দু সকলকে বুজোঁ। প্রকৃততে ই বৰ পৰিতাপৰ কথা। অসমলৈ বিভিন্ন সময়ত বিভিন্ন ঠাইৰ পৰা ভিন ভিন লোক আহি বসতি স্থাপন কৰি অসমৰ সংস্কৃতি এক নতুন ৰূপেৰে ৰঙীন কৰি তোলা স্বত্বেও আমাৰ মাজৰ পৰা ভুল বুজাবুজি, সংকীৰ্ণতাৰ ভাব দূৰ হোৱা নাই। পুৰণি বৰ অসমৰ খিলঞ্জীয়া জাতি-উপজাতি সকলোৱেই মূলতঃ অসমীয়া। চাহ বাগিছাসমূহত বসবাস কৰা লোকসকলো পূৰামাত্রে অসমীয়া। অসমত বাস কৰা বড়ো, মিচিং, কাৰ্বি, দেউৰী, খামতি আদি সকলো অসমী আইৰ সুযোগ্য সন্তান। তথাপি এচাম কু-চক্রী লোকে সিবিলাকক অসমীয়া নহয় বুলি ভ্রান্ত ধাৰণা এটি জাপি দি বিভ্রান্ত কৰিব খোজাটো বৰ পৰিতাপৰ কথা। এই ক্ষেত্রত অসম সাহিত্য সভাৰ পদক্ষেপ পূৰাদমে প্রশংসনীয়। অসম সাহিত্য সভাই বৰ্তমানে পাহাৰীয়া অথবা চাহ বাগিছাৰ বনুৱাসকলৰ মাজৰ পৰাও যোগ্য জনক নি যোগ্য আসন দিয়াটো নিঃসন্দেহে শুভ লক্ষণ। অসম সাহিত্য সভাৰ সুৰতে সুৰ মিলাই উঠি অহা যুৱক-যুৱতী সকলেও বৃহৎ অসমীয়া জাতি গঠনত সহায়ৰ হাত আগবঢ়াব বুলি আশা কৰা হ'ল।

০ ০ ০ ০

অসমীয়া ৰাইজৰ এশ-এবুৰি সমস্যাৰ ভিতৰত সঘনে হৈ থকা বিদেশী নাগৰিক প্রব্রজনৰ সমস্যা বিশেষভাবে মন কৰিবলগীয়া। স্বাধীনতাৰ লগে লগে অসমে পৈত্রিক সম্পত্তিৰ দৰে লাভ কৰিলে ক্রমান্বয়ে দুৰ্বিসহ হৈ পৰা বিদেশী নাগৰিকৰ বোজা। যি বিদেশী নাগৰিকে অসমত অবৈধভাবে বসবাস কৰাৰ উপৰিও, অসমৰ ভাষা-সংস্কৃতিৰ ওপৰত প্রচণ্ডভাবে আঘাত হানিবৰ চেষ্টা কৰি আহিছে, বৃহত্তৰ বাংলা গঢ়ি তোলাৰ সপোন ৰচিছে, সেই সকলক কোনোমতে আমি প্রশ্রয় দিব নোৱাৰো। সেয়ে ১৯৭৯ চনৰ পৰা সাম্প্রতিক সময়লৈকে উমি উমি জ্বলি থকা, সদৌ অসম ছাত্র সন্থাই গঢ়ি তোলা বিদেশী বিতাৰণৰ আন্দোলন সৰ্বতোপ্রকাৰে ন্যায্য আৰু যুক্তিযুক্ত। এই আন্দোলনত অসমৰ সচেতন জনসাধাৰণে যি অভূতপূৰ্ব জন জাগৰণৰ অভিলেখ সৃষ্টি কৰিলে সি বিশ্বৰ ভিতৰতে বিৰল। তথাপি কেন্দ্রীয় চৰকাৰে আজি পৰ্য্যন্ত কোনো এটি স্থিৰ সমাধান সূত্র উদ্ভাৱনত ব্যৰ্থকাম হৈছে। কেন্দ্রীয় চৰকাৰৰ অমনোযোগিতাৰ বাবেই আন্দোলনৰ নেতাসকলক কোনো সমাধান সূত্রেৰে সন্তুষ্টি দিব পৰা নাই। আশাকৰোঁ অতি শীঘ্রেই কেন্দ্রীয় চৰকাৰে এক সমাধান সূত্র উদ্ভাৱন কৰি অসমৰ বিদেশী নাগৰিকৰ সমস্যাৰ ওৰ পেলোৱাত সমৰ্থ হ'ব।

এই সংখ্যা আলোচনীৰ প্রসঙ্গত ঃ

ছয়দুৱাৰ মহাবিদ্যালয়ৰ ২য় সংখ্যা আলোচনীৰ সম্পাদক হিচাপে আলোচনীখন সৰ্বাঙ্গসুন্দৰ কৰাৰ কাৰণে চেষ্টাৰ ত্রুটি কৰা নাই। আলোচনীখন সৰ্বাঙ্গসুন্দৰ হোৱা নোহোৱাটো বিশেষকৈ নিৰ্ভৰ কৰে আলোচনীৰ বাবে ছাত্র-ছাত্রীসকলে আগবঢ়োৱা ৰচনাৰাজিৰ ওপৰত। এই ৰচনাসমূহৰ মানদণ্ড আৰু মোৰ সম্পাদনা আপোনালোকে বিশ্লেষাত্মক দৃষ্টিভঙ্গীৰে নিৰ্ণয় কৰিব বুলি আশা কৰিলোঁ।

আলোচনীখনৰ ইংৰাজী বিভাগটিও সজাই-পৰাই উলিয়াম বুলি আশা কৰিছিলো যদিও ছাত্র-ছাত্রী সকলৰ ফালৰপৰা কম সংখ্যক লিখনী পোৱাত আৰু লিখনীসমূহ মানবিশিষ্ট নহ'ব বুলি ধাৰণা হোৱাত

সুকীয়াকৈ ইংৰাজী বিভাগ সজোৱাৰ আশা ত্যাগ কৰি যি দুই-তিনিটা ইংৰাজী প্ৰবন্ধ-পাতি বাচনিত ৰ'ল তাক অসমীয়া বিভাগৰ মাজতে জাপি দিয়াৰ দিহা কৰা হ'ল।

আলোচনীখনিলৈ প্ৰবন্ধপাতি পঠোৱা সকলো ছাত্ৰ-ছাত্ৰীলৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ। ক্ষুদ্ৰ পৰিসৰৰ আলোচনীখনিত যি সকলৰ প্ৰবন্ধ-পাতি প্ৰকাশ কৰিব পৰা নগ'ল তেখেতসকলে যেন হতাশ হোৱাৰ পৰিবৰ্তে নতুন উদ্যমেৰে অবাৰিত গতিত সাহিত্য চৰ্চাত ব্ৰতী হয়--এয়ে কামনা।

আলোচনীখনত অনিচ্ছাকৃত দোষ যদি ৰৈ গৈছে, তাৰ কাৰণে আপোনালোক সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ।

কৃতজ্ঞতা স্বীকাৰ ঃ

আলোচনীখনিৰ সম্পাদনাৰ দায়িত্ব লৈ সন্মুখীন হোৱা সমস্যাসমূহ সুকলমে অতিক্ৰম কৰি যোৱাৰ ক্ষেত্ৰত প্ৰথমে মই আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা ছাত্ৰ একতা সভাৰ সভাপতি শ্ৰীযুত ভৰত চন্দ্ৰ মিশ্ৰ ভাগৱতীদেৱক কৃতজ্ঞতা জনাইছোঁ।

সংগৃহীত প্ৰবন্ধপাতি চকু ফুৰাই দিয়াৰ বাবে প্ৰবক্তা শ্ৰীযুত গোলোক ভূঞা, প্ৰবক্তা দিগন্ত গোহাঞি, প্ৰবক্তা প্ৰদীপ দত্ত, প্ৰবক্তা সঞ্চিতা চলিহালৈ শ্ৰদ্ধাৰে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। এই সুযোগতে সম্পাদনা সমিতিৰ সদস্য প্ৰবক্তা শ্ৰীযুত ৰিপুণ বৰা আৰু সম্পাদনা সমিতিৰ তত্বাৱধায়িকা অধ্যাপিকা শ্ৰীযুতা ৰীণা শৰ্মা বৰঠাকুৰক কৃতজ্ঞতা জনাইছোঁ। সকলো সময়তে মোক উপদেশ, নিৰ্দেশ আদি দি সম্পাদনাত সহায় আগবঢ়োৱা উপাধ্যক্ষ শ্ৰীযুত গজেন বৰুৱা আৰু প্ৰবক্তা শ্ৰীসোমনাথ চেলেংদেৱক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

সকলো সময়তে ছাঁৰ দৰে থাকি উল্লেখযোগ্য সহায়-সহযোগিতা আগবঢোৱা সম্পাদনা সমিতিৰ সদস্য তথা সাধাৰণ সম্পাদক শ্ৰীউৎপল মহন্ত আৰু শ্ৰীমতী অৱন্তী গোস্বামীক কোনো দিনেই পাহৰিব নোৱাৰিম। বেটুপাতৰ শিল্পী ভাইটি শ্ৰীদীলিপ বৰাক তেওঁৰ অপৰিসীম ত্যাগৰ বাবে কিদৰে কৃতজ্ঞতা জনাম মই ভাবি পোৱা নাই। ইয়াৰোপৰি প্ৰবন্ধপাতিসমূহৰ পাণ্ডুলিপি কৰি দিয়া সৰ্বশ্ৰী মামণি আয়েঙীয়া, ৰীণা ভূঞা, ধৰ্মেশ্বৰ বৰা--যি সকলৰ সহায় সদায়ে সেউজ হৈ ৰ'ব সেই সকলক এই চেগতে কৃতজ্ঞতা জনালোঁ।

ইয়াৰোপৰি প্ৰাক্তন আলোচনী সম্পাদক শ্ৰীযতীন ৰাজখোৱা, বন্ধুবৰ শ্ৰীকেশৱ নেওগ, ৰঞ্জন গোস্বামী, নিৰ্মল চাবুকধৰা, দিগন্ত গগৈ, পূৰ্ণকান্ত হাজৰিকা আদিৰ অনুপ্ৰেৰণাও মনত থাকিব। লগতে জয়শ্ৰী, মামণি, পুতলী, চন্দ্ৰা, তৰু, হীৰা--আদিকো এইখিনিতেই সুঁৱৰিছোঁ। আৰু সুঁৱৰিছোঁ যি কেইগৰাকী প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে সিবিলাকৰ বহুমূলীয়া লিখনী আগবঢ়ালে সেই সকলক।

আৱশ্যকীয় ফটো আদি লৈ সহায় আগবঢ়োৱা মোৰ সোদৰপ্ৰতীম 'নভেলটি ৰেডিঅ' এণ্ড ফটো হাউচ'ৰ শ্ৰীনাৰায়ণ বিশ্বাসৰ নথৈ শলাগ ললোঁ।

সদৌ শেষত জনতা প্ৰেছৰ স্বত্বাধিকাৰী শ্ৰীযুত বদন লহকৰ প্ৰমুখ্যে প্ৰেছৰ কৰ্মকৰ্তাবৃন্দলৈ আন্তৰিক ধন্যবাদ তথা শুভ ইচ্ছা জ্ঞাপন কৰিলোঁ।

শ্ৰীভুবন চন্দ্ৰ বৰা,
সম্পাদক, ১৯৮০-৮১ চন।

# অসমীয়া সাহিত্যলৈ ছয়দুৱাৰৰ আগৰৱালা পৰিয়ালৰ অৱদান

শ্ৰীচন্দ্ৰেশ্বৰ শৰ্মা,
২য় বাৰ্ষিক স্নাতক।

"Lives of great man all remind us
We can make our lives sublime
And, departing heaven behind us
Foot prints on the sands of time."

ভাৰতবৰ্ষ এখন পুৰণি দেশ। ভাৰতবৰ্ষৰ পূব দিশত অসম এখন সৰু প্ৰদেশ। অসমৰ মধ্য ভাগত দৰং জিলাৰ অন্তৰ্গত ছয়দুৱাৰ এটি বৃহৎ অঞ্চল। এই ছয়দুৱাৰ নামটোৰ উৎপত্তিৰো এটা প্ৰণিধানযোগ্য উপকথা প্ৰচলিত আছে। এই অঞ্চলৰ উত্তৰফালে থকা পাহাৰীয়া জন জাতি লোকসকলৰ লগত ভৈয়াম অঞ্চলৰ লোকসকলৰ এটা নিটোল সম্পৰ্ক গঢ়ি উঠিছিল। এই সম্প্ৰীতিৰ মূলতে বেহা-বেপাৰৰ সম্পৰ্কই প্ৰধান। এতিয়াৰ দৰে পূৰ্বতে তেওঁলোকৰ যাতায়তৰ বিশেষ পথ নাছিল। পাহাৰৰ পৰা ওলাই অহা নৈ বিলাকৰ মুখেদি তেওঁলোকে ভৈয়ামলৈ যাতায়ত কৰিছিল। এই অঞ্চলৰ ক্ৰমে চেঁচা, ছেংমৰা, সোলেঙ্গী, চত্ৰং, ব্ৰহ্মাজান আৰু বুৰৈ এই ছয়খন নৈৰ মুখবিলাকক দুৱাৰ আখ্যা দিয়া হৈছিল। বৰ্তমান পঞ্চায়ত প্ৰশাসন অনুসৰি বুৰৈ আৰু হাৰাজানৰ মাজৰ সীমিত অঞ্চলটোক ছয়দুৱাৰ বুলি ধৰা হৈছে। গহপুৰ, কলংপুৰ, ব্ৰহ্মাজান আৰু হেলেম এই চাৰিটা মৌজাৰ সমন্বয়ত এই অঞ্চলটো গঠিত।

যদিও ছয়দুৱাৰ অঞ্চলৰ নাম বুৰঞ্জীৰ পাতত পৰিব্যাপ্ত হোৱা নাই, তথাপি পুৰণি দ'ল-দেৱালয়, পুখুৰী-সৰোবৰ, নদ-নদীৰ লগতে বহুতো শ্বহীদ-বীৰ-বীৰাঙ্গনা আৰু কবি-সাহিত্যিকে ছয়দুৱাৰৰ নাম স্বৰ্ণাক্ষৰেৰে জিলিকাই ৰাখি থৈ গৈছে।

বৃটিছে অসমত ৰাজত্ব কৰাৰ সময়ত আগৰৱালা পৰিয়ালটো অসমলৈ আহিছিল বেহা-বেপাৰ কৰিবলৈ। তেওঁলোকৰ পূৰ্বপুৰুষ সকল আছিল ৰাজপুতনাৰ। তেওঁলোকে অসমৰ বিভিন্ন ঠাইত বেহা-বেপাৰৰ পাতনি মেলি শেষত দৰং জিলাৰ অন্তৰ্গত ব্ৰহ্মাজান মৌজাত নিগাজিকৈ থাকিবলৈ লয়। পৰবৰ্তী কালত বৈবাহিক সম্পৰ্ক আৰু শিক্ষা-সংস্কৃতি আদিৰ জৰিয়তে অসমীয়া সমাজৰ লগত অঙ্গীভূত হৈ পৰে। অসমীয়া সাহিত্যলৈ আগৰৱালা পৰিয়ালৰ বিশেষ দান আগবঢ়াইছিল যথাক্ৰমে—হৰিবিলাস আগৰৱালা, চন্দ্ৰকুমাৰ আগৰৱালা, আনন্দচন্দ্ৰ আগৰৱালা আৰু জ্যোতিপ্ৰসাদ আগৰৱালা।

অসমীয়া সাহিত্য সংস্কৃতিলৈ আগৰৱালা

পৰিয়ালৰ অৱদানৰ কথা আলোচনা কৰিবলৈ হলে পোনতেই নাম লব লাগিব হৰিবিলাস আগৰৱালাৰ। সাঁচিপাতৰ পুথিৰ পৰা সংগ্ৰহ কৰি শঙ্কৰদেৱৰ 'কীৰ্তন-ঘোষা'খনি তেওঁ ১৮৭৬ চনত ছপা কৰি উলিয়াই অসমীয়া সাহিত্যলৈ এক অপুৰুগীয়া অৱদান আগবঢ়ালে। তাৰপিছত গুৰুজনাৰ ভাগৱতৰ ভাওনি— দশম, একাদশ, আদি স্কন্ধ, ৰাম-বিজয় নাট, গুণ-মালা, ভটিমা, ভক্তিৰত্নাৱলী, বৰগীত আদিৰ উপৰিও দৈত্যাৰী ঠাকুৰৰ আৰু ৰমানন্দৰ গুৰুচৰিতো ছপা আখৰেৰে উলিয়ায়। অসমীয়া বৈষ্ণৱ সাহিত্য সংৰক্ষণ আৰু প্ৰকাশনৰ গধুৰ দায়িত্ব বহন কৰা হৰিবিলাস আগৰৱালাৰ নাম অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ পৰা কাহানিও মচ নাখাব।

তেজপুৰ মহকুমাৰ ব্ৰহ্মাজানত ১৮৬৭ চনত জন্ম গ্ৰহণ কৰা হৰিবিলাস আগৰৱালাৰ পুত্ৰ চন্দ্ৰকুমাৰে কলিকতাত স্কুলীয়া আৰু কলেজীয়া শিক্ষা লৈ বি-এ পৰীক্ষা নিদিয়াকৈ ব্যৱসায় আৰম্ভ কৰে। কিন্তু সেই সময়ত কলিকতাত লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামীৰ লগ লাগি ১৮৮৯ খ্ৰীষ্টাব্দৰ ভাদ মাহত অঃ ভাঃ উঃ সাঃ সভা গঠন কৰে আৰু সেই বছৰতেই মাঘ মাহত (১৮৮৯ খ্ৰীঃ) জোনাকী কাকত চন্দ্ৰকুমাৰৰ সম্পাদনাতেই প্ৰথমে প্ৰকাশ কৰে। অসমীয়া শক্তিশালী দল গঢ়ি তোলাৰ উদ্দেশ্য লৈ চন্দ্ৰকুমাৰে "আসাম প্ৰিন্টাৰ্ছ এণ্ড পাব্‌লিচাৰ্ছ" নামৰ এটা কোম্পানী প্ৰতিষ্ঠা কৰে। প্ৰকৃততে এই কোম্পানীটোৱে সেই সময়ত অসমীয়া লেখকসকলক বিশেষ সুবিধা দিব পাৰিছিল। ১৯১৮ চনত চন্দ্ৰকুমাৰ আগৰৱালাদেৱে নিজাকৈ এখন সাদিনীয়া বাতৰি কাকত উলিয়ায়। লাহে লাহে এই কাকতখন 'তিনিদিনীয়া' আৰু শেষত 'দৈনিক অসম' নামেৰে প্ৰকাশ পায়। গুৱাহাটীত চন্দ্ৰকুমাৰে 'নিউপ্ৰেছ' স্থাপন কৰি বাতৰি কাকত ছপাৰ সুবিধা কৰিছিল।

সাহিত্যিক প্ৰতিভাৰ ফালৰপৰা চন্দ্ৰকুমাৰ আগৰৱালাদেৱৰ অসমীয়া সাহিত্যত এখন সুকীয়া আসন আছে। তেওঁ অসমীয়া সাহিত্যত ৰোমান্টিক আৰু গীতি-কবিতাৰ প্ৰথম প্ৰৱৰ্তক। তেওঁৰ অগ্ৰৱৰ্তী কবিসকলে পাশ্চাত্যৰ আদৰ্শত ৰোমান্টিক কবিতা লিখিছিল যদিও, ৰোমান্টিক ভাৱ আদৰ্শই পূৰ্ণতা লাভ কৰিছিল তেওঁৰ 'বনকুঁৱৰী' নামৰ কবিতাটিতহে। এই কবিতাটি জোনাকী কাকতৰ ১ম বছৰ ১ম সংখ্যাত প্ৰকাশ হৈ অসমীয়া আধুনিক বা ৰোমান্টিক কবিতাৰ পাতনি মেলিছিল। জোনাকী যুগত অসমীয়া সাহিত্যৰ যি আন্দোলন আৰম্ভ হৈছিল, সেই আন্দোলনৰ গুৰি ধৰিছিল চন্দ্ৰকুমাৰে। অসমীয়া সাহিত্যৰ ৰোমান্টিক বা নৱন্যাস আন্দোলনৰ কথা কওঁতে ডিম্বেশ্বৰ নেওগদেৱে কৈছিল, "চন্দ্ৰকুমাৰ নিজেই এই আন্দোলনৰ ঘাই নেতা আছিল, আৰু তেওঁ ১৮৩৭ শকত গুটীয়া পুথিৰ আকাৰে উলিউৱা 'প্ৰতিমা'ৰ অনেক কবিতাত এই আন্দোলনৰ সাঁচ আছিল।"

চন্দ্ৰকুমাৰৰ প্ৰথম কবিতাৰ পুথি 'প্ৰতিমা'। ইয়াৰে কিছুমান কবিতা তেওঁৰ 'জোনাকী'ত প্ৰকাশ পাইছিল আৰু কিছুমান কবিতা তেওঁ পিছত লিখিছিল। বেজবৰুৱাৰ ভাষাত 'প্ৰতিমা'ক এইদৰে কৈছে— "প্ৰতিমাখন সৰু, কিন্তু নিভাঁজ সোণৰ।" তেওঁৰ ২য় খন কবিতাৰ পুথি হৈছে "বীণ-ব'ৰাগী"। এই পুথিখনৰ কবিতা প্ৰথমে "বাঁহী" কাকতৰ যোগেদি প্ৰকাশ হৈ ১৯২৩ চনত পুথিৰ আকাৰ লয়। যদিও চন্দ্ৰকুমাৰে দুখন কবিতাৰ পুথি ৰচনা কৰিছিল, তথাপি দুয়োখন পুথিৰ কবিতাতেই উচ্চ কবি-প্ৰতিভা পোৱা যায়। ইয়াৰ বিষয়বস্তু, দৰ্শনৰ গুৰু গাম্ভীৰ্য্য আৰু প্ৰকাশভঙ্গীত থকা লোকগীতৰ লয়লাস, দুয়োখন কবিতাত জনসাধাৰণৰ চিত্ৰ বিনোদক ৰূপে উচ্চ স্তৰলৈ উন্নীত হৈছে। তেওঁৰ কবিতাত মানৱপ্ৰেম অতি সুস্পষ্ট ঃ

"মানুহেই দেৱ মানুহেই সেৱ
মানুহ বিনে নাই কেৱ ;
কৰা কৰা পূজা পাদ্য অৰ্ঘ্য লই
জয় জয় মানৱদেৱ।"
(মানৱ-বন্দনা)

তাৰ উপৰি পুৰণিকলীয়া পৃথিৱীখনক ধ্বংস কৰি, সাম্য ভাৱেৰে নতুন সমাজ গঢ়াৰ এক বিৰাট আহ্বান তেওঁৰ কবিতাত দেখা যায় ঃ

"আঙুলি বোলাব জনা হলে আজি
বোলালোঁ হেতেন টানি।
হিমালয়ৰ চূড়া বুৰালোঁ হেতেন
উচালি কলীয়া পানী॥
পাপৰ মজিয়া নিয়ালোঁ হেতেন
অঠাই সাগৰৰ তল।
ব্ৰহ্মাণ্ডৰ চিন থাকিল হেতেন
মাথো সমুদ্ৰৰ জল॥"
(বীণ-ব'ৰাগী)

জোনাকী যুগৰ যি সকল কবিয়ে প্ৰকৃতিৰ মাজলৈ চেনেহৰ চুমা আৰু ৰূপৰ পৰশ বিচাৰি সৌন্দৰ্য্যৰ তৃষ্ণাত আকুল হৈ দৌৰি গৈছিল, সেই সকল কবিৰ ভিতৰত চন্দ্ৰকুমাৰেই সকলোতকৈ আগত কৃতকাৰ্য্যতা লাভ কৰিছিল। সমগ্ৰ পৃথিৱীত যেতিয়া ৰোমান্টিক ভাৱধাৰাই ছানি পেলাইছিল, তেতিয়া অসমীয়া সাহিত্যত "আদৰণিয়েই" প্ৰথম সাৰ্থক কবিতাৰ পুথি। তেওঁ ৰোমান্টিক কবিতাৰে পচুৰৈ সমাজৰ মাজত প্ৰেম-প্ৰীতিৰ পৰিচয় দিয়াৰ উপৰিও আশাবাদী মনেৰে নতুন পৃথিৱী এখন গঢ়াৰ সপোন দেখিছিল। তেওঁৰ দৃষ্টিত সত্য আৰু সৌন্দৰ্য্যৰ মাজত কোনো প্ৰভেদ নাছিল। তাৰ উপৰিও অতি ভৌতিক (Super natural) পৰিবেশৰ সাৰ্থক প্ৰয়োগ কৰি অসীম কবিত্ব শক্তিৰ পৰিচয় দিছিল। তেওঁ যি পৰিমাণৰ ভাবুক আছিল সেই পৰিমাণে শিল্পী নাছিল যেন লাগে। যি কি নহওঁক আধুনিক অসমীয়া ৰোমান্টিক সাহিত্যত চন্দ্ৰকুমাৰ এজন সাৰ্থক কবি।

অসমীয়া ৰোমান্টিক সাহিত্যত 'ভাঙনি কোঁৱৰ' নামে যি গৰাকী কবিৰ নাম সৰ্বজনখ্যাত, সেইজনা কবিয়েই হ'ল আনন্দচন্দ্ৰ আগৰৱালা। ৺কাশীৰাম আগৰৱালাৰ পুত্ৰ আনন্দচন্দ্ৰ আগৰৱালাই ১৮৭৪ চনত তেজপুৰ মহকুমাৰ ব্ৰহ্মাজানত জন্ম গ্ৰহণ কৰি, তেজপুৰ উচ্চ ইংৰাজী বিদ্যালয়ৰ পৰা এন্‌ট্ৰেন্স পৰীক্ষা পাছ কৰি কলিকতালৈ উচ্চ শিক্ষাৰ বাবে যায়। কলিকতাত তেওঁ এফ, এ, পঢ়ি শেষত তেওঁৰ পঢ়া আৰু নহ'ল। কাৰণ সেই সময়ত কলিকতাত অঃ ভাঃ উঃ সাঃ সভা, জোনাকী, বিজুলী, আদি কাকতৰ জন্ম হৈছিল। আনন্দচন্দ্ৰই এই কাকত কেইখনৰ উন্নতিৰ হকে ইমান মনোযোগ দিছিল যে, নিজৰ উদ্দেশ্যত প্ৰচুৰ বাধাপ্ৰাপ্ত হৈছিল। তাৰফলত তেওঁ পৰীক্ষা নিদিয়াকৈয়ে ঘৰলৈ উভতি আহিবলগা হ'ল। ঘৰলৈ উভতি আহি প্ৰথমে তেওঁ পুলিচ বিভাগৰ এটি সামান্য চাকৰিত সোমায় আৰু শেষত ঐকান্তিকভাৱে তেওঁ কাম কৰি পদোন্নতি হৈ পুলিচ চুপাৰিন্টেণ্ডেন্ট পদৰ পৰা অৱসৰ লয়। ১৯৪০ চনত এখেতৰ মৃত্যু হয়।

আনন্দচন্দ্ৰ আগৰৱালাদেৱে ছাত্ৰ অৱস্থাৰ পৰাই অসমীয়া সাহিত্য সেৱাত মনোযোগ দিয়ে। "ধৰ্ম সঙ্গীত" নামৰ এখন গীতৰ পুথি তেওঁ ছাত্ৰ অৱস্থাতে প্ৰকাশ কৰে। 'জিলিকনি' আগৰৱালাৰ কবিতা পুথি। অৱশ্যে তেওঁৰ সৰহভাগ কবিতাই ইংৰাজী কবিতাৰ ভাঙনি। তেখেতৰ মৌলিক কবিতাতকৈ ভাঙনি কবিতাহে বেছি মনোৰম। সেই কাৰণে অসমীয়া সাহিত্যৰ বুৰঞ্জীত তেখেত 'ভাঙনি কোঁৱৰ' নামে অমৰ হৈ আছে। তেখেত কৰুণাভিৰাম বৰুৱাৰ প্ৰথম অসমীয়া শিশু আলোচনী "লৰাবন্ধু"ৰ সহ সম্পাদক আছিল। তেওঁ ভাটি বয়সত আলোচনীবোৰত কিছুমান গৱেষণামূলক প্ৰবন্ধ লিখিছিল। নিজৰ কবিতাৰ ভিতৰত 'দেৱকন্যা মানৱী বেশেৰে', 'তই',

'প্ৰাণেশই', 'ফুল কোঁৱৰ' আদি লিখা কবিতা। পদুমণি, জনক জীয়াৰী বা সীতা আৰু সৰমা, আগৰৱালাদেৱৰ অপ্ৰকাশিত পুথি। আনন্দচন্দ্ৰ আগৰৱালাই মৌলিক কবিতা ৰচনা কৰিলেও প্ৰকৃততে অনুবাদ কৰাতহে সিদ্ধহস্ত আছিল। 'জীৱন সঙ্গীত' নামৰ কবিতাৰ জৰিয়তে তেখেতৰ ভাওনি তথা কবি প্ৰতিভা ফুটি উঠিছে। এই কবিতাটিৰ মূল হৈছে মাৰ্কিণ কবি লং ফেলোৰ "A psalm of life"। এই কবিতাটি তেখেতৰ স্কুলীয়া জীৱনৰ অনুবাদিত কবিতা। সঁচাকৈ এই ব্যক্তিজনে অসমীয়া ৰোমান্টিক সাহিত্যৰ ভঁৰাললৈ উচ্চ ভাৱধাৰাৰ কাব্য প্ৰতিভা দান দি গ'ল।

অসমৰ নাট্য সাহিত্যৰ শ্ৰেষ্ঠ নাট্যকাৰ, চিত্ৰকৰ, বিপ্লৱী, কবি-সাহিত্যিক ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্ম হৈছিল ১৯০৩ চনত, ডিব্ৰুগড়ৰ মদাৰখাট মৌজাৰ তামোলবাৰী চাহ বাগিছাত। তেওঁৰ পিতৃ ৺পৰমানন্দ আৰগৰালা আৰু মাতৃ কিৰণময়ী আগৰৱালা। তেওঁ শিৱসাগৰত স্কুলীয়া শিক্ষা লাভ কৰি ১৯২৬ চনত উচ্চ শিক্ষা ল'বৰ বাবে বিলাতলৈ যাত্ৰা কৰে। কিন্তু এম, এ, পৰীক্ষা সম্পূৰ্ণ নকৰাকৈয়ে বাৰ্লিনলৈ গুচি যায়। তেওঁ ১৯৩০ চনত আইন অমান্য আন্দোলনত আগশাৰীৰ ৰণুৱা হিচাবে ঠিয় হয়। সিদিনা তেওঁৰ ৰচিত "লুইতৰ পাৰৰে আমি ডেকা ল'ৰা মৰিবলৈ ভয় নাই" আদি গানেই আছিল অসমৰ স্বাধীনতা আন্দোলনৰ তীক্ষ্ণতম হাতিয়াৰ। ১৯৩২ চনত তেওঁ ১৫ মাহ সশ্ৰম কাৰাদণ্ডেৰে দণ্ডিত হয়। সেই সময়তেই তেওঁৰ স্বাস্থ্য ভাগি পৰে। তথাপি ১৯৪২ চনৰ আগষ্টৰ বিপ্লৱত তেওঁ আছিল মুখ্য নায়ক। কিন্তু অতি দুখৰ বিষয় যে এই মহান বিপ্লৱী গৰাকীক আমি অকালতে আমাৰ মাজৰ পৰা হেৰুৱালো।

অসমীয়া সাহিত্যলৈ জ্যোতিপ্ৰসাদ আগৰৱালাৰ অৱদানৰ বিষয়ে মন কৰিবলগীয়া। আগৰৱালাদেৱ নাট্যকাৰ, কবি, চিত্ৰকৰ, সঙ্গীতজ্ঞ আদি নামেৰে অসমীয়া সাহিত্যত সুবিখ্যাত। নাট্যকাৰ হিচাবে আগৰৱালাদেৱ ৰচিত নাটক কেইখন হ'ল 'শোণিত কুঁৱৰী', 'কাৰেঙৰ লিগিৰী', 'ৰূপালীম', 'লভিতা', 'নিমাতি কন্যা', 'জ্যোতিধাৰা' আদি। এই নাটকসমূহ সামাজিক পটভূমিত ৰচিত। ইয়াৰ ভিতৰত ৰূপালীম নাটকখনি প্ৰান্তদেশীয় জনজাতি লোকৰ সমাজক লৈ ৰচিত। এইখন নাটক তেওঁৰ নাটকৰাজিৰ ভিতৰতে শ্ৰেষ্ঠতম ৰচনা। তেওঁৰ প্ৰথম জীৱনত লিখিত নাটক হ'ল 'শোণিত কুঁৱৰী'। নাটকখনি অপেৰাধৰ্মী। তাৰ কাব্যিক আবেদনত লৌকিক সুৰবিশিষ্ট আৰু ৰাজকাৰেঙৰ বন্ধন মুক্তি পিয়াসী উষা-চিত্ৰলেখাৰ শিল্পীসত্বাৰ চিৰন্তন আকুতিত এই নাটকখনিৰ এক অপূৰ্ব লিৰিকেল অৱদান আছে। কিন্তু তাৰ পৰবৰ্তী নাটক "কাৰেঙৰ লিগিৰী" কেৱল তেওঁৰ সাৰ্থক ৰচনাই নহয়, অসমীয়া নাট্য সাহিত্যৰ শ্ৰেষ্ঠ সৃষ্টিও বুলিব পাৰি। 'কাৰেঙৰ লিগিৰী' আজিও অসমীয়া নাটকৰ মধ্যমণি হৈ আছে।

কবি হিচাবে জ্যোতিপ্ৰসাদৰ কবিতাৰ বলিষ্ঠ 'declamatory style' বা সোচ্চাৰ ভঙ্গী পঢ়িলে, বিদ্ৰোহী কবি নজৰুললৈ সততে মনত পৰে। যদিও পৰবৰ্তী জীৱনত তেওঁ কেইটামান অপূৰ্ব লিৰিক লিখিছিল তথাপি তেওঁৰ যৌৱনৰ কবিতাসমূহত সংগ্ৰামী চেতনাৰ সাৰ্থক প্ৰতিধ্বনি আছে। অসমীয়া ল'ৰাৰ উক্তি বা নও জোৱানী হিন্দ আদি কবিতাৰ আবৃত্তিমুখী আবেগ এতিয়াও দুনিৰ্বাৰ। তেখেতৰ কবিতাত আছে যন্ত্ৰযুগৰ সম্বৰ্দ্ধনা ঃ

"মই যন্ত্ৰ যুগৰ মোহন মন্ত্ৰ লম
মন বিমানত ময়েই সাৰথি হ'ম ;
বিজুলী ৰথৰ মহাৰথী মই
জীৱনৰ ৰণজিৎ

ৰচিম নতুন মানৰ তন্ত্র
বিজ্ঞান স্বৰ্গ জিৎ
জ্ঞানৰ ইন্দ্ৰজিৎ।”

তেওঁ আছিল বিভিন্ন জাতি-উপজাতিৰ ভিতৰত সাম্য আৰু সমন্বয়ৰ উদ্গাতা। আনহাতে নিজে চাহ বাগিচাৰ মালিক হৈয়ো তেওঁৰ কবিতাত শ্ৰমিকৰ জয়গান গালে—

“সাম্য মৈত্ৰীৰ ময়ে ৰণুৱা।
চাহ বাগিচাৰ ময়েই বনুৱা।”

কোনো কোনো কবিতাত অসমৰ অপূৰ্ব নিসৰ্গ বৰ্ণনা কৰিবলৈ গৈ দেশৰ ৰূপটি বিশ্ব-মানৱৰ মানসপটত অপূৰ্ব মাধুৰ্য্যেৰে চিত্ৰিত কৰি তুলিছে।

“লুইতৰ ৰূপালী বালিতে মই—
জোনাকত বালি ভাত খাই,
সোৱণশিৰীয়া সোণ দিনৌ কমাওঁ।”

অসমৰ শ্ৰেষ্ঠ চিত্ৰকৰ, শিল্পীমনৰ আগৰৱালাদেৱে প্ৰথমে ‘জয়মতী’ চিত্ৰনাট্য ৰচনা কৰে। তেজপুৰ মহকুমাৰ কলংপুৰ মৌজাৰ ভোলাগুৰি চাহ বাগিচাত এই অভিনয় ডে-লাইট ষ্টুডিঅ’ তেওঁ সাজে। তাৰ নাম ৰাখে ‘চিত্ৰবন’। তাতেই এটা লেবৰেটৰী স্থাপন কৰে। চিত্ৰবন সেই সময়ৰ তীৰ্থক্ষেত্ৰ। দূৰ-দূৰণিৰ পৰা হাজাৰ হাজাৰ মানুহ তাত জুম বান্ধিছিল। গুৱাহাটীৰ অদূৰত যিদিনা বৰ্হিঃদৃশ্য গ্ৰহণ কৰা হ’ল, সিদিনা প্ৰায় দহ হেজাৰ মানুহৰ সমাগম হৈছিল, আৰু কেমেৰাৰ আগত অসমৰ তদানিন্তন জনপ্ৰিয় নেতা তৰুণৰাম ফুকনে অসমীয়া নাচ নাচি প্ৰথমে শিল্পীসকলক উৎসাহিত কৰিছিল। কলিকতাত ১৯৩৫ চনত প্ৰথম ‘জয়মতী’ কথাছবি প্ৰদৰ্শন কৰা হয়। এই ছবিখন কৰিবলৈ গৈ জ্যোতিপ্ৰসাদ প্ৰায় সৰ্বশ্ৰান্ত হয়। যি অপৰিমেয় ঐশ্বৰ্য্যৰে অসমৰ সাংস্কৃতিক ভাণ্ডাৰ তেখেতে পূৰ্ণ কৰি গ’ল, সেয়া সুঁৰৰি অসমৰ ঘৰে ঘৰে ল’ৰা-ছোৱালীয়ে এতিয়াও গুণগুণাই অশ্ৰুসজল গানটি—

“লুইতৰে পানী যাবি অ’ বই—”

সঙ্গীতজ্ঞ হিচাবে আগৰৱালা অসমীয়া সাহিত্যত বিখ্যাত। জ্যোতিপ্ৰসাদে গানৰ সুৰৰ মাজেদি অসমীয়া সঙ্গীতৰ এক নতুন দিগবলয় ৰচনা কৰিছিল। তেওঁ আছিল আপোচহীন সংগ্ৰামী আৰু এই বাণীয়েই তেওঁৰ গানৰ মাজেদি প্ৰকাশিত হৈছে—

“মুকুতি মেধৰ মহান মেজিৰ
নেজাল ফিৰিঙতি চাই,
পুৰোহিতো যদি থিতাতে আঁতৰি
ত্ৰাসতে মূৰ্চ্ছা যায়।
আমি আগেবাঢ়ি ডিঙি পাতি প তি
তেজেৰে বলিশাল যামে বোলাই।”

অজ্ঞাত অসমীয়া লোক-সঙ্গীতৰ পুনৰুদ্ধাৰৰ প্ৰথম পথ প্ৰদৰ্শক আছিল জ্যোতিপ্ৰসাদ। আই-নাম, বিয়ানাম, বিহুনাম, টোকাৰী গীত আদি অসমীয়া লোক-সঙ্গীতক নাগৰিক মঞ্চত উপস্থিত কৰি তদানিন্তন শিক্ষিত সমাজত তেওঁ এক যুগান্তৰ আনিছিল। প্ৰাচ্য আৰু পাশ্চাত্যৰ বাদ্য-যন্ত্ৰেৰে তেওঁ এটি ‘অৰ্কেষ্ট্ৰা’ও তৈয়াৰ কৰিছিল। অসমত তেৰেঁই প্ৰথম Thematic music সৃষ্টি কৰে।

তেওঁৰ দ্বাৰা ৰচিত কিছুমান কাব্য ওলোৱাৰ বাটত থাকিল। সেই কাব্যসমূহ হ’ল—জ্যোতি-ৰামায়ণ, জ্যোতিৰ সাতসৰী (চুটি গল্প), জ্যোতি-সঙ্গীত আৰু জয়মতী নাটক, চন্দ্ৰ কুমাৰৰ জীৱনী, লুইতৰ পাৰৰ অগ্নিসুৰ, (কবিতা পুথি), সংস্কৃতিৰ পূজাৰী। সুন্দৰৰ পূজাৰী জ্যোতিপ্ৰসাদ আগৰ-ৱালাদেৱে ভাষণ, সাহিত্য, সংস্কৃতিৰ যি অৰিহণা দি গ’ল তাৰবাবে আমি সকলো অসমীয়াই এই মহান শিল্পী গৰাকীৰ ওচৰত চিৰকৃতজ্ঞ হৈ থাকিব লাগিব।

অসমীয়া ৰোমান্টিক সাহিত্যত ছয়দুৱাৰৰ আগৰৱালা পৰিয়ালৰ অৱদান সঁচাকৈ অতি

চিৰস্মৰণীয়। যি দেশৰ মানুহে নিজকেই চিনি নাপায়, যি দেশত মানুহে শষ্য-শ্যামলা অসম ভূমিত থাকিও দুবেলা দুমুঠি খাব নোৱাৰে, যি দেশৰ মানুহে ভাষা সাহিত্য কি তাক বুজি নাপায়, তেনে এখন দেশত ৰাজপুতনাৰ পৰা আহি অসমীয়া সমাজ সংস্কৃতিৰ লগত মিলি নতুন এক সাহিত্যবাজিৰ চল বোৱালে, চন্দ্ৰকুমাৰ, আনন্দচন্দ্ৰ, জ্যোতিপ্ৰসাদে এই আগৰৱালা পৰিয়ালে।

বৰ্তমান অসম দেশৰ সাহিত্য, ভাষা আদি ইতিহাসৰ বুকু ফালি বহুতো কবি-সাহিত্যিকে উদ্ধাৰ কৰিছে। বৰ্তমান অসমীয়া ভাষাৰ এক জয় জয় ময় ময় অৱস্থা। এনে অৱস্থাত অসমীয়া লোকে নিজকে অসমীয়া বুলি পৰিচয় দিব পাৰিছে। অসমীয়াৰ আজি বল, বুদ্ধি, তেজ আছে, ভাষা-সাহিত্য আছে আৰু নিজা ব্যাকৰণ আছে। এই অসমীয়া লাচিতৰ দেশৰ মানুহ, যি লাচিতক মোগলৰ সেনাপতি ৰামসিংহই শত শত বাৰ চালাম জনাই গৈছে। এই অসমৰেই চন্দ্ৰকুমাৰ, আনন্দচন্দ্ৰ আৰু জ্যোতিপ্ৰসাদে তেওঁলোকৰ বহুমুখী প্ৰতিভাৰে অসমক ধন্য কৰি সাহিত্যৰ নতুন এক সুদূৰপ্ৰসাৰী দিগবলয় ৰচনা কৰি থৈ গৈছে। ০০০

"The highest of all poetry is the ethical as the highest of all subjects must be moral truth".

(—বাইৰণ)

# আমাৰ শিক্ষা সংকট

প্ৰদীপ দত্ত,
প্ৰবক্তা, শিক্ষা বিভাগ।

এইটো সৰ্বজনস্বীকৃত যে শিক্ষাৰ অবিহনে এটা জাতি বা এখন দেশ সভ্যতাৰ ক্ৰমোন্নতিৰ পথত অগ্ৰসৰ হ'ব নোৱাৰে। যি দেশেই শিক্ষাৰ ক্ষেত্ৰত আগবাঢ়ি যাব, সেই দেশেই মানৱ-সমাজৰ নেতৃত্ব ল'ব আৰু পৃথিবীৰ ভবিষ্যত নিৰূপণ কৰিব। কিন্তু আজি ভাৰতবৰ্ষৰ শিক্ষা-ব্যৱস্থা এক গভীৰ সঙ্কটৰ সন্মুখীন হৈছে। স্বাধীনতা লাভ কৰাৰ ৩৪ বছৰৰ পাছতো দেশৰ শতকৰা ৭০ ভাগ মানুহ নিৰক্ষৰ। শিক্ষাৰ মানদণ্ড দিনে দিনে নিম্নগামী হৈছে। তথাকথিত শিক্ষাৰে শিক্ষিত হৈ বেছিভাগেই বেকাৰ জীৱন ল'বলগীয়া হৈছে। ইতিমধ্যে শিক্ষাক দেশৰ উপযোগী কৰি গঢ় দিয়াৰ উদ্দেশ্যে বিভিন্ন শিক্ষা আয়োগ গঠন কৰা হ'ল। বহু পৃষ্ঠাজোৰা প্ৰতিবেদন আয়োগসমূহে দাখিল কৰিলে। কিন্তু আমি য'তে আছিলো ত'তেই থাকিলো। সমস্যাৰ সমাধানৰ ক্ষেত্ৰত এখোজো আগবঢ়া নহ'ল।

ভুল শিক্ষানীতি, শিক্ষাৰ ব্যয়বাহুল্য, পাঠ্যপুথিৰ অভাৱ, নিম্নমান আৰু চৰা দৰ, ভাল স্কুলঘৰ, খেলপথাৰ, ছাত্ৰাবাস, অন্যান্য সা-সজুলিৰ অভাৱ, ভুল পৰীক্ষা পদ্ধতি, বৈজ্ঞানিক শিক্ষাৰ অভাৱ, উচ্চ শিক্ষাৰ বেলিকা সমাজৰ আঢ্যৱন্ত অংশটোৰ ফালে শ্ৰেণীগত পক্ষপাতিত্ব, সৰহভাগ শিক্ষকৰ কাৰণে জীৱিকাৰ নিম্নমান—এইবোৰ অজস্ৰ সমস্যাৰে আমাৰ দেশৰ শিক্ষাব্যৱস্থা জৰ্জৰিত। বস্তুনিষ্ঠভাৱে বিশ্লেষণ কৰি নাচালে শিক্ষাৰ এই ব্যৰ্থতাৰ কাৰণ বুজা টান।

শ্ৰেণী-বিভক্ত সমাজত সকলো নীতি নিৰ্দ্ধাৰিত হয় ধনিক শ্ৰেণী আৰু তেওঁলোকৰ বিশ্বস্ত সেৱক-সকলৰ স্বাৰ্থত। শিক্ষাৰ দৰে এটা গুৰুত্বপূৰ্ণ বিষয়তো ইয়াৰ ব্যতিক্ৰম নঘটে। জনসাধাৰণক শিক্ষিত কৰি লোৱা মানেই চৰকাৰে নিজৰ বিপদ নিজে চপাই লোৱা। কাৰণ বৰ্তমান শিক্ষা ব্যৱস্থাৰে শিক্ষিত হোৱাজনে চলিত সমাজ-ব্যৱস্থাৰ পৰিবৰ্তন নিবিচাৰিলেও তেওঁৰ অৱস্থাৰ পৰিবৰ্তন নিশ্চয় বিচাৰিব। ই মানুহক আন্দোলনমুখী কৰাত সহায় কৰিব। সেই কাৰণেই চৰকাৰে সামগ্ৰিকভাৱে জনসাধাৰণ শিক্ষিত হৈ উঠাটো নিবিচাৰে। দেশৰ বেছিভাগ শিক্ষানুষ্ঠান প্ৰথমে ৰাইজেহে আৰম্ভ কৰে চৰকাৰে নহয়। দেশৰ জটিলতা বজাই ৰাখিবলৈ কিছু আমোলাৰ প্ৰয়োজন। কম সংখ্যক শিক্ষিত লোকক চম্ভালি ৰখাটো চৰকাৰৰ পক্ষে টান নহয়। সেয়ে চৰকাৰে 'আমোলা' তৈয়াৰ কৰাতহে বেছি মন দিয়ে।

বৃটিছ ব্যৱসায়ী কোম্পানীয়ে ৰাজদণ্ড হাতত লোৱাৰ পৰা আমাৰ দেশত শিক্ষা বিস্তাৰৰ কোনো প্ৰচেষ্টাই হাতত লোৱা নাছিল। গোলামী অন্ত পৰাৰ সময়ত ভাৰতৰ স্বাক্ষৰ লোকৰ পৰিসংখ্যা আছিল শতকৰা দহভাগৰো কম। ভাৰতত ইংৰাজৰ শিক্ষানীতি দৰাচলতে উপনিবেশীয় শাসন-শোষণৰ ঠেক প্ৰয়োজনৰ দ্বাৰা সীমিত হৈ আছিল। প্ৰশাসন চলোৱাৰ বাবে কেৰাণী-মহৰী কিছুমান

আৰু কল-কাৰখানা চলোৱাৰ বাবে কমসংখ্যক দক্ষ শ্ৰমিক তৈয়াৰ কৰাই সিহঁতৰ উদ্দেশ্য আছিল। ততোধিক শিক্ষাৰ বিস্তাৰে বিপদহে সৃষ্টি কৰিব বুলি সাম্ৰাজ্যবাদীহঁতে ধৰি লৈছিল। প্ৰভাৱশালী ভাৰতীয়সকলৰ কাৰণে উচ্চ শিক্ষাৰ কেইটামান কেন্দ্ৰ স্থাপন কৰাটো নিজা শাসনক সংহত কৰা আৰু উচ্চ অংশৰ আস্থা অৰ্জনৰ কাৰণে প্ৰয়োজনীয় আছিল।

স্বাধীনতাৰ পাছত সাৰ্বজনীন প্ৰাথমিক শিক্ষা প্ৰৱৰ্তন নোহোৱাৰ গুৰিতে আছে ঐতিহাসিক আৰু শ্ৰেণীগত কাৰণ। ১৯৫১ চনত ভাৰতৰ স্বাক্ষৰ লোকৰ অনুপাত আছিল ১৬·৬৭%, ১৯৬১ চচত ২৪·০২% আৰু ১৯৭১ চনত ২৯·৪৫%। প্ৰথম পৰিকল্পনাত প্ৰাথমিক শিক্ষাত খৰচ হয় শিক্ষা বাজেটৰ ৫৬ শতাংশ, দ্বিতীয় পৰিকল্পনাত ১৩ শতাংশ, তৃতীয় পৰিকল্পনাত ৩০ শতাংশ আৰু চতুৰ্থ পৰিকল্পনাত ২৪·৫ শতাংশ। মূল বাজেটৰ শতকৰা ১০ ভাগ খৰচ কৰাৰ দাবী চৰকাৰে আজিও মানি লোৱা নাই। আনহাতে প্ৰতিৰক্ষাৰ নামত শ শ কোটি টকা খৰচ কৰা হৈছে। ভাৰতীয় মহিলা আৰু বেছি নিৰক্ষৰতাৰ কবলত। মাত্ৰ ১৩%। তাৰোপৰি মহিলা স্বাক্ষৰৰ শতকৰা ১৩ ভাগৰ সৰ্বাধিক হৈছে চহৰৰ মহিলা। নাৰী প্ৰগতিৰ ঢাক-ঢোলৰ শব্দ সঘনে শুনা যায় যদিও সেইবিলাক নাৰী স্বাধীনতাৰ মাৰফৎ দিয়া ৰেহাই (Concession) বুলিহে ক'ব পাৰি। এতিয়াও নাৰী সন্তান উৎপাদনৰ যন্ত্ৰ হিচাবে স্বীকৃতি পাই আছে। ছোৱালীৰ শিক্ষা সংক্ৰান্তত মাক-বাপেকৰ এটা চিন্তাই গা কৰি উঠে, যাতে এজন শিক্ষিত চাকৰিয়াল পাত্ৰত ছোৱালীজনী সোনকালে গটাব পাৰে। গট লগাৰ পাছত বেছিভাগেই পাকঘৰত ডাইল ঘুটিব লাগে। এই চিন্তাৰ উত্তৰ হৈছে প্ৰচলিত সমাজ তথা শিক্ষা ব্যৱস্থাৰ পৰা।

অকটোবৰ বিপ্লৱৰ সময়ত ছোভিয়েত ৰাচিয়াৰ ৭৫ শতাংশ লোকেই আছিল নিৰক্ষৰ। কেইবা দশক আগতেই ছোভিয়েত ৰাচিয়াই নিৰক্ষৰতা সম্পূৰ্ণৰূপে নিৰ্মূল কৰিছে। পৃথিৱীৰ ভিতৰতে সৰ্বাধিক জনসংখ্যাৰ দেশ চীনত নিৰক্ষৰতা সমূলি নাই। আজি সমগ্ৰ পৃথিৱীৰে চক্ষু চীনৰ সাফল্যৰ ওপৰত। সদ্যমুক্ত ভিয়েতনামে কেইবছৰমানৰ ভিতৰতে নিৰক্ষৰতা দূৰ কৰাত সফল হৈছে। আনহাতে দীৰ্ঘদিন ধৰি ঔপনিবেশিক শাসনাধীনৰ পাছত সদ্য স্বাধীন হোৱা দেশবোৰ (ভাৰতসহ এচিয়া, আফ্ৰিকা, লেটিন আমেৰিকাৰ দেশবিলাক) প্ৰকৃত বা বৈজ্ঞানিক সমাজতন্ত্ৰৰ পদত অগ্ৰসৰ হোৱা নাই আৰু এই দেশবিলাকতেই নিৰক্ষৰতা বিৰাজমান।

আমাৰ দেশত জমিদাৰতন্ত্ৰৰ সৈতে আপোচ কৰি বুৰ্জোৱা শ্ৰেণীয়ে ৰাষ্ট্ৰক্ষমতা দখল কৰি আছে। এই ৰক্ষণশীল শ্ৰেণীয়ে জাতীয় শিক্ষানীতিক শ্ৰেণী-স্বাৰ্থৰ শৃংখলেৰে বান্ধি ৰাখিছে। সংবিধানৰ নিৰ্দেশ ইয়াৰ তুলনাত নগণ্য। দেশৰ শতকৰা ৮০ ভাগ মানুহ গাঁৱত বাস কৰে। বৰ্তমানে গ্ৰাম্য অৰ্থনীতিৰ মুমুৰ্ষ অৱস্থা। গৰীব মানুহৰ সন্তানে লিখা-পঢ়া শিকাৰ আগ্ৰহ থকা স্বত্বেও শিক্ষা জীৱন পৰিচালনা কৰিবলৈ সক্ষম নহয়। এক কথাত ক'বলৈ গলে নিৰক্ষৰতা এক ৰাজনৈতিক ব্যাধি হিচাবে দেখা দিছে। ৰাজনৈতিক সংগ্ৰামৰ বাহিৰে ইয়াৰ কোনো চিকিৎসা নাই। অন্যান্য গণতান্ত্ৰিক অধিকাৰৰ নিচিনাকৈ শিক্ষাৰ অধিকাৰকো যুদ্ধ কৰিয়েই আদায় কৰিব লাগিব।

আজিৰ শিক্ষাব্যৱস্থাত ডক্টৰেট ডিগ্ৰী লৈ, ডাক্তৰী, ইঞ্জিনীয়াৰিং ইত্যাদি তথাকথিত উচ্চমানৰ শিক্ষা লৈও লাখ লাখ যুবক বেকাৰ হৈ আছে। বৰ্তমান ভাৰতৰ প্ৰায় ৮২ লাখ শিক্ষিত নিবনুৱাৰ ভিতৰত ১৩ লাখতকৈও বেছি স্নাতক ২ লাখতকৈয়ো অধিক ইঞ্জিনীয়াৰিং স্নাতক আৰু প্ৰায় ১৫০০০ জনতকৈও অধিক ডাক্তৰ। আন-আনহাতে প্ৰতি ২০০০০ হেজাৰ মানুহৰ ভিতৰত

খুউব কমেহে ১ জন ডাক্তৰ আছে। কিছু ঠাইত ৫০০০০ হেজাৰৰ ভিতৰত এজনেই ডাক্তৰ। শিক্ষিত অশিক্ষিত মিলি আজি ভাৰতৰ বেকাৰৰ সংখ্যা কোটিৰ বহু ওপৰত। নিয়োগ বিনিময় কেন্দ্ৰত নাম ভৰ্তি নকৰাসকলক ধৰাই নাই। চৰকাৰী হিচাব মতে অসমতো বিশ লাখৰ ওপৰ নিবনুৱা। অসমৰ শিক্ষিত নিবনুৱাসকলে 'আসাম ট্ৰিবিউন'ৰ ২ নং পৃষ্ঠাৰ সৈতে সংগ্ৰামহে চলায় কিন্তু সমস্যাৰ সমাধান নহয়।

আমাৰ দেশ কৃষিপ্ৰধান দেশ। দেশৰ কৰ্মৰত জনসংখ্যাৰ প্ৰায় ৭০ শতাংশ কৃষিত নিয়োজিত হৈ আছে। কিন্তু কৃষকসকলৰ বেছিভাগৰে অৱস্থা অতি শোচনীয়। তেওঁলোকে অৰ্দ্ধাহাৰে অনাহাৰে দিন কটাবলগীয়া হৈছে। চৰকাৰী হিচাব মতেই ৪৮·১৩ শতাংশ লোক দৰিদ্ৰ সীমাৰেখাৰ তলত অৰ্থাৎ মাহিলী আয় ৬৫ টকাৰ কম। ইয়াৰ মূল কাৰণ খেতিয়কৰ বেছিভাগৰে মাটি নাই। তেওঁলোকৰ শ্ৰমেৰে মহাজনৰ ভঁৰালহে শুৱনি হৈছে। আধুনিক পদ্ধতিত ক্ষুদ্ৰ খেতিয়কে খেতি কৰিব নোৱাৰে। সেয়ে দেশৰ জনসাধাৰণক প্ৰকৃত কৰ্মসংস্থান দিবলৈ প্ৰথমে ভূমিসংস্কাৰ কৰিব লাগিব। আনহাতে শিল্পোদ্যোগৰ বিকাশ নহলেও চাকৰি বাঢ়িব নোৱাৰে। শিল্পদ্যোগৰ বিকাশৰ বাবে পুঁজিৰ প্ৰয়োজন। কিন্তু বৰ্তমানে ভাৰতবৰ্ষৰ ৰাহি পুঁজি গ্ৰাস কৰে, আমেৰিকা, ইংলণ্ড, জাৰ্মানী, -জাপান, ফ্ৰান্স, ইতালি আদি দেশৰ বিদেশী পুঁজি-পতিবোৰে। তেওঁলোকে ইচ্ছামতে বস্তুৰ দাম বঢ়ায়। চৰকাৰে বেছি বাধা দিব নোৱাৰে কাৰণ বিদেশৰ ওচৰত হাজাৰ কোটি হিচাবত ধাৰ বিচাৰিব লাগে। বৰ্তমান ভাৰতবৰ্ষৰ দৰব-ব্যৱসায়ৰ শতকৰা ৮০ ভাগ, চাহশিল্পৰ ৪০ শতাংশ, তেল শিল্পৰ এক বুজন অংশ, প্ৰসাধন সামগ্ৰী, জুইশলা আদি শিল্প বিদেশী কোম্পানীৰ হাতত আছে বুলি ক'ব পাৰি। ইফালে জনসাধাৰণৰ ক্ৰয়-ক্ষমতা দিনে দিনে কমি গৈছে। সেয়ে ছাত্ৰ-ছাত্ৰীসকলে শিক্ষাৰ শেষত চাকৰি পোৱাৰ সমস্যা সমাধান হবলৈ হলে দেশৰ জনসাধাৰণৰ সমস্যা সমাধান হ'ব লাগিব।

আজি পৃথিবীৰ উন্নত পুঁজিবাদী দেশবোৰতো নিবনুৱা সমস্যাই গভীৰ ৰূপ ধাৰণ কৰিছে। ইংলণ্ডত বৰ্তমানে হৈ থকা সাম্প্ৰদায়িক অশান্তি নিবনুৱা সমস্যাৰে বহিপ্ৰকাশ। কাৰণ সেই দেশত কাম কৰিব পৰা মানুহৰ ১১·৮ শতাংশ বা ২৮ লাখেই আজি নিবনুৱা। মাৰ্কিণ যুক্তৰাজ্যত যোৱা অকটোবৰ মাহলৈকে কৰ্ম সংস্থানহীনতাৰ গড় হাৰ হ'ল মুঠ শ্ৰম শক্তিৰ শতকৰা ৭·৬ অৰ্থাৎ প্ৰায় ৮ নিযুতৰো অধিক। ১৯৮০ চনৰ নবেম্বৰত চৰকাৰী হিচাবমতে জাপানৰ সৰ্বমুঠ নিবনুৱাৰ সংখ্যা হৈছে ১,১৩০,০০০ জন। কানাডাত মুঠ শ্ৰমশক্তিৰ ৭·৫% অংশ হৈছে কৰ্মসংস্থান-হীন। আন দেশবিলাকত যোৱা বছৰলৈকে নিবনুৱা বৃদ্ধিৰ শতকৰা হাৰ হ'ল পশ্চিম জাৰ্মানী ১৬·৬ শতাংশ, ফ্ৰান্স ৭·১ শতাংশ, ইতালি ৮ শতাংশ, নেদাৰলেণ্ড ৩৪ শতাংশ, বেলজিয়াম ১৪·৪ শতাংশ, ডেনমাৰ্ক ৫০ শতাংশ। অনুন্নত দেশবোৰত এই সমস্যা আৰু ভায়বহ হৈ পৰাটো স্বাভাবিক। আনহাতে চীন, কিউবা, ভিয়েতনাম আদি নতুনকৈ স্বাধীন হোৱা সমাজতান্ত্ৰিক দেশ-সমূহে নিবনুৱা সমস্যা প্ৰায় আঁতৰ কৰিছে। ছোভিয়েত ৰাচিয়াত ১৯৩১ চনতে কৰ্মহীনতা নাইকিয়া হৈছে। মুঠৰ ওপৰত নিবনুৱা সমস্যা ধনবাদী সমাজ ব্যৱস্থাৰে অবদান। যিমানেই নিবনুৱা বাঢ়ে তিমানেই বনুৱাৰ মজুৰী বা দৰমহা কমোৱা বা তেওঁলোকৰ নিৰাপত্তা দুৰ্বল কৰি ৰখাত সহায়ক হয়।

মগজুৰ বহিঃস্ৰোত (Brain drain) আমাৰ দেশৰ উচ্চ শিক্ষাৰ এক গভীৰ সংকট। ই দেশৰ গতি ৰুদ্ধ কৰে। প্ৰতি বছৰে শ শ দক্ষ বৈজ্ঞানিক, ডাক্তৰ আৰু আন উচ্চশিক্ষিত ব্যক্তি চাকৰি, গবেষণাৰ স্কলাৰশ্বিপ আদি লৈ বিদেশলৈ গুচি

যায়। আমাৰ দেশৰ খৰচেৰে তেওঁলোক শিক্ষিত হয়। আন দেশে তেওঁলোকক বিনা খৰচেৰে পায়। এসময়ত নিগ্ৰো ক্ৰীতদাস ক্ৰয় কৰি আমেৰিকাই নিজৰ অৰ্থনীতিৰ প্ৰসাৰ সফল কৰিছিল। আজিৰ এই বিদেশী প্ৰতিভা আমদানী সেই দাস ব্যৱস্থাৰে নতুন সংস্কৰণ। হৰগোবিন্দ খোৰানাই আমাৰ দেশৰ পৰা নবেল বঁটা পোৱা নাছিল।

বিদেশী ডিগ্ৰীৰ প্ৰতি থকা অন্ধ মোহেও উচ্চ শিক্ষাৰ ক্ষেত্ৰত সমস্যা সৃষ্টি কৰিছে। বৰ্তমানে বহু চিকিৎসকৰ নামৰ পাছত F.A.C.S., M.R.C.S., M.R.C.P. আদি বহু দীঘলীয়া খিতাপী দেখা যায়। সেইবিলাকৰ বেছিভাগেই সাধাৰণতে ফেলোশ্বিপ বা মেম্বাৰশ্বিপৰ খিতাপী। তেওঁলোকে সেই 'নিচুকণি বঁটাবোৰৰ' সলনি লণ্ডন, গ্লাচগো আদি বিশ্ববিদ্যালয়ে দিয়া M.D., M.S. আদি ডিগ্ৰী পাব নোৱাৰে কিয়? নতুন দৰব বা নতুন চিকিৎসা পদ্ধতি ভাৰতবৰ্ষত খুউব কমেই ওলাইছে। ডাঙৰ উদ্যোগ বহুওৱাৰ ক্ষেত্ৰতো বিদেশী বিশেষজ্ঞৰ সহায় ল'ব লগা হয়। ইয়াৰ ঘাই কাৰণ কাৰো মনত Adventurous Spirit নাই। নাম কিনিব পৰাটোহে মূল কথা। আনহাতে যিসকলে নিজৰ জ্ঞানক প্ৰকৃতাৰ্থত প্ৰয়োগ কৰিবৰ বাবেই সোমায় তেওঁলোকে উপযুক্ত পৰিবেশ নাপায়। ইঞ্জিনীয়াৰ এজনে যদি এজাপ ফাইল, এদ'ম পেঞ্চিল আৰু এমখা বিলৰ মাজতে দিন কটাব লাগে তেওঁৰ জ্ঞান কেনেদৰে বিকশিত হ'ব? তাৰোপৰি অসততাৰ এক কদৰ্য মেৰজাল আছেই। আমাৰ দেশত সংস্কৃতত এম, এ, পাছ কৰি ফিচাৰী ডিপাৰ্টমেন্টৰ কেৰাণী হৈছে, সাহিত্যৰ ছাত্ৰই বেঙ্কত হিচাব-নিকাচ কৰি দিন কটাইছে।

বৰ্তমানৰ যুব মানসিকতায়েও শিক্ষাৰ দিশত এক গভীৰ সঙ্কটৰ সৃষ্টি কৰিছে। পৰীক্ষাত নকলৰ পাদুৰ্ভাৱ, নকল কৰিব নিদিয়া শিক্ষকক মাৰপিট কৰা, ভয় দেখুওৱা, মদ-ভাং-জুৱাৰ সংমিশ্ৰণ, সাজ-পোছাকত অত্যধিক সময় খৰচ, সস্তীয়া হিন্দী চিনেমাৰ দৰে আমোদ-প্ৰমোদ আদিয়ে ছাত্ৰ-সমাজক দিনে দিনে কদৰ্যতাৰ মাজলৈ ঠেলি দিছে। এনে অৱস্থা বহুদিন চলি থাকিলে দেশ এক গভীৰ সমস্যাৰ সন্মুখীন হ'ব। কিন্তু ছাত্ৰ সমাজৰ এই বিকৃত ৰুচিবোধৰ কাৰণে আমি তেওঁলোকৰ ওপৰতে সম্পূৰ্ণ দোষাৰোপ কৰি বহি থাকিব নোৱাৰো। ইংৰাজী শিক্ষা ব্যৱস্থাই শিক্ষিত সকলক জনগণৰ পৰা আঁতৰাই ৰাখিছিল। আজিকালি 'বাবু'সকলৰ ল'ৰা-ছোৱালীক সাধাৰণ স্কুলত বাধ্যত পৰিহে পঢ়ুৱা হয়। পাব্লিক স্কুল, কনভেন্ট স্কুল আদিত ওপৰ মহলাৰ ল'ৰা-ছোৱালীয়ে যি শিক্ষা পায় আৰু তাৰ মাজেদি জীৱনৰ যি মূল্যবোধ আহৰণ কৰে বা যি ৰুচি-বোধ মজ্জাগত হয় সি নিশ্চয় সাধাৰণ মানুহৰ জীৱনবোধ বা ৰুচিৰ পৰা বেলেগ। শাসন আৰু শোষণ যন্ত্ৰৰ কাৰণে এনে মানসিকতা উপযোগী। চাহ শিল্প আৰু ব্যক্তিগত মালিকানাৰ আন উদ্যোগত আজিও চাহাবী পোছাক, আদাব-কায়দা আদি ডাঙৰ চাকৰিৰ ভাল মাপকাঠি।

বৰ্তমানৰ পৰীক্ষা পদ্ধতিয়েও ছাত্ৰ সমাজক বিকৃত কৰিছে। এইকথা আজি সকলোৰে মুখে মুখে যে বৰ্তমান পৰীক্ষা পদ্ধতি এক প্ৰহসনত পৰিণত হৈছে। বেছিভাগ পৰীক্ষাই ছাত্ৰৰ যোগ্যতা সঠিকৰূপত জুখিব নোৱাৰে। ৩০% নম্বৰ পাবলৈ ছাত্ৰৰ সকলো জনাৰ কোনো প্ৰয়োজন নাই। নম্বৰ বেছি পালেই যিহেতু 'মাৰ্কা' ভালদৰে পৰে তেনে ক্ষেত্ৰত বিভিন্ন উপায়ৰ কথা চিন্তা কৰা হয়। নকলৰ কথা ইতিমধ্যে কোৱা হৈছেই। টেপ ৰেকৰ্ডাৰৰ দৰে আজিৰ বেছিভাগ ছাত্ৰই স্মৃতিশক্তিৰ ওপৰত বেছি জোৰ দিয়ে। ভিতৰত কি আছে চিন্তা নকৰে। আনহাতে পাঠ্যপুথিত যি শিক্ষা পায় বাহিৰৰ সমাজৰ লগত কোনো মিল নাথাকে। ই ছাত্ৰ-ছাত্ৰীৰ মনত অন্তৰ্দ্বন্দ্বৰ

সৃষ্টি কৰে আৰু পাঠ্যপুথিৰ প্ৰতি আগ্ৰহ কমায়। মূঠৰ ওপৰত আজিৰ পৰীক্ষা জ্ঞানৰ পৰীক্ষা নহয়।

ওপৰৰ আলোচনাৰ পৰা দেখা গ'ল যে এনে-এবুৰি সমস্যাৰে আমাৰ দেশৰ শিক্ষা-ব্যৱস্থা জৰ্জৰিত। শিক্ষা আজি পণ্যত পৰিণত হৈছে। দাম বেছি দিলেই 'ভাল শিক্ষা' কিনিব পাৰি। ডক্টৰেট ডিগ্ৰী পৰ্য্যন্ত আজিকালি কিনিবলৈ পোৱা যায়। অলপতে তামিলনাডুৰ মুখ্যমন্ত্ৰী এম-জি ৰামচন্দ্ৰনে ১০০ ডলাৰ খৰচ কৰি 'দি ৱৰ্ল্ড ইউনি-ভাৰছিটি'ৰ পৰা ডক্টৰেট ডিগ্ৰী কিনাৰ খবৰ ইতিমধ্যে প্ৰকাশ হৈছে। দেশৰ উন্নতি নিৰ্ভৰ কৰে প্ৰধানকৈ শ্ৰম শক্তিৰ ওপৰত। সেয়ে আমি শ্ৰম আৰু কাৰিকৰী শিক্ষা আমাৰ শিক্ষা ব্যৱস্থাৰ প্ৰধান অঙ্গ কৰিব লাগিব। ই এইটো নুবুজায় যে শিক্ষাৰ আন দিশক আমি সম্পূৰ্ণ বাদ দিম। শিক্ষা হ'ল জীৱন আৰু শ্ৰমৰ বিভিন্ন সমস্যা সমাধানৰ লগত জড়িত এক কাৰ্য্য। সেয়ে আমি ভাৱবাদী দৃষ্টিভঙ্গী নিৰ্মূল কৰি বাস্তৱবাদী দৃষ্টিভঙ্গী গ্ৰহণ কৰিব লাগিব। বিজ্ঞান, প্ৰযুক্তি বিদ্যা, গণিত আদিৰ প্ৰতি বেছি জোৰ দিব লাগিব। এই জ্ঞান আহৰণ কৰিবলৈ যাওঁতে যি আলৈ-আহকাল ভোগ কৰা হয় তাক আঁতৰাব লাগিব। পৰিবেশ নাথাকিলে পৰিবেশ সৃষ্টি কৰিব লাগিব। মূঠৰ ওপৰত শিক্ষা হ'ব লাগিব সকলোৰে বাবে আৰু শিক্ষাৰ শেষত কামৰ অধিকাৰ হ'ব লাগিব সাংবিধানিক অধিকাৰ। ০০০

> "সাহিত্যিকৰ নিজৰ ভাৱাবেগক ৰূপ দিয়াৰ বাহিৰে আন কোনো উদ্দেশ্য নাই বুলি যদি কোৱা হয়, তেন্তে সাহিত্যিকৰ নিজা সৃষ্টিৰ মাজতে পৰস্পৰ বৈষম্য উপস্থিত হ'ব।"
>
> —ত্ৰৈলোক্যনাথ গোস্বামী।

# অসমীয়া শব্দ-ভঁৰাললৈ অনাৰ্য্য ভাষা গোষ্ঠীৰ বৰঙণি

শ্ৰীভূপেন্দ্ৰ নাথ মিশ্ৰ,
২য় বাৰ্ষিক স্নাতক (কলা)।

ভাষাৰ মূল শব্দ। শব্দ সম্ভাৰৰ ওপৰতেই ভাষাৰ প্ৰকাশিকা শক্তি নিৰ্ভৰ কৰে। যি ভাষাৰ শব্দ-সম্ভাৰ চহকী বা টনকিয়াল, সেই ভাষাৰ প্ৰকাশিকা শক্তিও বেছি। এই ক্ষেত্ৰত আমাৰ অসমীয়া ভাষাও দুখীয়া বুলি ক'ব নোৱাৰোঁ। অসমীয়া শব্দ ভঁৰালো বিভিন্ন উৎসৰ পৰা অহা শব্দৰাজিৰে সমৃদ্ধ। এই ক্ষেত্ৰত অনাৰ্য্য ভাষা-গোষ্ঠীৰ শব্দৰ বৰঙণিও লেখত লবগীয়া। উক্ত প্ৰবন্ধত আন আন উৎসবোৰৰ বিষয়ে আলোচনা নকৰি কেৱল অনাৰ্য্য ভাষাৰপৰা অহা শব্দাৱলীৰ আলোচনা এটি থূল-মূলভাবে আগবঢ়াবলৈ চেষ্টা কৰা হৈছে।

বিভিন্ন অনাৰ্য্য ভাষা-গোষ্ঠীৰ ভাষাৰপৰা সাংস্কৃতিক লেন-দেনৰ ফলতে আমাৰ ভাষাত এই শব্দবোৰ সোমাইছে। ডঃ কাকতিয়ে এইবোৰক দেশজ শব্দৰ ভিতৰত ধৰিছে। অনাৰ্য্য ভাষাৰ ভিতৰত অষ্ট্ৰিক ভাষা পৰিয়াল আৰু চীন-তিব্বতীয় ভাষা পৰিয়ালৰ ভাষাৰ শব্দই প্ৰধান। অৱশ্যে এই ভাষা পৰিয়ালৰ সন্ততি ভাষাবোৰৰ বিজ্ঞানসন্মত বিস্তৃত অধ্যয়ন নোহোৱা পৰ্য্যন্ত সঠিককৈ কোৱা টান যে অমুক শব্দটো অমুক ভাষাৰ পৰা আহিছে। ডঃ কাকতিদেৱেও অৱশ্যে তেখেতৰ গৱেষণামূলক গ্ৰন্থত তেনেকৈ কোৱা নাই। কেৱল আলোচনাৰ দিশ এটিহে নিৰ্দেশ কৰিছে। অনাৰ্য্য বুলি তালিকাভুক্ত কৰা কিছুমান শব্দক আৰ্য্য ভাষাৰ সৈতেও নিঃসন্দেহে সাঙুৰিব পৰা যায়। উদাহৰণস্বৰূপে 'হুল' শব্দটো মালয় 'হুলট' শব্দৰ লগত, 'গাব' আৰু 'চিকৰা' শব্দ দুটাক চাওঁতালী 'গব' আৰু 'চিকুৰৰ' লগত সম্বন্ধিত ৰূপে দেখুওৱা হৈছে।

কিন্তু হুল শব্দটে. সংস্কৃত 'শূল' শব্দৰ পৰা অহা একো অযুক্তিকৰ নহয়। তুলনা—শূলয়তি > হুলই (অপভ্ৰংশ) তেনেদৰে 'গাব' শব্দটো আহিছে সংস্কৃত 'গৰ্ভ' শব্দৰ পৰা। কোংকণি ভাষাত ইয়াক হুবহু ৰূপে পোৱা গৈছে। (Katre, S.M. Formation of Konkani ] চিকৰা শব্দটো নেপালী ভাষাত চিৰকট ৰূপে পোৱা গৈছে। [Dr. Jurner : Nepali Dictionary] কামৰূপীত 'চিকৰাঠ' হৈছে। [কামৰূপী = কামৰূপী উপভাষা] এইদৰে অনুসন্ধানৰ ফলত আন বহুতো শব্দ আন ভাষাৰ পৰা অহা বুলি হয়তো প্ৰমাণিত হব পাৰে। গতিকে আলোচ্য বিষয় বিবাদমান নকৰি যিবিলাক শব্দ অনাৰ্য্য ভাষাৰ পৰা অহা বুলি সামৰা হৈছে, তেনে কিছুমান শব্দৰ উদাহৰণৰে উক্ত প্ৰবন্ধৰ বিষয়বস্তুৰ আলোচনাত আগবঢ়া হ'ল।

সাধাৰণতঃ কোনো ভাষাৰ শব্দমালা বুলিলে সেই ভাষাৰ ঠাই, নদী আদিৰ নামো সোমাই পৰে। এই ক্ষেত্ৰত অনাৰ্য্য ভাষাৰ দানো নগণ্য নহয়। সেয়েহে ইয়াত ঠাই আৰু নৈ বুজোৱা শব্দও উল্লেখ কৰা হৈছে।

প্ৰাচীন কালত বিভিন্ন সময়ত অসমলৈ অহা

জনজাতীয় লোকসকলৰ ভিতৰত অষ্ট্ৰিকভাষী লোকসকলকে প্ৰাচীনতম বুলি ধৰা হয়। অসমীয়া শব্দ ভঁৰাললৈ এওঁলোকৰ অৰিহণা নিচেই কম নহয়। ভাষাতত্ত্ববিদ সকলে অষ্ট্ৰিকভাষীসকলক দুটা প্ৰধান ভাগত ভাগ কৰিছে। তাৰ ভিতৰত অষ্ট্ৰ-এছিয়াটিক এটা মুখ্য ভাগ। এই শাখাৰ অন্তৰ্গত খাছীয়া, কোল, মুণ্ডাৰী আৰু চাওঁতালী আদি ভাষাৰ প্ৰভাৱ আমাৰ ভাষাত পৰিছে।

অষ্ট্ৰিক ভাষীসকল ঘাইকৈ পৰ্বতত বাস কৰিছিল। অসমীয়া ভাষাত পৰ্বত বুজোৱা আৰু পৰ্বতৰ লগত সম্বন্ধ থকা পাহাৰ, টিলা, টিং, মৈদাম, টিপ শব্দ সমূহেই প্ৰমাণ কৰে। কিয়নো এই শব্দবোৰ অষ্ট্ৰিকৰ পৰা অহা। ডঃ কাকতিয়ে প্ৰাগজ্যোতিষপুৰ (পাহাৰীয়া ঠাই), 'হাৰুপেশ্বৰ' (পৰ্বতেৰে ঢাক খাই থকা) তেজপুৰ (সাপৰ ঠাই) কামৰূপ-কামাখ্যা (পাহাৰত থকা ঠাই, শ্মশানৰ লগত সম্বন্ধ) আদি নাম মূলতে অষ্ট্ৰিকৰ বুলি দেখুৱাইছে। স্থান নিৰ্দেশক ত, -তে, -তেক, -তিৰা, -ত্যেক, অষ্ট্ৰিক প্ৰত্যাংশৰে অসমৰ বহু ঠাইৰ নামকৰণ হৈছে। যেনে—চামতা, বকতা, ধৰমতুল, চাপতগ্ৰাম ইত্যাদি। ব্ৰহ্মপুত্ৰৰ অন্যতম নাম 'লুইত' ডঃ কাকতিৰ মতে লাত তু শব্দৰ পৰা উৎপত্তি হৈছে। পানী বুজোৱা -হো, -হোং, -ওং, -তয়, -তিহু, -দু আদি প্ৰত্যয়েৰে অসমৰ বহুতো নদীৰ নাম হৈছে। যেনে—তিহু, তিপাস, তিয়ক, দিহাং, দিবং, বদতি, তিৰাণ ইত্যাদি। গণনা বোধক 'কুৰি', পোন' 'গণ্ডা' অষ্ট্ৰিক সকলৰ দান। তেনেদৰে 'নাঙ্গল' (কৃষিৰ সঁজুলি) 'নাঙ্গল' শব্দটো অষ্ট্ৰিকৰ পৰা অহা [পছিলস্কি]।

অসমীয়া জন সমাজৰ তামোল-পানৰ ব্যৱহাৰৰ বিষয়ে নকলেও হব। এই তামোল (বস্তু বিশেষ) শব্দও অষ্ট্ৰিকৰ পৰা অহা। ইয়াৰোপৰি জহা, (ধান) কল, বেঙেনা, লাউ, হালধি, আদা আদি বিভিন্ন বস্তুক নিৰ্দেশ কৰা শব্দবোৰ অষ্ট্ৰিকৰ। গজ, মাতঙ্গ, হাতী, মেথোন, গাহৰি (ভুৰা), কেৰ্কেটুৱা, জহামল (জহামাল), হেপা, কুকুৰ নেচীয়া, ঢেকীয়াপতিয়া, নাহৰ ফুটুকী, লতা ফুটুকী, ৰাং-কুকুৰ, টিয়া, কাম, কপৌ আদি জীৱ-জন্তু আৰু চৰাই বুজোৱা বহুত শব্দ আমাৰ ভাষাত সোমাইছে। কেঁদো, কুমজেলেকুৰা, তেজপিয়া, চিকৰা, উঁই আদিও তেওঁলোকেই দিয়া নাম।

পানীৰ লগত সম্বন্ধ থকা 'নাদোৰ' আৰু 'উটা' (toflɔat) অষ্ট্ৰিকৰ পৰাই আহিছে। বাঁহৰ লগত সম্বন্ধ থকা শব্দ কঁটাল, জপা, জেং, টোপা (পাচি) টোকোলা, বাও (খৰাহি পাচিৰ) আদিও তেওঁলোকৰ নামকৰণ। আতা, আবু, বোপাই, আই, ককাই, বাই, বেটি আদি সম্বন্ধবাচক, চেলা-উৰি, কাষলতি, গেৰোহা, (ভৰিৰ), কোঙ্গা, টেলেকা, চেলেপু, চফল আদি শৰীৰৰ অঙ্গ বুজুৱা অথবা তাৰ লগত সম্বন্ধ থকা শব্দ অষ্ট্ৰিকৰ। অসমীয়া বৈষ্ণৱ গীতত পোৱা 'জুনা' শব্দটো অষ্ট্ৰিকৰ।

ডঃ কাকতিয়ে 'কায়স্থ' আৰু 'লিঙ্গ' শব্দটো অষ্ট্ৰিকৰ বুলি অনুমান কৰে। ইয়াৰোপৰি সিজু, চেঙা, সাঁফৰ, দলং, হাবি, বগা, বুটল, গোহাৰি, এৰা, লাটুম, টোপ প্ৰভৃতি অসমীয়া ভাষাত ব্যৱহাৰ হোৱা ভালেমান শব্দ অষ্ট্ৰিকৰ পৰা আহিছে।

দ্ৰাবিৰ ভাষাগোষ্ঠীৰ পৰা সংস্কৃতলৈ বহু শব্দ আহিছে। তাৰে কিছুমান উত্তৰাধিকাৰী সূত্ৰে অসমীয়া ভাষাইও লাভ কৰিছে। যেনে—অগুৰু, অনল, অলস, কটু, কঠিন, কানন, কুটিল, কুটি (ঘৰ), কুণ্ডল, কুণ্ড, কোটোৰা, খল (দুষ্ট) ঘুন (ঘুনগুৰি) তুলা (কপাহ), নীৰ, পণ, মহিলা, মল্লিকা, মুৰজ (বাদ্যযন্ত্ৰ), শৰ ইত্যাদি। জুলি থকা (শব্দৰ শেষাংশত) যেনে—ঢেকীয়াজুলি, ৰংজুলি, আদি শব্দবোৰক দ্ৰাবিড় বুলি পণ্ডিতসকলে অনুমান কৰে।

তিব্বত বৰ্মী ভাষাৰ ওচৰতো অসমীয়া ভাষা বিশেষভাবে ঋণী। পানী বুজুৱা দি-ডি শব্দৰে গঠিত শব্দবোৰ এই গোষ্ঠীৰ (বড়ো) ভাষাৰ পৰা অহা। যেনে—দিখৌ, দিচাং, দিহিং, দিবং, ভোগদৈ, মঙ্গলদৈ (নদী নিৰ্দেশক শব্দ) ইত্যাদি।

ঠাইৰ নাম বুজোৱা হাজো, বিহামপুৰ, হামক, ডিছপুৰ আদি শব্দও এওঁলোকৰ বুলি ধৰা হৈছে। অসমীয়া তিৰোতাৰ ব্যৱহাৰ্য্য 'ৰিহা' আৰু 'মেখেলা' তিব্বত-বৰ্মী সকলৰ দান। [ৰূপনাথ ব্ৰহ্মদেৱৰ মতে 'ৰিহা' শব্দটো বড়ো ভাষাৰ শব্দ] 'চাং' শব্দটো বড়ো ভাষাৰপৰা অহা [চাং = ডেকা চাং-কমৰং তিব্বত-বৰ্মী ভাষী সকলৰ এক বিশেষ সামাজিক অনুষ্ঠান]।

ইয়াৰ বাহিৰে আন কিছুমান শব্দ যেনে—লফা, ঢেকীয়া, ফটিকা, লাওপানী, জৰকা (জাবৰ গোটোৱা সঁজুলি) হাফলু, বোন্দা, শিলিখা, ডাউক, হেঙাৰ, হোজা, জোং, জখলা, হাওঁফাওঁ আদি তিব্বত-বৰ্মী ভাষাৰ শব্দ। শব্দৰ বাহিৰেও ক্ৰিয়া-পদ আৰু প্ৰত্যয়ও গ্ৰহণ কৰা হৈছে। যেনে—চেলেকা, চেকুৰ, চেপ, ৰেপ, গচক, গবামাৰ, আদি (ক্ৰিয়াপদ), পেলম, লেহম, দহেচীয়া, কেৰে-চীয়া আদি শব্দ [তিব্বত-বৰ্মী (বড়ো) প্ৰত্যয়ৰ সংযোগত] অসমীয়াত গঢ়ি উঠিছে।

আহোম ভাষাৰ কিছুমান শব্দ হ'ল ঃ খাং, পুং, পাং, ফাং, ফাউ, জান, জিন, বুৰঞ্জী, কাৰেং, ৰংঘৰ, লাং (লাংখাই পৰ্ব), মিট (দা), লিকচৌ, টুপ (ঘৰৰ আগভাগ) ফাঁই (খৰং) চকলং আদি শব্দ ; সম্বন্ধবাচক শব্দ নিচাদেও (মাক-বাপেকৰ ককায়েক), এনাইদেউ (মাকৰ মাক), পুখাও (ককাক) আপুটি (বোপাই, বোপা) আদি আহোম সকলৰ মাজত প্ৰচলিত শব্দ আহোম ভাষাৰ। [আহোম জাতি আৰু সংস্কৃতি, লীলা গগৈ]। বিষয়া বা উপাধিসূচক কিছুমান আহোমসকলৰ মাজত প্ৰচলিত শব্দ আমাৰ ভাষাত ব্যৱহাৰ কৰা হয় আৰু এইবোৰে আজিও অসমীয়া মানুহক অন্য প্ৰান্তৰ মানুহৰপৰা পৃথক কৰি ৰাখিছে। বিষয়-বাব নাই যদিও অসমীয়া মানুহে বৰ-গোঁহাঞি, বুঢ়াগোঁহাঞি, বৰবৰুৱা, বৰফুকন (ফুকন), বৰবৰা, বৰকাকতী, বৰদলৈ, তামুলী, গগৈ, বৰুৱা, হাজৰিকা, শইকীয়া, ৰাজখোৱা, কাকতী, কটকী, নেওগ আদি উপাধি ধাৰণ ব্যৱ-হাৰ কৰি আছে।

'অসম আৰু অসমীয়া' শব্দ দুটাও আহোম অৱদানৰ ওপৰত প্ৰতিষ্ঠিত। [ডঃ কাকতিয়ে অসম শব্দৰ মূল টাই ছাম বুলি যুক্তি আগ-বঢ়াইছে]। 'টি' বা 'তি' আগত থকা স্থানবাচক শব্দবোৰ আহোম ভাষাৰ বুলি কোৱা হৈছে। এনে কিছুমান শব্দ হ'ল—টিয়ক, তিপাম, টিৰাপ, টিংখং আদি [আহোম জাতি আৰু সংস্কৃতি, লীলা গগৈ]।

নামযুক্ত ঠাই আৰু নদীৰ নামসমূহ আহোম ভাষাৰ যোগেদিয়েই হৈছে। ['নাম' শব্দই আহোম ভাষাত পানী বুজায়] নামতি [নমাতি] নামৰূপ, নামচাং, নামদাং, নামজিন ইত্যাদি।

এইদৰে দেখা যায় যে যদিও অসমীয়া ভাষাৰ মূল প্ৰবাহৰ ধাৰা আৰ্য্য ভাষা সম্ভূত তথাপি ইয়াত অনাৰ্য্য ভাষাগোষ্ঠীৰ অন্তৰ্গত বিভিন্ন ভাষাৰ নানা উপাদানেৰে অসমীয়া শব্দ ভঁৰাল চহকী হৈছে। সাধাৰণতঃ জীৱন্ত ভাষাক বোৱতী নদীৰ লগত তুলনা কৰা হয়। বিভিন্ন দিশৰপৰা বাগৰি অহা বাৰিধাৰাৰ সংযোগত সাগৰ অভিমুখে বৈ যোৱা নদী যেনেকৈ শক্তিশালী হয়, সেইদৰে অষ্ট্ৰিক, তিব্বত-বৰ্মী আদি ভাষাৰ সন্মিলনত অসমীয়া ভাষাৰ দিনক দিনে ঐশ্বৰ্য্য আৰু বৈচিত্ৰ্য বাঢ়িছে। ০০০

---

বিঃদ্রঃ—প্ৰবন্ধটি প্ৰস্তুত কৰাৰ ক্ষেত্ৰত 'ভাষা বিজ্ঞান' ডঃ উপেন্দ্ৰনাথ গোস্বামী ; 'অসমীয়া ভাষা আৰু সংস্কৃতি', ডঃ বিৰিঞ্চিকুমাৰ বৰুৱা ; ডঃ কাকতি 'Assamese : Its formation and Development' সাহিত্যৰ ইতিবৃত্ত, ডঃ সত্যেন্দ্ৰনাথ শৰ্মা, আহোম জাতি আৰু সংস্কৃতি ঃ লীলা গগৈ ; গ্ৰন্থ কেইখনক সহায় হিচাবে লোৱা হৈছে।

# কংগ্ৰেছ কৰ্মী ৺হেমচন্দ্ৰ বৰুৱা

শ্ৰীবিমল কুমাৰ গোঁহাই,
২য় বাৰ্ষিক প্ৰাক্ বিশ্ববিদ্যালয়

কংগ্ৰেছ কৰ্মী ত্যাগবীৰ ৺হেমচন্দ্ৰ বৰুৱাৰ জীৱনৰ আদৰ্শ আছিল কংগ্ৰেছ অনুষ্ঠান ; জীৱনৰ ব্ৰত আছিল দেশৰ স্বাধীনতা আৰু জনসাধাৰণৰ কল্যাণ সাধন। পৃথিবীৰ পুৰণি শৃংখলা, পুৰণি ৰাষ্ট্ৰ আৰু সমাজ ব্যৱস্থা ভাঙি চূৰমাৰ কৰি নতুন শৃংখলা, নতুন সমাজ, নতুন ৰাষ্ট্ৰ, নতুন পৃথিবী গঢ়ি তোলাৰ কথাকেই তেখেতে সদায় ভাবিছিল। তেখেত ভাৰতৰ স্বাধীনতা যুদ্ধৰ এজন অন্যতম প্ৰধান সৈনিক আছিল।

১৮১৫ শকাব্দৰ বহাগ মাহৰ ১২ তাৰিখ সোমবাৰে তেজপুৰ জাহাজঘাটৰ ওচৰত স্বৰ্গীয় গোৱাল চন্দ্ৰ বৰুৱাৰ ঔৰসত, স্বৰ্গীয় পদ্মাৱতী বৰুৱাৰ গৰ্ভত ত্যাগবীৰ ৺হেমচন্দ্ৰ বৰুৱাদেৱৰ জন্ম হৈছিল। এখেতসকলৰ আগৰ ঘৰ আছিল নগাঁৱৰ ৰহাত। পিছে এখেতৰ পিতৃদেৱে তেজপুৰত চাকৰি কৰা কাৰণেই তাতেই স্থায়ী ঘৰ এখন কৰি লয়। বৰুৱাদেৱৰ ছাত্ৰ জীৱনো বৈচিত্ৰ্যময়। তেখেত অসমীয়া, ইংৰাজী সাহিত্যত আৰু ইতিহাসত অতি পাকৈত ছাত্ৰ আছিল। কিন্তু অঙ্ক বিষয়ত তেখেতৰ প্ৰতিভা প্ৰকাশ পোৱা নাছিল। একমাত্ৰ অঙ্কৰ কাৰণেই বৰুৱাদেৱ তিনিবাৰ মেট্ৰিকুলেশ্যন পৰীক্ষাত উত্তীৰ্ণ হব নোৱাৰিলে। তথাপি বৰুৱাদেৱৰ মনৰ বল নাইকীয়া হোৱা নাছিল। শেষত চতুৰ্থবাৰ ককাইদেৱ শ্ৰীযুত ক্ষীৰ বৰুৱাৰ লগত থাকি বৰপেটাৰ পৰা ১৯১৫ চনত মেট্ৰিকুলেশ্যন পৰীক্ষা পাছ কৰে। ১৯১৯ চনত ইংৰাজীত অনাৰ্চৰ সৈতে কটন কলেজৰ পৰা বি, এ পাছ কৰি আৰ্ল ল কলেজত আইন পঢ়িবলৈ আৰম্ভ কৰে। কিন্তু ১৯২৫ চনতহে কলিকতাৰ পৰা বি, এল পৰীক্ষা পাছ কৰে।

কলেজীয়া ছাত্ৰ জীৱনত সদায় বৰুৱাদেৱে ছাত্ৰসকলৰ নেতৃত্ব কৰিছিল। ১৯১৮ চনত তেখেত কটন কলেজৰ য়ুনিয়ন চেক্ৰেটাৰী আৰু ১৯১৮ চনত গোলাঘাট অধিবেশনত অসম ছাত্ৰ সন্মিলনৰ সম্পাদক নিৰ্বাচিত হৈছিল। সেই সময়ত ৺বৰুৱাদেৱ, ৺চন্দ্ৰনাথ শৰ্মা, ৺লক্ষ্মীধৰ শৰ্মা, ৺অমিয় কুমাৰ দাস প্ৰভৃতিৰ চেষ্টাত অসম ছাত্ৰ সন্মিলনে এক বিশেষ ৰূপ ধাৰণ কৰিছিল। আৰু এই সভাৰ জৰিয়তে খোলা "হেমচন্দ্ৰ সোঁৱৰণী গ্ৰন্থাৱলী"ৰ পৰা 'ৰেংগানৰ সাধুকথা', 'ৰহস্য কাহিনী' আদি কিতাপ প্ৰকাশ হৈছিল। বৰুৱাদেৱ তাৰ সম্পাদক আছিল। বৰুৱাদেৱে ছাত্ৰ অৱস্থাৰ পৰা নিজে ভালদৰে ভাবি-চিন্তি নোচোৱাকৈ কোনো কাম কৰা নাছিল। ১৯২০ চনৰ ছাত্ৰ আন্দোলনৰ সময়ত তেখেতে কলেজ বৰ্জন কৰা নাছিল। পিছে ১৯২১ চনতহে তেখেত কলেজ বৰ্জন কৰিলে। সেই সময়ত অসহযোগ আন্দোলন পৰিচালনা কাৰ্য্যত বৰুৱাদেৱ অগ্ৰণী আছিল আৰু কংগ্ৰেছে ডাঙি ধৰা তালিকামতে সহকৰ্মী সকলৰ সৈতে গাঁৱে-ভূঁৱে সোমাই কানি, ভাং, মদ, চিগাৰেট এৰি স্বদেশী আদৰ্শ গ্ৰহণ কৰি অস্পৃশ্যতা বৰ্জন কৰি

দেশৰ কল্যাণ সাধিবলৈ বুজিনি দি ফুৰিছিল। ১৯২১ চনৰ ডিচেম্বৰ মাহত বৰুৱাদেৱৰ ১১ মাহ সশ্রম কাৰাদণ্ড হৈছিল। জেইল কর্তৃপক্ষই তেখেতৰ হতুৱাই অতি কঠোৰ কামবোৰ কৰাইছিল। সময় পূর্ণ হোৱাত জেইলৰ পৰা ওলাই আহি বৰুৱাদেৱ ১৯২২ চনত অস্থায়ীভাবে কাম চলাবলৈ সেই বিষম অৱস্থাত 'অসম প্রাদেশিক কমিটি'ৰ সম্পাদক নির্বাচিত হয়।

অসহযোগ আন্দোলনৰ পিছত কংগ্রেছকর্মী সকলক কংগ্রেছৰ কাম চলোৱা আৰু নিজৰ অন্ন-বস্ত্র সমস্যাৰ চিন্তাই বিব্রত কৰি তুলিছিল। অসমত এই সমস্যা বেছি জটিল আছিল। বৰুৱাদেৱ আৰু ৺অমিয় কুমাৰ দাসে ১৯২২ চনৰপৰা ১৯২৪ চনলৈ উজান বজাৰত এখন গেলামালৰ দোকান কৰি কংগ্রেছৰ কাম চলাইছিল। কিন্তু দোকানৰ কামত মন দিব নোৱাৰাৰ বাবে লোক-চান ভৰি শেষত ৺বৰুৱাৰ গুৱাহাটী নগৰৰ মাটি টুকুৰাও মহাজনৰ হাতলৈ গ'ল। ১৯২৩ চনত ৰহা কোকনদ কংগ্রেছত তেখেতসকল দুয়ো চাহৰ দোকান দি আৰু কেইখনমান এড়ি-মুগাৰ কাপোৰ বেচি হলেও যোগ দিছিল।

৺হেমচন্দ্ৰ বৰুৱা এজন সুনিপুণ বাগ্মী পুৰুষ আছিল। তেওঁৰ প্রত্যেকটো কথাই শ্ৰোতাবৰ্গক অনুপ্রাণিত কৰি তুলিছিল। সকলো আলোচনাক ৰসাল কৰি তুলিব পৰা ক্ষমতা বৰুৱাদেৱৰ আছিল। অসমীয়া সাহিত্য ভঁৰাললৈ হেম বৰুৱাৰ অৱদান সংখ্যাত কম হলেও মূল্য কম নহয়। অসমীয়া ৰাজনৈতিক ক্ষেত্ৰত তেওঁ এজন আগৰণুৱা লিখক। 'বাঁহী', 'অসমীয়া', অসম সেৱক' আদিত লিখা তেখেতৰ প্ৰবন্ধ অসমীয়া সাহিত্যত যুগমীয়া হৈ থাকিব। পঢ়িবলৈ বৰুৱাদেৱৰ অতি হেঁপাহ আছিল। সেয়েহে পৃথিবীৰ ৰচা ৰচা লিখকসকলৰ নতুন কিতাপসমূহ সংগ্রহ কৰি পঢ়িছিল।

১৯২৬ চনৰ পৰা বৰুৱাদেৱে গুৱাহাটী আদালতত ওকালতি আৰম্ভ কৰে আৰু অলপ দিনৰ ভিতৰতে অতি সুখ্যাতি অর্জন কৰে। কিন্তু দেশ-সেৱা কামত ত্ৰুটি হব পাৰে বুলি ভাবি সেই অর্থ আর্জনৰ বাট ওকালতি এৰি দিলে আৰু স্বাধীনতা যজ্ঞত নিজক আহুতি দি দৰিদ্ৰতা বৰণ কৰি চিৰ কুমাৰ হৈয়ে আজীৱন কটালে।

১৯৩০ চনত হোৱা অসহযোগ আন্দোলনৰ প্ৰাণস্বৰূপ আছিল ডেকাকর্মী হেমবৰুৱা আৰু এই আন্দোলনতে তেখেত অসমৰ ৰাজনীতি ক্ষেত্ৰত অপ্ৰতিদ্বন্দ্বী নেতা ৰূপে খ্যাত হয়। সেইবাৰো বৰুৱাদেৱ গ্ৰেপ্তাৰ হয় আৰু এমাহমান জেইল-হাজোতত ৰখাৰ পাছত এৰি দিয়া হয়। ১৯৩০ চনত তেখেত গুৱাহাটী জিলা কংগ্রেছ কমিটিৰ সভাপতি আৰু ১৯৩৯ চনত অসম প্রাদেশিক কংগ্রেছ কমিটিৰ সাধাৰণ সম্পাদক নির্বাচিত হয় আৰু সেই সময়ত সকলো ডাঙৰ সভা-সমিতিৰে সভাপতিত্ব কৰি ফুৰিছিল। অসমত নিজে আইন অমান্য কৰিবলৈ কানিৰ অপকাৰিতা লিখি কানিৰ দোকানত পিকেটিং কৰিব বুলি ইস্তাহাৰ প্ৰকাশ কৰাৰ কাৰণে ১ বছৰ বিনাশ্ৰম ফাটেক হয়।

১৯৩৫ চনৰ আইনৰ পৰা অসমৰ ৰাজনীতি ক্ষেত্ৰত উদ্ভৱ হোৱা নানা জটিলতাৰ পৰা তেখেতে দূৰদৰ্শিতা আৰু দৃঢ়তাৰে অসম কংগ্রেছক ৰক্ষা কৰি 'এচেম্বলী' নির্বাচনৰ কাম শেষ কৰি বৰুৱাদেৱ ১৯৩৭ চনৰ শেষ ভাগত গুৱাহাটী এৰি তেজপুৰলৈ আহিল আৰু ওকালতি আৰম্ভ কৰিলে। কিন্তু কেইমাহ মানৰ পাছত আকৌ এৰি দিবলৈ বাধ্য হয়। ১৯৩৯ চনত বৰুৱাদেৱ অসম প্রাদেশিক কংগ্রেছ কমিটিৰ সভাপতি নির্বাচিত হয়। বৰুৱাদেৱৰ নেতৃত্বত অসম প্রাদেশিক কংগ্রেছ কমিটিয়ে কেৱল ১২ খন জিলাতে কার্য্য-ক্ষেত্ৰ আৱদ্ধ নাৰাখি পর্বতীয়া ঠাই বিলাকতো কংগ্রেছৰ বাণী প্ৰচাৰ কৰা কাম হাতত লয় আৰু খাছীয়া পাহাৰ, গাৰো পাহাৰ, মিকিৰ পাহাৰ আৰু বড়ো অঞ্চলত কংগ্রেছৰ গঠনমূলক কাম আৰম্ভ কৰে। ১৯৩৯ চনত হোৱা ডিগবৈ অইল

কোম্পানীৰ ধৰ্মঘটত বৰুৱাদেৱে কংগ্ৰেছ আদৰ্শতে নিপীড়িত বনুৱা যুৱকসকলৰ ন্যায্য স্বাৰ্থ আৰু অধিকাৰ ৰক্ষাৰ কাৰণে আপ্ৰাণ চেষ্টা চলাইছিল।

১৯৪২ চনৰ ৮ আগষ্ট তাৰিখে নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ বোম্বে অধিবেশনত 'ভাৰত ত্যাগ' প্ৰস্তাৱ গৃহিত হোৱাৰ লগে লগে মহাত্মাজী প্ৰমুখ্যে কংগ্ৰেছকৰ্মী সকল ফাটেকলৈ যাবলগা হয়। লগতে অসমৰো প্ৰায় সকলো নেতা আৰু কংগ্ৰেছ কৰ্মী ফাটেকত পৰিল। বৰুৱাদেৱৰ অন্তৰো নৰিয়াপাটীৰে পৰা বিপ্লৱত নাচি উঠিল। আৰু প্ৰকৃততে ১৯৪২ চনৰ বিপ্লৱৰ বহুতো দায়িত্ব বৰুৱাদেৱৰ ওপৰতে পৰিছিল। ৰুগীয়া শৰীৰেৰে বিপ্লৱত সম্পূৰ্ণৰূপে জপিয়াই পৰিবলৈ অক্ষম হৈ মনত অশান্তি ভোগ কৰি থাকিলেও ৰুগীয়া শৰীৰ লৈয়ো তেখেতে গুৰুত্বপূৰ্ণ প্ৰশ্নবিলাকৰ মীমাংসা কৰি কৰ্মীসকলক বুদ্ধি পৰামৰ্শ দিব লগাত পৰিছিল।

১৯৪৩ চনৰ ফেব্ৰুৱাৰী মাহত হঠাৎ কংগ্ৰেছ অফিছৰ ওচৰত বৰুৱাদেৱ থকা ঘৰটোৰ খটখটীৰ পৰা পিছলি পৰি তেখেতৰ আঠুৰ ঘিলাটো ভাগিল। পিছে ডাঃ ভুবনেশ্বৰ বৰুৱাৰ অকৃত্ৰিম যত্নত কলিকতাত তেখেত এইবাৰলৈ ৰক্ষা পৰিল। তাৰ পাছৰেপৰা তেখেতক ডাঃ বৰুৱাৰ ঘৰতে ৰাখিছিল। কিন্তু তেখেতৰ এই ভগ্ন স্বাস্থ্যৰ আৰু উন্নতি নহ'ল। লাহে লাহে বেয়াৰ ফাললৈ যাব ধৰিলে।

১৯৪৫ চনৰ ১১ আগষ্ট তাৰিখে ৰাতি ৯ মান বজাত হঠাৎ বৰুৱাদেৱৰ হৃদযন্ত্ৰত এটা প্ৰৱল উলটি আক্ৰমণ হয়। সেইদিনা নগাঁৱত বহা অসম প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ পৰা উলটি গৈ পোৱা ডাঃ ভুবনেশ্বৰ বৰুৱাৰ বাহিৰে প্ৰায় আটাইখিনি কংগ্ৰেছ নেতা আৰু বৰুৱাদেৱৰ পৰম বন্ধুসকল বৰুৱাদেৱ ওচৰত উপস্থিত আছিল।

কিন্তু প্ৰায় এঘন্টামানৰ ভিতৰতে ৰাতি ১০ মান বজাত অসমবাসীক কন্দুৱাই থৈ ভাৰতৰ ৰত্ন অসমৰ নেতাসকলৰ সৌহাৰ্দস্বৰূপ আৰু অসমৰ ছাত্ৰসকলৰ পথপ্ৰদৰ্শক পৰমবন্ধু হেমচন্দ্ৰ বৰুৱাদেৱে ইহধাম পৰিত্যাগ কৰি স্বৰ্গধামলৈ গুচি গ'ল। দেশৰ এই দুৰ্য্যোগৰ সময়ত তেখেতৰ নিচিনা নিস্বাৰ্থ দেশসেৱক এজনক অকস্মাতে হেৰুৱাই সকলে মৰ্মাহত হ'ল।

হেমচন্দ্ৰ বৰুৱা আজি নাই। কিন্তু তেখেতৰ কাৰ্য্যাৱলী আৰু আদৰ্শই, তেখেতৰ ত্যাগ আৰু দেশ সেৱাই অসমবাসীক ৰাজনীতি, সমাজনীতি, সাহিত্যক্ষেত্ৰ, সকলোতে প্ৰেৰণা দি থাকিব। তেখেতৰ কাৰ্য্যাৱলীৰ স্মৃতিকে বুকুত বান্ধি লৈ আমি অসমী আইৰ সন্তানসকলে মুক্তি যুঁজত যুঁজিবলৈ সমৰ্থ হ'ব পাৰিম। ০০০

"জাতীয় জীৱনৰ সন্ধিক্ষণত আমি ব্ৰহ্মাস্ত্ৰ নিক্ষেপ কৰিব নোৱাৰিলেও মাজে সময়ে দুই এটা বাটলুগুটিকে দলিয়াব লাগিব।"

—অম্বিকাগিৰী ৰায়চৌধুৰী।

# Shakespeare's attitude towards Women

**Rina Sarmah.**

Bernard Shaw once remarked that "In Shakespeare it is woman who always take the initiative." That is, the part played by women in the scheme of the Shakespearean plays is more significant, interesting and vivacious than that of men. All the leading women characters display their joyous energy and the graciousness of power in the plays. Besides this they are all superior to men in their moral and intellectual resources. In portraying those women charcters Shakespeare always abounds them with greater pluck, alertness and conscious wit than man's. Specially in comedy, they are always attractively and predominantly painted. The women of Shakespeare are always responsible for the beginning, the gradual development and the climax of the plots. They are the pivots of the plays. Inspite of their magnifician stature, the heroes in tragedies have some kind of tragic flows which cause their downfall in the end, but in comedies the heroines have a balanced personality and have qualities of both head and heart. In portrayal of women Shakespeare has no limits. From Cleopatra to Miranda, which seems to be very nearly the full spun—he is equally at home and has the whole range of feminity at his command. According to Charlton—'These heroines have attributes of personality fitting them mare certainly than men to shape the world towards happiness. His manfolk, a Hemlet or a Mackbeth on an Othello may have a subtle intellect, a more penetrating imagination or a mere irresistable passion. But what they have more largely, in one kind of personal endowment, they own only at the expense of properties no less essential to the encountering of such varied circumstances as are presented by act of living. These heroines in effect, are out of harmony with themselves and so are fraught with certainity of tragic doom. This personality is a mass of mighty forces out of equipoise,

they lack the balance of a durable spiritual organism. It was in women that Shakespeare found this essential equipoise, this balance which makes personality in action a sort of ordered interplay of the major qualities of human nature. In his women, hand and heart and brain are fused in a vital and practiable union, each contributing to the other, no one of them permanently pressing demands to the detriment of the other, yet each asserting itself periodically to exercise its vitality, even if the immediate effect be a temporary disturbance of equilibrium, for not otherwise will they be potent to exercise their proper.function when the whole of their owner's spiritual nature is struck into activity. That is the reason why referring to Shakespeare's heroines Raskin said, "Shakespeare has no heroes, he has only heroines."

Though Shakespeare has given a priority to woman in his dramas yet that does not help us fully to understand his personel attitude towards woman. If we turn our mind to his life history with an attempt of acquiring some facts and fictions of his personal life, we will be dishearten. Because it is a strange irony that virtually there was no any written documents about the world's most famous writer, William Shakespeare's life and events. However, some ninety-three years after Shakespeare's death, Nicholas Rowe in 1709 prepared a biography of the dramatist, accumulating an aceretion of legend and ancedote, sometimes the result of vague recollection, sometimes of second-hand report and after of mere imagination. So studying such a biography it will be an extremely difficult task for us to separate facts from fictions. This biography presents us no detail account of his personal and conjugal life. It only tells us that Shakespeare lawfully solemnized matrimony with Anne Hathaway of Stratford. It is said she was some eight years older than her husband. But she was the one and only woman in Shakespeare's life and upto their death both of them remain true and faithful to each other. That Shakespeare bequeathed to her his 'Second best bed" in his will may indicate nothing more than that the 'best bed' was already hers as part of her widow's dower. At the time of Anne's death on August 6, 1623, at the age of sixty seven, apparently she had also expressed a desire to be placed in her husband's grave. That is also a fact which makes us conscious about their true and faithful conjugal life.

But on accurate and careful study of all the dramas of Shakespeare makes us feel that we assuredly make acquin-

tance with the man in the best possible way. And that dramatist Shakespeare always accuses woman in every possible reasons. In almost all his dramas he has expressed some thoughts, through the meant of different characters in which the thought of Shakespeare, about women reflects clearly. And it is always a disgusted and hateful feeling of Shakespeare towards women. If we gather all such speeches, it seems to us that he has always posed some bitter and pinching remarks about women. Not even a single nature of women can attract his mind.

First of all, he had no faith upon woman's true love. To him all women are frail in their love. If anybody expects true and constant love from woman he will be deceived. He fixed a mark upon all womankind by his famous saying, "Frailty, thy name is woman" (Hemlet, Act 1 Sc. 2.). According to him they can dismiss their love at any moment according to their own will. It is like a piece of glass and can be broken easily. The nature of their love is like the nature of water and it can change its shape according to its environment.

"*Women are frail too,*
*As the glasses where they view themselves,*
*which are as easy broke as they make forms*".
(Measure for Measure Act. 2. Sc. 4)

Such remarks are innumerous in Shakespearean play. For example—

"*Women are soft, mild, pitiful and flexible*"
[Henry VI (3rd part) Act 1 Sc 4]

"*Ah me ! how weak a thing*
*The heart of woman is.*"
[Julias Caesar, Act. 2, Sec. 4).

For this fragile nature they cannot be constant in their love. And love from such an unconstant woman is despiteful love. Therefore, Shakespeare laments in Taming of the Shrew (Act 4. Sc. 2).

"*O despiteful love ! unconstant womankind* !" That is why

"*How easy is it for the proper-false*
*In women's waxen hearts to set their*
*forms* ! (Twelfth Night Act 2).

Besides this Shakespeare also accused woman for their unability to keep secrecy. He expressed his suprise at this flat nature of woman in Julius Caesar, Act. 2 Sc. 4.

"*How hard it is for woman to keep Counsel*". It is rare to find a constant woman but it is more rare to find a woman who can keep secrecy.

"*. . .Constant you are,*
*But yet a woman : and for secrecy,*
*No lady closer ; for I well believe*
*Thou wilt not utter what thou dost*
*not knew.*"
Henry IV (1st Part) Act 2, Sc. 3.

Even if they try their best to conceal the secret yet their very appearence or countanence will disclose it to others. Man may cover their crimes with a very bold face ; but women cannot—

> "*Though men can crimes with*
> *Bold stern boles,*
> *poor women's faces are their own*
> *fault's books.*"

[The Rape of Lucrece, line 1252]

Therefore, no wise man ever disclose his secrets to woman. It is never safe rather it is always risky.

These are no doubt great drawbacks in women. But the most abominable nature of their kind is that they tends men to vice. From the days of Adam and Eve it is only the woman who drags man to vice. All the namable vices of the world are the creations of women, and they allure men's mind into it. According to Shakespeare man by nature was originally true and far like angel. But it is only women's evil spirit that 'coloured' them 'ill'.

> "*Two loves I have of comfort and despair,*
> *Which like two spirits do suggest me still,*
> *The better angel is a man, right, fair,*
> *The worser spirit a woman, colour'd ill*".

[Passionale Pilgrim line 15]

In Cymbeline (Act 2, Sc. 4), he had exhibited his disgust towards woman very clearly in the following lines :

> "*...There's no nation*
> *That tends to vice in men but affirm*
> *It is the woman's part ; be it lying*
> *not it,*
> *The womans ; flattering, hers*
> *deceiving hers,*
> *Lust and rank thaughts, hers, hers,*
> *revenges hers ;*
> *Ambitions, Covetings, change of prides*
> *disdain,*
> *Nice longing, slanders, mutabality,*
> *All faults that may be nam'd may*
> *that tell lonow,*
> *Why, hers, in part or all ;*
> *but rather all ;*
> *Fot even to vice*
> *They are not constant, but are*
> *changing still*
> *One vice but of a minute old for one*
> *Not half so old as that.*"

As a whole, Shakespeare thinks—

> "*Proper deformity seems not in the friend*
> *So horrid as in woman.*"

[King Lear, Act 4, Sc. 2]

If she is a jealous naturally than the case will be far more dangerous and she will be deadly poisonous. Therefore, Shakespeare warns mankind not to give the charges of their children solely upon woman. "*O ! that woman that cannot make her fault her husband's occasion, let her never nurse her child herself, for she will breed it like a fool.*"

According to Shakespeare, irrespective of their caste and class women are always shrewd, false, untrue by nature and venomous—"*Women are shrews, both short and tall.*"

(Henry IV (2nd Part) Act 5 Sc. 3)

"*There is never a fair woman has a true face.*" (Antony and Cleopetra A. 3)

Though apparently they may seem to be nice and fair yet in their heart of hearts they are always cruel, unkind, horrible and dangerous. In the play Henry VI (3rd Part), act 1 Sc. 4. therefore Shakespeare cannot resist his feelings and thus utters—

"*O ! tiger's heart wrapp'd in a woman's hide.*" Moreover,

"*The wiles and quiles that women work,*
*Dissembled with an outward show,*
*The tricks and toys that in them lust,*
*The cock that treads them shall not knew.*
*Have you not heard it said full oft,*
*A women's nay dath stand for naught* ?"

(Sundry Note's of Music, Line 125)

Again in the play Winter's Tale (Act 2, Sc 1), he exposes his extreme contempt towards women through the scornful lines like—

"*Every inch of common in the world,*
*Ah, every dream of women's flesh*
*is false.*"

Shakespeare even doesnot spear woman but insults them in "Two Gentlemen of Verona (Act 3, Sec. 1)" with the following words—

"*To be slow in words is a woman's only virtue.*"

Therefore, Shakespeare assured us that he can never love woman—

"*Kindness in women, not their*
*beautious looks*
*Shall win my love.*"

(Taming of the Shrew, Act 4 Sc. 2)

After all no writer can ever pass such bitter and extreme hateful remarks about women in their writings. But Shakespeare, the man who was always true and faithful to his only wife, lived a happy and harmonious conjugal life, and had no relation with any other second woman, it is really surprising for us, where from that man had gathered experience for passing such remarks about womenkind.

Ofcourse, it will not be a proper judgement towards him if we discuss only his disgusted saying about women and omit all those in which he appreciates womankind. Though such sayings are few in number, in comparision with those, yet.

For example, "*Her voice was ever soft, Goatle and low, an excellent thing in woman.*" (King Lear, Act. 5, Sc. 3). And—"*Women are made to bear.*" (Taming of the Shrew, Act 2. Sc 1).

At last we must admit that Shakes-

peare's plays are highly dramatic. In other words they present an objective outlook before the audience or the reader. His chief aim was to select men and women of this world and express their views notions, whims, caprices and idiosyncracies, objectively. Therefore while writing his dramas if he passed some letter and pinching remarks towards women, we should not consider those sayings as his own. Being a greatest artist he may sometimes give vent to his feelings shrewedly which could not be easily ascertained by the layman. But it is always not Shakespeare himself who speaks through his dramas. Yet he speaks in such a way which convince us as if Shakespeare is going to exhibite his own heart through the different characters. And here lies Shakespeare's highest and most peculiar excellence. He is the acknowledged master in this delineation of character. None before him or none after him has come up to the spiritual insight into the understanding and portraiture of human nature in all its multifarious variety and complexity. Indeed Shakespeare's insight into human nature is almost superhuman. His characters are real beings of flesh and blood ; they speak like man, not like authors. 000

"অসমীয়া ভাষা আমাৰ মাতৃভাষা। মাতৃৰ নিচিনা বাবেই মাতৃয়ে বেজাৰ পোৱা কাম কৰা সন্তানসকলৰ পক্ষে অতি অযুগুত। ইয়াকে জানি অসমীয়াসকলে মাতৃভাষাৰ প্ৰতি শ্ৰদ্ধা আৰু ভক্তি প্ৰকাশ কৰা উচিত।"

—আনন্দৰাম ঢেকীয়ালফুকন।

# শিক্ষামূলক ভ্ৰমণ কাহিনী

[ভাৰতৰ ৰাজধানী দিল্লী অভিমুখে]

শ্ৰীনিৰঞ্জন শৰ্মা,
২য় বাৰ্ষিক স্নাতক (কলা)।

আহিনত জাৰে আঁহিয়াইছে যদিও অনুভৱ কৰিব পৰা হোৱা নাই। মাজে মাজে ইয়াৰ জাননী দিয়ে পুৱতি নিশাইহে। কৃষিজীৱী অসমীয়া জীৱনৰ প্ৰাণস্বৰূপ শালী খেতিৰ ভুঁই ৰোৱা শেষ কৰিছে। ৰবি শয্যৰ তলিত হাল বোৱা আৰম্ভ কৰিছে। দীঘলীয়া পূজাৰ বন্ধ; আমি ওলাইছিলো শিক্ষামূলক ভ্ৰমণৰ কাৰণে ছয়দুৱাৰ মহাবিদ্যালয়ৰ ছাত্ৰ। পৰিচালকসহ ১৬ জনীয়া দল এটি, লক্ষ্যস্থান হ'ল সুদূৰ দিল্লী।

দহদিন মানৰ আগৰ পৰাই উলহ মালহ। টকা সংগ্ৰহ, কাৰোবালৈ কিবা অনাৰ প্ৰতিশ্ৰুতি। মনত পৰে আজি তোমালৈ কি আনিব লাগিব? বল—ৰঙা বল"। এতিয়াও ভতিজাটো ডাঙৰ হৈছে যদিও বলত পগলা। ভাৰতৰ ৰাজধানীৰ পৰা ৰঙা বল।

আমি যাত্ৰা কৰা দিনটো আছিল অক্টোবৰ মাহৰ ৮ তাৰিখ, সোমবাৰ। সেইদিনা পুৱাভাগৰ পৰাই যো-জা চলিছিল বস্তু বাহানি বন্ধা ইত্যাদি কামত। মই যিমান পাৰো সিমান সৰুকৈ মোৰ কাপোৰৰ (বেডিং) টোপোলাটো বন্ধাৰ চেষ্টা কৰিছিলো। কিয়নো মই পূৰ্বতে পোৱা অভিজ্ঞতা আছে যে দূৰ ভ্ৰমণত বস্তু কমকৈ নিব লাগে। তাৰোপৰি দিল্লীত যে গৰম বেছি। সেয়েহে, টোপোলাটোত কেৱল তুলি এখন, গাৰু দুটা, আঠুৱাখন আৰু বেড্ কভাৰখন লৈছিলো। সেইদৰে পিন্ধা কাপোৰো অৱশ্যে কমাবলৈ চেষ্টা নকৰাকৈ থকা নাছিলো। পিছে অসমীয়া তেজৰ সম্বন্ধ থকা গামোছা আৰু এৰিয়া চাদৰখন এৰা নাছিলো।

নিশা প্ৰায় ৯ মান বজাত ব্যৱস্থা কৰি ৰখা মতে মোক আগবঢ়াই থবলৈ যাবলগা বন্ধু দুজন আহি পোৱাত একেলগে নিশাৰ সাজ খাই প্ৰায় ১১-৩০ মান বজাত কোনো নোহোৱা ঘৰটোৰ দুৱাৰত তলাটো লগাই ষ্টেটচনলৈ ৰাওণা হৈছিলো। ব্যৱস্থা কৰি ৰখা মতে প্ৰায় কেইজন যাত্ৰী উপস্থিত। পৰিচালক শ্ৰীযুত গোলোক ভূঞাদেৱ তেতিয়া তাতেই। কেৱল প্ৰবক্তা শ্ৰীযুত ৰিপুন বৰাদেৱ তেতিয়া পোৱাহি নাছিল। তাৰোপৰি আৰু দুজনমান বন্ধুও পাবলৈ বাকী। মোক আগবঢ়াবলৈ যোৱা বন্ধু দুজনক দুকাপ চাহ খুৱাই বিদায় দিছোহে মাথো তেনেতে আনজন পৰিচালক ওলালহি। আমি আনন্দ কৰিলো। সময় লাহে লাহে বাগৰিছে। কিছু সময়ৰ পিছতে এখন ৰিক্সা আহি যথাস্থানত ৰ'লহি। ৰিক্সাৰ পৰা সগৰ্বে নামি আহিল দুজন বন্ধু। দুয়োৰে সময়ৰ সৎ ব্যৱহাৰ দেখি ছাৰে অলপ ৰগৰ কৰিলে আৰু আমি হাঁহিলো।

আমাৰ অন্তৰবিলাক আনন্দত নাচি উঠিল। নিৰ্দিষ্ট সময়ত টিকেট দিয়াৰ সঙ্কেত দিয়াত ভূঞা ছাৰ টিকেট দিয়া ঠাইলৈ গ'ল। লাহে লাহে আমি পৰিচালকসকলৰ নিৰ্দেশ মৰ্মে আমাৰ সকলো বস্তু

যথাস্থানলৈ নিছিলো। আমি ট্ৰেইন অহা ফালে সঘনে চাবলৈ ধৰিছিলো প্লেটফৰ্মৰ পৰা। আমাৰ চকুত এটা পোহৰৰ বিন্দু জিলিকি উঠিল। বিন্দুটো ক্ৰমাৎ ডাঙৰ হৈ আহিবলৈ ধৰিলে। 'আহিলো ঔ আহ' বুলি বিকট চিঞৰৰ দুটা মাৰি ফোপাই ফোপাই ট্ৰেইনখন ৰৈছিলহি প্লেটফৰ্মৰ কাষত। আমি সকলোৱে এটা ডবা চাই উঠিছিলো। অৱশ্যে ডবাৰ নম্বৰটো মনত আছিল 36/6 II। অলপ সময়ৰ পিছতেই ট্ৰেইনখন 'উঠ ঐ উঠ' বুলি দুটা-মান দীঘলীয়া চিঞৰ মাৰি গাটো লৰাই মিটাৰ গজ লাইনৰ দুচিৰিত যাত্ৰা আৰম্ভ কৰিলে গৰু গাড়ীৰ দৰে পুৱতি নিশা ৪-৪৫ বজাত। তেতিয়া বাহিৰত কিন্ কিন্ বৰষুণ।

সময় বাগৰি গ'ল। আমি আগবাঢ়িলো। ৰঙাপাৰা জংচনত আমাৰে দুই এজনে চাহ খালে। কোনোৱে আকৌ ভজা বুটৰ শ্ৰাদ্ধ পাতিলে। ৰঙাপাৰাৰ পৰা ট্ৰেইনখন লাহে লাহে আগবাঢ়ি দিনৰ ১২-৩০ বজাত আমাক ৰঙিয়া জংচনত নমালে। আমি দুপৰীয়া আহাৰৰ ব্যৱস্থা কৰিলো। ইয়াতে কিছুপৰ জিৰণি লোৱাৰ পিছত 'জি-এল' ট্ৰেইনখনৰ 4550 II নং ডবাত আমাৰ যাত্ৰা আৰম্ভ হ'ল গুৱাহাটীৰ অভিমুখে। আমাক গুৱাহাটী মহানগৰীত ট্ৰেইনখনে নমাইছিল সন্ধ্যা ৫-৩০ বজাত। খবৰ কৰি গুৱাহাটী কটন কলেজ হোষ্টেলত সুবিধা নাপাই 'অসম টেক্সটাইল ইনষ্টিট-টিউট'ত নিশাটো কটোৱাটোকে স্থিৰ কৰিলো। বস্তু থিক থাক কৰি নিশাৰ সাজ হোটেলতে খাই পুনৰ তাতে পৰি থাকিলো।

পিছদিনা পুৱাৰ আহাৰ কৰি গুৱাহাটী বিশ্ব-বিদ্যালয় চাবৰ কাৰণে গলো। ঘূৰি আহি মিউ-জিয়াম চালো। বুৰঞ্জীৰ ছাত্ৰ হিচাবে মনটো দৌৰ মাৰিলে অতীতলৈ। লাচিতৰ হেংদাংখন দেখি বলে নোৱাৰিলেও ভাওঁ এটা দিবলৈ মন গ'ল। হাতী দাঁতৰ বিছনাৰে এবিছ মাৰি গাটো শাঁত পেলাবলৈ মন গ'ল। এনেকৈয়ে বহুতো বস্তু চোৱাৰ পিছত দুপৰীয়া সাজ হোটেলতে খাই পুনৰ ইনষ্টিটিউট পালো।

বিয়লি ২-১০ বজাত ষ্টেচনলৈ ৰাওণা হলো। ২-৩০ বজাত তিনিচুকীয়া মেইল গাড়ীখনে গুৱা-হাটী ষ্টেচনৰ নিৰৱতা ভঙ্গ কৰাত আমি সকলোৱে খৰখেদাকৈ উঠি পৰিলো। ক্ষন্তেকৰ পিছতেই এটা জোকাৰ মাৰি ট্ৰেইনখনে যাত্ৰা আৰম্ভ কৰিলে। সময় বাগৰিল। ডিজেল ইঞ্জিনৰ দ্ৰুতগতিৰ ট্ৰেইনখনে চেকুৰ মাৰিলে। নিশা ৭ মান বজাত আমি 'ডাইনিং কাৰ'লৈ গৈ নিশাৰ সাজটো খাই ললো। ১০ মান বজাত খিৰিকীৰে নিশা অসমৰ অসমৰ শোভা চাইছিলো। ১১ মান বজাত বিছনা থিক কৰি শোৱাৰ ব্যৱস্থা কৰিছিলো। ৰিজাৰভেচন চিটৰ কাৰণে আমি শোৱাত একো অসুবিধাই দেখা দিয়া নাছিল। টোপনি আহিবলৈ চেষ্টা কৰিছিলো যদিও অহা নাছিল। অনভ্যাসৰ কাৰণেও হ'ব পাৰে। চিলমিল টোপনি। কাৰো-বাৰ গানত সাৰ পাই উঠিলো। "চেউ মিঠা আলা, চেউ ৰসগোল্লা, দিবকি দিবনা খাবকি খাবনা। মিঠা পান জৰ্দা পান, ৬০ পইচা খনে দাম।" সকলোৱে খোৱা দেখি ময়ো মিঠা পান এখন ৬০ পইচা দি মুখত ভৰালো। এটুকুৰা চুপাৰি আৰু অলপ মিঠা দি আমাৰ পৰা ৬০ পইচা লৈ আমাক ঠগিলে। আমাৰ মাজত আলোচনা হ'ল। এজনে যুক্তি দাঙি ধৰিলে যে পানখনৰ দাম ২০ পইচা আৰু তাৰ গানটোৰ দাম ৪০ পইচা। সকলোৱে এটা শিক্ষা পায় তাপ মাৰিলো। কিছুসময়ৰ পিছত আমাৰ টোপনি আহিল।

ট্ৰেইনখনে যথাস্থানত ৰৈ দিয়াত আমি সাৰ পাই ঘড়ীটোলৈ চাই দেখো পুৱা ৬-১৫ মিনিট। বাহিৰলৈ চাই দেখো হৰিশচৰ ষ্টেচন। হাত মুখ ধুই বাথৰুমৰ পৰা আহি মুঠেই চিটত বহিছো 'বাবু কফি চাহিয়ে' বুলি এটাই চিঞৰিলে। ময়ো 'হ্যাঁ' বুলি কোৱাত কফি একাপ দি গ'ল। অলপ পিছত ঘূৰি আহি পইচা ৮০ টা লৈ গুচি গ'ল।

হৰিশ্বৰ ষ্টেচন পাৰ হোৱাৰ পিছত আমি কিছুমান আম, খেজুৰ আৰু তাল গছৰ বাৰী দেখা পালো। বহু দূৰণিত মানুহ বাস কৰা গাঁওবিলাক দেখা গৈছিল। ঠায়ে ঠায়ে গৰু আৰু ম'হবিলাক দেখিছিলো। কুৱাৰপৰা পানী উঠাই খেতি পথাৰত দিয়া ঠায়ে ঠায়ে দেখা পাইছিলো। দিনৰ ১২ মান বজাত আমি 'ফাৰাক্কা' দলং পাৰ হৈছিলো। পৰিচালকৰ নিৰ্দেশমতে আমি 'ডাইনিং কাৰ'লৈ যাত্ৰা কৰিছিলো। তেতিয়া মোৰ ঘড়ীত ১-২০ বাজিছিল।

সময় বাগৰি যোৱাৰ লগে লগে আমি জন্ম-ভূমিৰ পৰা আঁতৰিছিলো। আৰু লাহে লাহে লক্ষ্যস্থান দিল্লীৰ কাষ চাপিছিলো। নিশা ৬ বজাত আমি মোগলচৰাই পাইছিলো। ৯-২৭ বজাত আমি এলাহাবাদ পাই ডাইনিং কাৰলৈ গৈছিলো। আমাৰ মাজৰে দুজনমানে খাবলৈ আছেই তেনেতে কোৰ্হাল হ'ল। ট্ৰেইনখনে চিৰি এৰিলে। আমি খিৰিকীৰে চাই দেখো এজন প্ৰকাণ্ড জাৰণিৰ মাজেৰে ট্ৰেইনখন গতি কৰিছে। কিছু সময়ৰ পিছত কোৰ্হাল হোৱাৰ কথা জানিব পাৰিলো যে ডকাইতে ট্ৰেইনৰ ডবা কাটিছিল। মই একেটা জাপতে বাংকত উঠি খুকুৰীখন উলিয়াই লৈ ধাৰটো চালো। মুহূৰ্তৰ পিছতে মোৰ নিজৰ মূৰ্খামী বুজি লাজ পালো। কাৰণ যি ডকাইতে ট্ৰেইনৰ ডবা কাটিব পাৰে, তেনে ডকাইতৰ ওচৰত মোৰ খুকুৰীখন যে ভাস্কৰৰ ওচৰত পিনাকী শৰ্মাৰ গুলী নোহোৱা পিস্তলৰ দৰে নহব তাৰ কি মানে আছে। নিজৰে মূৰ্খামী বুজি শুই পৰিলো।

পিছদিনা পুৱাতে কোৰ্হাল শুনি খিৰিকীৰে মূৰ দাঙি চাও—দিল্লী। একেজাপে বিছনা এৰিলো। বস্তু বাহানী ঠিক ঠাক কৰাত লাগিলো। অলপ পিছতে নিউদিল্লী পাই সকলো বস্তুৰে সৈতে নামি পৰিছিলো।

পুৱাৰ আহাৰ কৰি আমি টেক্সিৰে 'অসম ভৱন'ত উপস্থিত হৈছিলো। আমি ২৫ নং ৰুমত থকাৰ ব্যৱস্থা কৰিছিলো। সেই সময়ত ৩ জন যোৰহাট কলেজৰ ছাত্ৰক লগ পাই চিনাকি হৈ আমাৰ বস্তু বাহানি থোৱাৰ দিহা কৰিছিলো। বহুত আশা কৰা বুৰঞ্জী প্ৰসিদ্ধ ঠাই দিল্লী পাই নথৈ আনন্দ লাগিছিল। দুপৰীয়া গা-পা ধুই এম-পি কেন্টিনত আহাৰ কৰিছিলো। ইয়াত সকলো প্ৰদেশৰে ৰিচেপচনিষ্ট আছে, যাতে কোনো লোক অসুবিধাত নপৰে। ইয়াত প্ৰতি প্ৰদেশৰে একোটা ভৱন আছে, যাতে কোনো প্ৰদেশৰ মানুহ ইয়ালৈ আহিলে বিপদত পৰিব নালাগে। কম খৰচতে থাকিব পাৰে।

দুপৰীয়া সাজ শেষ কৰি আমি ২০০ নম্বৰ এখন বাছেৰে ৪০ পইচা দি কেৰেলবাগ বজাৰত নামিছিলো। বজাৰ কৰাৰ পিছত 'লাইট এণ্ড চাউণ্ড' চাবৰ বাবে টিকেট কাটি সোমাই গলো। ইটো সিটো দোকানৰ বস্তু চাইছোহে তেনেতে পটলুং পিন্ধা দুজনী ছোৱালী আগবাঢ়ি আহি আমাক প্ৰশ্ন কৰিলে 'আৰ্ ইউ এছামিজ ?" "ইয়েছ, উই আৰ্"। "মানে আপোনালোকৰ লগত আৰু আছে ?" অসমীয়াতে সুধিলে। আমি চিনাকি হলো। তেওঁলোক ডিব্ৰুগড় কানৈ কলেজৰ ছাত্ৰ-ছাত্ৰী। তেওঁলোকেও লাইট এণ্ড চাউণ্ড চাব সোমাই গলো। লগ পালো যোৰহাট বি, টি কলেজৰ ভ্ৰমণকাৰী বহু কেইজন ছাত্ৰ আৰু শিক্ষকক। লাইট এণ্ড ছাউণ্ড চালো। ইয়াত বাক্যভঙ্গী আৰু ৰচনাৰীতি দেখি সঁচাই ভীত হব লগা কথা। বুৰঞ্জীৰ কেইবাটাও প্ৰশ্নৰ উত্তৰ মই উদ্ধাৰ কৰিলোঁ।

'লাইট এণ্ড ছাউণ্ড' চাই ঘূৰিছিলো ৯-৩০ বজাত। পুনৰ ২০০ নং বাছত উঠি ত্ৰিস্কতিত নামিলো। ইয়াত ৰাস্তাৰ যান-বাহনো চলাৰ নিয়ম আছে। তিনিআলি চাৰিআলিত লাইটৰ দ্বাৰা সংকেত দিয়ে। মানুহ খোজকঢ়া নাইবা ৰাস্তাৰ ইপাৰ সিপাৰ হোৱাৰ নিয়মো সেইমতে আছে। ইয়াত ৰাস্তাৰ দুয়োকাষে ফুলনি আৰু

নানা ঔষধ জাতীয় গছ আছে। ভাড়াও ৪২ কিলোমিটাৰ যাবৰ কাৰণে মাত্ৰ ৪০ পইচা। কিন্তু আমাৰ ইয়াত গোপালপুৰৰ পৰা কলেজলৈ মাত্ৰ ৫ কিলোমিটাৰ দূৰ, ভাড়া লয় ৬৫ পইচা। মনত পৰিলে স্বদেশৰ কথা আন কোনো ধনী দেশত থকাৰ নিচিনা লাগে। সেইদিনা ঘূৰি আহি অসম ভৱনতে ৰাতিটো কটালো।

পঞ্চম দিনা পুৱা ৭ বজাত টুৰিষ্ট বাছেৰে আগ্ৰা অভিমুখে যাত্ৰা কৰিলো। দুপৰীয়া ১ মান বজাত 'আগ্ৰা ফোৰ্ট' চাই আচৰিত হৈছিলো। হোটেলত তাতে দুপৰীয়া আহাৰ কৰি তাজমহল চাবৰ বাবে আগবাঢ়িলো। তাজমহল দেখি মনত পৰিলে "তাজ, তুমি ৰঙা তেজ বিৰহীৰ পৰাণত" কবিৰ এই ফাঁকিলৈ। সঁচাই ছাহজাহানৰ সৌন্দৰ্য্য প্ৰীতি অতুলনীয়; অতুলনীয় তেওঁৰ প্ৰেম। কাষেদি যমুনা নৈ বৈ গৈছে। তাজমহল চাই আহি আমি 'ফতেপুৰ চিক্ৰি' চালো। বিৰাট এটা ভূখণ্ড। বীৰবলৰ সমাধিৰ যি চন্দনৰ গোন্ধ। ঘূৰি আহি মথুৰা চাওঁ। মনত পৰে সৰুকালত হুচৰি গোৱা নাম 'বৃন্দাবন মথুৰা, ক'তে এৰিলো'। বালকৃষ্ণ মন্দিৰৰ সৌন্দৰ্য্য আৰু বৃন্দাবনৰ দৃশ্যই সেই শৰতকালৰ ৰাতি মই কোনোবা এখন ৰাস ক্ৰীড়াত কৃষ্ণ হৈ গোৱা "কুশলে কি আইলা কি অ' ব্ৰজৰ গোপিনী" লৈ মনত পেলাই দিলে। আৰু মনত পৰিল "আহা সখী আহা ৰায়ী বৃন্দাবনে যাওঁ, বজাইছে মোহনে বেণু নয়ন ভৰি চাওঁ।" বৃন্দাবনৰ গছ-লতাক সেয়েহে গোপিনীসবে কৃষ্ণ বুলি সাৱতি লৈছিল।

ইয়াৰ পিছত আমি দিল্লী অভিমুখে যাত্ৰা কৰিলো। নিশা ১১ বজাত অসম ভৱনত নামি-য়েই নিশাৰ আহাৰ কৰি শুই থাকিলো।

পিছদিনা আমি 'গ্ৰেটাৰ দিল্লী' চোৱাৰ সিদ্ধান্ত কৰিলো। পুৱা ৮ বজাত টুৰিষ্ট বাছত উঠি যাত্ৰা কৰিলো। প্ৰথমে কুটুব মিনাৰ চালো, মনত পৰিল দাস বংশলৈ। ২৫৬ টা খটখটি বগাই গলো। কিন্তু তাৰ ওপৰলৈ যাব নিদিয়া বাবে নামি আহিলো। ইয়াৰ পিছত হুমায়ুনৰ সমাধি স্থল চালো। পিছত নেহৰু মিউজিয়াম চাই বুজি পালো নেহৰু পৰিয়ালৰ বিলাতী ধৰণ-কৰণ। তাৰপিছত বিৰলা মন্দিৰ চালো। শিলৰ বাঘৰ মুখেদি সোমাই পেটেদি ওলাই গৈ বীৰত্বৰ চিনাকি দিলো। ইয়াৰ পিছত গান্ধী মিউজিয়াম চালো। স্বাধীনতা আন্দোলনৰ চকুৰ আগত ভাঁহি উঠিল। মহাত্মাৰ কঠোৰ পৰিশ্ৰম বুজিলো। সেয়েহে জাতিৰ পিতা হ'ব পাৰিলে। ইয়াৰ পিছত যথা-ক্ৰমে গান্ধীৰ সমাধি, শান্তিবন, জৱহৰলালৰ সমাধি আৰু শাস্ত্ৰীজীৰ সমাধিস্থল চালো।

ইয়াৰ পিছত আমি 'ইণ্ডিয়া গেইট' চাওঁ। সেই মৃত জোৱানসকলক শ্ৰদ্ধাঞ্জলি জনাওঁ। পিছত লালকিল্লা চাওঁ। বিৰাট দুৰ্গ, তাৰ এটা অংশত ভাৰতীয় সৈন্যবাহিনী ৰখাৰ ব্যৱস্থা আছে। ঘূৰি আহি 'মধুমিতা' অসমীয়া অসমীয়া লগা হোটেলত ভাত খাই অসম ভৱনলৈ যাত্ৰা কৰিলো।

সপ্তম দিনা আমি চণ্ডীগড় চাবৰ কাৰণে যাত্ৰা কৰিলো। হাৰিয়ানা চৰকাৰৰ কৌশল আৰু ব্যৱস্থা মন কৰিবলগীয়া। খেতিত পানী যোগান ব্যৱস্থা আছে কাৰণে বিভিন্ন ধৰণৰ খেতি দেখা পালো। চণ্ডীগড়ত সকলো একে ধৰণৰ ঘৰ দেখিবলৈ পালো। পিছত জানিব পাৰিলো যে এই ঘৰবিলাক চৰকাৰে সজাই দিছে। ভাড়া দিওঁতে দিওঁতে যেতিয়া ঘৰ বনোৱাৰ টকা আদায় হব তেতিয়া ঘৰটো মালিকৰ হৈ পৰিব। ইয়াত দেখা পালো হাজাৰ হাজাৰ মানুহৰ মূৰত পাগ। এয়া জাতীয়তাৰ পৰিচয়। কিন্তু আমি আমাৰ অতিকৈ আদৰৰ ৰিহা-মেখেলা, চুৰিয়া-চাৰকণ এৰি বিদেশীৰ পটলুং পিন্ধি সভ্য জাতিৰ পৰিচয় দিছো। ইয়াত খেতিত পানী যোগান দিয়ে আণ্ডাৰ গ্ৰাউণ্ড পাইপৰ দ্বাৰা। খেতিত বৈজ্ঞানিক পদ্ধতি অৱলম্বন কৰা দেখা পালো। ইয়াত আমি বজাৰ কৰিছিলো, কিন্তু বস্তুৰ দাম আমাৰ অসম-

তকৈ বহু সস্তা। তাৰপৰা আমি সন্ধ্যা ৬ বজাত দিল্লীৰ অভিমুখে যাত্ৰা কৰো। নিশা ১২-৩৭ বজাত অসম ভৱন পাই নিশাৰ আহাৰ কৰি নিদ্ৰা দেৱীৰ কোলাত আশ্ৰয় ললো।

পিছদিনা আমি বজাৰ কৰিবলৈ গৈ লালকিল্লা 'চাইনিক' বজাৰত সোমাই বস্তু লোৱাৰ উপৰিও 'কেৰেলবাগ' বজাৰত সোমাওঁ। বজাৰত এটা কথা বুজিব পাৰিলো যে দোকানীয়ে বস্তুৰ বেচিব লগা দৰতকৈ ৩ গুণ বেছিকৈ কয়। বজাৰ কৰি আমি ঘুৰি আহি নিশা ৬ বজাত অসম ভৱন পাওঁ। আমাৰ সকলো বস্তু-বাহানি ঠিক ঠাক কৰাত লাগিলো। কিয়নো সেই দিনাই আমি ঘুৰি আহিব লাগিব। নিশা ৯-৩০ বজাত নিউদিল্লী ট্ৰেইন ষ্টেচনলৈ ৰাওঁণা হওঁ। ইয়াতে নিশাৰ সাজ খাই ১০-৪০ বজাত দিল্লী মহানগৰী এৰি অসমমুখী ট্ৰেইনেৰে যাত্ৰা আৰম্ভ কৰিলো। আমাৰ লগতেই নগাঁও কলেজ, লক্ষীমপুৰ আৰু ডিব্ৰুক কলেজৰ ভ্ৰমণকাৰীসকল আছে। আমি ওৰে ৰাতিটো একেটা ঘৰৰ ল'ৰা-ছোৱালীৰ দৰে নানা ৰং-ৰহস্যৰ মাজেৰে আগবাঢ়িলো এই "অ' মোৰ ওপজা ঠাই, অ' মোৰ অসমী আই"ৰ বুকুলৈ। সময়ত ব্ৰডগজ লাইনৰ চিৰি এৰি মিটাৰ গজৰ চিৰিৰে আহি সেমেকা মাটিৰে ভৰা গহপুৰ ষ্টেচনত ভৰি দিছিলো পুৱতি নিশা ৫-৩০ বজাত। ইয়াৰ পিছত সকলোৱে সকলোৰ প্ৰতি বিদায় সম্ভাষণ জনাই গৃহমুখে যাত্ৰা কৰিলো। পুৱা ৬-৩০ বজাত মই আহি ঘৰ পাওঁ।

এই ভ্ৰমণত আন দেশত স্বদেশী মানুহৰ যি ভ্ৰাতৃত্ব ভাব তাক বুজি পালো। অসমখন যে আন আন দেশতকৈ বহু পিছ পৰা তাক জনাৰ উপৰিও অসমক কাটি নি আন দেশৰ কলিজা সবল কৰা ক'লা বজাৰখন দুচকুত ভাঁহি উঠিল। অসমীয়াই নিজক নিচিনি আনক বেছিকৈ চিনিব পৰা গুণটো ধৰা পৰিল। সীমামূৰীয়া দেশ অসমৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ হয়তো আমাৰ প্ৰতিনিধিৰ দুৰ্বলতাৰ কাৰণেও হব পাৰে হেয় জ্ঞান যে কৰিছে তাৰ প্ৰমাণ পোৱা গ'ল কৃষি, পানীযোগান, নদীৰ বান্ধ, জনস্বাস্থ্য, বন বিভাগ আদিত। যাতায়তৰ কথা কলে মনটো বিদ্ৰোহী হৈ উঠে।

যি কি নহওক পৰিচালক সকলৰ অশেষ কষ্ট, বন্ধুসকলৰ সহযোগিতাত ছয় দুৱাৰ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ যত্নত বহুতো শিক্ষা লাভ কৰিলো এই কথা নুই কৰিব নোৱাৰো এই দীঘলীয়া ভ্ৰমণত। ০০০

> "মানুহৰ গভীৰত্ব সাগৰৰ দ্বাৰা জোখা নহয়, জোখা হয় অজ্ঞতাৰ দ্বাৰাহে।"
>
> —ৰাস্কিন।

# এই আকাশৰ তলতে এখনি সৰগ

সঞ্চিতা চলিহা,
প্ৰবক্তা, অসমীয়া বিভাগ।

ডাৱৰে ঢাকি ৰখা বমডিলাৰ আকাশখন সেইদিনা পুৱাতেই মুকলি হৈ পৰিছিল। এমুঠি কোমল ৰ'দালীয়ে এই পাহাৰীয়া নগৰখনক মৰমেৰে আঁকোৱালি লৈছিল। এনে এটা সুন্দৰ পুৱাতেই আমি সাজু হৈছিলো টোৱাঙলৈ যাবলৈ। কেইদিনমানৰ আগতেই আমি ইটানগৰৰ পৰা গৈ বমডিলা পাইছিলোগৈ। টোৱাঙলৈ যাবলৈ সাজু হৈ বমডিলা চাকিট হাউচৰ বাৰান্দাত খন্তেক ৰওতেই আমাৰ চকুৰ আগতেই এখন শক্তিমান গাড়ী বাগৰি পৰিছিল। গাড়ীৰ ভিতৰৰ মানুহবোৰ চিটিক পৰা দেখিছিলো। কিমান হতাহত হ'ল গম নাপালো, মাত্ৰ ঈশ্বৰৰ নাম লৈছিলো। যাবলৈ ওলায়েই এই ভয়াবহ দৃশ্যই বুকুখন কঁপাই তুলিছিল। কিন্তু টোৱাঙৰ দৰে সেপোনপুৰী এখন দেখাৰ হেঁপাহত মনলৈ অফুৰন্ত সাহস আহিছিল। বমডিলাৰ পৰা টোৱাঙলৈ ১৮৫ কিলোমিটাৰ দূৰ। একাবেঁকা, ওখ-চাপৰ আলিয়েদি আমাৰ জীপ গাড়ীখন আগবাঢ়ি গৈছিল। ক্ৰমে আমি ১৪ হাজাৰ ফুট উচ্চতাৰ চেলা গিৰিপথ উঠিছিলোগৈ।

এয়াই সেই চেলা গিৰিপথ। ভাৰতৰ এডালি জীৱন ৰেখা। আন্তৰ্জাতিক দিশত গুৰুত্বপূৰ্ণ গিৰিপথ। দালাই লামা তিব্বতৰ পৰা পলাই অহা পথ। চেলা গিৰিপথৰ প্ৰাকৃতিক দৃশ্য চালে চকু ৰোৱা। শাৰী শাৰী ৰোডড্ৰেইন গছ আৰু বাৰে বৰণীয়া ফুলৰ সৌন্দৰ্য্যই ভ্ৰমণকাৰী সকলক সহজেই আকৰ্ষণ কৰিব পাৰে। চেলাৰ মনোৰম সৰোবৰৰ পাৰত ক্ষন্তেক বিশ্ৰাম কৰোতে ভাবিছিলো—প্ৰকৃতিদেৱীৰ কি এক মোহনীয় বেশ। প্ৰচণ্ড শীত যদিও—প্ৰকৃতি ইয়াত শুই নাথাকে। বিশ্বকৰ্মাই অকৃপণ হাতেৰে সকলোবোৰ সৌন্দৰ্য্য ঢালি যেন প্ৰকৃতিক সজাই তুলিছে। সেয়েহে, হয়তো কামেঙৰ ৰূপ সৌন্দৰ্য্যই যুগে যুগে মানুহক আকৰ্ষণ কৰি আহিছে। তাহানি কালিতে শোণিত কুঁৱৰী উষাদেৱী আৰু অনিৰুদ্ধ কোঁৱৰে হেনো মধুচন্দ্ৰিকাৰ বাবে হিমালয়ৰ বুকুৰ এই বিজন প্ৰান্তৰলৈ আহিছিল। প্ৰকৃতিৰ অনুপম ৰূপে তেওঁলোকক হেনো কৰি তুলিছিল মোহমুগ্ধ আৰু সেয়ে, ৰাজহংস ৰূপ লৈ তেওঁলোক হেনো এতিয়াও মাজে মাজে এই সৰোবৰলৈ আহে। আৰু আজি প্ৰকৃতিৰ এই বিনন্দিয়া ৰূপে আমাকো কৰি তুলিছে বিমুগ্ধ।

এই ঠাই এৰাৰ পিছত আমি ৰলোগৈ পুনৰ জশৱন্ত গড়ত। ১৯৬২ৰ চীন ভাৰত যুদ্ধত প্ৰাণ হেৰুওৱা অমৰ সৈনিক জশৱন্ত সিং ৰাৱটৰ স্মৃতি স্তম্ভত আমি শ্ৰদ্ধাঞ্জলী জনালো। চকুলো মই সামৰিব পৰা নাছিলো যেতিয়া দেখিছিলো জশৱন্ত সিঙৰ বেৰেকত সযতনে পাৰি ৰখা তেওঁৰ বিছনাখন আৰু সৈনিকসকলে তেওঁৰ নামত আগবঢ়োৱা আহাৰৰ থাল। জশৱন্ত গড় পাৰ হৈ যাওঁতে বেলি ডুবিবৰ হৈছিল। টোৱাং পাবলৈ ৫৭ কিলোমিটাৰ থাকোতেই পাহাৰৰ মাজে মাজে টোৱাং চহৰখন দেখা পাইছিলো। মাৰ্ ৰাখি

খোজা বেলিৰ হেঙুল বৰণে টোৱাং জিলিকাই তুলিছিল। আন্ধাৰ ঘন হৈ অহাৰ আগতেই আমি জং পাইছিলোঁগৈ। আৰু তাতে নিশাটো কটাই পিছদিনা পুৱাবেলাতে আমি টোৱাং পালোঁগৈ।

টোৱাংচো নদীৰ পাৰত অৱস্থিত।

কামেং জিলাৰ পশ্চিম সীমান্তত টোৱাং এখন ধুনীয়া নগৰ। কেৱল পূব দিশ বাদ দি টোৱাঙৰ কেওটা দিশেই সুউচ্চ পাহাৰে আৱৰি আছে। টোৱাং প্ৰকৃতিৰ কাম্যকানন বুলিয়েই নহয়, আন কেইটামান কাৰণতহে টোৱাঙৰ গুৰুত্ব লেখত লবলগীয়া। সমুদ্ৰ পৃষ্ঠৰ পৰা ১২ হেজাৰ ফুট উচ্চতাত অৱস্থিত টোৱাং পৃথিৱীৰ সৰ্বোচ্চ স্থানত থকা অন্যতম প্ৰশাসনীয় কেন্দ্ৰ। তাৰ উপৰিও ভাৰত, তিব্বত আৰু ভূটানৰ সংগম স্থলত অৱস্থিত টোৱাং আন্তৰ্জাতিক দিশত উল্লেখনীয় নগৰ। কিন্তু, এই নগৰৰ সকলোতকৈ উল্লেখনীয় দিশটো হ'ল, ই হ'ল বৌদ্ধ ধৰ্মৰ এক প্ৰাণকেন্দ্ৰ।

বৌদ্ধ ধৰ্মৰ প্ৰাণকেন্দ্ৰ হিচাপে ইয়াত আছে এই বৌদ্ধমঠ। ১৬৮০ খৃষ্টাব্দত মেৰা লামা লড়্বে প্লোটচই এই মঠ নিৰ্মাণ কৰিছিল। টোৱাং মঠ বুলি বিখ্যাত এই মঠৰ সম্পূৰ্ণ নাম হ'ল Tawang Galdan Namgye Lhatse বা অশ্ব নিৰ্বাচিত স্থানৰ পবিত্ৰ স্বৰ্গ। ১৩৫ বৰ্গ মিটাৰৰ এক বৃহৎ চৌহদৰ এই মঠৰ চাৰিওপিনে ৬১০ মিটাৰ দীঘল এখন শিলৰ দেৱালে আগুৰি আছে। চৌহদৰ ভিতৰত ৬৫ টা ঘৰ আৰু ১০ টা পথ আৰু উপপথ আছে। এই মঠত এটি পুথি ভঁৰাল আছে। তাত সৰ্বমুঠ ৮৪০ খন কিতাপ আছে। তাৰ মাজত সোণৰ আখৰেৰে লিখা কিতাপো আছে।

মঠৰ নিৰ্দেশ মানি চলা বৌদ্ধসকলে তেওঁলোকৰ পৰিয়ালৰ দ্বিতীয় পুত্ৰ সন্তানক লামা বা ভীক্ষু ধৰ্ম গ্ৰহণ কৰিবৰ বাবে মঠলৈ দিয়ে। বৰ্তমান টোৱাং মঠত ৩০০ জন লামা আছে। সৰ্বনিম্ন তিনি বছৰ বয়সতে ভীক্ষু হব পাৰে। লামাসকলক শিক্ষা দি উপযুক্ত কৰি তুলিবৰ বাবে মঠৰ চৌহদত এখন বিদ্যালয় মুকলি কৰা হৈছে। বিদ্যালয়ত তিনিজন শিক্ষকৰ অধীনত ৮০ জন ছাত্ৰই শিক্ষা লাভ কৰি আছে। অংক, সমাজ বিজ্ঞান, বৌদ্ধ দৰ্শন, ইংৰাজী, হিন্দী আৰু ভাৰতীয় ভাষা শিকোৱাৰ ব্যৱস্থা এই বিদ্যালয়ত আছে। বিদ্যালয়ৰ শিক্ষকৰ বেতন আৰু ছাত্ৰসকলৰ নামত এক বিশেষ পৰিমাণৰ অৰ্থ সাহায্য চৰকাৰ পক্ষৰ পৰা কৰি আছে।

মঠৰ এই বিদ্যালয়লৈ আমি যেতিয়া গৈছিলো তেতিয়া বিদ্যালয়ৰ ছুটি দিয়াৰ ঘন্টা পৰিছিল। ভীক্ষু ছাত্ৰসকলে হুলস্থূল কৰি উকি মাৰি শ্ৰেণীৰ পৰা বাহিৰ ওলাই আহিছিল। সেই দৃশ্য দেখি আমাৰ প্ৰাথমিক বিদ্যালয়বোৰলৈ মনত পৰিছিল। মনত পৰিছিল 'আজি স্কুল ছুটি ঘৰে ঘৰে ৰুটি---' আদি চিঞৰি চিঞৰি স্কুলৰ পৰা ওলাই অহা দৃশ্যলৈ। অকণ অকণ ভীক্ষুবোৰে মোক বেঢ়ি ধৰিছিল। নুবুজা ভাষাত তেওঁলোকে মোক কিবাকিবি কৈছিল। আকাৰে ইঙ্গিতে ময়ো তেওঁলোকৰ লগত কথা পাতিছিলো। এজাক অকণমান ভীক্ষুৱে মোৰ লগত ফটো তুলিবলৈ হুলস্থূল লগাইছিল। কেইজনমান ভীক্ষুৱে মোৰ শ্বলখনত, হাতবেগটোত বা চাদৰখনত ধৰি টানিছিল। তেওঁলোকৰ কাণ্ডবোৰ দেখি বিদ্যালয়ৰ শিক্ষকজনে মোক কৈছিল, "এওঁলোকে আপোনাক বৰ ভাল পাইছে আৰু সেইবাবে আপোনাৰ লগত ধেমালি কৰিবলৈ বিচাৰিছে।" অকণ অকণ ভীক্ষুসকলৰ লগত মই বহু সময় পাৰ কৰিছিলো। নুবুজা ভাষাতেই তেওঁলোকৰ লগত কথা পাতিছিলো। মুখলৈ চাই ভাবিছিলো কিমান অবুজ শিশু এওঁলোক। মঠৰ বাহিৰৰ পৃথিৱীখনৰ কথা এওঁলোকে হয়তো একেবাৰেই নাজানে। ধৰ্ম নামৰ বান্ধনত এওঁলোক আজি বন্দী। ধৰ্মৰ বান্ধোনে বাৰু শিশু মনৰ অনুভূতিখিনি কেনেকৈ বান্ধি ৰাখিব? শিশু যে শিশুৱেই!!

মঠৰ প্ৰধান লামাজনক 'ৰিম্পুচি' বোলা হয়। ৰিম্পুচি জনাক অৱতাৰী পুৰুষ বুলি বিশ্বাস কৰা হয়। মহামান্য ৰিম্পুচি জনাক এদিন আমি ব্যক্তিগতভাৱে সাক্ষাৎ কৰিছিলো। তেখেতক আমি 'খাদা' (বৌদ্ধসকলে ব্যৱহাৰ কৰা আমাৰ গামোছাৰ দৰে এবিধ বগা বস্ত্ৰ) দি সন্মান জনাই-ছিলো। আমাৰ খাদা গ্ৰহণ কৰি আমাৰ কান্ধত পিন্ধাই দি তেখেতে আমাক প্ৰতি সম্ভাষণ জনাই-ছিল। আদৰ সাদৰ কৰি আমাক বহিবলৈ দিছিল। ছবি আঁকা চিনামাটিৰ পিয়লাত মাখন মিহলি তিব্বতীয় চাহ আৰু অন্যান্য বস্তুৰে আমাক আপ্যায়িত কৰিছিল। তেখেতৰ লগত আমি বহুত সময় আলোচনা কৰিছিলো। আলোচনাৰ পৰা জানিব পাৰিছিলো ধৰ্ম সম্পৰ্কে তেখেত বৰ আশা-বাদী। বুদ্ধৰ জন্মস্থান ভাৰতত বৌদ্ধ ধৰ্মৰ বহুল প্ৰচাৰ হোৱাটো তেওঁ বিচাৰে। ৰিম্পুচিৰ এজন ব্যক্তিগত সচিব আছে। ইংৰাজী আৰু হিন্দী ভাষাত তেওঁৰ দখল আছে। ৰিম্পুচিয়ে তিব্বতীয় ভাষা কয়। তেখেতৰ লগত কথা-বতৰা হওঁতে বিদ্যালয়ৰ শিক্ষক এজনে দো-ভাষীৰ কাম কৰি-ছিল।

টোৱাঙত থকা কেইদিনৰ ভিতৰত এটা ধৰ্মীয় উৎসৱ দেখাৰ সৌভাগ্য আমাৰ হৈছিল। উৎসৱৰ নাম আছিল বাংচিন বা মহান আশীৰ্বাদ। উৎ-সৱৰ দিনকেইটাত টোৱাং দূৰ-দূৰণিৰ পৰা অহা লোকেৰে ভৰি পৰিছিল। সুন্দৰ সাজ-পাৰ পৰি-ধান কৰি সকলো ধৰ্মপ্ৰাণ বৌদ্ধ সমবেত হৈছিল মঠৰ চোতালত—মহাপ্ৰাণ ৰিম্পুচিয়ে দিয়া বাংচিন শিৰত লবলৈ। উৎসৱৰ শেষৰ দিনা আছিল দেওবাৰ। সকলোবোৰ কাৰ্য্যালয় বন্ধ থকাৰ বাবে সেইদিনা সকলো ধৰ্মীয় লোকেই টোৱাং মঠলৈ গৈছিল। টোৱাং চাকিট হাউচৰ পৰা মানুহৰ সমদল পৰুৱা লানিৰ দৰে লাগিছিল। অৰুণাচল চৰকাৰৰ চাকৰিয়াল টাচি লামাৰ লগত আমিও মঠলৈ যোৱা জনতাৰ মাজত সোমাই পৰিছিলো। পাহাৰীয়া আলিত খোজ কঢ়া অভ্যাস বেছি নাই যদিও সেইদিনা প্ৰায় ৩।৪ কিলোমিটাৰ দূৰত্ব উপলব্ধি কৰা নাছিলো। আমাক অতিথি বুলি চিনিব পাৰি বৌদ্ধসকলে আমাক বাট এৰি দিছিল। মঠৰ চৌহদ সোমোৱাৰ লগে লগে আমাক সম্ভ্ৰমেৰে আগবঢ়াই নিছিল। যথাস্থানত বহিবলৈ আসন পাৰি দিছিল। আমি অভিভূত হৈ পৰি-ছিলো বৌদ্ধসকলৰ ধৰ্মৰ প্ৰতি আনুগত্য দেখি। প্ৰতিটো নুবুজা কথা আমাক বুজাই কৈছিল সহ-যাত্ৰী টাচি লামাই। উৎসৱৰ গাম্ভীৰ্য্যতাই আমাৰ মন প্ৰাণ ভৰাই তুলিছিল। উৎসৱৰ দিন কেইটাত মঠৰ চৌহদৰ বেপাৰীসকলে কাপোৰ-কানি, কাঠৰ পাত্ৰ, নানা ধৰণৰ খাৰু—মণি আদি অনেক ধৰণৰ ভাল বস্তু বেচিছিল। এই সকলোবোৰ দেখি মোৰ শিৱসাগৰৰ শিৱৰাত্ৰিৰ মেলাখনলৈ মনত পৰিছিল। মঠৰ চৌহদত এখন দোকান আছে। তাত খাদা, চাকি আদি পূজাৰ যাৱতীয় বয়-বস্তুৰ উপৰিও নানা ধৰণৰ স্থানীয় আৰু অন্যান্য স্থানৰ পৰা অনা বস্তু পোৱা যায়। আমি যাওঁতে এজনী হাঁহিমুখীয়া তিব্বতীয় ছোৱালীয়ে বস্তু বিক্ৰি কৰি আছিল। ছোৱালীজনীয়ে অনেক বস্তু দেখুৱাই প্ৰতিটো বস্তুৰ গুণাৱলী ব্যাখ্যা কৰি গৈছিল। আমি আচলতে তাত বস্তু চাম বুলিহে সোমাইছিলো। কিন্তু, ছোৱালীজনীৰ বস্তু দেখুও-ৱাৰ আগ্ৰহ আৰু মৰম লগা ব্যৱহাৰত কিবাকিবি দুটামান বস্তু নিকিনি নোৱাৰিলো। আমাৰ লগত ছোৱালীজনীয়ে ভঙা ভঙা হিন্দীত কথা-বতৰা পাতিছিল।

মঠৰ প্ৰাৰ্থনা ঘৰটো আহল বহল আৰু অত্যন্ত পৰিষ্কাৰ। সুগন্ধী ধূপৰ সুৰভীৰে ভৰা। শাৰী শাৰীকৈ লামাৰ আসন সজাই থোৱা আছে। তাত ভগৱান বুদ্ধৰ ৩০ ফুট ওখ মূৰ্তি আৰু 'পালডুন লামু' (Palden Lahmo) দেৱীৰ এখনি প্ৰতিমা আৰু অন্যান্য বহুতো দেৱ-দেৱীৰ মূৰ্তি আছে। বেৰবোৰ চিত্ৰ-বিচিত্ৰ। দেৱ-দেৱীৰ

উদ্দেশ্যে তাত বৌদ্ধসকলে স্থানীয় ঘিউ আৰু আটাৰে তৈয়াৰ কৰা প্ৰসাদ আগবঢ়ায়। পূজা বা প্ৰাৰ্থনাত প্ৰসাদৰ উপৰিও তেওঁলোকে খাদ্য, পানী আৰু চাকি আগবঢ়ায়। তেওঁলোকৰ চাকিবোৰ পিতলৰ; আমাৰ শৰাইৰ দৰে। সোঁমাজতে শলিতা দিবপৰা ব্যৱস্থা আছে। চাকিবোৰত তেওঁলোকে ঘিউ ব্যৱহাৰ কৰে।

টোৱাং মঠৰ অধীনত টোৱাং মহকুমাৰ সৰ্বমুঠ ১৪টা মহাযান পন্থাৰ মঠ আছে। টোৱাঙৰ ওচৰৰ 'উগেনলিং (Ugenling) নামৰ ঠাইত ষষ্ঠ দালাই লামাৰ জন্ম হৈছিল। টোৱাং মঠত ষষ্ঠ দালাই লামাৰ মাতৃৰ শৰীৰৰ অৱশেষ সংৰক্ষিত আছে। টোৱাঙৰ ভিক্ষুণী (আনী) সকলৰ বাবে এটি মঠ আছে। এই মঠত প্ৰায় ৪০ গৰাকী আনী আছে। টোৱাং মঠৰ পৰা এই মঠ প্ৰায় এক কিলোমিটাৰমান দূৰত। আঁকোৱা পকোৱা ঠেক আলিয়েদি সেই মঠলৈ যাব লাগে। সেইবাবে আনী মঠলৈ যোৱাৰ অত্যন্ত ইচ্ছা থকা স্বত্বেও মই যাব নোৱাৰিলো। আনীসকলে প্ৰতিদিনে প্ৰাৰ্থনাৰ বাবে প্ৰধান মঠলৈ আহে। ধৰ্মৰ প্ৰতি থকা আনুগত্যৰ বাবে কণ্টকৰ বাটো তেওঁলোকৰ বাবে সহজ হৈ পৰিছে।

টোৱাং অঞ্চলৰ স্থানীয় লোকসকল মনপা। তেওঁলোক সৰল-সহজ আৰু অতিথিপৰায়ণ আৰু সৌন্দৰ্য্যপ্ৰিয়। তেওঁলোকে কাঠেৰে সুন্দৰ সুন্দৰ বস্তু, মুখা আদি নিৰ্মাণ কৰিব পাৰে। তাঁতত সপোন ৰচিব পাৰে। চিত্ৰ-বিচিত্ৰ দলিচা বব পাৰে। বমডিলা আৰু টোৱাঙৰ Craft Centre অত দেখিছিলো তেওঁলোকৰ হাতৰ পৰশত প্ৰাণ পাই উঠা অনেক কাঠৰ বস্তু; কাপোৰ আৰু দলিচা। কামত ব্যস্ত হৈ থকা শিল্পীসকলৰ একাগ্ৰতা দেখি অভিভূত হৈছিলো। বমডিলাৰ দলিচা নিৰ্মাণ কৰা অনুষ্ঠান এটাত দেখিছিলো তিৰোতাসকলে ফুলাম দলিচা বৈ থকা। তেওঁলোকৰ এটা কথাই আমাক বিশেষভাৱে আকৰ্ষণ কৰিছিল—তেওঁলোকৰ কেচুৱাবোৰ তেওঁলোকৰ কাঠৰ বা বাঁহৰ বাকচত সুমাই থৈছিল। দুগৰাকী মানে পিঠিত কেচুৱা লৈ আৰু দুগৰাকীমানে কোলাত কেচুৱা লৈও দলিচা বৈ আছিল। শ্ৰমজীৱী এই তিৰোতাসকললৈ শ্ৰদ্ধা উপজিছিল। মুখত এমোকোৱা হাঁহিৰে আলি বান্ধি থকা কামতো তেওঁলোক ব্যস্ত হৈ থকা দেখিছিলো।

মনপাসকলৰ জীৱন আৰু সংস্কৃতিৰ কেন্দ্ৰ হ'ল টোৱাং মঠ। জন্মৰ পৰা মৃত্যুলৈকে প্ৰতি খোজে খোজে তেওঁলোকে মঠৰ অনুশাসন মানি চলিছিল। তেওঁলোকৰ উৎসৱ আদিও ধৰ্মকেন্দ্ৰিক। টৰ্গা (Torgya), ডানগীৰ (Dungyur), চাংডিউ (Sangdue) বুদ্ধ পূৰ্ণিমা আদি উৎসৱ তেওঁলোকে আন্তৰিকতাৰে পালন কৰে। বিভিন্ন উৎসৱত মঠৰ চোতালত ভিক্ষুসকলে নৃত্য কৰে। নানা প্ৰকাৰ সাজ-সৰঞ্জাম আৰু মুখা পৰিধান কৰি তেওঁলোকে নৃত্য কৰে। বয়সস্থ মনপা পুৰুষ-মহিলাই হাতত জপমালা লৈ (তেওঁলোকৰ ভাষাত FRENGA) প্ৰতি মুহূৰ্ততে জপ কৰি থকা চকুত পৰিছিল। মনপাসকলে গাঁও পাতি বাস কৰে। আগতে বছৰি প্ৰতি একৰ মাটিত ১৩ ব্ৰে (এটা কাঠৰ পাত্ৰ; আমাৰ দোনৰ দৰে) শষ্য মঠলৈ কৰ দিয়াৰ নিয়ম আছিল যদিও আজিকালি কৰ-কাটলৰ কোনো ধৰা-বন্ধা নিয়ম নাই। মনপাসকলে শিল আৰু কাঠেৰে তৈয়াৰী ঘৰত বাস কৰে। ঘৰবোৰ সাধাৰণতে দুমহলীয়া। টোৱাঙলৈ যাওঁতে আলিৰ দাঁতিত পোৱা বমডিৰ নামৰ গাঁওখনৰ শিলৰ মজবুত ঘৰবোৰে সহজেই মানুহৰ মন আকৰ্ষণ কৰে। মনপা সকলৰ শিল্পীসুলভ মনৰ আভাস ঘৰবোৰ দেখিলেই কিছু পৰিমাণে পাব পাৰি।

মনপাসকলৰ পোহনীয়া প্ৰধান জন্তু হ'ল 'য়াক'। য়াক আমাৰ গৰুৰ দৰে। গাত দীঘল দীঘল নোম আছে। য়াক তেওঁলোকৰ সংস্কৃতিৰ প্ৰধান অঙ্গ। য়াকৰ নোমেৰে তেওঁলোকে নানা বস্তু

তৈয়াৰ কৰে। য়াকৰ নোমৰ টুপী মন্‌পাসকলৰ বৰ প্ৰিয়। য়াকৰ নোম ভালকৈ বান্ধি তেওঁলোকে পিঠিত পেলাই লয়। য়াকৰ গাখীৰেৰে এক বিশেষ পদ্ধতিৰে তেওঁলোকে মাখন প্ৰস্তুত কৰে। মন্‌পাসকল বৰ পৰিশ্ৰমী আৰু ভাল খেতিয়ক। ঘেঁহু, গোমধান আৰু আলুৰ উৎপাদন টোৱাং অঞ্চলত প্ৰচুৰ পৰিমাণে হয়। এক বিস্তৃত এলেকা জুৰি টোৱাঙত এখন চৰকাৰী 'আলুপাম' আছে। টোৱাং অঞ্চলত আপেলৰ খেতিও হয়। কামেঙৰ বিভিন্ন অঞ্চলত প্ৰচুৰ পৰিমাণে আপেল উৎপাদন হয়। শাৰী শাৰী আপেল গছ আৰু ডাল ভৰি ভৰি লাগি থকা ৰঙা ৰঙা আপেলবোৰে আমাক বৰকৈ আকৰ্ষণ কৰিছিল। দিৰাং নামৰ ঠাইত এখন চৰকাৰী 'আপেল পাম' আছে। দিৰাঙৰ আপেলৰ গুণ আৰু উৎপাদনে সৰ্ব ভাৰততে সুনাম অৰ্জন কৰিছে। তাত আপেল বৰ সস্তা। লোভ সামৰিব নোৱাৰি আমি কেতিয়াবা আলিৰ দাঁতিত ৰৈয়ো আপেল খাইছিলো।

মন্‌পা তিৰোতাই ভৰিলৈকে পৰা এটা দীঘল চোলা পিন্ধে। কঁকালত এডাল বেল্ট মাৰে। তেওঁলোকে নিজহাতে বৈ লোৱা কাপোৰেৰে ফুলাম জেকৌ পিন্ধে। মূৰত পিন্ধে কাপোৰৰ ফুল বছা অথবা য়াকৰ নোমেৰে তৈয়াৰী টুপী। আপেলৰ দৰেই ৰঙা গাল আৰু এটি মিঠা হাঁহিৰে মন্‌পা তিৰোতা বৰ ৰূপহী। মন্‌পা তিৰোতাই একাধিক স্বামী গ্ৰহণ কৰিব পাৰে। বিবাহৰ আগতেই কোনো কুমাৰী মাতৃ হলেও মন্‌পা সমাজত তেওঁক অৱজ্ঞা কৰা নহয়। বিয়াৰ পিছত সেই সন্তান পতি গৃহলৈ লৈ যোৱাত বাধা নাই। সেই সন্তানক 'ঈশ্বৰৰ প্ৰদত্ত' বুলি গ্ৰহণ কৰা হয়। বিবাহৰ সময়ত খাদা আৰু মদ দি দ'ৰা পক্ষই ছোৱালী খুজিব লাগে। যদি কন্যা-পক্ষ অমান্তি হয়, তেতিয়া খাদা, মদ আদি গ্ৰহণ নকৰে আৰু যদি মান্তি হয় তেতিয়া গ্ৰহণ কৰে। মন্‌পা সকলৰ বিয়াৰ দিন-বাৰ জ্যেষ্ঠ লামাই স্থিৰ কৰি দিয়ে। তেওঁলোকৰ বিবাহ দৰা ঘৰত সম্পন্ন হয়। বিয়াত যৌতুক প্ৰথাৰ প্ৰচলন আছে। মাটি আৰু য়াক দিবই লাগিব। আন বস্তুৰ ক্ষেত্ৰত ধৰা-বন্ধা নিয়ম নাই। মন্‌পা সমাজৰ কোনো সন্তান জন্ম হলে তিনি দিন বা পাঁচ দিনত সেই সন্তান সমাজে গ্ৰহণ কৰে। নৱজাত সন্তানক গঞ্চাই খাদা আৰু টকা দি আশীৰ্বাদ দিয়ে। জ্যেষ্ঠ লামাই সন্তানক আশীৰ্বাদ দি নামাকৰণ কৰে। সেইদিনাই পিতৃ-মাতৃয়ে সন্তানৰ মুখত এটোপা মদ আৰু এটোপ ঘিউ দিয়ে। দুবছৰৰ পিছত সন্তানৰ চূড়াকৰণ কৰা হয়। মন্‌পাসকলৰ মৃত কামও সুকীয়া। তেওঁলোকৰ কোনো মৃত্যু হলে মৃত আত্মাৰ শান্তিৰ কাৰণে প্ৰাৰ্থনা জনোৱাৰ পিছত মৃতদেহ এশ আঠ টুকুৰাকৈ কাটি নৈত উটাই দিয়ে। জ্যেষ্ঠ লামাসকলৰ মৃত্যু হলে দাহ কৰা হয়। মৃতকৰ ঘৰত সাত দিন ধৰি শোক পালন কৰা হয়। সাত দিনৰ দিনা জিন্‌-চাম্ বা শোক সামৰণি উৎসৱ পালন কৰা হয়। প্ৰতি বছৰেই মৃত্যু দিনটোত জিন্‌চাম পালন কৰা হয়।

কেইবাদিনো টোৱাঙত কটোৱাৰ পিছত আমি অহাৰ দিনা পুনৰ এবাৰ টোৱাং মঠলৈ গৈছিলো। ক্ষন্তেকৰ ভিতৰতে বন্ধুত্ব গঢ়ি উঠা অকণমান ভিক্ষুকেইজনক আকৌ এবাৰ চাবৰ বাবেই। মোক দেখাৰ লগে লগেই হুলস্থূল কৰি তেওঁলোক মোৰ ওচৰলৈ আহিছিল। তেওঁলোকৰ পৰা মই বিদায় লৈছিলো। দো-ভাষীৰ সহায়ত আমি কথা পাতিছিলো। মই কেনি যাম তেওঁ-লোকে সুধিছিল। মই কৈছিলো, 'এনেকুৱা আৰু কেইবাটাও পাহাৰ পাৰ হৈ এখন সমান ঠাই পামগৈ। তাত এখন বহল নদী আছে। সেই নদীখনৰ পাৰলৈকে মই যাম। তাত তোমা-লোকৰ দৰে বহুত ল'ৰা-ছোৱালী আছে। তেওঁ-লোকক মই তোমালোকৰ কথা ক'মগৈ।' মোৰ কথাখিনি হেপাহেৰে তেওঁলোকে শুনিছিল।

তেওঁলোকৰ চকুৰ ভাষাত ফুটি উঠা ভাষা মই বুজিছিলো। সেয়ে কৈছিলো, মই আকৌ আহিম তোমালোকৰ ওচৰলৈ।

আমি ওলাই আহিছিলো মঠৰ চৌহদৰ পৰা। হাত জোকাৰি আমি তেওঁলোকৰ পৰা শেষ বিদায় লৈছিলো। যথা সময়ত টোৱাং এৰিছিলো। ভাবিছিলো—এইখন আকাশৰ তলতে এইখন এখন শান্তিৰ সৰগ। তথাগত বুদ্ধৰ ত্যাগ আৰু শান্তিৰ বাণীৰে মহীয়ান এই স্থান যেন হিমালয়ৰ বুকুত লুকাই থকা এখনি গোপন সৰগ। কণমান ভিক্ষুসকল যেন সৰগৰ দেৱ-শিশু !! আৰু আমি সংসাৰৰ ধুলি সানি লোৱা সাধাৰণ মানুহ! আমি যে মায়ামুগ্ধ !! সেয়ে, আমাৰ স্থান এই সৰগত নাই---। ০০০

"স্বাক্ষৰতা আৱশ্যকীয়। কিন্তু কেৱল স্বাক্ষৰতাই নহয়। যদি মানুহৰ শিক্ষাৰ লগত জ্ঞানৰ সম্বন্ধ নাথাকে, তেন্তে শিক্ষা অভিশাপ স্বৰূপহে হয়।"

—ৰাধাকৃষ্ণণ।

# অসমীয়া সাহিত্য আৰু ৰোমাণ্টিক প্ৰেমৰ কবিতা

শ্ৰীৰেণু ভূঞা,
প্ৰথম বাৰ্ষিক স্নাতক।

দুটিমান জোনাকৰ সোণোৱালী ৰেখ
লাহে লাহে ভৈয়াম নামিছে,
সৃষ্টি পাতনিৰ সেই জীৱন্ত ছবিটি
ঘূৰি আহি ভুমুকি মাৰিছে।

অসমীয়া সাহিত্য কাননত নৱজ্যোতিৰ প্লাৱন নৰ্মোৱা 'জোনাকী'ৰ মধু জোনাকত সেউজীয়া দুবৰিৰ দলিচাৰ ওপৰত জিকমিকাই থকা এপাহি শেৱালি সদৃশ হেমচন্দ্ৰ গোস্বামীদেৱৰ 'পুৰা' কবিতাটিৰ প্ৰকাশে অসমৰ সাহিত্য আকাশত ৰোমান্টিক ভাৱধাৰাৰ কাঁচিজোনৰ স্নিগ্ধ আভা ছটিয়াই দিলে।

সাহিত্যিকৰ সবল লেখনিত সোতৰশ আৰু ওঠৰশ শতিকাত প্ৰচলিত ক্লাছিকেল সাহিত্যৰ বিৰুদ্ধে যি বিপ্লৱৰ সূচনা হ'ল সেয়ে ৰোমান্টিক সাহিত্যৰ মুক্তি সংগ্ৰাম। ওঠৰশ শতিকাৰ ক্লাছিচিজমৰ শৃঙ্খল দলিয়াই পেলাই উনৈশ শ শতিকাত সাহিত্যৰ আত্মাই যি মুক্তিলাভ কৰিলে সেয়ে ৰোমান্টিক সাহিত্যৰ মুক্তি; ঐতিহাসিক বিবৰ্তনৰ নতুন ধাৰা।

ৰোমান্টিক সাহিত্য বুলিলে আমি সাহিত্যৰ মুক্তিৰ প্ৰচেষ্টা বুলি জানো। ইয়াত কল্পনাপ্ৰৱণতাৰ চূড়ান্ত পৰ্য্যায় সমৰ্থন কৰা হয়। পেটাৰৰ মতে, সৌন্দৰ্য্যৰ লগত বিস্ময়ৰ সংযোগত ৰোমান্টিছিজমৰ জন্ম। (addition of strangeness to beauty) পৰীৰ দেশৰ সাধুত যি নাৰীৰ সৌন্দৰ্য্যৰ বৰ্ণনা থাকে, তাত বিস্ময়ানুভূতি আৰু সৌন্দৰ্য্যানুভূতিৰ সমাবেশ হয়; এয়ে ৰোমান্টিক সাহিত্য, ওৱাছক ডান্টনৰ মতে ই 'বিস্ময়াভূতিৰ নৱজন্ম' (renaissance of wonder)। হাৰ্ফেডৰ মতে ৰোমান্টিছিজ্ম 'আনুভৌতিক জীৱনৰ চৰম বিকাশ' (wonderful development of imaginative sensibilities)।

ৰোমান্টিক কাব্যৰ লক্ষণ আমি সহজ ভাষাত এইদৰে কব পাৰো—ব্যক্তিসত্তাৰ প্ৰাধান্য, প্ৰকৃতি-প্ৰীতি সাধাৰণ প্ৰাণীৰ প্ৰতি থকা উদাৰ মনোভাৱ, অতীতৰ প্ৰতি থকা শ্ৰদ্ধা-ভক্তি, ভৱিষ্যতৰ ৰঙীন কল্পনা, কল্পলোক সৃষ্টিৰ সহায়ত আত্মমুক্তিৰ প্ৰচেষ্টা, প্ৰেম আৰু সৌন্দৰ্য্যৰ প্ৰতি বিস্ময় বিমূঢ়তা, বিশ্ব প্ৰকৃতিত প্ৰিয়াৰ ৰূপ আৰাধনা আৰু অতিন্দ্ৰিয়বাদ—এইবোৰেই ৰোমান্টিক সাহিত্যৰ প্ৰধান লক্ষণ; আৰু ৰোমান্টিক সাহিত্যৰ কবিতাৰ লক্ষ্য হ'ল—

The worlds of dreams are better far
Above the light of the morning star.

ই স্বপ্নৰ মোহজাল গোঠে। ইয়াত আছে মুক্তিৰ প্ৰয়াস; প্ৰেম-বিৰহৰ জোৱাৰ; যৌৱনৰ অনন্ত উচ্ছাস।

১৮৮৫ চনত গুণাভিৰাম বৰুৱাৰ সম্পাদনাত প্ৰকাশ হোৱা মাহেকীয়া আলোচনী 'আসাম বন্ধু'ৰ পৃষ্ঠাতেই পোন প্ৰথমবাৰৰ বাবে অসমীয়া ৰোমা-

ন্টিক সাহিত্যৰ পূৰ্বাভাসৰ ৰেঙণি দৃষ্টিগোচৰ হৈছিল। অ, ভা, উ, সা, ৰ মুখপত্ৰ মাহেকীয়া আলোচনী 'জোনাকী'ৰ আবিৰ্ভাৱে অসমীয়া ৰোমান্টিক সাহিত্যৰ দুৱাৰ উন্মোচিত কৰে; জোনাকীৰ পাতত জিলিকি থকা হেমচন্দ্ৰ গোস্বামী-দেৱৰ 'পুৰা' কবিতাৰ যোগেদি।

এইখন কাকততে প্ৰকাশ হৈছিল চন্দ্ৰকুমাৰ আগৰৱালাদেৱৰ প্ৰথম অসমীয়া ৰোমান্টিক কবিতা 'বনকুঁৱৰী'।

আগৰৱালাদেৱ আছিল ৰোমান্টিক কবি। তেঁখেতৰ কবিতাপুথি দুখনি 'প্ৰতিমা' আৰু 'বীণ-বৰাগী' অসমীয়া কাব্য কাননৰ দুপাহি সতেজ পুষ্প। সুন্দৰৰ উপাসনা—"সুন্দৰৰ আৰাধনা জীৱনৰ খেল" আৰু মানৱপ্ৰেমী—"মোৰেই মুখেদি মানৱ প্ৰাণৰ ফুটক আকুল মাত, মোৰ চিন্তাতেই গূঢ় ৰহস্যৰ সত্য হক প্ৰতিভাত।" এই দুটা মূলভাৱেই প্ৰধানকৈ—চন্দ্ৰকুমাৰ আগৰৱালাদেৱৰ সুন্দৰ "জ্ঞানময়, প্ৰেমময়, প্ৰাণৰ ঈশ্বৰ" আৰু তেওঁৰ মানত পৃথিৱী—

"দেখিছোঁ পৃথিৱী স্বৰ্গতো অধিক
মানুহৰ নিজাপী ঘৰ।"

আৰু তেওঁৰ দৃষ্টিত মানুহ—"মানুহেই দেৱ মানুহেই সেৱ, মানুহেই পৰাৎপৰ; কৰা কৰা পূজা পাদ্য অৰ্ঘ্য লৈ, জয় জয় মানৱদেৱ।" প্ৰকৃতি প্ৰীতি বা অতি প্ৰাকৃত ঘটনাৰ ভেটিত ৰচিত "তেজীমলা", "বনকুঁৱৰী", "জলকুঁৱৰী" আদি কবিতাৰ মাজেদিও আগৰৱালাদেৱৰ মানৱপ্ৰেম আৰু সুন্দৰৰ সাধনাৰ নিদৰ্শন অনুভৱ কৰা যায়। আগৰৱালাদেৱৰ কবিতাত সাধাৰণ প্ৰাণীৰ প্ৰতি থকা উদাৰ মনোভাৱো পৰিলক্ষিত হয়—

"বনৰ মাজত পাতৰ আঁৰত ক'ত তোমাৰ ঘৰ
কোন দেশৰ প্ৰাণী তুমি ক'লৈ যাবা লৰ?"
(পখিলা)

চন্দ্ৰকুমাৰৰ কবিতাত পৰম্পৰাগত ভাৰতীয় দাৰ্শনিক সত্যও অনুভৱ কৰা যায়। তেওঁৰ কবিতা প্ৰাচ্য আৰু পাশ্চাত্যৰ ভাৱৰ সংগমস্থল।

ৰোমান্টিক প্ৰেমৰ যোগেদি আচাৰ, সংস্কাৰ আৰু সামাজিক বাধা জয় কৰি ব্যক্তিয়ে ব্যক্তিৰ মূল্য উপলব্ধি কৰা কথাটো বেজবৰুৱা, ৰজনী বৰদলৈ আৰু গোঁহাঞিবৰুৱাৰ উপন্যাসত পৰিলক্ষিত হয়। পানেই আৰু জংকিৰ কৰুণ কাহিনীৰ মাজেদি যে কেৱল মিৰি সমাজৰ কথাহে প্ৰকাশ পাইছে, এনে নহয়, তাৰ মাজেৰে ব্যক্তিৰ স্বতন্ত্ৰ মৰ্য্যাদা আৰু প্ৰেমৰ অজেয় গৌৰৱ প্ৰচাৰিত হৈছে।

নিৰলৰি কবি যতীন্দ্ৰনাথ দুৱৰাদেৱৰো অসমীয়া ৰোমান্টিক তথা আধুনিক কাব্য সাহিত্যলৈ অৱদান উল্লেখনীয়। দুৱৰা এনে ধৰণৰ কবি—যিসকলে প্ৰেমৰ ক্ষেত্ৰত হতাশ হৈ কেৱল বিৰহকে জীৱন যুঁজৰ অৱশ্যম্ভাৱী পুৰস্কাৰ বুলি গ্ৰহণ কৰি চকুলোৰে অতীতৰ স্মৃতি ব্যঞ্জক কবিতা ৰচিছে। গণেশ গগৈ আদি কবিও দুৱৰাৰ সহযাত্ৰী।

'নাৱৰীয়া, মেলি দিয়া নাওখনি মোৰ
মিছাক'য়ে আছোঁ বাট চাই,
কোন আছে কেনি মোৰ আহি কাষলৈ'ই
চেনেহেৰে দিবহি বিদায়।"
(অতীতক যোৱাহে পাহৰি—দুৱৰা)

o o o o

'অনাদৰ অৱহেলা সকলো গোটাই ল'ই
ৰচোঁ মই জীৱনৰ কুসুম কানন,
ই যে মোৰ কপালত বিধিৰ নিঠুৰ লেখা
এয়ে মোৰ জীৱনৰ কাঁইটীয়া বন॥'
(শূন্য পৰিচয়—দুৱৰা)

'যোৱা তেনে যোৱা সখী নেলাগে থাকিব বৈ
গুচি যোৱা যত পাৰা দুৰ দূৰলৈ—
সপোন সন্ধানে যাতে নোৱাৰে কাঢ়িতো দিব
তোমাৰ ৰূপৰ জ্যোতি স্মৃতিয়েদি বৈ!'
(পাপৰি—গগৈ)

নৈৰাশ্যৰ কৰুণ সুৰ তেওঁলোকৰ কবিতাত ৰৈ ৰৈ বাজি থকা শুনা যায় যদিও প্ৰকৃততে তেওঁলোক নিৰাশাবাদী কবি নহয়, এবাৰ অতীতক যোৱাহে পাহৰি বুলি কান্দি কাটি বিননি তুলি পিছ মুহূৰ্ততে অতীতক নেযাবা পাহৰি বুলি শান্ত্বনাৰ আশাবাদী গীত গোৱা কৰিছে।

প্ৰেমিকা বিয়েট্ৰিছৰ স্মৃতিৰ অন্তৰালত ডান্টেৰ ৰূপৰ পৰা নিগৰি ওলোৱা সাহিত্যৰাজিৰ দৰে অন্তৰ্জগত থৌকি-বাথৌকি লগোৱা অপৰূপ ৰূপৱতী ইন্দুমতীৰ স্মৃতি ৰোমন্থনতেই অম্বিকাগিৰি ৰায়চৌধুৰীৰ ৰূপৰ পৰা নিগৰি ওলাইছিল—

'গোটেই মু'খনি মোক নেলাগে দেখাব
গোটেই মাধুৰীখিনি নেলাগে ফুলাব,
তেনেই পোহৰ কৰি নেলাগে আহিব
তেনেই খলক তুলি নেলাগে হাঁহিব
সেইবাবে হোৱা নাই বিয়াকুল মই
সেইবাবে মৰা নাই ছাটি-ফুটি ক'ই।

লাজৰ ওৰণি ল'ই মুখ-মণ্ডলত
ৰসৰ মেলেখা পিন্ধি সুৱদি বুকত,
ভেমৰ আঁৰৰ পৰা মিচিকনি মাৰি
ব'ই পৰা ৰূপ-লানি সামৰি সামৰি
আধা ফুটা সুৰ তুলি মিলনৰ গান
গোৱা যদি তাতে মোৰ পমিব পৰাণ।'
('বীণা'—ৰায়চৌধুৰী)

ডঃ বাণীকান্ত কাকতিদেৱে তুমি কাব্যৰ পাতনিত কবি ৰায়চৌধুৰীৰ জীৱনৰ ক্ষুদ্ৰ আভাস দিবলৈ গৈ এনেদৰে কৈছে, "'তুমি' মন গঢ়া কৃত্ৰিম কাব্যৰ পুথি নহয়। প্ৰেমিক ৰায়চৌধুৰী ডেকা বয়সত শ্যেলী, বাইৰণ আদি ৰোমান্টিক কবি সকলৰ দৰে বহুবাৰ প্ৰেমত পৰিছে, ওপঙিছে, সাঁতুৰি পাৰ হৈছে।"

"ইন্দুমতী" কবিৰ হৃদয় ফুলনিত ফুলি থকা এই একেপাহি মালতীয়েই 'তুমি' আৰু 'বীণা' দুয়োখন কাব্যৰ মূল উৎস। কবিৰ অন্তৰত সেই অপৰূপাৰ প্ৰতি ওপজা প্ৰেমেই জীৱনৰ বিভিন্ন স্তৰত মিলন বিৰহৰ মাজেদি তৰঙ্গায়িতভাৱে গতি কৰি শেষত চিৰ বিৰহত পৰিণত হৈ ভগৱৎ প্ৰেমলৈ উন্নীত হয়।

'নাজানো মাতিব তোক
সেইবাবে তই হেনো নোখোজ আহিব,
বিৰহ ঘাঁতত মোক
সেইবাবে পিছি পিছি ধৰিছ দলিব ?
চাবি তেনেহলৈ
তোকো পথে পথে
টানি আনি বিৰহৰ ঘাঁতত পেলাই
দলি ৰ'ম প্ৰাণময় গীত গাই গাই।'

কবিৰ জীৱনৰ ব্যৰ্থ প্ৰেমৰ এই গীতবোৱেই তেওঁৰ কবিতা। যৌৱনৰ এনে উদভ্ৰান্ত প্ৰেমেই বিৰহৰ সুঁতিত পৰি জাহ গৈ ভৱৰম্মুখী প্ৰেমলৈ ক্ৰমে ঢাল লৈছে।

বাস্তৱ জীৱনত হাঁহি আৰু অশ্ৰু দুয়োটাকে গ্ৰহণ কৰিবলৈ ৰাজী হোৱা কবিসকলৰ ভিতৰত দেৱকান্ত বৰুৱা অন্যতম। নাটকীয় ভঙ্গীৰ ৰচনাৱলী আৰু চিন্তা উন্মেষক যুক্তি তেওঁৰ কবিতাৰ অন্যতম প্ৰধান আকৰ্ষণ।

'তোমাৰ বিয়ালৈ আৰু কেইদিন বাকী ?
দহ দিন ? মাথোঁ
দহ দিন আছে ?
এনে দহ নিশা,
তুমি যাবা তোমাৰ বাটেদি, মই যাম
মোৰ বাটে বাটে।'
('কলং পাৰত মাজনিশা'—দেৱকান্ত)

'আমিও মৰহি যাম ? অসাৰ্থক প্ৰেম মোৰ ?
পাপ মাথোঁ এই চুমাচুমি ?
কি কৰিম ? হ'ক পাপ ক্ষতি নাই,
মই পাম স্বৰ্গ তাতে
তুমি ৰ'বা তুমি'
('অসাৰ্থক'—দেৱকান্ত)

'তুমি আৰু মই সজা প্ৰেমৰ পৃথিৱী খনি
মৃত্যু তাৰ সীমা।'
('পৃথিৱী'—দেৱকান্ত)

প্ৰকৃতি-প্ৰীতি ৰোমান্টিক কাব্য সাহিত্যৰ অন্য এক প্ৰধান লক্ষণ। কবি সাহিত্যিকসকলৰ সূক্ষ্ম চিন্তাৰ মূল অনুপ্ৰেৰণা বহন কৰি আহিছে প্ৰকৃতিয়ে। হোমাৰে কাৰ্থেজৰ থলুৱাসকলৰ পৰিশ্ৰম ক্ষমতাক মৌ-মাখিৰ মৌচাক সজা পৰিশ্ৰমৰ লগত তুলনা কৰিছে। বৈষ্ণৱ যুগৰ অন্যতম কবি মাধৱ কন্দলিয়ে জনক নন্দিনী সীতাৰ অঙ্গ-সজ্জাক প্ৰকৃতিৰ বিভিন্ন উপাচাৰৰ লগত তুলনা কৰিছে। অসমীয়া কবিসকলো ইয়াৰ ব্যতিক্ৰম নহয়। দেৱকান্ত বৰুৱাৰ 'মনোৰমা' কবিতাত আছে—

'দহোটা আঙুলি চঁপা কলি যেন,
পদুমৰ ঠাৰি দুখনি হাত,
দুই দোৰপতি থৰক্ বৰক্
তত নাইকীয়া মাকোৰ গাত,
নিপোটল বুকু লাটুমণি ওঁঠ
দুয়োপাৰি দাঁত ডালিমগুটি,
মৰুময় মোৰ জীৱনত সখি
তুমি কবিতাৰ একেটি সুঁতি।'

প্ৰকৃতিক জীৱন নাটৰ সহানুভূতিশীল দৰ্শক স্বৰূপে আহ্বান কৰিবলৈ অসমীয়া কবি যতীন্দ্ৰনাথ দুৱৰা, ৰঘুনাথ চৌধাৰী, নীলমণি ফুকন, ৰত্নকান্ত বৰকাকতী আৰু দেৱকান্ত বৰুৱাৰ কবিতা কৰণি পৰিপূৰ্ণ।

'হাঁহি হাঁহি সুধিছে তৰাই
অকলই অচিন পথত,
কিয় তুমি যাবা নাৱৰীয়া
আমি হ'ম সাৰথি লগত।'
('সোণোৱালী দেশ'—দুৱৰা)

× × ×

'মাজনিশা সাৰ পাই শুনিছানে কেতিয়াবা কেতেকীৰ হিয়া ভগা মাত?
ভাবিছানে এটি ৰাবো পৃথিৱীৰ ডিঙিত কান্দে মানুহৰ বুকুৰ সংবাদ?'
('সাগৰ দেখিছা'—দেৱকান্ত)

প্ৰাকৃতিক জগত প্ৰথমতে মানুহৰ চকুত পৰে। ই মানৱ জীৱনৰ কাব্যিক প্ৰতিবিম্ব। মানুহ আৰু প্ৰকৃতিৰ সম্পৰ্ক ওতপ্ৰোতঃভাৱে জড়িত। কবিৰ মানত প্ৰকৃতি মানস প্ৰতিমা, কল্পনাৰ অধিশ্বৰী, সৌন্দৰ্য্যৰ এক প্ৰাচুৰ্য্যপূৰ্ণ তিৰবিৰণি। এই মহিমাময়ী প্ৰকৃতিয়ে কবিকুলৰ স্বৰ্গীয় বাৰ্তাবাহক। সাহিত্য-শিল্পী সকলে যুগে যুগে বিভিন্ন দৃষ্টিকোণৰ পৰা প্ৰকৃতিক সাহিত্যৰ বুকুলৈ টানিছে। অসমীয়া বিহুগীত, বনগীত, আৰু ডাকৰ ৰচনবোৰতো প্ৰকৃতিৰ বদন-জ্যোতিৰে আলোকিত। অসমীয়া বিহুগীতে প্ৰকৃতি ৰাজ্যত সুৰৰ ঝঙ্কাৰ তোলে—

'কুউ কুউ কুলিয়ে বিনালে
ডালে ডালে কপৌফুল ফুলিলে---'

আকৌ,

'লুইতৰ পাৰতে ফুলে কহুঁৱা বন
ফাগুণী মলয়াই কৰে বলিয়া মন।' ইত্যাদি।

ইংৰাজ কবি ৱৰ্ডছৱৰ্থক প্ৰকৃতি কবি আখ্যা দিয়া হয়। প্ৰকৃতিৰ সৌন্দৰ্য্যত পুলকিত হৈ বিলৰ দাঁতিত ফুলি থকা অসংখ্য ডেফ'ডিল ফুলক লৈ কবিয়ে কবিতা ৰচিলে। তেওঁ এই সৌন্দৰ্য্যত ইমানেই মুগ্ধ হৈছিল যে তেওঁৰ তন্ময়তাই বাস্তৱ জগত, ক্ষণিক তেওঁৰ দৃষ্টিৰ পৰা বহু দূৰলৈ আঁতৰাই নিছিল।

"I gazed and gazed but little thought,
What wealth the show to me had brought—".
('Daffodiles'—Wordsworth)

ৰঘুনাথ চৌধাৰীৰ কবি মনো সেই পুলকত উদ্বেলিত হৈ উঠিছে।

'শ্যামল তৃণেৰে ভৰা, ধুনীয়া পথাৰ
সুন্দৰী শাৰদ বালা
পিন্ধালে হৰিৎ মালা
সঙ্গীতৰ হিল্লোলত প্ৰেমৰ আধাৰ
ফুলিল হৃদত কত কুসুম কহলাৰ।'
('দহিকতৰা'—চৌধাৰী)

'কাৰ পৰশত ফুলিলি বান্ধৈ-
অ' মোৰ দৰদী ফুলাম পাহি
শ্যামলী পাতৰ ওৰণি গুচাই
কাৰফালে চাই মাৰিলি হাঁহি'
('গোলাপ'—চৌধাৰী)

ৱৰ্ডছৱৰ্থৰ এটি কবিতাত প্ৰকৃতিক ইন্দ্ৰিয়গ্ৰাহ্য প্ৰেমৰ বাহন হিচাপে গ্ৰহণ কৰিছে।

'The sounding cataract
Haunted like a passion;
the tall rock
The mountain and deep and
gloomy wood,
Their colours and their forms
were then to me
An appelite, a feeling and a love.'

লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰিয়তমা কবিতাতো এই ভাৱ প্ৰস্ফুটিত হৈছে—

'নই বই যায় কুলু কুলু গাই
অনন্ত জলধিমুখে।
পাৰতে বহি মোক তোমাৰ ৰাগিণী
গাব দিয়া মহাসুখে।'

প্ৰকৃতিক চিৰ সুন্দৰৰ প্ৰতিমূৰ্তি বুলিও কোনো কোনো কবিয়ে অভিহিত কৰিছে। ৱৰ্ডছৱৰ্থৰ দৃষ্টিত প্ৰকৃতি স্বৰ্গীয় আলোকেৰে আলোকিত। শ্যেলীৰ কাৰণে প্ৰকৃতি অক্ষয় আৰু অনিৰ্বাপিত শক্তিৰ ৰহস্যময় প্ৰমাণ। কিন্তু বাইৰণৰ মানত প্ৰকৃতি স্বাধীনতাৰ প্ৰতীক। আনৰ্ল্ডৰ দৃষ্টিত আকৌ প্ৰকৃতি জৰ্জৰিত হিয়াৰ শান্তিৰ জুৰণি। আনহাতে 'তুমি' কাব্যত অম্বিকাগিৰি ৰায়চৌধুৰীয়ে প্ৰকৃতিৰ মাজত—'তুমি' ভগৱানৰ অস্তিত্ব অনুভৱ কৰিছে—

তুমি বিজুলীৰ হাঁহিখিনি
ভুমুকোৱা লাহ-বিলাহত,
তুমি আকাশৰ ৰামধেনু
জুই জ্বালি বিৰহী মনত।

ৰায়চৌধুৰীৰ 'তুমি' কাব্যৰ তৃতীয় ছেদত এই ভাৱৰ কণিকা চৌপাশে সিঁচৰিত হৈ পৰিছে। ৰঘুনাথ চৌধাৰীৰ 'বিহঙ্গিনী' গগন বিহাৰী সামান্য পখী নহয়—বিশ্বখনিকৰৰ প্ৰতিনিধি—

'মৰ্ত্যবাসী মানৱক দিবলৈ জুৰণি,
তোমা হেন প্ৰিয় নিধি
পঠিয়াই দিলে বিধি,
স্বৰ্গীয় দূতৰ বেশে কণ্ঠে সুধা সানি;
গোৱাহে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনী।'

শৈশৱৰে পৰা অন্তৰত সাঁচি ৰখা প্ৰকৃতি প্ৰীতি, বিহঙ্গৰ প্ৰতি কবি মননৰ প্ৰৱল আকৰ্ষণ পাৰ ভাঙি বাগৰি আহিছিল 'বহাগীৰ বিয়া'ত—

'জড় জগতত জীৱ জগতত
পাওঁ সকলোতে দেখা
মহা বিশ্বজুৰি বিৰিঙিছে যেন
আনন্দৰ পূৰ্ণৰেখা।'

লক্ষ্মীকান্ত বৰুৱাৰ বনফুল কবিতাত আছে—

'দিছো মই মোকলাই হিয়াতলি মোৰ
ফুল তই তাতে বনফুল।
সৌৰভ যোগান ধৰি হব পাৰোঁ জানো
জগতত সুৰভি অতুল।'

প্ৰকৃততে কাব্য কাননৰ চাৰিবেৰৰ পৰা প্ৰকৃতিক বাহিৰত ৰাখিব নোৱাৰি। দুৰ্গেশ্বৰ শৰ্মাদেৱৰ ভাষাত "কবিতা যদি জীৱনৰ আলোচনা হয়, তেনেহলে সেই আলোচনাৰ মেৰপাকত প্ৰকৃতি সোমাই পৰা স্বাভাৱিক। কিয়নো প্ৰকৃতিক বাদ দি জীৱন চলিব নোৱাৰে আৰু জীৱানুভূতি নেথাকিলে কবিতাও হ'ব নোৱাৰে, হলেও সি পঙ্গু—সমাজৰ অচল টকা।" চন্দ্ৰকুমাৰ আগৰৱালাৰ 'নিয়ৰ' কবিতাত আছে—

'ৰাতিৰ ধেমালি জোনৰ নিফুট
হাঁহিৰে থৈছে সানি
পুৱাৰ হেঙুলি বেলিটোলে চাই
এটুপি চকুৰ পানী।'

"সাহিত্যত আত্মমুক্তি" এনে ধৰণৰ অসমীয়া ৰোমান্টিক কবি নলিনীবালা দেবী, ৰঘুনাথ চৌধাৰী, আদি—তেওঁলোকৰ মনতো কিন্তু সন্ধানী বাসনাৰ অপ্ৰাপ্তিত ওপজা আকুল তৃষ্ণা এটি সদায় আছে।

'সকলো পাইছোঁ তেও কিবা যেন নাই নাই,
মুখত নুফুটে ভাষা প্ৰাণে ভাৱ বিচাৰি নেপায়।'
('পৰম-তৃষ্ণা'—নলিনী দেৱী)

o o o

'জুৰুলা দেহৰ সজা নোৱাৰে সহিব আৰু
তোৰ এই মহা অভিযান
চিঙিদে চিঙিদে আজি অৱস দেহৰ বান্ধ
শেষ হ'ক বিৰহৰ গান॥'
(মহামুক্তি—নলিনীদেৱী)

o o o

"দুখিতৰ অন্তৰত দিবানে অকণি
সৌন্দৰ্য্যৰ প্ৰেম অনুভূতি।"
(বিভূতি—ৰঘু চৌধাৰী)

অসমীয়া ৰোমান্টিক কাব্য সাহিত্যত অতুলনীয় নিদৰ্শন পৰিস্ফুট হৈ উঠিছে শেৱালিৰ কবি ৰত্নকান্ত বৰকাকতীদেৱৰ কবিতাৰাজিত—

'যিদিনা হন্তে চকু চাঁট মাৰি
তুমি উজলিলা মোৰ
সেইদিন ধৰি যেন নিলা হৰি
তিল তিল ক'ই সকলোবোৰ।'
('বিশ্বহৰণ'—বৰকাকতী)

তেখেতৰ কবিতাবোৰ মানৱ হৃদয়ৰ সৰল সহজ বিশ্বজনীন অনুভূতিৰ এক মূৰ্ত প্ৰকাশ। সহস্ৰ চকুৰ মাজৰ এযুৰি চকুৱে তেওঁৰ মন-প্ৰাণ আকৰ্ষিত কৰে—

'ক্ষন্তেক মাথোন হায় চকু চোৱা চুই,
প্ৰাণ মন হ'ই যোৱা এক, গুচি দুই।'

সুনীল গগনৰ মেঘ, গানগোৱা বতাহ, তৰাবে লেখা আখৰে কবিক এক অনিৰ্দিষ্ট সুদূৰ অন্তৰৰ সঙ্কেত দি চঞ্চল কৰি তোলে।

'মই পূজোঁ কাৰবাক—কবকে নোৱাৰোঁ
এই দেখোঁ—এই নাই ভূলোকে দ্যুলোকে
নিতে নৱ ৰূপ তাৰ
নিতে অগোচৰ
বিচাৰি তাকেই বয় চকুলো পলকে
লক্ষ ধাৰে লক্ষ সুঁতি
অলক্ষ সাগৰ।'
('মোৰ পূজা')

বিশ্ব প্ৰকৃতিৰ অনন্ত সৌন্দৰ্য্যৰে সুশোভিত কৰি প্ৰেয়সীৰ ৰূপ আৰাধনা কৰিবলৈ গৈ বৰকাকতীদেৱে তেওঁৰ প্ৰিয়তমাতে বিশ্বৰ সকলো সৌন্দৰ্য্য ঢালি দি তেওঁক তিলোত্তমা কৰিবলৈ যাওঁতে নিজলৈ বিশ্ব প্ৰকৃতিৰ একো সৌন্দৰ্য্যই নোহোৱা হ'ল।

'ফুলৰ হৃদয়
কৰিলা হৰণ
লুটিলা তাৰ
লাৱণ্য বৰণ
তৰাক পেলালা জঁয়,

হৰিলা বেলিৰ
হিৰণ কিৰণ
কৰিলা বিৰাট
বিশ্ব হৰণ
আৰু কি প্ৰাণত সয় ?'
('বিশ্বহৰণ'—শেৱালি)

বৰকাকতীদেৱ আছিল অসমীয়া ৰোমাণ্টিক কবিসকলৰ ভিতৰত অজেয়। বৰকাকতীৰ কবিতা সাধনাৰ বিষয়ে পণ্ডিত কৃষ্ণকান্ত সন্দিকৈ দেৱে কৈছিল— "The contributions of Shree Ratnakanta Barkakati to Assamese poetry are of lasting worth and too well known to need any introduction. His 'Sewali' is an unique collection of thoughtful lyrics".

অন্য এক অসমীয়া ৰোমাণ্টিক কবি যতীন্দ্ৰনাথ দুৱৰাদেৱৰ কবিতা সম্পৰ্কে ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাদেৱে লিখি গৈছে, "দুৱৰাৰ কবিতা সৰ্বজন সমাদৃত হোৱাৰ সৰ্বপ্ৰধান গুণ তেখেতৰ কবিতাৰ ভাষা। দুৱৰাৰ কবিতাত ভাষাৰ জটিলতা, শব্দৰ দুৰ্বোধ্যতা, অৰ্থৰ অস্পষ্টতা নাই। তেখেতৰ কাব্যৰ ভাষা শিশুৰ দৰে সৰল, স্বভাৱ সুন্দৰী ৰমণীৰ দৰে নিৰলঙ্কাৰ। ইংৰাজ কবি ৱৰ্ডছ্‌ৱৰ্থে এনে ভাষাকেই কাব্যৰ উপযুক্ত বাহন বুলি নিৰ্দেশ কৰি গৈছে। কবিৰ কাব্য প্ৰেৰণাও সহজ আৰু স্বতঃপূৰ্ণ। ই অসমীয়াৰ জাতিগত ভাৱনাৰ অনুকূল। দুৱৰাৰ কবিতাত পাহৰি যোৱা অসমীয়া বনগীতৰ কথা সুৰ নতুন ৰূপত নবীন ছন্দত ধ্বনিত হৈছে। সেয়ে তেখেতৰ কবিতাক গীতাত্মক 'লিৰিক' কবিতাৰ পৰ্য্যায়লৈ তুলিছে। দুৱৰা এই বিষয়ত আধুনিক অসমীয়া কাব্য বুৰঞ্জীত যুগ প্ৰৱৰ্তক কবি।"

তদুপৰি দেশকৰ্মী, সাংবাদিক, দাৰ্শনিক, চিত্ৰকৰ, চিত্ৰপ্ৰযোজক, অভিনয় শিল্পী, অসমীয়া সাহিত্য সংস্কৃতিৰ নিপুণ খনিকৰ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ নতুন ভাৱ, নতুন ছন্দ, নতুন ভঙ্গীৰে উদ্ভাসিত সাহিত্যৰাজিও অসমীয়া ৰোমাণ্টিক তথা আধুনিক কাব্য সাহিত্যৰ অনন্য অলঙ্কাৰ স্বৰূপ।

জ্যোতিপ্ৰসাদৰ কবিতাৰাজিত ব্যক্তিসত্বাৰ প্ৰাধান্য বিশেষভাৱে পৰিলক্ষিত হয়। তেখেতৰ শিল্পী কবিতাত আছে—

'মই শিল্পী, ময়ে ব্যক্তি,
সমষ্টিত মই
ব্যক্তিত্বৰ সীমান্ত ভাঙি
ব্যাপি বহু ব্যক্তিক সমন্বিত
সমষ্টিৰ প্ৰগতিৰে সুতীক্ষ্ণ বৰ্শামুখ হৈ
আন্ধাৰৰ বক্ষ ভেদি
লৈ যাওঁ জনতাক পোহৰলৈ।
ভবিষ্যৰ বাট ফালি যাওঁ
ব্যক্তি আৰু সমষ্টি বিভ্ৰান্তি আঁতৰাই
মই মোৰ ব্যক্তিত্বকো নেহেৰুৱাও ;"

কল্পনাৰ তুলিকাৰে জ্যোতিয়ে মৰমৰ পৃথিবীত সৰগ স্থাপনৰ পক্ষপাতী——

'শোক, তাপ, পাপ এৰি
হিংসা দ্বেষ পৰিহৰি
সকলো মানৱে আজি
একোটি সুৰতে বাজি
মৰমৰ পৃথিবীতে,
সৰগ থাপক।'

আনহাতে জ্যোতিৰ তুলিকাত কল্পনাৰ পখীঘোঁৰা দ্ৰুতবেগে উৰিছে——

'মই যন্ত্ৰ যুগৰ মোহন মন্ত্ৰ ল'ম
মন বিমানৰ ময়েই সাৰথি হ'ম---'

কোনো কোনো কবিতাত জ্যোতিয়ে অসমৰ অপূৰ্ব সুন্দৰী প্ৰকৃতিৰ বৰ্ণনা দিবলৈ গৈ দেশৰ

ৰূপটি বিশ্ব মানৱৰ মানস-পটত বিচিত্ৰ মাধুৰ্য্যৰে চিত্ৰিত কৰি তুলিছে—

"লুইতৰ ৰূপালী বালিতে মই
জোনাকত বালিভাত খাই
সোৱণশিৰিয়া সোণ দিনৌ কমাওঁ,"

০ ০ ০

মাৰ যোৱা ৰবিটিৰ
জিলিঙণি লেপি মই
নতুন পুৰাৰ ছবিটি চাও।" ইত্যাদি

জ্যোতিয়ে নিজেই কৈছে, "মই কল্পনা কৰা নতুন পৃথিবীখনিৰ দিঠকৰ কথাটোহে কবলৈ আহিলো।"

ৰূপকোঁৱৰ জ্যোতি আছিল সুন্দৰৰ পূজাৰী। সেয়ে সুন্দৰ সাধনাৰ স্পষ্ট নিদৰ্শন জ্যোতিৰ কবিতাত পৰিস্ফুট।

"সুন্দৰে যে ফুলাৰ মন্ত্ৰ
অহোৰাত্ৰি মাতে, সেয়েহে
আজি ইমান ফুল প্ৰভাতে প্ৰভাতে।"

জ্যোতিৰ এই কবিতাৰাশি অসমীয়া কাব্য সাহিত্যৰ কবিতাকুঞ্জত পুৱতি নিশাৰ নিয়ঁৰ-কণাসিক্ত একোপাহি শেৱালিৰ দৰেই পৱিত্ৰ আৰু উজ্জ্বল হৈ জিলিকি থাকিব।

স্বভাৱসুলভ অসমীয়া চাৰিত্ৰিক বৈশিষ্ট্য, আকাশ বিশাল ব্যক্তিত্ব, আৰু বহুমুখী প্ৰতিভাৰে মহিমামণ্ডিত, অসমৰ যুগ সন্ধিক্ষণৰ অসমীয়া সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰত সূত্ৰধাৰ স্বৰূপ ঁলক্ষ্মীনাথ বেজবৰুৱাদেৱৰ 'কবিতা', 'অৱশেষ', 'প্ৰেম', 'বাহী', 'ঈশ্বৰ' আৰু ভকত', আদি উচ্চস্তৰৰ কবিতাসমূহত ৰোমান্টিক কবিৰ অনুভূতিৰ তীব্ৰতা ৰূপায়ণৰ স্বাধীনতাই ফৰকাল নিশাৰ আকাশত উজ্বলি থকা পূৰ্ণচন্দ্ৰৰ দৰে অসমৰ কাব্য আকাশ আলোকিত কৰি আছে। ০০০

"তুমি এনে কবিতা ৰচনা কৰা, যাৰ প্ৰতিটো শব্দই আমাৰ মস্তিষ্কত একোটা ক্ৰিয়াশীল সংজ্ঞা হৈ বয়।"

—ব্ৰাউনিং।

## ॥ মোৰ স্মৃতিত ॥

শ্ৰীজীৱন চন্দ্ৰ বৰা,
দ্বিতীয় বাৰ্ষিক, প্ৰাক্-বিশ্ববিদ্যালয়।

কাণ পাতিলেই শুনো
তোমাৰ কণ্ঠ—
দিগন্ত কঁপাই তুমি চিঞৰি আছা
জীৱন! জীৱন!!

মোৰ স্মৃতিত
তোমাৰ দুখনি হাত
উত্তৰণৰ চেতনাত
আজিও বলিষ্ঠ কঠিন।

বতাহৰ উন্মাদনাত
তোমাৰ খোজৰ প্ৰতিধ্বনি
কণ্ঠত আন্ধাৰ কঁপোৱা
সূৰ্য্যোদয়ৰ গান।

মোৰ স্মৃতিৰ
দুখনি হাত
আৰু আমাৰ শূন্যতাক
পূৰ্ণ কৰিব পাৰা
এখনি বক্তিম নিচান। ০০০

## ॥ মোৰ আৰু...... ॥

শ্ৰীচুৰেণ কুমাৰ বৰা,
দ্বিতীয় বাৰ্ষিক, স্নাতক মহলা।

আইৰ বুকুৰ তপত উম,
মিঠা চুমা, আৰু
ধূলিত লেটি লোৱা মোৰ
উমলা ঘৰ, মোৰ শৈশৱ!

চিটিকি টুকুৰা হোৱা
মোৰ অভিজ্ঞতা, কোবাল সোঁতত
টুলুং ভুটুং নাও,
বালিত সাজি লোৱা বালিঘৰ
মোৰ যৌৱন,
মোৰ স্বপ্ন !!

আকাশ-বতাহ-ফুল আৰু গানৰ দেশ
পাৰ হৈ আহি
শিলনিত থেতেলি পৰা
মোৰ বাৰ্দ্ধক্য—
স্বপ্নহীন সোঁৱৰণী,
কেৱল সোঁৱৰণী !! ০০০

## ॥ জীয়াই থকাৰ প্ৰস্তুতি ॥

শ্ৰীগোবিন কাকতি,
দ্বিতীয় বাৰ্ষিক, স্নাতক।

প্ৰখৰ সূৰুযৰ ৰক্ত কণিকা
প্ৰবাহিত সিহঁতৰ গাত ; সিহঁত নমৰে---

জীয়াই থকাৰ দুৰ্বাৰ বাসনা,
তিল তিল মৃত্যুৰ ক্ষণ গণিও
দেৱাল ভঙাৰ স্বপ্ন দুচকুত
অবিশ্ৰান্ত !

ইতিহাসৰ পাত ভিজে
কৰ্মঠ মানুহৰ লুনীয়া ঘামত।
ৰৌদ্ৰস্নাত মানুহৰ খোজৰ শব্দত
পৃথিবী কঁপে !

আকাশত জ্বলে মদাৰৰ জুই--- ০০০

## ॥ এটি স্কেচ : যৌৱনৰ ॥

কুমাৰী যোগমায়া পাতিৰি,
দ্বিতীয় বাৰ্ষিক, স্নাতক (কলা)।

মোৰ যৌৱন অহমিকাক
মই স্বীকাৰ কৰোঁ, প্ৰশংসা কৰোঁ ;
শত বাৰ।

য'ত আছে, আদিগন্ত স্বপ্ন হিল্লোল,
কহলাদিনী ৰূপ,
দুচকুৰ ॥

য'ত আছে, দুৰ্বাৰ প্ৰাচীৰ ভঙাৰ
দুৰন্ত শক্তি চিৰন্তন ;
দুবাহুৰ ॥

আৰু ;
আৰু যাৰ আছে, সৃষ্টি শ্ৰেষ্ঠ উত্তাল,
স্ৰোতস্বিনী কামনা--
অপ্ৰতিহত ॥

দেহোপজীৱিনীৰ
জীৱন নামত কৰা বীভৎস অভিসাৰ
গুপুতে,
মই ঘৃণা কৰোঁ, সৰ্বাঙ্গ-চিত্তে !! ০০০

# ॥ ব্যক্তিত সমষ্টি ॥

শ্ৰীপদ্ম হাজৰিকা,
দ্বিতীয় বাৰ্ষিক, স্নাতক।

বিন্দুত সিন্ধু থাকে, ব্যক্তিত থাকে সমষ্টি।
ব্যক্তিৰ অভিব্যক্তি সমষ্টিৰ অভিজ্ঞতাৰ বিন্দু প্ৰকাশ।
প্ৰতিক্ৰিয়া সেই প্ৰকাশৰ সিন্ধু সংকাশ।
চকুলোৰ বৰষুণ বৰষে জানো! তেনে বৰষুণে
শিলৰ বুকুত নিজৰা বোৱায় জানো?
তেনে নিজৰাই জিৰ জিৰ বৈ মাটিৰ কোলাত
নীৰৱ নদী নেসাজে জানো? সেই নদীয়েই
নকৰে জানো সাগৰৰ সন্ধান?
চকুলোৰ সাগৰত ফুলে যদি ভেঁট ফুল!
জানিলো আঁতৰোৱা হ'ল চকুলো
ডাৱৰৰ বুকুৰ বৰষা বিষাক্ত হ'ল।
চকুলোৰ সাগৰ দেখিছো। তাত ফুলা
শতদল সুগন্ধি সুবাসে
দশকে শতকে আমোল মোলাই।
নোপোৱাৰ উপলব্ধিতেই পোৱাৰ প্ৰচেষ্টাৰ জন্ম,
আন্ধাৰ ডাঠ হলেহে পোহৰে দেখে বাট;
বেদনাৰ শুকান পাহাৰত নিজৰাই নাচোনৰ চৰণ চলায়।
নোপোৱা, আন্ধাৰ, বেদনা, চকুলোৰ সাগৰ
চতুৰ্দশ শতিকাৰ পূৰ্ব ভাৰত
পোৱাৰ প্ৰয়াস, পোহৰৰ বাট, নাচোন নিজৰা
চকুলোৰ সাগৰত ফুলৰ সুগন্ধি সুবাস
শতক দশকৰ গুৰু শ্ৰীমন্ত শংকৰ॥ ০০০

## ॥ সঙ্কাশ ॥

সবিতা কোঁৱৰ,
প্ৰাক্তন ছাত্ৰী।

মোৰ চতুৰ্দিশ জুৰি পাৰ ভাঙি ভাঙি নামিছিল
মোহন-ভঙ্গীৰ কিযে এক যাদুকৰণ (!)
ফুল-তৰা-গানে অহোৰাত্ৰি তুলিছিল কৰ্ণকুহৰত মোৰ
গুন্ গুন্ ধ্বনিৰ অবিশ্ৰান্ত গুঞ্জন।

সেউজীয়া দুববিৰ দলিছা পাতি, আকাশৰ নীলাখিনিৰে
প্ৰতিনিয়ত হৈছিলোঁ মই অৱগাহন।

অনুক্ষণে ছেদিত এতিয়া সায়াহ্ন মুহূৰ্ত। পদলেহনত নিৰন্ধ্ৰ
আন্ধাৰৰ ছাঁয়া ঘন বীথিকা।

নয়ত ঈশনত জিলিকে, জোনালী শৰ্বৰীৰ এক
অনৱচ্ছিন্ন অংশুৰ অৱবাহিকা॥

বিস্মৃতিৰ আঁৱালত নিঃশব্দে
বিলুপ্ত হৈ যায় দেখোন
ঘন-ঘোৰ নিৰ্জীৱতা।

উত্তৰ ফাল্গুনীত মিলি যাব খোজে
প্ৰহৰে প্ৰহৰে মোৰ
বাৰ্দ্ধক্যহীন জড়তা,

দুই দণ্ড নিশাৰ উজাগৰ ঠেলি বন্দী
'মোত' ঘাঁহৰ ওপৰত শুই থকা মানুহজাকৰ
জিঘাংসু দৃষ্টিৰ উদ্দীপতা। ০০০

## ॥ এটি কৱিতা ॥

জয়শ্ৰী গোহাঁাঞি,
দ্বিতীয় বাৰ্ষিক, স্নাতক।

সময়ৰ উত্তাপত যি জাক বতাহ বলিছিল,
নিয়ঁৰৰ কোমল কণ্ঠত সিহঁতে বিচাৰিছে
দূৰৰ ৰৌদ্ৰ কাৰুণ্য।
পানীত উপঙি পৰা কাঁচৰ মুহূৰ্ত এটিত
মই শুনিছোঁ হৃদয়ৰ হাড়ত বজা কোমল
সংগীতৰ সুৰ।
এন্ধাৰৰ স্পৰ্শত অনুভূতিৰ তাঁৰ এডাল ক্ৰমে
ৰাতিৰ এন্ধাৰত অচিন গছৰ বুকুত বৈ বৈ কান্দিছিল
সপিল গতিৰে মোৰ দেহ আগ বাঢ়িছিল-তেতিয়া
কোনো এক জাৱনিৰ পৰা
আদিম অৱস্থালৈ। ০০০

## ॥ নতুন মানুহ ॥

দেৱ দিহিঙ্গীয়া,
প্ৰাক্তন ছাত্ৰ।

ইপাৰ সিপাৰ দোলয়মান
ম্ৰিয়মান কাৰ মুখ,
দুয়ো পাৰে তিৰ বিৰ বিবৰ্ণ দিন
বিলত জপিয়াই মৰে সোণালী মাছ
চকুৰ আগেদি কলৈ গ'ল হো-হোৱাই যোৱা নদীৰ ঢল
সেই জিল মিল বাখৰুৱা দিন,
বাখৰুৱা দিনৰ পালতৰা নাওবোৰ
ক'ত কেনেকৈ লাগি ৰ'ল বালিচৰত। ০০০

# ॥ অৱতাৰণা ॥

শ্ৰীগুণ বৰুৱা,
প্ৰাক্তন ছাত্ৰ।

মোৰ আইৰ চকুত
অন্য দিনৰ জেউতি।

সংগ্ৰাম লগনতে
বেল বোধনৰ
মন্ত্ৰ আওঁৰাই আওঁৰাই
ৰামচন্দ্ৰৰ শক্তি-পূজাৰ
কৰিছোঁ আহবান।

মইয়ে দেৱতা
অমৰাৱতীৰ--
ৰাজ্য উদ্ধাৰৰ মানসেৰে
দধীচি মুনিৰ অস্থি-বজ্ৰ
কৰিছোঁ নিৰ্মাণ।

যত্নে ৰাখিছোঁ
কৰ্ণ নিধনৰ
ব্যৰ্থহীন পাশুপাত অস্ত্ৰ
হয়তো ঘটোৎকচৰো হ'ব
সেয়ে মৃত্যুবাণ।

বহু কষ্টে মৰা
বৰনৈ বুকুত
মোৰ সৌৱা লাচিতৰ গড়
বিৰোচিত ভাবে অচল হৈ
আছে বৰ্তমান।

আইৰ বুকুত
অগনি জ্বলাই
সাৰিব নোৱাৰা কোনোকালে
পলাব নোৱাৰা কোনোফালে
অস্ত্ৰ লেলিহান,
হোৱা সাৱধান। ০০০

# ॥ আন্ধাৰৰ পিছত ॥

শ্ৰীমাণিক কাকতি,
দ্বিতীয় বাৰ্ষিক, স্নাতক (কলা)।

বাহিৰত তেতিয়া গোহৰ
হৰকায়ে পেটত বান্ধি থোৱা
গামোচা খনেৰে
তাৰ মুখখন মোহাৰি লৈছে।
গহ্বৰৰ ভিতৰত সোমাই পৰা
তাৰ চক্ষু দুটা
মোহাৰি মোহাৰি সি গামোচাখন
আকৌ বান্ধি ল'লে,
পেটত জ্বলি থকা জুইকুৰাক
দমাই ৰাখিবলৈ।

মাতৃহীন, ল'ৰা-ছোৱালীহালৰ
পেট পিঠি দুয়োটাই লগ হৈ গৈছিল।

অনাহাৰত সপ্তম দিনা--আজি সিহঁতে
দুইহাতে পেটত খামুচি ধৰি
ফুটপাথত পৰি আছে,
এটুকুৰা ফটা কাপোৰেৰে
ঢাকিব নোৱাৰা সিহঁতৰ উলঙ্গ
শৰীৰ দুটাক
শীতৰ অত্যাচাৰত এৰি দি।

হৰকায়ে তেতিয়া
এঙ্কুৰা জুই ধৰিছিল
ল'ৰা-ছোৱালী হালে সিহঁতৰ
গাত আৰু পেট দুটাত
যেন অলপ তাপ দিছিল।

সিহঁতৰ নীৰস, শুকাই পৰা
মুখখনৰ পৰা
হৰকায়ে চক্ষুদুটা এৰুৱাই নিছিল।
তেতিয়া কুৰলী বোৰ আঁতৰি গৈছে। ০০০

# ॥ নিদ্ৰিত জনতাৰ ৰক্তিম চেতনা ॥

শ্ৰীমতী গুণ শইকীয়া,
স্নাতক মহলা।

শীতৰ সেমেকা ৰাতি
জখৰ হৈ পৰি থকা
টেবুলৰ নতুন কলমটো তুলি ললোঁ;
মোৰ প্ৰত্যয়, মোৰ প্ৰেৰণা,
মোৰ নতুন কলমেই গঢ়িব
এখন নতুন সমাজ।

মোৰ কলম হ'ব তীক্ষ্ণ বেনেট;
আৰু--
তাৰ খোছতেই সাৰ পাই উঠিব,
কানিৰ নিচাত নিদ্ৰিত জনগণ।

পদক্ষেপ নতুন শতাব্দীত।
অপেক্ষা ন-সূৰুযৰ তেজাল পোহৰৰ।
কলিজা ভঙা অনুভূতিৰ হেঁচাই--
আনি দিছে দুচকুত আমাৰ,
নগ্ন অত্যাচাৰৰ বিৰুদ্ধে
স-শস্ত্ৰ সংগ্ৰামৰ প্ৰতিশ্ৰুতি।

কুৰি শতিকাৰ জীৱন, যৌৱন আমাৰ।
ৰক্তিম চেতনাৰে কাঢ়ি লওঁ আমি
সময়ৰ ওঁঠৰ পৰা কৰ্তব্যৰ টুকুৰা।

শোষিত জনৰ প্ৰতি--
আমাৰ প্ৰাণত আছে
প্ৰেম আৰু সততা।

সেয়েতো--
আমাৰ হাতত ৰক্তাভ অণ্ঠাৰ
উজ্জ্বল ফিৰিঙতি।

শীতৰ সেমেকা ৰাতি পাৰ হৈ
সৃষ্টি হ'ব পৃথিৱীৰ বুকুত, এখন নতুন সমাজ।

উদিত হ'ব--
আকাশত এক ন-সূৰুযৰ--
যি সূৰুযৰ পোহৰত আছে
প্ৰচণ্ড আত্মবিশ্বাস, সাহস, যুক্তি
আৰু--অপৰিসীম জ্ঞানৰ কণিকা।

মোৰ কলমেই জগাব--
নিদ্ৰিত জনতাৰ--
ৰক্তিম চেতনা। ০০০

# ॥ সময় ॥

ৰীণা শৰ্মা বৰঠাকুৰ,

মোৰ অস্তিত্বৰ অনুভৱৰ পাৰতে
সিহঁতৰ বেসুৰা কোৰাছৰ অহৰহ প্ৰতিধ্বনি।
চৌপাশৰ বতাহত সিহঁতৰে অচিনাকি খোজৰ শব্দ,
সেয়ে মই সাৰে আছো।

পুৱালী সূৰুযৰ ৰঙেৰে বোলাই যোৱা মোৰ দুচকু
স্তব্ধ হৈ ৰৈ আছে--নিৰ্জন ৰাতিৰ যেন এক অক্লান্ত প্ৰহৰী।

আন্ধাৰৰ আবেশত সকলো এতিয়া জঠৰ
সুচতুৰ সিহঁতৰ মনে বাট চোৱা
এইয়াই অপ্ৰতিহত সোণালী প্ৰহৰ।

সেয়েহে মই নীৰবে চিঞৰিছোঁ--"হে'ৰা সম-হীন সকল উঠা, জাগা"
আপেলৰঙী সূৰুযৰ চামনীতো পকাধানৰ ঠোকৰ আগেৰে
ডেই অহাৰ আগতেই তোমালোক উঠা।

নহলে, নহলে সোণোৱালী ধানবোৰ তোমালোকে আৰু
কেতিয়াও দেখিবলৈ নাপাবা
আৰু লেছেৰি বোটলা তোমালোকৰ ভৱিষ্যতবোৰ--
সিহঁতৰ চকুপানীৰে জানো ধানগছ গজাব পাৰিবা??

তেন্তে--
সময় এতিয়াই আহিছে--উঠা, জাগা
যুঁজাৰু কবচ পিন্ধিবৰ
এইয়াচোন বেলিয়েই হ'ল। ০০০

## অনুবাদ কবিতা ঃ

# ॥ প্ৰাৰ্থী ॥

মূল ঃ সুকান্ত ভট্টাচাৰ্য্য।
অনুবাদ ঃ গুণকান্ত নাথ,
প্ৰথম বাৰ্ষিক স্নাতক।

হে সূৰ্য্য! শীতৰ সূৰ্য্য!
হিম শীতল সুদীৰ্ঘ ৰাতি তোমাৰ প্ৰতীক্ষাত
আমি ৰৈ থাকো,
যেনেকৈ প্ৰতীক্ষা কৰি থাকে কৃষকৰ চঞ্চল চকু,
ধান কটাৰ ৰোমাঞ্চকৰ দিনবোৰৰ বাবে।

হে সূৰ্য্য, তুমিতো জানা,
গৰম কাপোৰৰ আমাৰ কিমান অভাৱ!

ৰাতিৰ ৰাতিটো জুইৰ কাষত,
এডুখৰি কাপোৰেৰে কাণ-মূৰ ঢাকি,
কিমান কষ্টেৰে আমি কটাওঁ শীতৰ ৰাতি!

পুৱাৰ ৰ'দ এচেৰেঙা
এটুকুৰ সোণতকৈ দামী যেন লাগে।

ঘৰ এৰি ওলাওঁ আমি পদূলি মূৰলে
মাত্ৰ এচেৰেঙা ৰ'দৰ তৃষ্ণাৰে।

হে সূৰ্য্য!
তুমি আমাৰ উঁৱলি যোৱা ভঙা পঁজাটিত
উত্তাপ আৰু পোহৰ দিয়া,
আৰু উত্তাপ দিয়া
পদূলিত জাৰত কঁপি থকা নাঙঠ পোনাটিক।

হে সূৰ্য্য!
তুমি আমাক উত্তাপ দিয়া--
শুনিছোঁ, তুমি এটা জ্বলন্ত অগ্নিপিণ্ড,
তোমাৰ পৰা উত্তাপ পাই পাই
এদিন হয়তো আমি প্ৰত্যেকেই একো একোটা জ্বলন্ত
অগ্নিপিণ্ডত পৰিণত হ'ম।

তাৰ পিছত সেই উত্তাপে যেতিয়া পুৰিব আমাৰ জড়তা,
তেতিয়া হয়তো গৰম কাপোৰেৰে ঢাকি দিব পাৰিম
পদূলিমূৰৰ অপেক্ষাৰত নাঙঠ পোনাটিক।
আজি কিন্তু আমি তোমাৰ অকৃপণ উত্তাপৰ প্ৰাৰ্থী ॥ ০০০

# ॥ নৈশব্দতাক বিদীৰ্ণ ॥

শ্ৰীযশোদা কোঁৱৰ ।

(১)

ইমান দিনে
আন্ধাৰৰ গলিবোৰৰ
বন্ধ কোঠাৰ
এটা চুকত, সিহঁতৰ
হেঁচাত
মোৰ অদম্য মনটোৱে

(২)

চৈতন্য হেৰুৱাই, পঙ্গু হৈ
শুই আছিল । এতিয়া
কিন্তু--
এক দুৰ্দমনীয় আক্ৰোশত
অনমনীয় ক্ষোভত

(৩)

এই জ্বলোঁ জ্বলোঁ কৰা
শুকান ঘাঁহ
হ'ল । আৰু অক্‌টোপাচৰ
আটাই কেইডাল পেশীৰে
আচ্ছাদিত
মোৰ শৰীৰটোৱে

(৪)

সজোৰেৰে
চিঞৰি উঠিল ঃ মই
অৰিন্দম ।
মই অপৰাজেয় ।
উত্তপ্ত সূৰ্য্যটোৰ
আটাইখিনি
তেজাল ৰঙেৰে

(৫)

ৰঙা হৈ
জ্বালামুখী চেতনাৰে
মোৰ সমগ্ৰ সত্বাই বিচাৰিলে
এতিয়া
এক বলিষ্ঠ দৃঢ়তা--শতাব্দীৰ
নৈশব্দতাক বিদীৰ্ণ কৰিবলে'। ০০০

# ॥ সোণপাহী বনাম অপৰাজিতা ॥

শ্ৰীভূৱনচন্দ্ৰ বৰা,
প্ৰথম বাৰ্ষিক, স্নাতক।

মৰমৰ সোণপাহী
আছানে কুশলে তুমি
পোনাটিৰ সতে ?
যোৱা বহাগৰ পৰা
দেখা হোৱা নাই
এবাৰো, ক্ষন্তেকৰ বাবে
তোমাৰ সতে।

অৰুণাচলৰ কেঁচা উম বুটলি
টোৱাঙৰ শুভ্ৰ শুকুলা তুষাৰৰ
ফাকে ফাকে মই
তোমাৰেই প্ৰতিচ্ছবি দেখোঁ,
মাথো তোমাৰেই।

কিন্তু কেতিয়াবা মোক
আমনি কৰি যায়
সেই মিঠা স্মৃতিয়ে, অপৰাজিতাৰ।

যাৰ সুবিন্যস্ত কেশ
উৰুলৈকে বৈ পৰা
হৰিণী নয়না
বন ফৰিঙৰ দৰে
জপিয়াই ৰিঙিয়াই
কিৰিলীয়াই মোৰে সৈতে
হেৰাই গৈছিল
কোনোবা বিজন বনৰ মাজত।

বিধিৰ বিপাক অতি নিকৰুণ
অপৰাজিতা হেৰাই গ'ল
কালৰ গতিত
কোনোবা অচিন নতুন প্ৰেমিকৰ সতে।

হেৰাই গলো মইয়ো
অপৰাজিতাৰ দৰে
কিন্তু--
জীয়াইতো থাকিব লাগিব
থাকিলো ॥

যোৱা বছৰ আদৰিলো
তোমাক সোণপাহী--
তোমাৰ মৰমে
বুৰাই ৰাখিছে
সদ্য, নৱজাত শিশুৰ দৰে।

সেয়ে সোণপাহী
তুমি মোৰ আপোনৰো আপোন।

স্মৃতিয়ে তোমাৰ বাৰুকৈ
উদ্বেলিত কৰি তোলে মোক
মন যায় পাবলৈ
সঘনে, সান্নিধ্য তোমাৰ। ০০০

# ॥ শ্বহীদ বেদীৰ পৰা ॥

সাত ভনী
সাতটা বাঁহীৰ সুৰ
সাতখন নদীৰ গতি
সাত ধুৰা জুইৰ শিখা
সাতজনী ভনী একেলগে মিলিলে
যদিহে সাতখন বাগিছাতে
ফুলবোৰ ফুলি উঠে
আহাঁ আমি মিলি জুলি
তাকেই কৰোঁ

o o o

মই খৰ্গেশ্বৰে সুধিছোঁ
যিটো বৰফৰ পাহাৰ
গ্ৰীষ্মৰ দুপৰীয়া নগলিল
সেইটো পাহাৰ
আজি শীতৰ ৰাতিপুৱা গলিবলৈ লৈছে
পাৰিবা জানো এতিয়া বৰফ গলা বন্ধ কৰিবলৈ ?

o o o

তোমালোকে বিচৰা জানো
এইদৰে আমাৰ প্ৰত্যেকৰেই
বুধুত লাগক বুলেটৰ মাৰ্ক
আৰু এইদৰে অৰ্দ্ধনমিত পতাকাৰ তলত
আজি প্ৰত্যেকেই পাতা আমাৰেই মৃত্যু সভা।

o o o

মই খৰ্গেশ্বৰে কৈছোঁ
তোমালোক (বিভেদকামী শক্তি)
এতিয়াও দেওবৰীয়া বজাৰখনত
মোৰ আইক বেচিবলৈ নিনিবা
তোমালোকে নিশ্চয় নিবিচাৰা
গোটেই দেওবৰীয়া বজাৰখনতেই
এই বেলি হওঁক
কেৱল তেজৰ বেচা-কিনা।

o o o

গঙ্গা আৰু পদ্মাই
এইদৰে ষড়যন্ত্ৰ কৰিলে
লুইতখনৰ নাম মেকং কিম্বা চিকিয়াং নহলেও
পানীবোৰ কিন্তু ৰঙা হবই।

o o o

শত শ্বহীদৰ সেই তেজৰ ধাৰ
মোৰ দেশৰ বুদ্ধিজীৱীহঁতৰ
লাইব্ৰেৰীৰ ৰুমৰ দুৱাৰেদি
বৈ যাবলৈ দিয়া
লুইতেদি বঙ্গোপসাগৰলৈ।

o o o

যি সকল লোকে মুক্তি বিচাৰে
অথচ আন্দোলন নিবিচাৰে
তেওঁলোক বিজুলী ঢেৰেকণী নোহোৱাকৈয়ে
বৰষুণ বিচৰা মানুহ।
তেওঁলোকে সাগৰ বিচাৰে
কিন্তু সাগৰৰ গৰ্জন নিবিচাৰে।

o o o

শ্বহীদ নুবুলিয়েই বা কি
ক্ষতি কি তাত ?
গঙ্গাৰ পাৰৰ, গোদাবৰীৰ পাৰৰ
আৰাৱলী, নীলগিৰিৰ নামনিৰ
যদিহে কোনোবাই আমাৰ আটাইকে
আততায়ী নামেৰে মাতে
আহাঁ আমি আটায়ে
হৈ পৰো সেই নামেৰেই।

o o o

অসমী আইৰ নিৰাপত্তা
আৰু অস্তিত্ব ৰক্ষা কৰিবলৈ
গৈ যি সকল বীৰ সন্তানে
সাম্প্ৰতিক গণ আন্দোলনত
প্ৰাণ বিসৰ্জন দি শ্বহীদ হ'ল
সেই সকলৰ পৱিত্ৰ স্মৃতিত ॥

ooo


সংগ্ৰহ ঃ সম্পাদক।

---

বিঃ দ্ৰঃ—শ্বহীদ বেদিৰ পৰা কবিতাটি তিনিচুকীয়াৰ সৰ্বানন্দ সিংহ নগৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ অষ্টচত্বাৰিংশ সন্মিলন স্থানৰ পৰা মূল বেদিৰ লিখিত ৰূপতে ব্যৱহাৰ কৰা হৈছে। শব্দৰ গাঠনি আৰু স্তম্ভসমূহ সেই ৰূপতে সজোৱা হ'ল।

॥ সম্পাদক ॥

# সম্পাদনা সমিতি




বাওঁফালৰ পৰা বহি ঃ

প্ৰবক্তা ৰিপুন বৰা ( সদস্য ), প্ৰবক্তা ৰীণা শৰ্ম্মা বৰঠাকুৰ ( তত্বাৱধায়িকা )।

বাওঁফালৰ পৰা থিয় হৈ ঃ

শ্ৰীভুবন বৰা ( সম্পাদক), অৱন্তি গোস্বামী ( সদস্যা ), উৎপল মহন্ত ( সদস্য )।



ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অধীনত কৰ্মৰত অৱস্থাত
শিবিৰাৰ্থী সকল
শিবিৰ স্থানঃ ৰাঙ্গলীয়াল ( বালিজান )



ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অধীনত কৰ্মৰত অৱস্থাত
শিবিৰাৰ্থী সকল
শিবিৰ স্থান ঃ ৰাঙ্গলীয়াল ( বালিজান )

# এটি সূৰ্য্যৰ জন্ম

শ্ৰীমতী জ্বলী বৰুৱা,
২য় বাৰ্ষিক, প্ৰাক্-বিশ্ববিদ্যালয় (কলা)।

"দুখ আহিছে, আহিব দিয়া। তাৰ মাজৰ পৰাই সুখক বিচাৰিব লাগিব। চেন্টিমেন্টেল্ হলে নহ'ব অনুপম। চেন্টিমেন্টক মই বৰ ঘিণ কৰোঁ। তোৰ জানো সেই পুৰণি কথাবোৰ মনত পৰে ?"

"পৰে, কিছুমান কথা ইচ্ছা কৰিয়ো পাহৰি যাব পৰা নাই। পাহৰি যাব পৰা হলেই হয়তো বেছি সুখী হলোহেঁতেন।"

[অতীততে আছিল জীৱনৰ সকলো মধুৰতা। বাস্তৱ বৰ ভয়াবহ; তথাপিয়ো ভুল আৰু বেদনাৰ ভ্ৰূণটো অতীততেই সিঁচি অহা হ'ল।]

"তই দেখোন্ ৰলিয়েই, আৰু নাযাৰ---?"

বাঁহৰ দলংখনতে হাতখন দি অনুপম বৈ গ'ল। অনুপমৰ মুখত এসপ্তাহ নুখুৰুওৱা ডাঢ়ি, বাহু ফটা চোলাটো লক্ষ্য কৰি কিবা এটা ক'বলৈ বুলি মুখ মেলি দীপেন বৈ গ'ল। দীপেনে এই মুহূৰ্তত কি ভাবিব পাৰে অনুপমৰ অনুমান কৰাত হৃদয়ৰ গোপন তন্ত্ৰীবোৰৰ অকণো কষ্ট নহ'ল। অতীতৰ ধুসৰ ছবি এখন অনুপমৰ মানস পটত ভাঁহি উঠিল।

[প্ৰথম মাতৃত্বৰ মধুৰতাখিনি উপলব্ধি কৰাৰ ক্ষণত কোনোবাই আহি জন্ম সম্বাদে পুলকিত কৰা মাতৃজনীক কৈছিল; "এটি সূৰ্য্যৰ জন্ম হৈছে।" নতুন সূৰ্য্যটোৰ উত্তাপত মাতৃজনীয়ে মিচিকিয়াই হাঁহিলে। কোনোবাই কলে,— মাতৃত্ব লাজে।]

শৰতৰ পূৰ্ণিমা নিশা। স্বচ্ছল জলাধাৰত জোনৰ প্ৰতিবিম্ব। প্ৰতিফলিত জোনৰ ৰশ্মিৰেখা কোনোবা সৌন্দৰ্য্য পিয়াসী মনৰ বাবে অমৰ সত্বা।

"পূৰ্ণিমাৰ---পূৰ্ণ জোনটো বৰ ভাল লাগিছে।" প্ৰকৃতিৰ অপূৰ্ব সৌন্দৰ্য্যৰ এনে ৰূপ তোৰ দৰে কবিবোৰৰ বাবেহে।" সকলোতে দীপেনে অনুপমক কবি বুলি জোকাইছিল। কলেজীয়া জীৱনত তেওঁ অৱশ্যে দুই এটা কবিতাও লিখিছিল।

[কবি! বৈ যোৱা পাহাৰীয়া সৰু জুৰি। শৰতৰ নিশাৰ পূৰ্ণিমাৰ জোন; দুদিনীয়া লঘোণীয়া দেহ; অপূৰ্ব সৌন্দৰ্য্য। মৌন ভূমিৰ বুকুত শব্দৰ কোলাহল, মন্দাকিনী আমাক উটুৱাই দিয়া। মহাসাগৰৰ ঢৌৱে উটুৱাই নিলে এটি আশা, এটি কল্পনা। মৰুৰ বুকুত পৰি ৰলো আমি হৈ এটি শামুকৰ খোলা।]

নতুন নিয়ৰে শেৱালীৰ কলিবোৰত চুমাৰ পৰশ বুলাইছে। কোনোবা নৱ-যৌৱনৰ জোনালী ৰাতি।

[বিফলতাই মানুহক পঙ্গু কৰি তোলে। হাঁহিৰ মুকুতাবোৰ সহস্ৰ অশ্ৰু হৈ জীৱনবোৰ উটুৱাই নিয়ে।]

কলেজ এৰাৰ পাছত অনুপমে দীপেনক প্ৰথম বাৰৰ বাবে লগ পাইছে। মোটা অঙ্কৰ দৰমহা পোৱা দীপেন এই আওহতীয়া ঠাইখনলৈ চৰকাৰী

চাকৰিয়াল হৈ আহিছে। পুৰণি বন্ধু অনুপমক বিচাৰি দীপেনে যেতিয়া লগ ধৰিব নোৱাৰি উভতি যায় তেতিয়া অনুপমৰ বুকুখনৰ কোনোবা অংশত অজানিতভাৱেই বিষাই উঠে। কলেজীয়া দিনৰ বহুতকে পাহৰিব পাৰিলেও অনুপমে দীপেনক আজিও পাহৰিব পৰা নাই, আৰু পাহৰিব নোৱাৰিলে---। কৰবী বৰুৱা।---আজি কৰবী দুৱৰা---।

[মৃত্যুতকৈও ভয়াবহ বিভীষিকাময় এই বাস্তৱ। পঙ্গুতাই ভাৱাক্রান্ত কৰা মনে এচেৰেঙা পোহৰ বিচাৰি দূৰৰ নীলিমালৈ চাই ৰয়। গগন ভেদি আহে সূর্য্যৰ উজ্জ্বল পোহৰ তৰঙ্গ। অখণ্ড পোহৰ তৰঙ্গৰ মাজত সৰু সৰু দৃষ্টি ৰেখাবোৰ ক'ৰবাত হেৰাই যায়। পগীয়া তৰা হৈ তেতিয়া সৰি পৰে; অন্ধকাৰৰ বহু গভীৰতালৈ।]

"অ' পিছে খবৰ পাৱনে নাপাৱ তোৰ সেই কৰবী নে ৰুবীৰ?" দীপেনৰ লগত কৰবীক অনুপমেই চিনাকি কৰি দিছিল। তেতিয়া কৰবী বৰুৱা ফুলৰ পাহিয়ে পাহিয়ে উৰি ফুৰা এটি ৰঙা নীলা ধুনীয়া পখিলা। কৰবীৰ ধুনীয়া পাখি দুখন চিঙি যায় বুলি অনুপমে তাইক ধৰিবৰ কেতিয়াও চেষ্টা কৰা নাছিল। সেইজনী কৰবীয়েই এদিন অনুপমৰ হাত দুখন ধৰি সুধিছিল।

"তুমি মোক বিশ্বাস কৰিবা?"

"সন্দেহ হৈছে?"

"কিয়?"

"নাজানো।"

"তুমি যদি মানুহ হোৱা নহয়; তেন্তে এদিন---।"

কৰবীয়ে আধা কোৱা বাক্যটো শেষ কৰিবৰ বাবে অনুপমৰ কাষত বৈ নাথাকিল।

[বনৰ সোণ পখিলা বনলৈ উৰি গ'ল। মনৰ গভীৰতাত মাথোন বৈ গ'ল এটি সোণালী পাখি। লাজুক বনক কোনে যাচিলে চুমা? তুমি লাজুকী লতা হৈ দূৰতে হেৰাই যোৱা।]

যিদিনা---অনুপমে প্ৰথম কৰবীক লগ পায়, সেইদিনা তাই সদ্য প্ৰস্ফুটিত এটি গোলাপ কলি। বনফৰিং এই ছোৱালীজনীয়ে যৌৱনত নতুন সম্বোধনৰে মাতিলে, 'অনুপমদা'। কৰবী অনুপমৰ আপোনৰো আপোন ভনী। চাৰি বছৰতে আঁতৰি যোৱা কৰবীক যিদিনা কলেজত অনুপমে লগ পায় সেইদিনা যৌৱনে দেহত অমৰত্ব সানি যোৱা সোতৰ বছৰীয়া।

[মুকলি আকাশত মুক্ত বিহঙ্গয়ে মাতে। মন মোৰ ভাৱাক্রান্ত! মই যে বন্দী কোনোবা সোণৰ সঁজাত। তুমি কিবা জানানে? এইয়ে নেকি জীৱনৰ মধুচন্দ্ৰ?]

যুৱতী কৰবীক নতুন সম্বোধনৰে সেইদিনা অনুপমে মাতিলে--

"শৈশৱতে এৰাৰ পিছত তোমাক লগ পাম বুলি কল্পনাই কৰা নাছিলো।"

"এৰা অনুপমদা, কেতিয়াবা নভবা কথাবোৰো বৰ সহজভাৱেই হৈ যায়।"

এইজনী ৰুবীৰ বতৰা আজি অনুপমে একো নাজানে। কৰবী বৰুৱা এদিন কৰবী দুৱৰা হৈ চিৰদিনৰ বাবে আঁতৰি গ'ল। সেইদিনা কৰবীয়ে কৈছিল, "আমাৰ প্ৰতিশ্ৰুতিবোৰ কেতিয়াও পাহৰি নাযাবা। অনুপমদা আমি শিক্ষিত যুৱক-যুৱতীবোৰে দুৰ্নীতিক কেতিয়াও প্ৰশ্ৰয় দিয়া উচিত নহয়। আমি সৰল হ'ম। তেতিয়া---।"

কৰবী গুচি গ'ল। জোনৰ প্ৰতিবিম্বটোলৈ চাই অনুপমে কলে--

"কৰবীৰ সৰু পাহিবোৰ ফাগুণৰ বতাহত সৰি গ'ল।"

"তই আকৌ কেতিয়াৰ পৰা দাৰ্শনিক হলি?"

দীপেনে অনুপমলৈ চাই ৰগৰ কৰি কলে।

"নহয় দীপেন, ইয়াত দাৰ্শনিক হোৱাৰ কোনো প্ৰশ্ন নাই। ফুল ফুলিছে, এদিন মৰহি যাব। জন্ম হলে মৃত্যু হ'বই।"

[জন্ম হলে এদিন মৃত্যু হ'বই। নিজৰ চিন্তা নিজেই সজাৰ সৎ সাহস কাৰ আছে? অথচ জীৱন খুঁহিলাৰ পুঙা।]

"বাৰু বাৰু সেইবোৰ যাব দে। এতিয়া তোৰ খবৰ কচোন? ইমানদিনে মৌন ব্ৰত ধৰিছিলি কিয়?"

"মৌনতা নহয় দীপেন। তপ কৰিছিলোঁ। পৃথিবীখন নতুনকৈ চোৱাৰ হেঁপাহেৰে। আৰু খবৰ? বহু বেদনা বহু ভাগৰত ক্লান্ত মন আৰু দেহ।"

"হাঁঃ হাঁঃ --।"

"হাঁহিলি যে?"

"হয়---পৰিবৰ্তন। বুজিছ? এইয়া নতুন অনুপম।"

"এইয়া পৰিবৰ্তন নহয় অনুপম। এইয়া নিজকে মাথো ধ্বংস কৰাৰ পথ।"

[Inferiority Complex. "Man can not persist long in a conscious state, he must throw himself back in to the unconscious, for his root lies there."]

অনুপমে একো নকলে। জোনৰ পূৰ্ণ প্ৰতিফলনে অনুপমৰ মুখৰ ডাঢ়িখিনি, বাহুফটা চোলাটো আৰু ফিটা চিঙা চেণ্ডেলযোৰ দীপেনৰ চকুত ঠিক মতেই ধৰা দিলে। দীপেনৰ দৰে চোকা বুদ্ধিৰ যুৱক এজনক কেইসাজ লঘোণীয়া দেহেৰে প্ৰকৃতিৰ সৌন্দৰ্য্য বৰ্ণনা কৰিব লগা হৈছে, সেই কথা বুজাবৰ আৱশ্যক নাই বুলিয়েই অনুপমে ভাবিলে।

দীপেনে অনুপমৰ দুচকুলৈ চাই ৰ'ল। দীপেনে হয়তো ভাবিছে, এই অনুপমটো বৰ আচৰিত মানুহ। দীপেনৰ গাত থকা দামী পোছাকযোৰৰ কাষত অনুপমক দেখি কোনোবাই হয়তো ভৃত্য বুলিয়েই ভাবিছে।

[কেতিয়াবা যদি তোমাক কাষতে পাওঁ, আনি দিম তৰাটি, ধৰি দিম জোনটি, তোমাৰ খোপাত গুজিবলৈ। অ' মোৰ সোণ, আছিলা তুমি কিমান আপোন, গ'লা মোক এৰি এই ক'ৰবাত আজিও তুমি উমলি আছা মোৰ হৃদয়ত, মোৰ মনৰ গোপন কথা তুমি শুনা নাই। মোৰ ওঁঠৰ মধুৰ ভাষা তুমি বুজা নাই।]

সেইয়া স্বাভাৱিক। এই আওহতীয়া ঠাইখনৰ কোনেও বুজিব নোৱাৰে দীপেন যে এদিন একেখন কলেজত একেলগে---।

"বাৰু কচোন কি মন কৰি ওলালিহি?"

দীপেনক প্ৰথমবাৰৰ বাবে অনুপমে প্ৰশ্ন কৰিলে।

"চৰকাৰী চাকৰি।" নাটকীয় ভঙ্গীৰে সি উত্তৰ দিলে, "আৰু কি জান?"

"নাজানো।"

"তোৰ সেই কৰবীৰ কথা।" দীপেনে কৰবীক সদায় অনুপমৰ বুলি ৰগৰ কৰি কিবা এটা আৰম্ভ কৰে। অথচ কৰবী অনুপমৰ একো নহয়।

"কি হ'ল কৰবীৰ?"

বহুদিনৰ অন্তত কৰবীৰ বিষয়ে জানিবলৈ অনুপমৰ মন গ'ল।

"তাই বহুত ঠগিলে।"

"মানে?"

"মানে তোৰ হাতত ধৰি শপত খোৱা কৰবীয়ে তাইৰ স্বামীক দুৰ্নীতিৰ পৰা মুক্ত কৰি ৰাখিব নোৱাৰিলে। তাইৰ স্বামী এদিন ধৰা পৰিল।"

[শৈশৱতে সজা বালি ঘৰবোৰ সময়ৰ বতাহে উটুৱাই নিলে। সৰু সৰু অশ্ৰু মুকুতা জিলিকি, সাগৰত অগনি সুধা জ্বলে।]

"তই তেতিয়া একো নকৰিলি?"

"কিবা কৰিবৰ বাবে বৰ নিৰুপায়।"

কৰবীলৈ অনুপমৰ ঘিণ লাগিল। যি মানুহে নিজক সহজেই বিক্ৰি কৰিব পাৰে তাক অনুপমৰ ঘিণ লাগে।

[শূন্য এটা শামুকৰ খোলা হৈ মহাসাগৰৰ বুকুত পৰি ৰলো আমি। মোৰ কাষত বহু যুগৰ

ৰহতো পদচিহ্ন শুকান বালিত সূৰ্য্যৰ পোহৰ পৰি জিলিকি উঠিছে। মন মোৰ ভাৰাক্ৰান্ত। কোনো-বাই জানো আহি বুটলি লব? কেতিয়া? যদি তাৰ পূৰ্বেই সাগৰীয় ধুমুহাই পদচিহ্নবোৰ উকৱাই নিয়ে। তেতিয়া---?]

মুৰটো ঘূৰাইছো। যোৱা দুদিনে---। বাঁহৰ দলংখনতে অনুপমে দেহৰ ভাৰসাম্য এৰি দিলে। পূৰ্ণিমাৰ জোনটোৱে স্বচ্ছ পানীত ৰূপালী বৰণ চুৰাইছে। ৰূপালী ৰশ্মি ৰেখাৰে আৱৰা আকাশৰ তলত ভাৰাক্ৰান্ত এটি দেহ বৈ নিবলৈ অনুপম বৰ ক্লান্ত। দীপেনক কলে।

"আজি নিশাটো বৰ সুন্দৰ লাগিছে। শৰতৰ মাধুৰী ভৰা পূৰ্ণিমাৰ ৰাতি নতুন নিয়ৰৰ পৰশত স্নিগ্ধ পূৰ্ণ সৰু সৰু শেৱালী ফুলাৰ বতৰ।"

"এৰা তই ঠিকেই কৈছ অনুপম। ঠাই খন বৰ মনোৰম।" দীপেনৰ মন্তব্য শুনি অনুপমৰ নিজকে নিজৰ ওপৰত বৰ পুতৌ হ'ল।

[ৰাস্তৰ। সূৰ্য্যটো অস্ত গ'ল। নহয় সূৰ্য্য গ্ৰহণ মাতৃজনী জানো আজি ক'ত?]

["There is nothing more real than nothing. "Nothing, absolutely, nothing justifies man's existence, I really see something, but what I see nothing."]

দীপেনক ক'বলৈ অনুপমৰ মন গৈছিল, 'এনে সৌন্দৰ্য্য আমাৰ দৰে মানুহৰ বাবে নহয়। বৰং আমাৰ দৰে মানুহবোৰে ইয়াত প্ৰকৃতিৰ বিভীষিকাৰ বাহিৰে অন্য আৰু একো বিচাৰি নাপায়। এইয়া তহঁতৰ বাবে। এইয়া কৰবীহঁতৰ বাবে। এই সৌন্দৰ্য্যৰ মাজত তহঁতে বহু কিবা কিবি অমূল্য তত্ত্ব আৱিষ্কাৰ কৰিব পাৰিবি। কিন্তু আমি--'। নকলে। মাথো কলে, "আজিলৈ উভতি যাওঁগে ব'ল। অন্য এদিন আহিম। ঘৰত মাৰ বৰ অসুখ।

["The sea never sleeps and thankfulness of the sea brings comfort to a soul sleepless"]

০০০

"মই সাহসী লোকক ভাল পাওঁ, কিন্তু তৰোৱাল ঘূৰাব জনাটোৱে যথেষ্ট নহয়, কাৰ বিৰুদ্ধে তৰোৱাল ঘূৰোৱা হব সেই কথাও সাহসী লোকজনে জনা উচিত।"

—নীটছে।

# ৰক্তস্ৰোত

শ্ৰীউষা বৰা,
দ্বিতীয় বাৰ্ষিক, প্ৰাক্-বিশ্ববিদ্যালয় (কলা)।

বৰষাৰ শেষ, শৰতৰ আগমন। যাওঁ নাযাওঁকৈ এজনী লাজুকী বোৱাৰীৰ দৰে আগষ্ট মাহ আঁতৰি গৈছে। বৰষাৰ অশ্ৰুসিক্ত আকাশখন বগা বগা পালতৰা নাৱৰে ভৰি পৰিছে। দিগন্ত বিস্তৃত সজীৱ ধাননীৰ ওপৰত ধূসৰ কুঁৱলীয়ে তৰিছে সৌন্দৰ্য্যৰ মায়াজাল। শুকুলা কঁহুৱাবোৰৰ নৃত্য ভঙ্গীমাই সৃষ্টি কৰিছে এক স্বৰ্গীয় দৃশ্যৰ, যেন কোনোবা ৰূপকথাৰ ৰাজকন্যাহঁতে নদীৰ পাৰত বহি ধেমালি কৰিছে। কিন্তু আজি দুদিন মানৰ পৰা আকাশে কান্দিছে অবিৰাম অবিশ্ৰান্তভাৱে। শুকুলা পালতৰা নাওবোৰে চাপলি মেলিছে দিগন্তৰ শেষ প্ৰান্তলৈ। থুপ খাই ক'লা বৰণ ধৰিছে। হয়তো বৰষাৰ বিদায় ক্ষণত এইয়া প্ৰকৃতিৰ নীৰৱ উচুপনি। ক্ৰন্দনৰত প্ৰকৃতিৰ এই ছবিখন বৰ মনোমোহা। তাকে চাই চাই স্মিতাই আঁকিছে তাইৰ ৰং আৰু তুলিকাৰে। তাইৰ সৰু কোঠাটোত সোমাই লৈ কোঠাটোৰ একমাত্ৰ খিৰিকিখনেৰে তাই বাহিৰলৈ চাই আছে। তাইৰ লাহী আঙুলিকেইটাৰ মাজত কঁপিছে সৰু তুলিকাডাল। স্মিতাই টেবুলত সজাই থোৱা আগদিনা আঁকি উলিওৱা ছবিখনত চকু ফুৰাই যায়। অ'ত ত'ত তুলিকাডাল বুলাই সজীৱ কৰে ছবিখন। সেইখনো এখন শৰতৰে ছবি। এখন নীলা পাহাৰ, পাহাৰৰ বুকুত এটা সৰু নিজৰা, দুয়োপাৰে শুভ্ৰ কঁহুৱা আৰু দিগন্তৰ বুকুত এজাক বগলী। তাইৰ সৌন্দৰ্য্যপিপাসী মুক্ত মনটোৰে দৰেই বগলীজাক মুক্ত ; তাইৰ দৰেই প্ৰাণচঞ্চল নিজৰাটো আৰু পাহাৰটো ? পাহাৰটো তাইৰ আদৰ্শৰ দাদাক সৌৰভৰ দৰেই অচল অটল। পাহাৰটোৰ নামনি নিজৰাটোৰ দুয়োপাৰে থকা শুভ্ৰ কঁহুৱাবোৰ হ'ল সৰল পবিত্ৰ হাজাৰ হাজাৰ দৰিদ্ৰ শ্ৰমিক, কৃষকৰ প্ৰতীক। এইদৰে প্ৰতীকেৰে ছবি আঁকিবলৈ তাইক সৌৰভেই শিকাইছিল প্ৰথমে। সিহঁতৰ চোতালৰ আগৰ বুঢ়া শেৱালী জোপাৰ গোন্ধটোৰ দৰেই মিঠা সৌৰভৰ স্মৃতিবোৰ। শেৱালীৰ পাহিবোৰৰ দৰেই পবিত্ৰ সিহঁতৰ মৰমবোৰ। শেৱালীৰ দৰেই সিহঁতৰ আশাবোৰ সৰস আৰু সজীৱ, কিন্তু শেৱালী ফুল শৰতৰ শেষত মৰহি যোৱাৰ দৰেই সিহঁতৰ আশাবোৰ মৰহি যায়, বাস্তৱৰ কঠোৰ সংঘাতত।

কোনোবা এটা উজনী অসমৰ সৰু ৰেল ষ্টেচনতে স্মিতাই প্ৰথম চিনাকি হৈছিল সৌৰভৰ লগত। স্মিতা গৈছিল মোমায়েকৰ লগত যোৰহাটলৈ ফুৰিবলৈ পূজাৰ বন্ধত। এটা আন্ধাৰ নিশাৰ বুকু বিদীৰ্ণ কৰি ৰেলখন চপলিয়াই আহি পোৱাৰ লগে লগে ৰৈ গৈছিলহি এটা সৰু ষ্টেচনত। হেমন্তৰ কুঁৱলী ফালি এজন ডেকা উঠিছিলহি সিহঁতৰ কম্পাৰ্টমেণ্টত। অবিন্যস্ত চুলি, অপৰিপাটি সাজ-পোছাক আৰু এটা উজাগৰী নিশাৰ স্বাক্ষৰ বহন কৰা পৰিশ্ৰান্ত দেহাটোৰে ডেকাজন আহি সিহঁতৰ বিপৰীত বেঞ্চখনতে বহিছিলহি। স্বাভাৱিক কৌতূহল নিয়ন্ত্ৰণৰ মাজতেই সিহঁতৰ

চিনাকি হৈছিল। প্ৰথম চিনাকিতে সৌৰভে কৈছিল, "মোৰ ঘৰ ভনিটি! আকাশৰ তলতেই মোৰ ঘৰ, সেউজীয়া বননীয়েই মোৰ বিছনা।" প্ৰথমে এই আচৰিত কথাবোৰ শুনি স্মিতা আৰু মোমায়েকে তাক পাগল, নহলে এটা গুণ্ডা বুলি ভয় খাইছিল। গোটেই দিনটো ৰেলৰ ভিতৰত হোৱা কথা-বতৰা আৰু সৌৰভৰ সৌহাৰ্দতাই তাহাঁতৰ মাজৰ দূৰত্ব কমাই আনিলে। সৌৰভেও স্মিতাৰ মাজত বিচাৰি পাইছিল তাৰ অকালতে হেৰুওৱা ভনীয়েক শেৱালীৰ মৰমবোৰ। সিদিনা সৌৰভেও ভাঙি কৈছিল তাৰ জীৱনৰ উদ্দেশ্যৰ কথা। শোষণৰ বিৰুদ্ধে যুঁজিবলৈ, নিজৰ প্ৰাপ্য বস্তুৰ বাবে মাত মাতিবলৈ শিকাটো যে জীৱনৰ লক্ষ্য, সেইদিনা তাই বুজি পাইছিল। সৌৰভে সেইদিনা স্মিতাক বুজাইছিল, শিকাইছিল উপলব্ধি কৰিবলৈ। বিশ্বৰ হাজাৰ হাজাৰ শোষিতৰ করুণ আৰ্তনাদ!

স্মিতাই ঘৰত আহি মাক দেউতাকৰ আগত কৈছিল সেই আচৰিত আৰু বিপ্লৱী মৰমিয়াল সৌৰভ নামৰ ল'ৰাটোৰ কথাবোৰ। তাই কৈছিল লগৰ স্কুলীয়া বান্ধৱীবোৰৰ আগতো। সঁচাকৈ এদিন সিহঁতক আচৰিত কৰি সৌৰভ আহিছিল সিহঁতৰ ঘৰলৈ। সেই অঞ্চলত হোৱা ছাত্ৰৰ এখন সভাত যোগ দিবলৈ। তাই স্কুললৈ লৈ গৈছিল মৰমৰ সৌৰভ দাদাক। কিন্তু তাই হেঁপাহেৰে বান্ধৱীহঁতক চিনাকি কৰি দিবলৈ সময় নাপালে। সেইদিনাৰ মিটিঙত সকলো ছাত্ৰই তাক সমৰ্থন কৰিছিল, শ্ৰদ্ধা কৰিছিল তাৰ বিপ্লৱী সত্ত্বাটোক। সেইদিনা ৰাতি স্মিতাহঁতৰ ঘৰত সি কৈছিল তাৰ জীৱন কাহিনী।

শিৱসাগৰৰ এখন আওহতীয়া গাঁৱত আছিল সৌৰভৰ ঘৰ। দেউতাক মাধৱ গগৈ আছিল এজন নিস্বাৰ্থ দেশপ্ৰেমিক। ভাৰতৰ স্বাধীনতা সংগ্ৰামত জপিয়াই পৰি হেৰুৱাই পেলাইছিল সকলো। সম্পত্তি আৰু সুন্দৰ স্বাস্থ্য। পুলিচৰ লাঠি, বুটজোতাৰ গচক সহ্য কৰি জেলৰ বন্ধ কোঠাত মাধৱ গগৈয়ে স্বাধীন ভাৰতৰ সপোন ৰচিছিল। অৱশেষত এটা ৰুগ্নদেহ, ভগা মন লৈ বাস্তৱ স্বাধীন দেশৰ বুকুত মাধৱ গগৈয়ে অকাল মৃত্যুৰ বলী হৈছিল। সৌৰভৰ কল্পনাৰ স্বাধীন অসমত বাস্তৱত সৌৰভহঁতৰ দৰে দুখীয়াৰ বাবে স্থান নাছিল। মাকৰ অশেষ কষ্টৰ যত্ন আৰু তাৰ চোকা বুদ্ধিৰ বলত এদিন সি বি, এছ-চি পাছ কৰিছিল সুখ্যাতিৰে। কিন্তু স্বাধীনতা সংগ্ৰামতে জীৱনটো নিঃশেষ কৰি দিয়া সৌৰভৰ দেউতাকৰ দৰে দুৰ্ভগীয়াহঁতৰ সান্তনহঁতৰ বাবে হাইস্কুলৰ পদ এটাও খালী নাছিল। সেইবোৰ পদত মকৰল হৈছিল মন্ত্ৰী, এম, এল, এ হঁতৰ অওহি বওহি। যিবোৰে আধুনিক বিভীষণৰ ভাও লৈ স্বাধীনতা সংগ্ৰামত সংগ্ৰামীসকলক পুলিচত গোপনে খবৰ দি ধৰাই দি ধন উপাৰ্জন কৰিছিল। কথাবোৰ ভাবিলে সৌৰভৰ দেহৰ প্ৰতি ধমনীত বৈ গৈছিল তপত তেজৰ সোঁত। সিওতো লাচিতৰ দেশৰ সন্তান। কঙ্কালসাৰ মাহৰ মুখমণ্ডল সংঘাত আৰু অভিজ্ঞতাৰ আঁচোৰত ক্ষত-বিক্ষত। প্ৰস্তৰ মূৰ্তিৰ দৰে নিস্তেজ ভনীয়েক শেৱালীৰ মুখখন। তিক্ততাৰে ভৰা এখন ঘৰ, ব্যৰ্থতাৰে ভৰা এটা জীৱন। বহুবাৰ সি ভাবিছিল আত্মহত্যাৰ কথা। কিন্তু এইয়া জানো পাপ নহয়! নিজকে দুৰ্বল বুলি ভবাতকৈ ডাঙৰ পাপ জানো কিবা আছে? সি যুঁজিব জীৱনৰ ৰণাঙ্গনত। কিন্তু কেতিয়াও পৰাজিত নহয়। ভাবি ভাবি সি স্থিৰ কৰিছিল তাৰ লক্ষ্য। তাৰ বিপ্লৱী সত্ত্বাই গুজৰি গুমৰি ওলাই আহিছিল। একমাত্ৰ তাৰ মাক বা ভনীয়েকৰ বাবে সি অকলে কিবা কৰি টকা উপাৰ্জন কৰিব পাৰে। কিন্তু দেশমাতৃৰ বুকুত থকা হাজাৰ জনী মাতৃৰ চকুলো মচিবলৈ সিহঁতৰ দৰে ডেকাবোৰেইতো ওলাই আহিব লাগিব। অকল সিয়েই নহয় তাৰ দৰে বহুতো শিক্ষিত আৰু ধনীৰ সন্তানেও চাকৰি বাদ দি, পঢ়া বাদ দি ওলাই আহিছে

বিপ্লৱৰ বাবে। সিহঁতৰ প্ৰথম কাম হ'ল দেশৰ হাজাৰ হাজাৰ শোষিত, পীড়িত জনসাধাৰণক জগাই তোলাটো। দেশৰ জনশক্তিৰ সুপ্ত আগ্নেয়-গিৰি উদ্গীৰণলৈ বাট চাই আছে সিহঁতে আগ্ৰহেৰে, যাৰ উত্তপ্ত লাভাই পুতি পেলাব দেশৰ শোষক, শাসক গোষ্ঠীক। সিহঁতে ছাত্ৰক উপদেশ দিয়ে শান্তিৰে আন্দোলন চলাই নিবলৈ। সিহঁতে সহায় কৰে দুখীয়া আৰু শোষিতক আৰু সিহঁতৰ আশ্ৰয় স্থল হ'ল স্মিতাহঁতৰ দৰে অনুপ্ৰাণিত ভাইটি-ভণ্টিহঁতৰ ঘৰবোৰ। গোটেই নিশা একেৰাহে তাৰ কথাবোৰ কৈ পুৱতিৰ লগে লগে সি আঁতৰি গৈছিল স্মিতাহঁতৰ ঘৰৰ পৰা।

তাৰ পিছতো বহুতবাৰ সৌৰভ আহিছিল সিহঁতৰ ঘৰলৈ। স্মিতাই মেট্ৰিক পাছ কৰি কলেজলৈ অহাত সি অভিনন্দন জনাইছিল। সি তাইক শিকাইছিল নিজকে কিদৰে গঢ় দিব লাগে এজন সঁচা মানুহ হিচাবে। তাৰবাবে অধ্যয়ন কৰিব লাগে বিশ্বৰ মহান সংগ্ৰামী সকলৰ জীৱন কাহিনী। যিসকলে জীৱনটোক গ্ৰহণ কৰে এখন ৰণক্ষেত্ৰ হিচাবে। যি সকলে জীৱন যুঁজত মৃত্যু-বৰণ কৰিছিল হাঁহি হাঁহি, কিন্তু পৰাজয় স্বীকাৰ কৰা নাছিল। তাইয়ো সৌৰভৰ উপদেশ মতে অধ্যয়ন কৰে কাৰ্লমাৰ্ক্স, টলষ্টয়, ৰুচো, নেপো-লিয়ন আৰু মহাত্মা গান্ধী, পল ৰবচন আদি মহান সংগ্ৰামী সকলৰ জীৱন কাহিনী। ভাবি ভাবি তাই যেন ভাগৰি পৰে। এটা ৰেলষ্টেচনত চিনাকি হোৱা এটা ল'ৰাই তাইক ককায়েকৰ দৰে মৰমেৰে ইমানবোৰ নতুন কথা শিকাই এটা নতুন জীৱন গঢ়িবলৈ শিকাব তাই কেতিয়াও ভবা নাছিল। এটা আচৰিত ল'ৰাৰ জীৱনাদৰ্শৰ লগত যে তাইৰ দেহ মন সত্তা মিলি যাব তাই ভাবিব পৰা নাছিল। হঠাৎ মাকৰ মাতত তাইৰ তন্ময়তা ভাগিল। সৌৰভৰ পৰা এখন চিঠি আহিছে। তাইৰ বুকুখন কঁপি গ'ল। কঁপা কঁপা হাতেৰে চিঠিখন পঢ়িবলৈ খুলিলে—

ডিব্ৰুগড়

মৰমৰ

স্মিতা ভণ্টি,

তোমাৰ হতভগীয়া ককায়েৰা সৌৰভৰ স্নেহাশীষ লবা। বৰ্তমান মই বৰ অসুস্থ। যোৱা ১৫ চেপ্তেম্বৰৰ ছাত্ৰ আন্দোলনত ডিব্ৰুগড়ত বৰ গণ্ডগোলৰ সৃষ্টি হয়। পুলিচ আৰু উন্মত্ত ছাত্ৰৰ মাজত সংঘৰ্ষ আৰম্ভ হয়। অৱশেষত পুলিচে লাঠি চাৰ্জ কৰিবলৈ বাধ্য হয়। মই মূৰ আৰু হাতত গুৰুতৰভাৱে আঘাত পাই আহত হৈ মেডিকেল হস্পিটেলত ভৰ্তি হৈ আছো। তাতকৈও এটা দুখৰ কথা কি জানা মোৰ বন্ধু সুজিত মিত্ৰক কোনোবা দুৰ্বৃত্তই সন্ধিয়া চিনেমাহলৰ কাষত ডেগাৰ মাৰি আহত কৰে, আজি পুৱা ৭-৩০ বজাত সি সৌৰভ সৌৰভ বুলি চিঞৰি চিঞৰি মৃত্যুৰ কোলাত ঢলি পৰে। চহৰৰ পৰিস্থিতি উত্তপ্ত। বৰ্তমান সান্ধ্য আইন অব্যাহত আছে। বেছি লিখাৰ শক্তি নাই। বৰ অৱশ লাগিছে। ক্ষমা কৰিবা। যদি সুস্থ হৈ উঠো, পুনৰ দেখা পাবা। মাক মোৰ সেৱা জনাবা। পুনৰ বহুত মৰমেৰে সোঁৱৰাই দিছো তোমাক মোৰ আদৰ্শৰ কথা। তুমি যেন জীৱন যুঁজত জয়ী হোৱা।

ইতি—

তোমাৰ সৌৰভদা।

চিঠিখন পঢ়ি স্মিতাই মৃন্ময় মূৰ্তিৰ দৰে থৰ লাগি ৰৈছিল। তাই ভবাৰ দৰে সঁচাকৈয়ে সি আন্দোলনত যোগ দিছিল আৰু তাইৰ আশঙ্কা-টোৱেই এটা নিষ্ঠুৰ বাস্তৱ হৈ দেখা দিলে। সৌৰভ হয়তো নাবাচিব। যদি জীয়াই থাকে আগৰ স্বাস্থ্যও নাথাকিব। সৌৰভৰ মৃত্যুত বহুতেই ভাল পাব। কিন্তু দেশৰ ক্ষুধাৰ্ত জনতাৰ মুখত এমুঠি ভাত আৰু বস্ত্ৰহীনক এখন কাপোৰ দিয়াৰ তাৰ যি প্ৰচেষ্টা তাক দেশৰ লাখ লাখ জনতাই শ্ৰদ্ধাৰে

সুঁৱৰিব। সৌৰভৰ মৃত্যুত তাইৰো একো ক্ষতি নহয়। সৌৰভ স্মিতাৰ একো নহয়। কোনোবা ৰেল ষ্টেচনত চিনাকি হোৱা সৌৰভৰ মৃত্যু তাইৰ বাবে ৰেলত লগ হোৱা এজন সাধাৰণ যাত্ৰীৰ মৃত্যুৰ দৰেই। কিন্তু তাইৰ জীৱন ৰেলৰ যিটো জংচনত সৌৰভক লগ পাইছিল, সৌৰভৰ আদৰ্শত জীৱনটোক গঢ় দিয়াৰ অনুপ্ৰেৰণা পাইছিল, সেই সৌৰভৰ মৃত্যু জানো তাইৰ বাবে ক্ষতিকাৰক নহয়? সৌৰভৰ মৰিব, শেৱালী মৰিল, সুজিত মৰিল আৰু বহুতো মৰিব, সেই মৃতকক শান্তি দিবলৈ কেৱল দুই মিনিট মৌনতা অৱলম্বন কৰিলেই হ'ব জানো? হ'ব জানো চকুলোৰে সাগৰ ৰচিলে। সিহঁতৰ আত্মাই শান্তি পাব যিদিনা সিহঁতৰ কল্পনা বাস্তৱত ৰূপ পাব। স্মিতা, তাইও এদিন ওলাই যাব সৌৰভৰ আদৰ্শৰে। তাইক সহায় কৰিবলৈ আকৌ হাজাৰ হাজাৰ সৌৰভ, শেৱালী, সুজিতহঁত ওলাই আহিব।

কল্পনাৰ জগতৰ পৰা তাই ঘূৰি আহিল বাস্তৱলৈ। তেতিয়া দিনান্তৰ শেষ মুহূৰ্তত ভাৱৰৰ তলৰপৰা ওলাই ৰক্তাভ সূৰ্য্যটোৱে দিগবলয়ৰ ক'লা ৰেখাডালৰ তলত লুকাই পৰিছিল।

০০০

> "মানুহে তোমাক নাজানে বুলি আক্ষেপ নকৰিবা। এনেভাবে কাম কৰা যাতে তুমি মানুহে জানিবৰ যোগ্য হোৱা।"
>
> —কনফুচিয়াচ।

# কুকুৰ

শ্ৰীবিপিন বৰা,
প্ৰাক্তন ছাত্ৰ।

"কথা এটা সোধো বেয়া পাবা নেকি বাৰু?"

"নাই, সোধক কিয় বেয়া পাম আক'।"

"বস্তু এটা দিবা?"

"থকা বস্তু যদি নিশ্চয় দিম।"

"তোমালোকৰ ঘৰত কুকুৰ পোৱালি আছে নেকি বাৰু? কুকুৰ পোৱালি এটাৰ বৰ প্ৰয়োজন হৈছে।"

কুকুৰ পোৱালি বিচাৰি অহা মানুহজন সাৰদাহঁতৰ গাঁৱৰ সিফালৰখন গাঁৱৰ মানুহ। সাৰদাই কুকুৰ পোৱালি বিচাৰি অহা মানুহজনৰ অভিপ্ৰায়টো ভালেই পালে। সাৰদাহঁতৰ ঘৰত এবাহ কুকুৰ পোৱালিয়ে অনবৰত আমনি লগাই থাকে। এটা দুটা নহয় চাৰিটাকৈ কুকুৰ পোৱালিৰ জাঁজ বৰ আমনি লগা হৈছে। সময় নাই অসময় নাই খালী কেং কেং। সাৰদাই মানুহজনক মাতি নি ক'লা বৰণৰ কুকুৰ পোৱালি এটা দি দিলে। হওঁক তেওঁ এটা আপদৰ হাত সাৰিলো।

কুকুৰে একেদিনাই তীৰ্থ ভ্ৰমণ কৰি ঘূৰি আহিব পাৰে। বাটত অন্য কুকুৰে আমনি কৰে বুলিহে। গোটেইখন দেশ কুকুৰে ভৰি পৰিল। মাৰোৱাৰী গোলাৰ বাৰান্দাত স্থায়ীভাবে আঠ দহটা কুকুৰ থাকেই। অৱশ্যে এইবোৰ কুকুৰ বৰ অমায়িক। গেৰেলা পেট গাৰি মাটিত পৰি শুই থাকে।

অমৃতে সাৰদাহঁতৰ ঘৰৰ পৰা অনা কুকুৰ পোৱালিটো নিজৰ ঘৰলৈ নিয়া নাছিল। স্থানীয় এম, এল, এ যোগেন্দ্ৰ মহন্তৰ জীয়েক বৰ্ণালীৰ কথা পেলাব নোৱাৰি সাৰদাহঁতৰ ঘৰৰ পৰা কুকুৰ পোৱালিটো নি বৰ্ণালীক দিলেগৈ। বৰ্ণালীৰ কুকুৰৰ প্ৰতি বৰ হেঁপাহ।

অমৃত বৰুৱা যোগেন্দ্ৰ মহন্তৰ জীয়েক বৰ্ণালীৰ ব্যক্তিগত শিক্ষক। দশমমান শ্ৰেণীৰ বৰ্ণালী মহন্তই অমৃত বৰুৱাৰ হতুৱাই এনে ধৰণৰ কামবোৰ প্ৰয়োজন বিশেষে কৰাই লয়। কাৰোবাৰ কাৰোবাৰ মুখে শুনা মতে বৰ্ণালীয়ে ভাল তেল দিব জানে। বৰ্ণালীতকৈও মাক ইলাক্ষী মহন্ত এখোপ চৰা। অৱশ্যে এইবোৰ গাই ফুৰা কথা নহয়। কেনেবাকৈ যোগেন্দ্ৰ মহন্তৰ কাণত পৰিব লাগিলে প্ৰমাণসহ উদ্ধাৰ হলে মান হানিৰ কেচ দিব। ত্ৰিশ টকা ঘোচ খাই ঘৰত চোৰে দিয়া সিন্ধি চাবলৈ অহা পুলিচ বোলে যোগেন্দ্ৰ মহন্তই ফোন কৰিলেই দৌৰি আহে।

অমৃত বৰুৱাই বৰ্ণালীক ৰাতিপুৱা দুঘন্টা আবেলি দুঘন্টা পঢ়ায়। কেতিয়াবা সাহিত্য পঢ়োৱাৰ সময়ত দাঁত ভঙা শব্দ দি চিঠিও লিখি দিব লাগে। অমৃত বৰুৱাই সেইবোৰৰ উৰাদিহ ল'ব নিবিচাৰে। ডাঙৰ মানুহৰ ছোৱালী হলে ভালেমান সুবিধা। কেনেবাকৈ বৰষুণত তিতি পানী লাগিলেও ঘৰতে আহি বেজি দি থৈ যায়হি। মহন্ত চাবৰ দৰে ঘৰত জন্ম লোৱা সন্তানবোৰ

সকলোৰে মৰমৰ। পাৰোতেনো বৰ্ণালীয়ে পৰীক্ষাৰ সময়ত হঠাত হোৱা অসুখৰ বাবে তিনিবাৰ পৰীক্ষা ড্ৰপ দিওঁতেও চাৰ্টিফিকেটৰ বয়সটো সলনি নহ'লনে।

আজিকালি আবেলি এঘন্টা বৰ্ণালী জিমিৰ লগত খেলে। জিমি, মানে অমৃত বৰুৱাই সাৰদাহঁতৰ ঘৰৰ পৰা আনি দিয়া গেৰেলা কুকুৰ পোৱালিটোৰ নাম। আগতকৈ পেটটো ভাগিছে। কুকুৰৰ লগত এঘন্টা নেখেলিলে কিহৰ আভিজাত্য?

বৰ্ণালীহঁতৰ ঘৰলৈ দিনে চাৰিবাৰকৈ অহা ডাক্তৰ অলকেশ হাজৰিকাৰ মটৰ চাইকেলত উঠি উঠি জিমিটো সাংঘাতিক দুষ্ট হ'ল। মটৰ চাইকেলৰ মাত শুনিলেই একদম পাগল। আচলতে ডাক্তৰে মৰমতে জিমিলৈ, আহিলেই এক পেকেট কম দামৰ বিস্কুট লৈ আহে। সেইহে জিমিয়ে মটৰ চাইকেলৰ মাত মানেই বিস্কুট বুলি ভাবে। তাতে মটৰ চাইকেলৰ কোমল চিটত বহি জিমিয়ে বেলেগ আৰাম পায়। স্পঞ্জৰ ওপৰত শুই শুই জিমিৰ অভ্যাস হৈ গ'ল।

অমৃত বৰুৱাই সাৰদাক লগ পালেই জিমিৰ কথা কয়। জিমিটো আগতকৈ ভালেমান শকত হৈছে, ইত্যাদি ইত্যাদি। কেতিয়াবা এঘন্টা আধাঘন্টা বহি যোগেন্দ্ৰ চাৰৰ গুণ বখানে। চাৰে কথা দিছে এই মাহৰ ভিতৰতে মোৰ চাকৰি হৈ যাব। ডাঙৰ মানুহ হাতত থাকিলে এইবোৰেই সুবিধা। আজিকালি চাকৰি এটা যোগাৰ কৰি দিয়া মানুহ কেইটা আছে। ওপৰৱালাই সৰহ টকা নিদিলে চাকৰিকে নিদিয়ে। ঘিউ, বৌমাছ, এইবোৰতো বাদেই। অমৃত বৰুৱাই নিজ হাতেৰেই যোগেন্দ্ৰ চাৰৰ ঘৰত দিয়া বস্তু ভিতৰলৈ নিছে। আজিকালি এবাৰ অহা মানুহ দ্বিতীয়বাৰ আহিলে জিমিৰ কাৰণে মিঠাই লৈ আহে। জিমিয়ে ভাত, মাংস কমাই খোৱা কথাটোৰ ওপৰত গুৰুত্ব দি পশু চিকিৎসক এসপ্তাহ আহিয়েই আছে। পিছে কথাটো আজিহে ডাক্তৰে ধৰিছে। মিঠাই খাওঁতে খাওঁতে জিমিৰ পেটত অসংখ্য পেলু হৈছে। সম্প্ৰতি আৰোগ্যৰ পথত।

লোভনীয় বস্তু দেখিলে সাধাৰণ কুকুৰবোৰ ঘনাই ওচৰ চাপে। কথাটো সাৰদাই কেইদিনমানৰ পৰাই টং কৰিছে। ঘূৰিফুৰা পাগলা কুকুৰবোৰলৈ সাৰদাৰ ভয়েই লাগে। দুবছৰৰ আগতে কুকুৰে কামোৰা বিষটো মাজে মাজে উকাই থাকে। ভাগ্য ভাল কুকুৰটো আঁতৰৰ, কামুৰিয়েই চকুৰ আঁতৰ হ'ল। সাধাৰণ, অসাধাৰণ কি আছে, কুকুৰ কুকুৰেই। কুকুৰক ৰজা পাতিলেও জোতা কামুৰিবই। জুতি লগাই এসাজ খুৱালেতো কথাই নাই। সাৰদাই এইবোৰ কথা ভালকৈ জানে। গাঁৱৰ কুকুৰবোৰ কাতিমাহ সোমালেই পগলা হয়। ইলেকচনৰ সময়ত ভোট বিচাৰি ঘূৰি ফুৰা মানুহৰ দৰে লোকৰ ঘৰৰ দুৱাৰে দুৱাৰে ভুমুকা ভুমুকি খেলে। ঘালগা মুখেৰে লোকৰ চুৱাপাতনিয়ে চুৱাপাতনিয়ে গেলা ভাতৰ জুতি লয়।

অমৃত বৰুৱা বৰুৱাচুক গাঁৱৰ ডেকা, পাঁচ বছৰ আগতে বি, এ পাছ কৰি চাকৰি বিচাৰি বিচাৰি হাবাথুৰি খালে। অৱশ্যে অমৃত বৰুৱাই ৰাজনীতিও অলপ অচৰপ নকৰাকৈ নাথাকে। অমৃতৰ এটা গপছ ধাৰণা আছিল যে, প্ৰেম-ট্ৰেম কৰাতকৈ ৰাজনীতি কৰাই ভাল। ইলেকচনৰ তিনিমাহৰ আগৰপৰা যোগেন্দ্ৰ চাৰৰ চাৰি টকা লিটাৰেৰে চলা মটৰত ধুম-ধাম ঘূৰে। যোগেন্দ্ৰ চাৰক হাতত ৰাখিলে চাকৰি এটা এদিন নহয় এদিন হ'ব। দাঁতৰ আলুত ভাত লাগিলেও গম দিয়া যোগেন্দ্ৰ চাৰে সাধাৰণতে মিছা কথা নকয়। তাতে আগৰ পূৰা কংগ্ৰেছী মানুহ। মাজতে চি-পি-এম দললৈ কেইদিনমানহে নামিছিল। এতিয়া বিলকুল জনতাৰ মানুহ। ডাঙৰ ল'ৰাটোৱে ডাক্তৰ পঢ়ি আছে। পি-ইউত দ্বিতীয় বিভাগত পাছ কৰিছিল। মেডিকেলত চিট পাই গ'ল। চোকা ল'ৰা, মেট্ৰিকত কেই নম্বৰমানৰ

কাৰণেহে দ্বিতীয় হ'ব নোৱাৰিলে। শতকৰা হাৰ ত্ৰিশ হোৱা বছৰ ৩য় বিভাগত পাছ কৰা মুখৰ কথা নহয়। আৰামত থকা ল'ৰা বুলিহে। অমৃত বৰুৱাৰ আগত যোগেন্দ্ৰ চাৰে এইবোৰ কথা সময় পালেই কয়। আজিকালি বৰ্ণালীৰ কথাও প্ৰায়েই কয়। গুৱাহাটী বিহুমেলাত বিহু-নাচ নাচি বিহু কুঁৱৰী হোৱাৰে পৰা আৰম্ভ কৰি ভজাবুট খাবলৈ ভালপোৱালৈকে। অমৃতে ভাৱে যোগেন্দ্ৰ চাৰ কম মগজুৰ মানুহ নহয়। ইমানকৈ দেশৰ কথা ভবাৰ পাছত মানুহটোৱে কলা-কৃষ্টিৰ কথাও যে ভাবে!

কুকুৰে চি-আই-ডিৰ পাকা কাম জানে। পাৰোতেনো যুধিষ্ঠিৰ স্বৰ্গলৈ যাওঁতেও লগত কুকুৰ গৈছিল নে? আজিকালি পুলিচ বিভাগত কুকুৰ পুহি প্ৰশিক্ষণ দিয়াও কম কথা জানো? কুকুৰেহে এইবোৰ কাম পাৰে। গৃহস্থৰ ঘৰত চোকা কুকুৰ থাকিলে চোৰবোৰে মিঠাই লৈ যায়। মিঠাই দেখিলেই ধুমধাম নেজ জোকৰাৰ কাম আৰম্ভ কৰে। মুখেৰে মাত-বোল নকৰে। যোগেন্দ্ৰ চাৰৰ জিমিয়েও মিঠাই নিয়া মানুহ আঁতৰতে চিনি পায়। নাপাবনো কিয়, অভ্যাসেই কথা।

এমাহ এমাহকৈ দুবছৰ পাৰ হ'ল। অমৃত বৰুৱাৰ চাকৰি নহ'ল যোগেন্দ্ৰ চাৰে বাৰমাহত তেৰখন দেশ ফুৰিব লাগে। কামৰ মানুহ। আজি বোলে দিল্লী, কালি বোলে বোম্বে, পৰহিলৈ কাশ্মীৰ। খালী কাম। অৱশ্যে অমৃতৰ তাত আক্ষেপ নাই, এদিন নহয় এদিন চাকৰি এটা হ'বই। যোগেন্দ্ৰ চাৰৰ জহতে তেওঁ অ'ত ত'ত নিজকে ডাঙৰ মানুহ বোলাব পাৰিছে। যিহে দিন হ'ল মন্ত্ৰী এম-এল-এ আদি হাতত নাথাকিলে পাত্তাই নিদিয়া হ'ল। তাতে আজিকালি পাবত গজা নেতা কিছুমান ওলাই মানুহবোৰৰ মনবোৰ পয়া লগাই দিলে। এ ৰাম, ভাগে ভাগে ৰাজনীতি। কোনোজনে মহিলা সমিতিৰ নামত সম্পাদিকাক লৈ দিল্লীলৈ গৈছে। কোনোজনে শিক্ষয়িত্ৰী নিযুক্তিৰ আবেদন আৰু প্ৰাৰ্থীসহ গুৱাহাটীৰ হোটেলত মন্ত্ৰীক লগ ধৰিবলৈ এসপ্তাহ খপিছে। দেশ নেতাৰ অনেক কাম। অমৃত বৰুৱাই চাই থাকোতেই যোগেন্দ্ৰ চাৰে আঠ কি দহ গৰাকী মহিলাৰ কাম কৰি দিছে। বৰ মৰমীয়াল মানুহ। তিৰোতা মানুহৰ কাম আগতে কৰে। মহান ব্যক্তিৰ স্পষ্ট লক্ষণ।

ৰঙীন দিনৰ ঘড়ীবোৰ ঘনাই যায়। ঘড়ীৰ ডায়েলৰ ওপৰত সময়ৰ কাটা তুফান ঘূৰে। বৰ্ণালীৰো কলেজীয়া দিনকেইটা বৰ কোৰত যোৱা যেন লাগিল। কলেজলৈ অহা-যোৱা কৰোতে সময় কেনি যায় গমকে ধৰিব নোৱাৰি। কিমান যে প্ৰগ্ৰেম। পিকনিকৰ পৰা ধৰি দেৱালয়ত প্ৰসাদ দিয়ালৈকে। ডেকা কালছোৱাত ভগৱানৰ প্ৰতিও মনটো গদ্ গদ্ হৈ পৰে। 'সত্যম শিৱম সুন্দৰম'ৰ আৰতিয়ে 'আদৰ্শ'ৰ ধূপকাঠি জ্বলাবলৈ মন যায়।

দুৰ্গা পূজাৰ সময়ত বৰ্ণালী ব্যস্ত হৈ ফুৰিব লগা হয়। থিয়েটাৰ পতা, গান গোৱা 'মেক্সিমাম' কাম। সেই কেইদিন অমৃতো ব্যস্ত হৈ যাব লাগে। শিল্পী মতা, বিশিষ্ট অতিথি নিমন্ত্ৰণ, মাইক বন্দৱস্ত কৰা, পূজা মণ্ডপৰ গেটৰ ডিজাইন অঁকা ইত্যাদি। শিল্পী সুলভ অমৃতৰো সেই কেইদিন টোপনি নাই।

অমৃত বৰুৱাই গম পাই আহিছে সাৰদা নামৰ ছোৱালীজনীৰ জ্বৰ হৈ যোৱাৰাতি চুকাল। ডাক্তৰৰ ওচৰলৈ কেইবাবাৰো মানুহ অহা স্বত্বেও সাৰদাহঁতৰ ঘৰলৈ যাবলৈ টান পালে। ডাক্তৰ এবাৰ যোৱাৰে 'ভিজিট' পূৰা দিব নোৱাৰিলে হেনো। মানুহে কেইবাবাৰো ডাক্তৰখানাত হাজৰিকা ডাক্তৰক লগ নাপালেহি। হাজৰিকা ডাক্তৰ নাহৰতলী পূজা কমিটিৰ সক্ৰিয় সদস্য। পূজাৰ কেইদিন অন্ততঃ অ'ত ত'ত ঘূৰাৰ ইচ্ছা নাই। সাৰদা যে সেই কাৰণেই চুকাল, অৰ্থাৎ ডাক্তৰ

নোৱোৰাৰ কাৰণেই বুলি, মানুহে মনে মনে, পান দোকানৰ মুখে মুখে আলোচনা কৰিলে।

কথাটো শুনি অমৃতৰো বৰ দুখ লাগিল। সৰল-সহজ দুখীয়া মানুহৰ ছোৱালীজনী জীয়াই থকাৰ সুখকণো ভগৱান নামৰ পদাৰ্থটোৱে সহ্য কৰিব নোৱাৰিলে। বৰ্ণালীহঁতৰ সেইবোৰৰ খবৰ ৰখাৰ প্ৰয়োজন ক'ত? নতুন নতুন বয় ফ্ৰেণ্ডৰ লগত শাৰদীয় সন্ধ্যাবোৰতে ব্যস্ত।

নৱমী পূজাৰ ৰাতি থিয়েটাৰ ভগাৰ পিছত বৰ্ণালীয়ে অমৃতক ষ্টেজৰখীয়া পাতি বয় ফ্ৰেণ্ড পঙ্কজৰ গাড়ীত উঠি ঘৰলৈ গুচি গ'ল। অমৃতৰ ছেন্টিমেন্টটো সন্তীয়া নহয় বাবেই বেঞ্চ দুখন জোৰা লগাই শোওঁতেই আধা ঘন্টাৰ পিছতে টোপনি গ'ল।

অমৃতে সপোনত দেখিছিলে বৰ্ণালীহঁতৰ জিমি নামৰ কুকুৰটোৱে সাৰদাহঁতৰ ঘৰৰ ফালে চাই চাই ৰাওছি ধৰি ধৰি কান্দিছিল। হঠাৎ সাৰ পোৱাৰ পিছত অমৃতৰ টোপনি নাহিল আৰু। মনে মনে একেটা কথাকে ভাবিলে, কেতিয়াবা ভগৱানক লগ পালে এটা শকত টোপোলা দি আবেদন কৰিব—অহা জনমত এটা কুকুৰৰ জনম দিয়ে যেন।

বৰ্ণালীহঁতৰ দৰে মানুহৰ ঘৰত থাকিব পৰা এটা কুকুৰ। ০০০

# জানানে ?

- পৃথিৱীৰ আটাইতকৈ বাওনা মানুহজন আছিল হলেণ্ডৰ পলিন মাষ্টাৰ্ছ। ১৯ বছৰ বয়সত এই গৰাকী তিৰোতাৰ উচ্চতা আছিল মাত্ৰ ২৩·২ ইঞ্চি।
- বিশ্বৰ সকলোতকৈ ওজন বিশিষ্ট মানুহজন আছিল আমেৰিকাৰ ৰবাৰ্ট হিউজেছ। ১১·১৪ পাউণ্ডৰ শিশু হিউজেছ্ বয়স ক্ৰমশঃ বাঢ়ি শেষত হৈছিলগৈ ১,০৬৯ পাউণ্ড।

সংগ্ৰহ ঃ প্ৰদীপ শৰ্মা

[ *Short Story* ]

# The Desire : That Burns Eternal

B. C. Mishra.

She jumped out from the Divan—arranged her hair and started shouting, "Ranjan, Ranjan. What the hell these people are doing ?" It was not Ranjan but Sova who entered the room. Perhaps Sova expected to see something unusual in the room that might have disturbed Sulekha to shout like that. She was obviously disappointed and snapped back "What on Earth has made you to shout like that Lekha ? Don't you remember father is ill ?" Sulekha stared at her left and enquired rather mystically. "Don't you think Sova, that there must be some mystery in the regular and timely absence of our father ? Our father is not only ill, but he is not in his room." "What do you mean ?" asked Sova. "I mean what I say" assured Sulekha—"there must be some relation between two that is 9 o'clock in the morning and habitual absence of our father from the house. You can never see him during the time anywhere around ; where does he go really ?" She went back to the Divan, sat down and cupped her face with her fingers and steeped herself into meditation. Sova, with her usual wit, could not make out any cause of her despair. What wonderful thing has happened if father habitually remains absent during a particular time ? Why should Sulekha be so much disturbed. Sova could not understand Sulekha at all and darted out of the room to send Ranjan whom Sulekha had been calling frantically. Sulekha remained in the state of stunch for sometime when Ranjan came in. He too was surprised to see her in that state and came right upon her to peer into her half-closed eyes to see if really anything had happened. He had no time to spare these days as he had kept himself busy with his new machine that he wanted to give demonstration at the Industrial Fair next week. He jubbed his first finger into the flesh of her arm and asked politely.

"Why are you rousing the whole fleet of people of the house at this unearthly hours ? What's the matter ? Would you please tell us about it before all of us get anxious ?" Sulekha left the Divan and stood nervously and threw back her answer—"See Ranjan, father is not anywhere here ; please ask the servants to search him out. He had a bit of extra doze of that dizepam sort of thing this morning. I am afraid if he is alright. Please—please detail the servants for a search."

"Dizepam ? What on earth has made you to think that way ? Had he had an extra doze of that thing without his knowledge ?" Sulekha controlled her sobbing and blarred out–"Oh, no, no, he asked for more and foolishly I gave it to him." "She was almost battered with her incontrollable fear and emotion. "Well, well, I'll see to that Lekha, you need not worry." Immediately Ranjan consoled her. "Will we require a doctor, you think ?" snapped Sulekha. "Lekha, don't be absurd. We have not found him yet".

"If we search him out ?" "Don't know either." Sulekha started to sob heaving her body high and low with a suddering jerk. "Take it easy, Lekha, we have not seen our father only for the last hour and as for the effect of the doze, I'll see to it." Ranjan went out of the room like a whiff of a wind and Sulekha collapsed again to the Divan.

It was really quite unnatural for the old man to leave away from his house without leaving any information to any one of the members of the house, specially Sulekha. This family has no children ; the old man, though not very weak and feeble, has been looked after almost like a child. This was the order of Sudhir, the eldest son. Sudhir knows how his father Nilakantha has brought this family from starvation to prosperity. All the three sons are wel-educated and well-placed, all are married and have started to live happily. Nilakanta had started his life as a child labourer and was looked after by a famous contractor of his time.

In no time Nilakanta had raised himself to the post of the Munshi and within eight years he bought his land in the country and within twelve years after the death of the contractor, he bought his beautiful mansion in the heart of the city. Since his childhood, he donned his dhuti and Kurta, a typical dress for a Munshi. With his labour, intelegence and tenacity, he has given his sons and daughters, their luxurious lives and a place in his society. Nilakanta is now eighty four by the 6th of August. He is a successful

man and happy too. From the last two years, of course, the doctor says, that he has been suffering a sort of complaint in the left side of his withered heart, and the regular sprecian treatment has been given to him. His doctor has prescribed that he should walk a mile or two every morning.

Nilakanta has chosen the four green grassy banks of the booming pool on the left side of his big mansion and everyday at 4.30 A.M. goes on a strall around it. He still leaves his bed early who even the servants of the household remain in bed, Nilakanta has nothing to bother about anybody. Amongst the three daughter-in-laws, Sulekha is the youngest and more attached to Nilakanta, who loves her not less than his own son. Sometime when she remains with him, an eating, desire creeps up like a snake, through his spine and he almost sees nothing but starts groping around murmuring dollfully the name of Sulekha. She, with her keen woman instinct understands how the old man feels at the moment and feels pity for him. She fondles him like a baby and willingly arouses him to the point of desploration. He starts panting with emotion and imagines, the death of all the servants in the house so that Sulekha can keep herself busy at his serivce all the time—entirely for himself. This is a sort of love that neither Sulekha nor Nilakanta can explain but understands what it means. Sulekha takes it to be a pitionery, a continuous sole of an unsatisfied soul, an wounded vanity of an egolistic sublimity a, sanctified graunt of a wounded manhood. Nilakanta is not aware of anything but feels an eating pain in his heart, sees the hollowness of the world, and desire to die in the state. For him, there is no heaven without Sulekha. Sulekha understands and tries to pacify the oldego. The servant who gives Nilakanta, the usual daily message always gets fired—tired every moment, but he knows that he will not lose his job, even though his old master fires him everyday. Sulekha knows the reason of Nilakanta's dissatisfaction and she ammuses it heartily. She sends the servant away sometime and give the message herself and the old man's face brightens in the happiness. This spirtial attachment to Nilakanta gives a sort of wild pleasure to Sulekha and she tries to give him the emotional lift with every available opportunity.

But when she founds the oldman absent and failed to find out his where abouts, something immediately went up to her head and she collapsed in to the divan. She got panic-striken like a mother losing her son and sought help

from Ranjan. In the servant infested house, Sova appeared instead of Ranjan and got her un-nerved. Then only Ranjan darted in and after the confided with him about her misgivings, she felt a degree releaved. She tried to remember the morning, and as she closed the petals of her eyes, the remambrance of the old man started to flash in to her brain like a cenematic reel. She felt something coming up through her throat as if she would weep hytorically as though she has lost her first child. She never knew that the old man occupied so much of her mental sphere and her compassion and emotional ego had so much of psychological attachment towards the inart old Nilakanta. She could not bear the loath-some silence, in the room and the ominious way of ticking away the seconds by the big wall clock that Nilakanta bought for the house at her instance. She began to sob bitterly. Ranjan ejected himself out from the next room and was almost patrified to discover Sulekha in that state. He felt deeply and with his eyes narrowed, garlanded his hands around Sulekha's silky waist to lift her up from the wide divan and tenderly locked his wordless lips into her's in a way of consolation and requested her to be calm.

He felft her saultry tears on his lips and wiped it out with the back of her left palm. The phone started ringing chattering the silence of the room and Sulekha with a slow movement Pushed Ranjan aside and darted towards the phone cradle in the corner. It was a frantic call—a call from Sudhir, who in the mean time had been informed about the absence of his father in the house. Ranjan knew what roughly his brother would start his talking and he without ceremony took the line from Sulekha's hand and she remained huddling to Ranjan in expectation. Sudhir's voice came floated on the line and thundered, demanding Ranjan why all those people in the household could not know where his old father might have been absconded. After all, he had not been evaporated! Ranjan very politely accepted his guilt, sallowed the squall slowly and left the phone hung on the cradle. He looked back to Sulekha to inform her that, Sudhir would start down for home within half an hour. "That means he would be here within two hours! What would happen if we cannot find out our father by that time." Snapped Sulekha. Ranjan Pondered a moment then countered, "We will get him you see, I am going to get all those people to run erand, simply you cannot lose your heart, my dear." Ranjan finished his words, jerked around and left the room with

a determind turn.

Sulekha stiffered in her stand, arranged her hair straightened her sari and swiftly disappeared in to the heavy blue curtain to the left.

There was a real commotion in the household. Every servant, every member of the house was immediately called in an assembly as if for a warfare and Ranjan instructed them all to run on a search for the swimming pool to the little sophisticated forestation on the right within the compound. Ranjan offered to go himself to the family of Krishnaram, who happened to be one time friend of Nilakanta. This Krishnaram was a successful broker but he had had the habit of taking opium. It was a saulty afternoon, in 1953, when Nilakanta had been working for a firm as a contractor. It was really a co-incidence that the two men of equal age happened to meet by the side of a coconut tree, where Krishnaram gave Nilakanta a treatment with the first shot of opium. He felt quite happy, and when the jovial young Nilakanta came home on that day with a spontencously repeated lonely refrain from a cheap country song, babbled all alone for himself, he was snubbed badly by his wife, Ranjan's mother. Sudhir still remember that his father, the master of the house, had to remain away from home for the whole evening when Ranjan had been sent to call back his father home with the assurance from his mother that she would not lecture his father any more and Nilakanta had to promise at her feet that he would never take opium, although sometime he only would go to see Krishnaram.

That was that, Krishnaram had remained bed ridden for the last four years and Nilakanta used to go to see him sometime. Ranjan gave Blajanlal the command of the search. Sulekha suggested Ranjan that the oldman might go to the 'Gol davenue' where he sometime went for a play of bridge. Ranjan's eyes brightened with the prospect and he immediately went to his room for a change of his cloths and in no time started calling Sulekha urgently. Sulekha ran up to Ranjan and seeing him rooted near his dressing table demanded impatiently, "What has happen ? Have you seen a snake there ?"

"Not surely." Answered Ranjan, "but Sulekha, where is the pair of trousers and my suit that you put this morning on the table ? I have not seen them any where !"

"My Good God ! What a wonderful old child you are ! It must be somewhere you have kept aside unmindfully. Why don't you run with what you have on ? It's alright !"

"Well, this is good for me Lekha, only that you get angry to see me with this dress outside ! I don't have time to spare, you see Lekha, I am returning in a moment." So Ranjan darted out of the room and was seen on the pavement next moment. Sova entered the room, and with her levelled eye tried to measure out Sulekha who had been just watching Ranjan on his move. "What have you been doing here all alone, Lekha, when we have been combing the whole compound for our father ?" Asked Sova with a jeering tone.

"Have you found out father"— retorted Sulekha.

"Oh, no. He is no where."

"Has anybody searched in the swimming pool ?' Snapped Lekha.

"Oh, yes, yes my dear Lady, but to no result." Assured Sova.

Hardly Sova finished her answer, when a crow started her vicious cry from the near by willow, and both the women transfixed their eyes to each other for a moment. "Oh this is ominous !" Remarked Sulekha with a move towards the door and leaving Sova, to ponder there, she sailed out of the room. She saw Ranjan coming through the hedge and watched his robust gait pleasingly. She was really anxious for the news. But it was not only Ranjan but another three of the servants who came with their waxen faces and Sulekha saw the impending doom largely written on their foreheads. They did not exchange any talk but all turned their heads towards the gate where they heard the sound of an approaching car. The car whiffed in to the porch, stopped like an obstinate child and jumped out Sudhir from the car. "What's the hell are you doing here ? Where is father ?" He poniared the question to Ranjan, who blarred out applogetically, "I am sorry brother, we have not yet found out our father."

"You all come with me", thundered Sudhir "Call Sulekha Sova, and others too. I won't leave you in peace, if anything happens to our father." He entered the specious living room and collapsed into the huge chair cupping his face with both of his hands. The servants remained standing in a line as if for a trial. Ranjan stood by the piano, Sova and Sulekha, who came restlessly in to the room remain standing by the divan.

They discussed the situation again. Sova suggested that the matter should be informed to the police which Shudir rejected impatiently with the wave of his hand. Sulekha had been feeling guilty, because of the extra doze of disapam. She administed to their father at his bidding. But the thing so deli-

cate that she could tell it only to Ranjan, who advised her to keep quite on the matter. Sudhir wanted to resume the search again and all the male members of the house left the room following Sudhir who seemed very pathetic at the moment.

Sulekha felt tears rolling down her oval cheeks and she allowed the beads to drop slowly on her high breasts. She remembered how Nilakanta would greet Ranjan when he would come loudly dressed. Everytime Ranjan would come to say good bye to his father, Sulekha could catch a rarely wonderful glow in the round balls of the old man's eyes, a momentary glow that would fade away immediately filling the whole wrinkled face with a sad grimace. She also remembered how the old man would touch the fine cloths with his feble fingers as if to feel the smoothness of the fibre and carefully surveyed Ranjan down from his shining shoes, upto his glittering well brassed black hair. Sulekha could always detect the father's affection melting down through his deem eyes almost bathing Ranjan from his head to feet. She felt grateful to the old man. After all Ranjan was her own ! As for herself she could not forget how the father would come to her side when she would come back from a shopping in her little car and would start groping for the door handle when she would open it, for him to sit in. Nilakanta would sit there for a moment and taking her by her hand would come out of the car with a sigh relief. She knew all these but understood nothing.

On that day all remembrance of the oldman has only been badly tormenting her almost to the point of break down. Unknowingly something caught her mind and she felt quite lonely—lonely in the big house and wished for a solitary place to quite down her emotion. She dreamlly ran out of her room, and ran down like a frightended deer to the small garage where she used to keep her small car. The door silentely opened at a small push and alas ! What has she seen there ! The father ! Donned in Ranjan's suit the old father is at the steering wheel ! she was dying for surprize. The whole house was in commotion, Sudhir called back from his office. She was straining herself for the fear of dizepam and the man was sitting in the car all the time ! Could it be true ? She punched her own arm, and yes, she felt the pain, she was not dreaming. But why the father was looking down at the steering wheel in that akward fasion ? Was he dead ? Alive ?

She went stealthily and peared in to

the car through the wind shield and saw his eye, closed. She shuddered at the possible danger, remembered the extra doze of dizapam and like a hysteric woman opened the door of the car and threw herself near her beloved old inart. The old man opened his eye sluggishly and looked at her with that donzy numbness. Sulekha with her whole body shaking like a reel in a strong wind peared in to the blurred eyes of the old man. She saw the eyes like a dead fishe's, there had been no sign of feelings in them. She was dazzled with fear, did not utter a word and remained gazing at his vacant eyes. She touched his hand slowly and the oldman tried to change his position. She immediately took his hand into her's and could see that the colour had started to return to the old lined cheek and an undeseribable flash of feeling ran over the whole face. Sulekha forgot herself and embrassed the oldman with all her might muttering all the time—"Father, father, oh, my dear old father !" Nilakanta sat upright, still arrested in her embrass feeling the full roundness of her soft flesh by the side of his ribs. She pushed herself away towards the steering wheel and the old man made room for her, still supported by her left arm. Sulekha saw much light all around and felt that she was not alone. She looked to the bewildered oldman and did what she never did earlier. She kissed passionately thrice on his fore-head. The oldman beamed in pleasure. Sulekha mechanically groped for the ignition key in the cluster box, got it, pushed it through the ignition switch and turned it to crank the engine. The engine fired and the garage was full with the sound of a running engine. She shiefted to reverse and eased out for the garage slowly. The sound of the car attracted the attention of the members of the house and the searching party detailed in all around the campus and they all came running to see what the matter was. They all were astounded to see a wonderful sight ! The father was there donned in Ranjan's cloth and Sulekha happily waved her hands to all those, including Sudhir and Ranjan, who in the meantime fell in a line by the side of a gate way. The car slowly rolled out of the gate bearing a soothing smell of burnt petrol to fill the atmosphere and the gapping faces to exchange their looks to each other. "Alas, the father was found at last !" perhaps they thought.

000

# এটি গল্পৰ পাতনি

শ্ৰীনয়ন হাজৰিকা,
প্ৰাক্- বিশ্ববিদ্যালয়, দ্বিতীয় বাৰ্ষিক।

শেষ নিশাৰ পৰাই আকাশীজনীয়ে উচুপি আছিল। গাভৰু আকাশীৰ মেঘ ক'লা চুলি-তাৰি আউল বাউল হৈ পৰিছিল। তাইৰ সেমেকা দুচকুৰে নিম্নগামী অশ্ৰুধাৰা বাধা দিব পৰা নাছিল। বোধহয় সেয়েহে তাইৰ ওফন্দা গাল দুখন তিয়াই হুৰহুৰকৈ অশ্ৰুধাৰা নামি আহিছিল, অবিচ্ছিন্ন ধাৰাৰে তিয়াই পেলাইছিল আমাৰ সমুখৰ দুৱৰিডৰা।

পুৱাৰ এই বৰষুণ জাকৰ পিছতেই আকাশ সম্পূৰ্ণ মেঘমুক্ত হৈছিল। উদীয়মান সূৰ্য্যৰ সোণালী কিৰণ দুৱৰিৰ পাতৰ বৰষুণৰ টোপাল পৰি মুকুতা মালাৰ দৰে জিলিকি উঠিছিল। উদ্ভাষিত সূৰ্য্যৰ কিৰণ দেখি লাজতে বৰষুণৰ টোপালবোৰ সন্মুখৰ ফুলনিৰ দবাৰ পৰা খহি পৰিছিল জৰ্ জৰ শব্দৰে। খিৰিকীৰ আয়নাৰ মাজেৰে কোঠাত ভুমুকি মাৰিছিল একাঁজলি সোণালী ৰ'দে। এই ৰ'দতে বহি ভাবিছিলো এটা গল্প লিখিম বুলি। এই মানসেৰে হাতত খোলা কলম লৈ চিন্তা কৰিছিলো—কি লৈ গল্প লিখিম বাৰু? চিন্তা কৰিছিলো বহু সময়---।

হঠাতে মোৰ চিন্তাত আউল লগাইছিল নাৰী কণ্ঠৰ এটি মৃদু উচুপনিয়ে। মূৰ তুলি দেখিলো সেইয়াচোন দীপা বা'ৰ উচুপনি। অলপ সময়ৰ আগতে ময়েই দি যোৱা মোৰ এলবামটো চাই চাই দীপা বা'য়ে উচুপি আছে। বা'ৰ কাষলৈ গৈ দেখিলো বা'য়ে আমাৰ মা-দেউতাৰ যুগ্ম ফটো এখন চাই আছে। ইতিমধ্যে ফটোখন চকুপানীৰে তিতি গৈছে। দীপাবা'ই মা-দেউতাৰ ফটোখন চাই কন্দা দেখি আচৰিত হৈছিলো আৰু বাৰে বাৰে কন্দাৰ কাৰণ সুধিছিলো। বহু সময়ৰ পিছত দীপা বা' শান্ত হৈছিল। দীপা মানে দীপাঞ্জু বৰা। আমাৰ বাইদেউৰ লগতে একেলগে ডিব্ৰুগড় মেডিকেল কলেজত পঢ়ে আৰু হোষ্টেলৰ একেটা ৰূমতে থাকে। ঘৰ শিৱসাগৰত। পৰীক্ষা দিয়াৰ পিছত বাইদেউৰ লগতে কালি আমাৰ ঘৰলৈ আহিছে। ইতিমধ্যে এজাক মৃদু বতাহে কোঠাটো কঁপাই গৈছিল। অলপ প্ৰকৃতস্থ হোৱাৰ পাছত দীপা বা'ই আৰম্ভ কৰিলে—

"জানা ভনী, তোমাৰ মা-দেউতাৰ ফটোখনে আজি মোৰ মনত বৰ আঘাত দিছে। বাৰে বাৰে মোৰ মা-দেউতালৈ মনত পৰিছে। মা-দেউতা থকা হলে আজি কিমান আনন্দ পালো-হেঁতেন। মই মা-দেউতাৰ আশাক জীৱন দিছিলো। কিন্তু তেওঁলোকে সেইদিনটোলৈ বাট চাব নোৱা-নোৱাৰিলে। নিষ্ঠুৰ নিয়তিয়ে নিদিলে—।" দীপা-বা'ৰ মাতটো সেমেকি উঠিছিল। ময়ো গল্পৰ আশা এৰি মন দিলোগৈ দীপাবা'ৰ জীৱনৰ আঁৰৰ কাহিনী শুনিবলৈ। দীপাবা'ই আৰম্ভ কৰিলে—

আমাৰ ঘৰ শিৱসাগৰ টাউনৰ ওচৰৰে এখন ভিতৰুৱা গাঁৱত। এটা সুখী পৰিয়াল; মা-

দেউতা, ভাইটি দীপু আৰু মই। এই সৰু পৰিয়ালটোত দুখ-দুৰ্গতিয়ে বৰকৈ দেখা দিয়া নাছিল। মা-দেউতাই কঠোৰ পৰিশ্ৰম কৰিছিল জীয়া বাস্তৱৰ লগত। এই কষ্টৰ মাজেদিয়েই মা-দেউতাই যি পাইছিল তাতেই সন্তোষ পাইছিল। মা-দেউতাই মোক আৰু ভাইটি দীপুক লৈ কত যে কল্পনা কৰিছিল। আশাৰ কাৰেং সাজিছিল। কল্পনাৰ নানা ৰহণেৰে তাক বোলাই তুলিছিল। কিন্তু এইয়া জানো নিয়তিয়ে সহ্য কৰিব পাৰিছিল। মা-দেউতাৰ কল্পনাৰ বিপৰীতে নিষ্ঠুৰ নিয়তিজনীয়ে কুটিল হাঁহি মাৰিছিল। মা লাহে লাহে দুৰ্বল আৰু নিশকটীয়া হৈ পৰিছিল। হয়তো এইয়া জীৱনৰ আগভাগতে কৰা হাড়ভগা পৰিশ্ৰমৰ ফল। ক্ৰমাগত মা শয্যাশায়ী হৈ মৰিল। দেউতাৰ অন্তৰ ভাগি পৰিছিল। ওচৰৰ চিকিৎসালয়ৰ পৰা ঔষধ-পাতি আনি খুৱাইছিল। কামত নাহিল। ক্ৰমাগত মাৰ অসুখ বেছি হ'ব ধৰিলে। আঁতৰলৈ নিবলৈ দেউতাৰ হাতত টকা নাছিল। তেতিয়া মই আছিলো পাঁচ বছৰীয়া আৰু দীপু তিনি বছৰীয়া। দেউতাই খেতি-মাটি অলপকে বন্ধকত ৰাখি খুৰাৰ পৰা টকা অলপ লৈ মাক ডিব্ৰুগড়লৈ লৈ গৈছিল। ডাক্তৰক দেখুৱালে, কিন্তু ডাক্তৰৰ পৰা শুনিলে কি! মাৰ কেন্সাৰ হৈছিল। কেন্সাৰৰ নাম শুনি দেউতাৰ ভগ্ন হিয়াখন বিদীৰ্ণ হৈ গৈছিল। ডাক্তৰে দেউতাক কৈছিলে যে--মা হেনো এমাহ মানহে বাচি থাকিব। মা-দেউতা ঘূৰি আহিছিল একোখন ভগ্ন হৃদয় লৈ। আমি ভাবিছিলো মা ভাল হ'ব। কিন্তু মা ক্ৰমাগত মৃত্যুমুখী হ'ব ধৰিলে। সিদিনা আছিল শনিবাৰ মৰ আউসী ৰাতি। মাই মোক আৰু দীপুক কোছত লৈ বহুতো কথা কৈছিল, সেয়া মোৰ আজি স্পষ্ট মনত নাই। লাহে লাহে মাই ছাটি-ফুটি আৰম্ভ কৰিছিল। ঘৰৰ সন্মুখৰ বকুল জোপাত পৰি নিয়তিয়ে একোটাহঁত বিকট চিঞৰ মাৰি কোনোবা দিগন্তত মিল হৈ গৈছিল। মাৰ ছাটি-ফুটি বন্ধ হৈছিল। মাৰ দুচকুৰেদি বৈ আহিছিল দুধাৰি লোতক। ক্ৰমাগত মাৰ হৃদয়যন্ত্ৰৰ ক্ৰিয়াও বন্ধ হৈছিল। দেউতাই মাৰ অলস দেহাটোৰ ওপৰত পৰি পাৰে মানে কান্দিছিল, কান্দিছিলো মৰো আৰু দীপুৱেও। কিন্তু আমাৰ কান্দোনে মাক ধৰি ৰাখিব নোৱাৰিলে। মাৰ প্ৰাণবায়ু কোনোবা দূৰ দিগন্তলৈ ঢাপলি মেলিছিল---।

কথাখিনি কওঁতে কওঁতে দীপাবাই ফোপাইছিল আৰু চকুপানী দুৰ্বাৰ গতিত নামি আহিছিল। মোৰো চকু দুটা সেমেকি উঠিছিল। ইতিমধ্যে বাইদেউৱে মোক আৰু দীপা বা'ক দুকাপ চাহ দি আমাৰ কাষতে বহিছিল। কোনো শব্দ নোহোৱাকৈ চাহখিনি শেষ কৰিছিলো। বহু সময় নীৰৱে থকাৰ পাছত দীপা বাই আকৌ আৰম্ভ কৰিলে--

"মা গুচি যোৱাৰ পিছত ভাবিছিলো আৰু হয়তো কোনো বিপদ নাহিব। ময়ো ইতিমধ্যে এম-ই পাছ কৰি হাইস্কুলত ভৰি দিছিলো। দীপু তেতিয়া পঞ্চম মান শ্ৰেণীত। ইতিমধ্যে দেউতাৰ অলসতাৰ সুযোগ লৈ ৰক্ষকেই ভক্ষক হোৱাৰ দৰে খুৰাই মাটিখিনি আত্মসাৎ কৰিছিল। জীৱিকাৰ পথ প্ৰায় বন্ধ হৈছিল। মোৰ পঢ়াত ৰাপ থকা দেখিয়েই স্কুলৰ শিক্ষকসকলৰ সাহায্যত কোনোমতে পঢ়া-শুনা চলাই আছিলোঁ। কিন্তু আমাৰ ওপৰত ভগৱান তেতিয়াও সন্তুষ্ট নাছিল। দীপুৰ এদিন ভীষণ জ্বৰ উঠিছিল। দেউতাৰ হাঁহাকাৰ লাগিল। ওচৰৰ ডাক্তৰৰ ওচৰলৈ ঢাপলি মেলিছিল। কিন্তু চাল চিগা ভিকহুৰ ঘৰলৈ ডাক্তৰ আহিবলৈ মান্তি নহ'ল। দেউতাৰ কাকুতি-মিনতিয়ে কামত নিদিলে।

সন্ধিয়াৰ ফালে দীপুৱে ভুল বকিবলৈ ধৰিলে। মই পাৰো মানে কান্দিছিলোঁ। আমাৰ মৰম চেনেহে দীপুক ধৰি ৰাখিব নোৱাৰিলে। মই যেতিয়া কান্দি কান্দি ভাগৰি পৰিছিলো তেতিয়া দীপুৱে আমাৰ পৰা মেলানি মাগিলে। মা আৰু দীপুক হেৰুৱাই দেউতা একেবাৰে বিহ্বল হৈ

পৰিছিল। এসময়ত দেউতাই মোক কৈছিল, “মই তোক ডাক্তৰ কৰিম দীপা।” আজি দীপুৰে ডাক্তৰৰ অভাৱতেই আমাক এৰিলে। তয়েই দীপুৰ দৰে শিশুক জীৱন দিবি। মোৰ আশা তই পূৰণ কৰিব পাৰিবি সোণ। কিন্তু মনত ৰাখিবি আমাৰ দৰে দুখীয়াৰ পৰা পইচা কেতিয়াও নলবি। মই আশীৰ্বাদ কৰিছো তই পাৰিবি।” দেউতাৰ এই কথাষাৰ আজিও মোৰ মনত বাজি আছে। দেউতাৰ যত্নতেই এদিন হাইস্কুলৰ শেষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈছিলো অসমৰ ভিতৰত প্ৰথম হৈ। পৰীক্ষাৰ ৰিজাল্ট পাই মই আৰু দেউতাই দেখো হাঁহিব পৰা নাছিলো। মা আৰু দীপুৰ স্মৃতিয়ে মোক বাৰে বাৰে আমনি দিছিল। দীপাবা'ৰ মাতটো থোকাথুকি হৈছিল। অলপ সংযত হৈ দীপাবাই আকৌ আৰম্ভ কৰিলে, “দেউতাৰ আপ্ৰাণ চেষ্টা আৰু আকাঙ্খ্যা। লোকৰ সাহায্যত স্থানীয় কলেজখনতে নাম ভৰ্তি কৰিছিলোঁ বিজ্ঞান শাখাত। এদিন পি-ইউ পাছ কৰিছিলো ভালদৰে। এদিন দেউতাৰ আশা আকাঙ্খ্যাক জীৱন্ত ৰূপ দিবলৈ অসম মেডিকেল কৰ্তৃপক্ষই মোক অকুণ্ঠ সহায় কৰিছিল। ক্ৰমাগত মই আগবাঢ়ি পঞ্চম বাৰ্ষিকত ভৰি দিছিলো। অন্য হাতেদি এসাজ খাই এসাজ নাখাই কৰা কষ্টৰ ফলত দেউতাৰ শৰীৰ একেবাৰে ভাগি পৰিছিল। মই দেউতাক বহুবাৰ মানা কৰিছিলো। কিন্তু দেউতাই মোৰ কথা শুনা নাছিল। এদিন দেউতাই মোৰ খবৰ লৈ গৈছিল। কিন্তু দেউতাই জনা নাছিল যে—এই যাত্ৰাই শেষ যাত্ৰা। ইয়ে নিয়তিৰ নীতি। গতিকে দেউতাৰ কোনো উপায় নাছিল। যেতিয়া দেউতা কলেজৰ দুৱাৰমুখত উপস্থিত হৈছিল তেতিয়া এখন তীব্ৰ-বেগী গাড়ীয়ে দেউতাক খুন্দিয়াই গুচি গৈছিল। পৰি ৰৈছিল দেউতাৰ ৰক্তাক্ত দেহা, অসম মেডি-কেল কলেজৰ দুৱাৰমুখত। কোনোবাই দেখি দেউতাক লৈ গৈছিল অপাৰেশ্যন ৰূমলৈ। অজানিতভাৱেই উপস্থিত হৈছিলোগৈ অপাৰেশ্যন ৰূমত। কিন্তু মই সেইয়া কি দেখিছিলো? হয়তো মোৰ চকুৱে প্ৰতাৰণা কৰা নাছিল। ৰক্তাক্ত দেহাৰ পৰা এষাৰি মাতত মোৰ চেতনা ঘূৰি আহিছিল। মই দেউতাৰ কাষলৈ ঢাপলি মেলিছিলো। দেউতাৰ ভৰি দুটাত মূৰ গুজি দিছিলো। দেউতাই চেপা চেপা মাতেৰে কৈছিল, “তই নেকান্দিবি সোণ, মই বৰ সুখী। তই মোৰ আশাক পূৰ্ণ কৰিবি! দেউতাৰ কণ্ঠস্বৰ ৰুদ্ধ হৈ গৈছিল। ডাক্তৰজনে বগা কাপোৰখন দেউতাৰ মুখলৈ টানি নিছিল। মই কান্দি কান্দি বাগৰি পৰিছিলো। কলেজ এৰি ঘৰলৈ ঘূৰি আহি ধৰিছিলো। কিন্তু কলেজৰ প্ৰফেচাৰ চাৰসকলৰ নানান বুজনিত পৰীক্ষা দিবলৈ মান্তি হৈছিলো। পৰীক্ষা দি এইয়া তোমালোকৰ ঘৰলৈ আহিছো। দুই এদিনতে ৰিজাল্ট ওলাব। সেয়ে তোমাৰ মা-দেউতাৰ ফটোখনে মোক আজি বৰকৈ মা-দেউতালৈ মনত পেলাইছে। শেষ মুহূৰ্তত দেউ-তাই মোলৈ বাট চাব নোৱাৰিলে।” এনেতে বাহিৰত চাইকেলৰ বেল শুনি ওলাই দেখো পিয়নজনে দীপা বাইদেউৰ এখন টেলিগ্ৰাম লৈ আনিছে। দীপা বাই প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ এম-বি-বি-এছ পৰীক্ষাত পাছ কৰিছে। দীপা বাইদেউক টেলিগ্ৰামখন দিয়াৰ পিছত হুকহুকাই কান্দি উঠিল। মোৰ বাইদেৱো আঁতৰি গৈছিল সেমেকা চকুৰে। দীপাবা'ক কি বুলি সান্ত্বনা দিম ভাবিবই পৰা নাছিলো। দীপা-বা'ৰ কথা ভাবি মোৰ চকুহাল অশ্ৰুসিক্ত হৈ পৰিল। সঁচাই দীপাবা'জনী বৰ দুৰ্ভগীয়া।

ইতিমধ্যে দীপাবাৰ দুখৰ কাহিনী শুনোতে গল্পৰ পাতনিতে সামৰিলো। গল্প লিখাৰ ধৈৰ্য্য আৰু নাই। অস্তাচলেদি এচপৰা কলিয়া ডাৱৰ উঠি আহিছিল। অলপ পিছতে হয়তো আকৌ বৰষুণ দিব।

০০০

# কুহেলিকা

শ্রীপ্রদীপ শৰ্মা,
২য় বাৰ্ষিক, প্ৰাক-বিশ্ববিদ্যালয়।

বাহিৰত বৰষুণ। ভাত খাই পংকজে বিছনাত বাগৰ দিছে। তেওঁৰ মনত এতিয়া বহুতো ঘটনাই জুমুকি মাৰিছেহি। গালত এটা বগা বেণ্ডেজ, আৰু বাঁও হাতখনত এটা প্লাষ্টাৰ। বাপেকৰ একমাত্ৰ ল'ৰা হিচাবে সকলো সম্পত্তিৰ উত্তৰাধিকাৰী হৈ পৰিল পঙ্কজ বৰুৱা। বিৰাট চৌহদৰ ঘৰটোত মাত্ৰ তেওঁ আৰু নেপালী চাকৰ এটা থাকে। চাকৰটোৰ নাম কাঞ্চা। বাপেক থাকোতে পুতেকৰ বিয়াৰ বাবে চেষ্টা চলাইছিল যদিও বিয়াখন হৈ নুঠিল। এতিয়াও খুৰাক আৰু মোমায়েকহঁতে তেওঁৰ বাবে ছোৱালী চাইছে। কিন্তু পঙ্কজে সদ্যহতে ল'ৰা-তিৰোতাৰ জঞ্জালত সোমাবলৈ মন কৰা নাই।

হঠাৎ পঙ্কজে কাঞ্চাক মাতিলে। কাঞ্চা আহি পোৱাত তেওঁক এখন তামোল দিবলৈ কলে। কাঞ্চাই তেওঁৰ পিনে চাই সুধিলে, "ঘটনাটো কি কৰিব চাৰ?" পঙ্কজে পুলিচক খবৰ দিব বুলি কোৱাত সি পুনৰ সুধিলে, "গাটো এতিয়া কেনে পাইছে চাৰ? মূৰটো অলপ মালিচ কৰি দিম নেকি?" পঙ্কজে নালাগে বুলি কৈ তাক তামোল অনাৰ আগতে একাপ চাহ আনিবি বুলি কলে। হঠাৎ তেওঁ ভাবিলে—ঘটনাটোত কাঞ্চাৰ সংযোগ নাইতো? নাই হ'ব নোৱাৰে। কাঞ্চা আমাৰ ঘৰত থকা বাৰ বছৰ হ'ল। তাৰ গাত একো সন্দেহৰ চিন নাই। অলপ সময়ৰ পিছত চাহকাপ লৈ কাঞ্চা সোমাই আহিল। চাহকাপ শেষ কৰি উঠি পঙ্কজে লাহে লাহে টেলিফোনৰ ৰিচিভাৰটো হাতত ললে। অলপ সময়ৰ পিছত আনটো মূৰৰ পৰা এটা কণ্ঠস্বৰ ভাঁহি আহিল। পঙ্কজে কৈ উঠিল, "হেলো, অৰূপ, মই পঙ্কজে কৈছোঁ। ঘটন সাংঘাতিক। তুমি সোনকালে মোৰ ইয়ালৈ এবাৰ আহা। এইবোৰ সকলো ফোনত কোৱা সম্ভৱ নহয়।"

লগে লগে অৰূপৰ আশ্বাসবাণী শুনা গ'ল—"আচ্ছা মই গৈ আছোঁ।" পঙ্কজে ৰিচিভাৰটো নমাই থৈ ড্ৰইং ৰূমলৈ গৈ এখন চকীত বহিল। অৰূপ গোস্বামী এজন নামজ্বলা প্ৰাইভেট ডিটেকটিভ। পঙ্কজ আৰু অৰূপ ছাত্ৰ অৱস্থাৰ সহপাঠী। সেই সূত্ৰেই দুয়ো বন্ধু। বি-এছ-ছি পাছ কৰি ঘৰৰ কাৰো বাধা নামানি অৰূপ ক্ৰিমিনোলজী পঢ়িবলৈ গ'ল। পাছ কৰি অহা কেইমাহমান হৈছে মাত্ৰ। ইতিমধ্যে দুই এটা কেচ হাতত লৈ যথেষ্ট নাম কৰিছে। বাপেকৰ অগাধ সম্পত্তিৰ মালিক তেওঁ আৰু ককায়েক।

অলপ সময়ৰ পাছত বাহিৰত হৰ্ণ বাজি উঠিল। পঙ্কজ দুৱাৰমুখলৈ আগুৱাই গ'ল। গাড়ীৰ পৰাই অৰূপে চিঞৰি উঠিল—"হাতত আৰু মুখত সেইবোৰ কি কৰিলা?"

"সেইবোৰ সকলো ক'ম, আহা, বহা।" দুয়ো দুখন চোফাত বহিল। অৰূপে পকেটৰ পৰা চিগাৰেটৰ পেকেট উলিয়াই এটা নিজে জ্বলালে আৰু আন এটা পঙ্কজৰ ফালে আগুৱাই দিলে। চিগাৰেটত দীঘলীয়া টান এটা মাৰি অৰূপে সুধিলে,

"ঘটনা কি কোৱাছোন ?"

"ৰ'বা কাঞ্চাক মাতো, চাহ দিয়ক।" পঙ্কজে কলে।

"এতিয়া নালাগে, অলপ পিছত খাম।"

"বাৰু শুনা", পঙ্কজে আৰম্ভ কৰিলে, "কালি মই ব্যৱসায় সংক্ৰান্তত চল্লিশ হাজাৰ টকা বেঙ্কৰ পৰা আনিছিলো। আজিলৈকে মই ইমান টকা ঘৰলৈ অনা নাই। কিন্তু আজি এটা কোম্পানীক নগদ টকা দিব লাগে কাৰণে আনিছিলো। প্ৰায় ৪ মান বজাত মই ঘৰ পালোহি হাতত টকাৰ এটাচি কেচটো লৈ। ড্ৰইং ৰূমেদি মোৰ ৰূমলৈ বুলি খোজ ললো। কাৰণ কৰিড'ৰৰ দুৱাৰখন বন্ধ আছিল। ড্ৰইং ৰূমৰ দুৱাৰখন পাৰ হৈ যোৱাৰ লগে লগে মোৰ অনুভৱ হ'ল—কিবা এটাই যেন মোক জোৰেৰে আঘাত কৰিছে। লগে লগে মই মজিয়াত বাগৰি পৰিলো। মোৰ মূৰটো ঘূৰাই গ'ল, আৰু মই অচেতন হৈ পৰিলো। প্ৰায় আধা ঘন্টামানৰ পাছত জ্ঞান পাই দেখো, মই মজিয়াত পৰি আছোঁ। গালৰ পৰা তেজ ওলাই গোট মাৰি আছে। লাহে লাহে থিয় হৈ মই চাৰিওফালে চালো, কিন্তু টকাৰ বেগটো মোৰ চকুত নপৰিল। পিছত মই মোৰ ৰূমৰ ভিতৰত সোমাই দেখিলো কাঞ্চা মজিয়াত পৰি আছে আৰু তাৰ হাত-ভৰি বন্ধা আৰু মুখত সোপা দিয়া আছে। মই তাৰ বান্ধ এটা হাতেৰেই যেনেতেনে সোলোকাই দিলো। তাৰ সেই অৱস্থা কেনেকৈ হ'ল বুলি সোধাত সি কলে যে সি হেনো মোৰ ৰূমত কাৰোবাৰ মাত শুনি মই আহিছো বুলি চাব গৈছিল। মোৰ ৰূমৰ দুৱাৰমুখ পোৱাৰ লগে লগে কোনোবাই তাক পাছফালৰ পৰা ধৰি মুখত সোপা দি হাত-ভৰি বান্ধি পেলালে। মইয়ো তাক মোৰ দুৰ্ঘটনাৰ কথা কলো। সি মোৰ হাত-মুখ ধুৱাই দিলে। তাৰপাছত মই ফোন কৰি ডাক্তৰক ঘটনাটো জনোৱাত ডাক্তৰ আহি মোৰ গালত বেণ্ডেজ আৰু হাতত প্লাষ্টাৰ কৰি থৈ গ'ল।"

এইবাৰ অৰূপে মুখ মেলিলে—"তুমি টকা আনিবা বুলি কোনোবাই জানিছিল নে কি ?"

"মই কাঞ্চাক অলপ টকা আনিম বুলি কৈছিলো।"

"তোমাৰ বাৰু তোমাক আক্ৰমণ কৰা মানুহজনৰ বিষয়ে কিবা চিন মনত আছেনে ?"

"নহয়, মই মানুহজনৰ একোকে দেখা নেপালো।"

"বাৰু, তুমি তোমাৰ ৰূমত তলা নলগোৱা নে কি ?"

"নলগাওঁ। কাৰণ, মোৰ ৰূমত একো মূল্যবান বস্তু নাৰাখো। সকলো দেউতাৰ ৰূমত থকা চন্দুকত ৰাখোঁ।"

"আচ্ছা, কাঞ্চাক বন্ধা ৰচীবোৰ ক'ত আছে বাৰু ?"

"ক'ব নোৱাৰো, যদি কাঞ্চাই পেলাই দিয়া নাই তেনেহলে মোৰ ৰূমতে পৰি আছে। কাঞ্চাক মাতি সোধো ৰ'বা।" পঙ্কজে কাঞ্চাক মাতি দিয়াত কাঞ্চা আহি উপস্থিত হ'ল। অৰূপেই সুধিলে, "তুমি এই ঘৰত কিমান দিন আছা কাঞ্চা ?"

"বাৰ বছৰ চাৰ।"

"আচ্ছা, কালি তোমাক ডকাইতে দুৱাৰমুখতে পাছৰ পৰা জপতিয়াই ধৰিছিল নহয় ?"

"হয় চাৰ।"

"তেতিয়াহলে ডকাইত ৰূমৰ বাহিৰত আছিল ?"

"নাই চাৰ, বাহিৰত থকা হলে মই দেখা পালোহেঁতেন।"

"যদি ৰূমৰ ভিতৰত থাকে তোমাক দুৱাৰমুখত পাছৰ পৰা ধৰিব কেনেকৈ ?"

কাঞ্চা যেন কিছু নাৰ্ভাচ হৈ গ'ল। সি কলে,

"নাই চাৰ, মানে--মানে মই দুৱাৰদলি পাৰ হৈ গৈছিলো।"

"তুমি তোমাৰ চাৰৰ ৰূমত মাত শুনোতে ক'ত আছিলা?"

"মই মোৰ ৰূমত আছিলো চাৰ।"

"তুমি যাওঁতে দুৱাৰ খোলা আছিল নে বন্ধ আছিল?"

"খোলা আছিল চাৰ। সেই কাৰণে মই চাৰ অহা বুলি ভাবি সোমাই গলো।"

"বাৰু তুমি ডকাইতক দেখা পাইছিলা নে নাই?"

"মই এটাহে দেখিছিলো চাৰ। সিয়ে মোক বান্ধিছিল।"

"সি কেনেকুৱা আছিল?"

"চাৰ সি লম্বা আৰু অলপ পাতল আছিল। মুখত বহুত দাড়ি আছিল, পিন্ধনত নীলা চাৰ্ট আৰু ক'লা পেন্ট পিন্ধিছিল।"

"তুমি তাক চিনি পাবানে?"

"মই চিনি নাপাম চাৰ।"

"তাক ধৰিলে তুমি কেনেকুৱা পাবা?"

"তাক ধৰিলে মই ভাল পাম চাৰ।"

"তুমি আৰু কিবা জানা যদি কোৱা?" অৰূপৰ প্ৰশ্ন।

"নাই, মই আৰু একো নাজানো চাৰ।"

"বাৰু, কৰিডৰৰ দুৱাৰ কোনে বন্ধ কৰিছিল?"

"চাৰ যোৱাৰ অলপ পাছত মই বন্ধ কৰিছিলোঁ।"

"ড্ৰইং ৰূমৰ দুৱাৰ খোলা ৰাখিছিলানে, বন্ধ?"

"সেইটোও বন্ধ ৰাখিছিলো চাৰ।"

অলপ সময় নীৰৱে থাকি হঠাৎ অৰূপে পঙ্কজক কলে, "তোমাৰ ইয়াত মই আজিলৈকে ভাত খোৱা নাই।" পকেটৰ পৰা টকা পোন্ধৰটা উলিয়াই কাঞ্চাক দি কলে, "যা কাঞ্চা, ভাল চাই মাছ বা মাংস লৈ আহিবি।" পঙ্কজে বাধা দিয়া স্বত্বেও অৰূপে নুশুনিলে।

কাঞ্চা বজাৰলৈ যোৱাৰ লগে লগে অৰূপ থিয় হ'ল। তেওঁ চাৰিওফালে এবাৰ চালে। দুৱাৰৰ পৰা অলপ আঁতৰত কাৰ্পেটৰ ওপৰত পঙ্কজৰ মুখৰ তেজৰ দাগ লাগি আছিল। হঠাৎ অৰূপে দুৱাৰৰ চুকৰ পৰা কিবা এটা বুটলি পকেটত ভৰালে। তাৰপিছত পঙ্কজক উদ্দেশ্য কৰি কলে, "ব'লা, তোমাৰ ৰূমটো চাই আহোঁ।" পঙ্কজৰ ৰূমলৈ দুয়ো আগবাঢ়িল। অৰূপে পঙ্কজৰ ৰূমটো তন্ন তন্নকৈ চাব ধৰিলে। বিছনাৰ তলৰ পৰা দুডাল ৰচি উলিয়াই আনি পঙ্কজক সুধিলে, "এই কেইডালেৰেই কাঞ্চাক বন্ধা আছিল নেকি? পঙ্কজে হয় বুলি কোৱাত অৰূপে সেই কেইডাল হাতত ললে।

অলপ সময়ৰ পাছত অৰূপে পঙ্কজক কলে, "ব'লা পঙ্কজ, কাঞ্চাৰ ৰূমৰ পৰা আহোঁগৈ।" ৰূমত সোমায়েই অৰূপে এবাৰ চাৰিওফালে চকু ফুৰাই চালে। হঠাৎ তেওঁৰ চকু কাঞ্চাই কাপোৰ থবলৈ ব্যৱহাৰ কৰা ৰচিডাললৈ গ'ল। ৰচিডাল চিঙা। আধাতকৈ বেছি ৰচি নাই। সেই কাৰণে কাপোৰবোৰ তলত পৰি আছে।

অৰূপ আগবাঢ়ি গৈ কাপোৰৰ মাজত কিবা বিচাৰিব ধৰিলে। হঠাৎ এটা চাৰ্ট হাতত লৈ পকেটৰ পৰা বুটাম এটা উলিয়াই কিবা এটা মিলাই চাই পুনৰ থৈ দিলে। তাৰপাছত ৰচিডালৰ ওচৰলৈ গৈ হাতত থকা ৰচিৰ টুকুৰা কেইটাৰ লগত মিলাই চালে। অলপ সময়ৰ পাছত তেওঁ হাঁহিলে। পঙ্কজক নিজৰ লগতে আহিবলৈ কলে। পঙ্কজ সম্পূৰ্ণৰূপে অবাক হৈ পাছে পাছে যাবলৈ ধৰিলে। তেওঁলোক দুয়ো বাহিৰলৈ আহি পঙ্কজৰ ৰূমৰ পৰা প্ৰায় চল্লিশ মিটাৰমান দূৰত থিয় দিলে। পঙ্কজে দেখিলে সেইখিনিত যেন কোনোবাই মাটি জাপি থৈছে। হাতত এখন খন্তি লৈ অৰূপে মাটি খন্দা আৰম্ভ কৰিলে। অলপ খন্দাৰ পাছত এটা কাঠৰ বাকচ ওলাল। অৰূপে বাকচটো

উলিয়াই আনি ঢাকনিখন খুলিলে। লগে লগে পঙ্কজৰ টকাৰ বাকচটো কাঠৰ বাকচৰ ভিতৰত পঙ্কজে দেখা পালে। দুয়ো বেগটো লৈ পঙ্কজৰ ৰূমলৈ যাত্ৰা কৰিলে। ৰূম পায়েই দুয়ো দুখন চকীত বহিল।

পঙ্কজে কলে, "তোমাক মই কি বুলি ধন্যবাদ দিম ভাই! কিন্তু মই আচৰিত হৈছোঁ তুমি ইমান সোনকালে কেনেকৈ টকাখিনি উলিয়ালা? আৰু চোৰেই বা কোন?" অৰূপে এটা সৰল হাঁহি মাৰি কলে, "এই কেচটোৰ নিচিনা সহজ কেচ মই আজিলৈকে পোৱা নাই। চোৰজনৰ এইবোৰ ক্ষেত্ৰত বিশেষ জ্ঞান নাই। বহুতো ভাবি-চিন্তি কৰা স্বত্বেও সি বহুত চিন এৰি থৈ গৈছে। তুমি শুনি অবাক হবা--ডকাইজন হ'ল তোমাৰ কাঞ্চা।"

"কাঞ্চা! অসম্ভৱ!!"

"এই সংসাৰত মানুহ চিনা বৰ টান পঙ্কজ। মোৰ কথাখিনি শুনাৰ পাছতহে তোমাৰ বিশ্বাস হ'ব। বাৰু শুনা—প্ৰথমে তুমিয়ে ময়ে যেতিয়া কথা পাতি আছিলো, তেতিয়া মই মন কৰিছিলো যে দুৱাৰৰ আঁৰৰ পৰা কোনোবাই আমাৰ কথা শুনি আছিল। তুমি কাঞ্চাক মতাৰ কথা কোৱাৰ লগে লগে দুৱাৰৰ পাছৰ পৰা মানুহজন নাইকীয়া হৈ যায়। তেতিয়াই মোৰ কাঞ্চাৰ ওপৰত প্ৰথম সন্দেহ হয়। দ্বিতীয়তে তোমাৰ ৰূমত মাত শুনি অহা বুলি মিছা কৈছিল। কাৰণ তাৰ ৰূমটোৰ দূৰত্ব তোমাৰ ৰূমৰ পৰা যথেষ্ট আৰু সি সেই সময়ত নিজৰ ৰূমতে আছিল বুলি কৈছে। সেইহে মই তাৰ ৰূম খানাতালাচ কৰাৰ অভিপ্ৰায়েৰে তাক বজাৰলৈ পঠাই দিলো। তাৰ পাছত এই বুটামটো পালো ড্ৰইং ৰূমত।" বুলি কৈ জেপৰ পৰা বুটাম এটা উলিয়াই টেবুলৰ ওপৰত থলে। মই কাঞ্চাৰ ৰূমত চাৰ্টবিলাক চাওঁতে দেখিলো এটা চাৰ্টৰ বুটাম নাই। মোৰ হাতত থকা বুটামটো উলিয়াই বাকী কেইটাৰ লগত মিলাই চাওঁতে বুটামটো মিলি গৈছে। আকৌ তোমাৰ ৰূমত পোৱা ৰচি কেইডাল আৰু কাঞ্চাৰ ৰূমত চিঙি থকা ৰচিডাল একে। তেতিয়া মই নিশ্চিত হলোযে কাঞ্চা এই কামত সংশ্লিষ্ট। মই লক্ষ্য কৰিলোঁ যে কাঞ্চাৰ বিছনাৰ তলত এযোৰ হান্টিং বুট। সেই বুটযোৰত মাটি আৰু কিছুমান ঘাঁহৰ টুকুৰা লাগি আছে। তেতিয়া মই গম পালো যে সি ক'ৰবাত মাটি খান্দি এই টকা লুকাই থৈছে। তাৰ পাছত বাহিৰলৈ চাওঁতে হঠাৎ সেই মাটি-ডোখৰ মোৰ চকুত পৰিল আৰু লগে লগে মই গম পালো, তাতে টকাখিনি লুকাই ৰখা হৈছে।"

"কিন্তু কাঞ্চাক দেখোন মোৰ ৰূমত হাত ভৰি বান্ধি পেলাই থৈছিল। তাৰ লগত নিশ্চয় আন কাৰোবাৰ সংযোগ আছে।"

অৰূপে হাঁহি মাৰি কলে, "কাঞ্চাই সকলো কাম নিজে কৰিছে। সেইবাবে সি ইমান সোন-কালে ধৰা পৰিছে। তোমাৰ ৰূমত সি তেনেকৈ নিজে পৰি আছিল, যাতে তুমি তাক সন্দেহ নকৰা আৰু সকলোকে সি ক'ব পাৰে যাতে কামটো আন কোনোবাই কৰি তাক বান্ধি পেলাই থৈছিল। তুমি প্ৰায় ত্ৰিশ মিনিটমান সময় অচেতন হৈ পৰি আছিলা আৰু সি সেই সময়খিনিৰ ভিতৰতে সকলো কাম কৰিলে। সি আগেয়েই সকলো প্লেন কৰি থৈছিল। তোমাক অচেতন কৰি সি টকাৰ বেগটো কাঠৰ বাকচত ভৰাই আগেয়েই খন্দা গাঁতটোত পুতি থলে। তাৰপাছত লৰা-লৰিকৈ জোতাযোৰ খুলি থলে। লৰালৰিৰ কোবত সি মাটিখিনি ভালদৰে সমান কৰিব নোৱাৰিলে। নিশ্চয় তুমি লক্ষ্য কৰিছিলা যে তাৰ বন্ধা হাত দুখন তাৰ গাৰ আগফালে আছিল। সি তোমাৰ ৰূমত সোমাই নিজৰ হাত-ভৰি বান্ধিলে, তাৰপাছত ৰুমালখন মুখত ভৰাই মজিয়াত পৰি ৰ'ল। সি হয়তো ভাবিছিল—তুমি ওলাই যোৱাৰ পাছত সি মাটিখিনি সম্পূৰ্ণ সমান কৰি চিন নাইকীয়া কৰিব আৰু বাকী সকলো প্ৰমাণেই নাইকীয়া কৰি পেলাব। কিন্তু সি ভবা নাছিল যে ইমান সোন-

কালে ধৰা পৰিব। সি হয়তো পলোৱাৰ মতলব কৰিছিল। আচ্ছা, টকা ঠিক আছেনে নাই চাই লোৱা।"

পঙ্কজে বেগটো খুলি চাই দেখিলে সকলো ঠিক আছে। "তোমাক যে মই কি বুলি ধন্যবাদ দিম ভাবি পোৱা নাই।"

অৰূপে কলে, "চোৰ, ডকাইত ধৰাটো মোৰ কাম। তোমাক এয়া বন্ধু বুলি অলপ সহায় কৰি দিলো। পিছে এইটো এটা অতি সাধাৰণ কেছ।

পঙ্কজে টকাৰ বেগটো ভালদৰে থৈ আকৌ চকীখনত বহিল। দুয়ো দুটা চিগাৰেট জ্বলাই কাঞ্চাৰ কাৰণে বাট চাই ৰ'ল। ০০০

# জানানে ?

● পৃথিবীৰ উচ্চ ডিঙি বিশিষ্ট মানুহজন আছিল বৰ্মাৰ পাদাউঙ্গ উপজাতিৰ এজনী মহিলা; ডিঙিত তামৰ তাৰ লগাই তেওঁৰ ডিঙিটো ১৫·১৭ ইঞ্চি দীঘল কৰা হয়।

● বিশ্বৰ সৰ্বত্তম উচ্চতাৰ মানুহ আছিল আমেৰিকাৰ ৰবাৰ্ডওয়াওলো। ২০ বছৰ বয়সত তেওঁৰ উচ্চতা আছিল ৮ ফুট ১১·১ ইঞ্চি।

সংগ্ৰহ ঃ প্ৰদীপ শৰ্মা।

# ৰূপৰ নাই অন্ত

বিনন্দ বৰা,
দ্বিতীয় বাৰ্ষিক স্নাতক।

সেইদিনা ওৰে ৰাতি জোনালীয়ে কান্দিছে, কেবল কান্দিছে। নিশাৰ নীৰৱতাখিনিক বাৰে বাৰে ভঙ্গ কৰিছে জোনালীৰ হেঁচি ৰাখিব নোৱাৰা অশান্ত উচুপনিবোৰে, ঘন ঘনকৈ পেলোৱা হুমুনিয়াহবোৰে।

এৰা, নৱ প্ৰস্ফুটিত এপাহ ফুলৰ নিচিনা তাইৰ পবিত্ৰ জীৱনটো ধ্বংস কৰিলে প্ৰমোদ চৌধুৰীয়ে, যাৰ কাৰণে আজি তাইৰ ইমান দিনে কঢ়িয়াই অনা আশাবিলাকত চেঁচা পানী পৰিলে ; যাৰ কাৰণে কল্পনাৰ কাৰেং ভাঙি চূৰমাৰ হৈ গ'ল। তাই জানো ভাবিছিলে যে জীৱনৰ গতিয়ে এনেদৰে বাট বুলিব ? বিনোদে তাইক লৈ কিমান যে কল্পনা কৰা নাছিল। বিনোদৰ কথা মনত পৰিয়েই জোনালীয়ে আকৌ হুকহুকাই কান্দি উঠিল। ইটো কোঠাত জোনালীৰ মাকৰো টোপনি অহা নাই। জোনালীয়ে মাকৰ আগত সকলোখিনি ক'বৰে পৰা মাকৰো মূৰত সৰগ ভাগি পৰিছে। ইতিমধ্যে জোনালীৰ মাকৰ মুখেদি দেউতাক আৰু একমাত্ৰ ভায়েক প্ৰদীপেও ঘটনাটো জানি পেলাইছে।

সমাজৰ শিক্ষিত শ্ৰেণীটো ইমানেই নীচ নেকি বাৰু ? যে সুবিধা পালেই পশুৰ প্ৰবৃত্তি দেখুৱাবলৈও কুণ্ঠা বোধ নকৰে ? প্ৰমোদ চৌধুৰীতো সিহঁতৰ ইমান আপোন, আদৰৰ আৰু ঘনিষ্ঠৰ আছিল, তেন্তে বুঢ়া চাই কামোৰ মাৰিলে কিয় বাৰু ? ভাবি ভাবি কথাবিলাকৰ একো ওৰ পেলাব পৰা নাই কোনোজনীয়েও। তেতিয়া বেৰত ওলমি থকা ঘড়ীটোৱে একোব একোব কৈ বাৰ বজাৰ সংকেত দিছিল। জোনালীৰ মাকে ভাবিলে উঠি গৈ জোনালীক অলপ হলেও সান্ত্বনা দিয়া মাকৰ আৱশ্যক, নহলে ঘটনাটো সহজ কৰি লব নোৱাৰিলে হয়তো মানসিক কিবা বিকৃতিও ঘটিব পাৰে। সেয়ে শোৱাৰ পৰা উঠি গৈ জোনালীৰ ওচৰত মাক ঠিয় হ'ল। জোনালীয়ে তেতিয়াও গাৰুটোত মূৰ গুজি কান্দি আছে, চুলিবিলাক গালে-মুখে আউলি-বাউলি হৈ আছে, মাকৰ উপস্থিতিৰ প্ৰতি তাইৰ অলপো ভ্ৰুক্ষেপ নাই।

"তেতিয়াহলে তুমি নিশ্চয় কৰিছা যে এনেদৰেই জীৱনটো শেষ কৰিবা।"

মাকৰ মাতত জোনালীৰ চেতনা ঘূৰি আহিল। মুখেৰে একো মাতিব নোৱাৰিলে, বৰং আগতকৈ অলপ জোৰেৰেহে কান্দিবলৈ ধৰিলে।

"কান্দি কান্দিয়েই জানো ইয়াৰ কিবা প্ৰতিকাৰ কৰিব পাৰিবা ?"

"তেন্তে তুমিয়েই কোৱা মা মই কি কৰিব পাৰো, মোৰ পৰিবৰ্তে অন্য ছোৱালী হোৱা হলে আজি কি কৰিলাহেঁতেন ! মোক নৰকৰ অতল গহ্বৰলৈ ঠেলি দিলা তোমালোকেই। অচিনাকি এজন ভদ্ৰ লম্পটক বৰ ঘৰত ঠাই দি আজি মোক ধ্বংস কৰিলা। এতিয়া তুমিয়ে কোৱা মা, মই কি কৰিব পাৰো ? মই কি কৰিব পাৰো ??"

জোনালীৰ কথাত মাক হতভম্ব হৈ পৰিল।

একো উত্তৰ দিব নোৱাৰিলে তাইৰ হাজাৰ প্ৰশ্নত। নিৰুত্তৰ হৈ মাকে হুমুনিয়াহেৰে কোঠাৰ পৰা বাহিৰ হৈ আহিল।

বিনোদ আৰু জোনালীৰ চিনাকি আজিৰ নহয় বহুদিনৰ। কলেজীয়া জীৱনৰ কোনোবা এটা শুভ মুহূৰ্তত দুয়োয়ে দুয়োকে ভাল পাই পেলাইছিল। সময় অতিবাহিত হোৱাৰ লগে লগে সিহঁতৰ ভালপোৱা ক্ৰমান্বয়ে গাঢ় হৈ আহিল। কথা দিলে দুয়ো দুয়োকে বিয়া কৰাব বুলি। বিনোদে অৱশ্যে এই প্ৰতিশ্ৰুতি জোনালীৰ মাক-দেউতাকৰ আগতেই কৰিছিল। বিনোদ জোনালী-হঁতৰ ঘৰলৈ আজি প্ৰায় দুবছৰে দিনটোত এবাৰকৈ হলেও আহিছেই, স্বভাৱ-চৰিত্ৰ আৰু চলন-ফুৰন চাই চিতি জোনালীৰ দেউতাকেও ঠিক কৰি পেলাইছে যে জোনালীক বিনোদলৈকে বিয়া দিব।

প্ৰমোদ চৌধুৰী নতুনকৈ বি-ডি-অ' হৈ আহিছে জোনালীহঁতৰ ঘৰৰ কাষৰ ব্লকটোলৈকে, খুউব সোনকালেই প্ৰমোদৰ লগত দোস্ত হৈ গ'ল বিনোদৰ। জোনালীহঁতৰ লগত প্ৰমোদক চিনাকি কৰি দিলে বিনোদেই। তেতিয়াৰ পৰাই বিনোদৰ বন্ধু হিচাপে প্ৰমোদ জোনালীহঁতৰ ঘৰলৈ অবাধে অহা যোৱা কৰে। বিনোদৰ দৰেই মানুহজন খুউব সৰল, কথা-বতৰাবোৰ বেছ অমায়িক, সোনকালেই জোনালীহঁতৰ ঘৰখনৰ আপোন হৈ পৰিল প্ৰমোদ চৌধুৰীৰ। প্ৰাক্-বিশ্ববিদ্যালয় পৰীক্ষা পাছ কৰি জোনালী ঘৰতে আছে। দেউতাকে আৰু পঢ়াবলৈ ইচ্ছা কৰা নাই। বিনোদেও সেইবাৰ বি-এ অনাৰ্চৰ প্ৰথম শ্ৰেণীৰ অষ্টম স্থান লৈ উত্তীৰ্ণ হৈছে। গতিকে গুৱাহাটী বিশ্ববিদ্যালয়তে মাষ্টাৰ ডিগ্ৰীটো লোৱাটো ঠিক কৰিলে আৰু দুটা বছৰ পাৰ কৰিয়েই জোনালীক বিয়া কৰাব।

সেইদিনা বিনোদ ওলাল দুটা বছৰৰ কাৰণে। প্ৰদীপক লগত লৈ ওচৰৰ বাছ ষ্টেচনলৈকে গ'ল জোনালী বিনোদক শুভেচ্ছা আৰু বিদায়ৰ সম্ভাষণ জনাবলৈ। যাওঁতে জোনালীয়ে বাৰে বাৰে বিনোদক অনুৰোধ কৰিলে, তাইক পাহৰি নাযাবলৈ। এই দুটা বছৰ যেন দুয়ো দুয়োলৈকে চিঠি-পত্ৰ দিবলৈ নাপাহৰে। তাৰ বাবে দুয়োৰে ওচৰত দুয়োৰো হাজাৰ অনুৰোধ থাকিল। বাচ আহিল, দুবছৰৰ কাৰণে বিদায় লৈ বিনোদ গুৱাহাটী অভিমুখী বাছত বাওণা কৰিলে। উভতি আহোতে জোনালীয়ে ওৰে বাটটো কল্পনা কৰি আহিল দুবছৰৰ পাছত সিহঁতৰ বিয়াৰ দিনটো, ভবিষ্যতৰ যুগ্ম জীৱনটো।

ইপিনে বিনোদৰ অনুপস্থিতিত প্ৰমোদৰ গতি জোনালীহঁতৰ ঘৰলৈ প্ৰখৰ হ'ল। জোনালীক লগ ধৰিলে সন্ধিয়া সময়ছোৱা ঘূৰিবলৈ, চিনেমা চাবলৈ ইত্যাদি। জোনালীয়ে অৱশ্যে প্ৰথমে আপত্তি কৰিছিল। মাক দেউতাকে প্ৰমোদৰ লগত জোনালীক ফুৰাটোত কোনো আপত্তি নকৰিলে। কাৰণ তেওঁলোকে প্ৰমোদৰ ঘৰ গুৱাহাটীৰ কোন ঠাইত ভালকৈ নাজানে যদিও দেখাত স্বভাৱ-চৰিত্ৰ বেচ ভাল। গতিকে কোনো সন্দেহ নকৰিলে। দিনবোৰ এনেদৰেই দ্ৰুতগতিত পাৰ হৈ যাবলৈ ধৰিলে। তিনিটা মাহৰ পিছত দুবছৰ শেষ কৰি বিনোদ ঘৰলৈ ঘূৰি আহিব।

প্ৰমোদো তাৰপৰা অন্য ঠাইলৈ বদলি হৈছে। যিদিনা ৰাতিৰ ৰেইলত প্ৰমোদ যাবগৈ সেইদিনা সন্ধিয়া পৰত জোনালীক লৈ গ'ল প্ৰমোদে অলপ ঘূৰি আহিবলৈ বুলি। আহোতে অলপ দেৰী হোৱাৰ কাৰণে প্ৰমোদে জোনালীক তেওঁৰ কোৱাৰ্টাৰলৈকে লগ ধৰিলে যে তেওঁ বেডিং-পত্ৰ থিক কৰি জোনালীক থৈ আহিব। জোনালীয়ে বিশেষ আপত্তি নকৰিলে। কিন্তু ই কি! জোনালীক বহিবলৈ দি দেখোন প্ৰমোদে মদ্যপান কৰাত লাগিল। জোনালীৰ সৰ্বশৰীৰ জিৰ্ জিৰাই উঠিল। তাই যিটো সন্দেহ কৰিছিল সেইটোৱেই হ'ল। দৈত্যৰ দৰে প্ৰমোদ জোনালীৰ সুঠাম কোমল দেহটোৰ ওপৰত জপিয়াই পৰিল। তাই অশেষ যত্ন কৰিও দৈত্যৰ হাতৰ পৰা সাৰিব নোৱাৰিলে।

যেতিয়া তাইৰ স্মৃতি ঘূৰি আহিল তেতিয়া জানিলে যে তাই নিজৰ ঘৰৰ বিছনাত পৰি কান্দি আছে।

আজি তিনি মাহে বিনোদলৈ তাই কোনো চিঠি-পত্ৰ দিয়া নাই। বিনোদে নানা খেলি-মেলি চিন্তা কৰিবলৈ ধৰিলে। জোনালীয়ে তাক তেন্তে পাহৰি গ'ল ? গুৱাহাটীৰ পৰা আহিবৰ দিনা বাছ ষ্টেচনৰ পৰা ৰিক্সাৰে ঘৰলৈ আহি থাকোতে বাটত প্ৰদীপক পালে, কিন্তু প্ৰদীপে সেই দিনা বিনোদৰ প্ৰতি কোনো আগ্ৰহ নেদেখুৱালে, বিনোদ আচৰিত হ'ল। অন্য দিনা হোৱা হলে বিনোদক দেখি দৌৰি আহিলহেঁতেন কিন্তু আজি ? প্ৰদীপক ওচৰলৈ মাতি বিনোদে নানা প্ৰশ্ন কৰিলে। জোনালীৰ বিষয়েও বহুতো কিবাকিবি সুধিলে। প্ৰদীপৰ হাতত এখন ডাক্তৰৰ পৰামৰ্শ লিখা কাগজ আছিল। সেইখন কাৰ কাৰণে তাকো সুধিলে। প্ৰদীপে উপায়ন্তৰ হৈ কলে যে আজি তিনি মাহে বাই-দেউৱে গা ধোৱা নাই।

বিনোদ হতভম্ব হৈ গ'ল। মাত্ৰ প্ৰদীপক এষাৰ কথাই কৈ গ'ল যে সি ঘৰত ক'বগৈ বিনোদে সিহঁতৰ লগত সকলো সম্পৰ্ক ছেদ কৰি পেলাইছে। জোনালীয়ে তাক প্ৰৱঞ্চনা কৰাৰ কাৰণে বহুত ধন্যবাদ জনাইছে।

খবৰটো শুনি জোনালীৰ মাক-দেউতাকে চকুপানী টুকিলে, জোনালীয়ে মাত্ৰ কান্দিছে, কেৱল কান্দিছে। আজি তিনি দিনে তাই খোৱা নাই, ধোৱা নাই আনকি বাহিৰলৈও ওলোৱা নাই। তাই সিদ্ধান্ত কৰি পেলাইছে যে তাই আত্ম-হত্যা কৰিব। বিনোদে বাৰু তাইক ভুল বুজিলে কিয় ? পুৰুষ জাতিটো এনেকুৱাই নেকি বাৰু ?

অন্যহাতে তিনিদিনে বিনোদেও শোৱা কোঠাৰ পৰা ওলোৱা নাই, ঘৰৰ সকলোবোৰ অবাক। বিনোদৰ মনৰ কথা কোনেও বুজিব পৰা নাই। তিনি দিনৰ দিনা সন্ধিয়া পিয়নটোৱে বিনোদক এখন চিঠি দিলেহি। সম্পূৰ্ণ অচিনাকি আখৰৰ চিঠি কোনে দিছে ? কৌতূহল ভাৱেৰে চিঠিখন খুলিলে আৰু পঢ়ি গ'ল ঃ

বিনোদ,

জোনালীক তুমি ভুল নুবুজিবা। জোনালী সঁচাই পৱিত্ৰ। তাইক ধ্বংসৰ পথলৈ জোৰ কৰি লৈ গ'ল তোমাৰ বিশ্বাসঘাতক বন্ধু প্ৰমোদ চৌধুৰীয়ে। জোনালীয়ে সঁচাই তোমাক অকৃত্ৰিম ভাল পায়। তাইক তুমি বিয়া কৰোৱা বুলি শুনিলে সুখী হ'ম। ইতি--

প্ৰমোদ।

চিঠিখন পঢ়ি বিনোদৰ সৰ্বশৰীৰ কঁপি উঠিল। সি তেন্তে তাইক ভুল বুজিলে কিয় ? সিহঁতৰ ঘৰখনৰ মনত আঘাত দিলে কিয় ? নাই সি তালৈ যাব, জোনালীক বিয়া কৰাব। তেতিয়াই বিনোদে পোছাক সলনি কৰি চাইকেলখন লৈ জোনালীহঁতৰ ঘৰলৈ বুলি ৰাওণা হ'ল।

তেতিয়া সময় ৰাতি আঠ বাজিছে। জোনালীহঁতৰ ঘৰখনত এক নিৰ্জনতাই বিৰাজ কৰিছে। ঘৰৰ কাষতে চাইকেলখন থৈ বিনোদ ভিতৰলৈ সোমাই গ'ল। জোনালীক কেইবাবাৰো মাতিলে কিন্তু উত্তৰ নাহিল কাৰো পৰা। জোনালীৰ কোঠাটোলৈকে সোমাই গ'ল। জোনালীয়ে তলমূৰ কৰি বিছনাত পৰি কান্দি আছে। বিনোদ বিছনাতে বহিল আৰু জোনালীৰ সিচৰিত থৈ থকা চুলি-বোৰত আঙুলি বুলাই মৰম কৰি কৈ গ'ল—

"জোনালী, তুমি মোক ক্ষমা কৰিবা, মই তোমাক ভুল বুজিছিলো। এতিয়া মোৰ ভুল ভাগিল। উঠা জোনালী, মোৰফালে চোৱা। মই বিয়া পতাৰ সিদ্ধান্ত কৰিছো। সকলোবোৰ পাহৰি সহজ হ'বলৈ যত্ন কৰা। আমি দুয়ো সেই অতীতৰ ৰঙীন কল্পনাবোৰেৰে এখন মধুময় সংসাৰ গঢ়িম য'ত ঠগ, প্ৰৱঞ্চনা, ভণ্ডামী নাথাকিব। য'ত প্ৰকৃত ভালপোৱাই ওৰে জীৱন বিৰাজ কৰিব। য'ত ৰূপৰ নাই অন্ত।"

জোনালীয়ে যেন কথাবোৰ একো বুজা নাই, তাই মাথো নিৰ্বিকাৰভাৱে বিনোদৰ মুখলৈ একেথৰে চাই ৰ'ল। সঁচাই বিনোদে বিয়াৰ ঠিক কৰিছে নেকি ? ০০০

# হেৰোৱা সূৰ্য্য

শ্ৰীমনো বৰদলৈ,
প্ৰথম বাৰ্ষিক প্ৰাক্-বিশ্ববিদ্যালয়।

টুপ্টুপ্‌কৈ সৰিছিল নিয়ৰৰ সৰু সৰু কণিকাবোৰ। দূৰৈত কাউৰীয়ে ৰমলিয়াইছিল। সৰু ডাঙৰ চৰাইজাকে অস্ফুট শব্দৰে গান গাই পৃথিবীৰ মানুহবোৰক ৰাতিপুৱাৰ আগজাননী দি জগাই তুলিবলৈ চেষ্টা কৰিছে। উৰুলিকৃত চৰাইবোৰৰ আনন্দ ধ্বনিত সাৰ পালে সবিতাই। বিছনাখনতে পৰি কিবাবোৰ ভাবি আছে। হঠাৎ মনত পৰিল আজি যে শনিবাৰ। খকা-মকাকৈ উঠি ঘড়ীটো চালে। ছ টা বাজিবলৈ তেতিয়াও বিশ মিনিট বাকী। ইফালে কোনো ৰূপহী নায়িকাৰ কপালৰ ৰক্তলেপন ফোঁটটিৰ দৰে সূৰ্য্য পূব প্ৰান্তত উদ্ভাসিত হৈ নিজৰ উত্তপ্ত পৰশেৰে গোটেই জগতখনকে জ্যোতিৰ আলোকেৰে মহিমামণ্ডিত কৰি তুলিছে। চাই চাই তাইৰ ভাল লাগি গ'ল। ভাল লাগিবৰ কথাই। কাৰণ কাইলৈ যে তাইৰ প্ৰাণৰ ধন বিজন আহিব। কথাষাৰ ভবাৰ লগে লগে তাই আনন্দত অধীৰ হৈ পৰিল। লৰালৰিকৈ মুখ-হাত ধুই ব্ৰেকফাষ্ট কৰিলে। ঘৰখন পৰিপাটীকৈ সজাই তোলাৰ আয়োজন কৰিছে। সকলো কামতে আজি তাইৰ নতুন উদ্যম। দৰ্জা-খিৰিকীত নতুন স্কাই ব্লু ৰঙৰ পৰ্দা লগাইছে। টেবুলত নিজ হাতে কৰা টেবুলক্লথ এখন পাৰিলে। চোফা-চেটটোৰ কুচনৰ ঢাকনিখিনিও সলাই পেলালে। সকলো ঠিক ঠাক কৰি ৰেডিঅ'টোৰ কাষত বহি ৰেডিঅ'টো অন্ কৰি দিলে। তেতিয়া দিনৰ ১২ বাজিছে। লগে লগেই ৰেডিঅ'ত অৰ্চনা মহন্তৰ কণ্ঠত শুনা গ'ল—

"বাঁও চকু লৰিছে
তুমি ছাগে আহিবা
মনে মনে মনে আহি
চকু মুদায় ধৰিবা---"

তাই নীৰৱে এই গীতটি উপভোগ কৰিবলৈ ধৰিলে। তাইৰ ভাব হ'ল বিজনেও হয়তো মনে মনে আহি তাইৰ চকু মুদায়---। ভবাৰ লগে লগে তাইৰ লাজ লাজ লাগি গ'ল। বহি বহি ভাবিছে তাই বিজনৰ কথা। কালিলৈ হয়তো এই সময়তেই বিজন আহি পাবহি, আৰু দূৰৈৰ পৰা ওলাই তাইক দেখি হাঁহিব। যদি তাই ভিতৰত থাকোঁতেই আহে, তেন্তে মনে মনে আহি তাইৰ পিছফালে বৈ থাকিব আৰু তাই গম পালে হাঁহি দিব। তেতিয়া তাই কৃত্ৰিম খঙেৰে তাক ভৰ্ৎসনা কৰিব বহুদিনৰ মূৰত অহা বাবে। কিমান যে অলীক কল্পনা---। তেতিয়াই তাইৰ মনত পৰিল শৈশৱকালত বিজনক লগ পোৱা দিনবোৰলৈ। দুয়ো একেলগে কিমান ফাংচনত গান গাইছিল, একেলগে স্কুলৰ পৰা ধৰি কলেজলৈকে অহা-যোৱা কৰিছিল। কেতিয়াবা সি কেনেকৈ একেৰাহে তাইলৈ চাই আছিল, লাজত ৰঙা-চিঙা পৰি তাই কেনেকৈ নীৰৱে আঁতৰি গৈছিল। তাইৰ মানসপটত অতীতৰ হেৰোৱা স্মৃতিবোৰে এটাৰ পিছত এটাকৈ ভুমুকি মাৰিবলৈ ধৰিলে। যেন স্মৃতিৰ এলবামত কোনোবাই

এটাৰ পিছত এটাকৈ সজাইহে থৈছে।

এদিনৰ কথা। দুয়ো এখন ফাংচনত গান গাইছিল। সুললিত কণ্ঠৰ (দ্বয়িত) গীতটিয়ে উপস্থিত জনগণক বিমুগ্ধ কৰিলে। সকলোৰে পৰা সিহঁতে বাঃ বাঃ পালে। দুয়োৰে অন্তৰত আনন্দৰ উত্তাল তৰঙ্গৰাশিয়ে কঁপনি তুলি গ'ল। অৰ্থপূৰ্ণ দৃষ্টিৰে অজানিতে দুয়ো দুয়োৰ ফালে চালে। চাৰি চকুৰ মিলন হ'ল। ভাৱ হ'ল, তীব্ৰতৰ বিজুলী প্ৰবাহৰ দৰে দুয়ো যেন দুয়োৰে অন্তৰৰ প্ৰতিলিপি নিমিষতে পঢ়ি পেলালে। সন্ধ্যাৰ লগে লগে ফাংচনৰ পৰা সিহঁত গুচি আহিল। বাটত বিজনে কলে, "ব'লা সবিতা, আজি অলপ নদীৰ পাৰৰ পৰা পৰা ফুৰি আহোঁ।"

প্ৰত্যুত্তৰত সবিতাই কৈছিল, "ওঁ ব'লা।" দুয়ো গৈ গৈ নদীৰ পাৰ পাইছিলগৈ। নদীৰ কাষৰ এচটা শিলত বহি সবিতাই ভাবিছিল বিভিন্ন কলৰব তুলি বৈ যোৱা পানীৰ উত্তাল তৰঙ্গৰাশিৰ লগতে যেন তাইও নিজকে বিলাই দিব এই সোঁতৰাশিত। লগে লগে যেন তাইৰ মনটোও যাব উটি-ভাঁহি। ওচৰত থকা পাহাৰৰ শিলনীত ঠেকা খাই সুনীল আকাশখন পৰিস্ফুট সোঁত হৈ পাহাৰৰ মাজে মাজে অঁকাই পকাই যোৱা এটি সৰু নিজৰাৰ দৰে লাগিছিল। সান্ধ্য সমীৰণৰ নিষ্প্ৰভ লগা পোহৰৰ জিক্-মিক্নিয়ে নদীখনত এক অপূৰ্ব শোভাৰ সৃষ্টি কৰিছিল মুঠি মুঠি জ্যোৎস্না ঢালি দি।

"সবিতা।"

বিজনৰ মাতত তাইৰ তন্ময়তা ভাগিল।

"ও।" সহাৰি দিলে তাই।

"এনেদৰে আৰু কিমান দিন থাকিম ?

"কেনেদৰে ?"

"দুয়ো দুয়োৰ পৰা আঁতৰি ?"

"ক'তনো আঁতৰি আছোঁ ? তোমাৰ কাষতে দেখোন বহি আছো।"

"ধেৎ পাগলী, বহি থাকিলেই হ'ব নেকি ? অন্তৰখন যদি নবহে ?"

"তুমি কেনেকৈ জানিলা নবহে বুলি ? যদি কেতিয়াবাই বহিল ?"

"ইস্ মিছা।"

"এক্কেবাৰে সঁচা বিজনদা।"

বিস্ময়েৰে বিজনে চকুৰ পলক নেপেলোৱাকৈ সবিতালৈ চাই আছিল। সিতো ভবা নাছিল যে, সবিতাইও তাক তাৰদৰেই মনে মনে ভাল পাই আছিল ? আবেগত তাৰ ওঁঠ দুটিত মৃদু কঁপনি স্পন্দিত হ'ল। সবিতাক সি আজি বেলেগ ৰূপত দেখিলে। তাইৰ মুখলৈ চাই চাই সি যেন তাইক বুজিবলৈ চেষ্টা কৰিছে। চেষ্টা কৰিছে তাইৰ অন্তৰৰ ভাৱ-অনুভূতি, মৰম আৰু ভালপোৱা বুজিবলৈ। সি যেন তাই কোৱা কথাবোৰ বিশ্বাস কৰিব পৰা নাই। সি তেনেকৈ চাই থকাত তাই বৰ অস্বস্তি বোধ কৰিলে। তাই কলে, "মোলৈ এনেদৰে কিয় চাই আছা বিজনদা ? মোক দেখা নাছিলা নেকি ?"

"দেখিছিলোঁ, কিন্তু বুজা নাছিলোঁ। আজি তোমাক মই নতুনকৈ আবিষ্কাৰ কৰিলোঁ সবি ! ভাবিছিলোঁ মোৰহে কেৱল তোমাৰ প্ৰতি দুৰ্বলতা আছে। কিন্তু---"

"কিন্তু কি বিজনদা ? মোৰ ওপৰত তোমাৰ সেইখিনি বিশ্বাসও নাইনে ? সঁচা কৈছোঁ বিজনদা ঃ তোমাৰ ছবি মোৰ মানসপটত মন তুলিকাৰে মৰমৰ ৰঙেৰে অতি সযতনে আঁকি থৈছোঁ। যিটো কথা প্ৰকাশ কৰাৰ সুবিধা পোৱা নাছিলোঁ। অৱশ্যে মই জানিছিলোঁ এদিন সকলো ঠিক হৈ যাব বুলি। মোৰ হৃদয় মন্দিৰত তোমাৰ বাহিৰে কোনো পুৰুষক বহুৱাই মই পূজাৰ অৰ্ঘ্য নিদিওঁ। তোমাক বাদ দি মই জীৱনত একো কথাই হয়তো ভাবিব নোৱাৰিম। মোৰ ওপৰত বিশ্বাস ৰাখা। প্লীজ বিজনদা, এইখিনিৰ পৰা তুমি মোক বঞ্চিত নকৰিবা। বিক'জ, আই ওৱাণ্ট ইউ।" আবেগত তাইৰ মাতটো কঁপিছিল ; চকুযুৰি চল্চলীয়া

হৈছিল। তাইৰ চকুত তেতিয়া জিলিকি উঠিছিল মিনতিৰ আকুল আহ্বানৰ প্ৰতিলিপি। তাইৰ অন্তৰত ইমানদিনে সুপ্ত হৈ থকা আশাৰ বন্তিগছি জ্বলিবৰ উপক্ৰম হ'ল। আবেগৰ কিছুমান মিঠা মিঠা অনুভূতি স্পন্দিত হৈছিল তেতিয়া তাইৰ ভাবপ্ৰৱণ অন্তৰত। তাইৰ নয়নৰ আকুল মিনতিয়ে যুবক বিজনৰ অন্তৰ স্পৰ্শ কৰিলে। সি সবিতাৰ ওচৰ চাপি গ'ল নিজৰ অজানিতেই। তাইৰ হাতখন নিজৰ হাতৰ মুঠিত লৈ অতি নিবিড়ভাৱে তাইৰ মূৰত হাত বুলাই দিছিল বিজনে অতি আলফুলিয়াকৈ। মুখত কথা কোৱাৰ ভাষা বিচাৰি পোৱা নাছিল। তাৰ পাছত লাহে লাহে কৈছিল, "জানা সবি, বহুদিনৰ আগৰ পৰা তোমাক কেন্দ্ৰ কৰিয়েই দেখিছোঁ কিছুমান ৰঙীন সপোন। কিমান যাতনা নীৰৱ প্ৰেমৰ হয়তো তুমি বুজিছা। সেয়ে ভাবিছিলোঁ মোৰ বাস্তৱমুখী কল্পনাবোৰ যেন অলীক হৈয়ে ৰ'ব। কিন্তু সেইখিনি যে সম্পূৰ্ণ দিঠক হ'ব তাৰ প্ৰমাণ মই আজিয়েই পালো জানা সবি! আজিৰ পৰা মই মোৰ কাৰ্য্যপন্থা হাতত ল'ম। যিটোৰ দ্বাৰাই আমি সুখী হ'ব পাৰিম বুলি মোৰ বিশ্বাস।" হঠাৎ বিজনে হাতৰ ঘড়ীটোলৈ চালে, "৮-৩০ হ'ল ব'লা সবি যাওঁ।" এইবুলি দুয়ো বহাৰ পৰা উঠিল। নদীৰ পানীত তেতিয়া জোনটোৱে নিজৰ স্থান বাছি লৈ নিজৰ আনন্দেৰে পৰিপূৰ্ণ প্ৰজ্জ্বলিত মুখখনি জুমি-জামি চোৱাত বাউল হৈ পৰিছিল।

বিজনে কোৱাৰ দৰেই কাম হ'ল। দুয়োখন ঘৰৰ সন্মতিত এদিন দুয়োৰে বিয়া হয়। সেইদিনা এশ বন্তিক সাক্ষী কৰি হোমাগ্নি কৰি দুয়ো প্ৰতিজ্ঞাবদ্ধ হৈছিল এজনে আনজনক এৰি নিদিয়াৰ প্ৰতিশ্ৰুতিৰে। দুয়ো বান্ধ খাইছিল এডাল সোণালী সূতাত। মৰমৰ এনাজৰীডালত দুয়ো খুব নিবিড়ভাৱে মেৰ খাই গ'ল। কিমান যে সুখী তেতিয়া সিহঁত! দুয়ো আৰম্ভ কৰিছিল এটা সপোন সপোন লগা ধুনীয়া জীৱন। আহ্, জীৱনটো ইমান মোহনীয়, ইমান সহজ! কেতিয়াবা দুয়ো দুয়োৰে ওচৰত ঠেহ পাতিছিল, খং কৰিছিল, অভিমান কৰিছিল। আকৌ দুয়ো দুয়োৰে মান-অভিমান ভাঙিছিল। এই যে ঠেহ, খং, মান-অভিমানবোৰে জীৱনটো বেছি মিঠা মিঠা কৰি দিছিল। কেতিয়াবা পাৰ্কত বহি দুয়ো ঘন্টাৰ পিছত ঘন্টা কটাই দিছিল। যেন সুনীল আকাশৰ দুটি ৰঙীন প্ৰজাপতিহে। দুয়ো যেন ফুৰা এটা স্বপ্নৰ উমত উন্মত্ত। আৰু বিয়াৰ এমহাৰ পিছতে বিজন গুচি গৈছিল সুদূৰ কলিকতালৈ, তেওঁৰ বিভাগীয় মুখ্য কাৰ্য্যালয়ত এমাহৰ বাবে এটি প্ৰশিক্ষণ ল'বলৈ। তাৰ পাছত এইয়া তাইৰ ওচৰলৈ পুনৰ ঘূৰি আহিব কা-লি-লৈ। হঠাৎ তাইৰ ভাবত আউল লাগিল। চকুত টোপনিৰ আমেজ অনুভৱ কৰিলে। অতীতৰ সেউজবুলীয়া দিনবোৰৰ কথা ভাবি ভাবিয়েই আজি তাইৰ ভাল লাগিল। ৰেডিঅ'টো অফ্ কৰি অলসভাৱে বিছনাখনত নিজকে এৰি দিলে। লগে লগেই নিদ্ৰাদেৱীয়ে অতি আলফুলে তাইক শৰীৰত শান্তিৰ পৰশ বিলাই দিলে। টোপনি যোৱাৰ আগমুহূৰ্তলৈকে তাই বিজনৰ কথাকে ভাবি আছিল। সেয়ে সপোনতো বিজনকে দেখিলে। বিজন আহি যেন তাইৰ নিচেই কাষতে বহি আছে—মুখত এমোকোৰা দুষ্টামি ভৰা হাঁহি লৈ। তাই যেন হাততে সৰগ ঢুকি পালে। কেচুৱা ছোৱালীৰ দৰে অভিমান কৰিলে সময়মতে চিঠি নোপোৱাৰ বাবে। বিজনেও তাইৰ অভিমান ভাঙি তাইক নিচেই কাষলৈ মাতি আনি কলে, "সৌ চুটকেচটো খোলাচোন সবি। তুমি আনিবলৈ কোৱা নিউ প্ৰিন্টৰ শাড়ী এখন মই আনিছোঁ।" উলাহতে তাই বাকচটো খুলি তাইৰ মনে বিচৰা শাড়ীখন পাই ঘূৰাই পকাই চাই দুই হাতে সাৱটি বিজনৰ কাষ পালেহি।

"বাঃ তোমাৰ চয়েজ ইমান ঠিক আছে। মোৰ খুব পছন্দ হৈছে জানা। মই এনেকুৱাই

বিচাৰিছিলোঁ।”

“সঁচাই সবি, এই ‘ৰোজ কালাৰ’ৰ শাড়ীখনে তোমাৰ গাত খুব ধুনীয়াকৈ মেচ কৰিব। পিন্ধিলেযে তোমাক ইমান ভাল লাগিব!” স্বামীৰ মুখত নিজৰ প্ৰশংসা শুনি সবিতা আনন্দত আত্মহাৰা হৈ পৰিল।

“বাৰু সবি, আজি দুয়ো ফুৰিবলৈ যাম দেই?”

“কলৈ?”

“মই য’লৈ নিও।” এই বুলি সি মৰমতে তাইৰ গালত লাহেকৈ চৰ এটা মাৰি দিলে। দুয়ো হাঁহিলে আপোন পাহৰা হৈ।

হঠাৎ ভায়েক অৰনৰ মাতত তাইৰ টোপনি ভাগিল।

“বাইদেউ, অ’ বাইদেউ, তোৰ বান্ধৱী নীলিমা বাইদেউ আহিছে। উঠচোন।” বায়েকক উঠাই অৰন গুচি গ’ল। লগে লগে নিলীমাই সবিতাৰ সু-সজ্জিত কোঠাটোত প্ৰৱেশ কৰিলে। আৰু সবিতাক জোকাবৰ মনেৰে কলে, “কিবা সপোন দেখি আছিলি নেকি সবি? তোক বৰ উৎফুল্লিত যেন দেখাইছে। বাহিৰত যে অথনিৰে পৰা বহি আছোহি খবৰেই নাই। সপোনত বিজনক দেখা নাইতো?”

“ধেৎ! যাঃ তোৰ দুষ্টামীখন নগ’ল আৰু। অথনিয়েই আহিলি নেকি নীলি? আজি ইমান টোপনি ধৰিছিল জান; ক’বই নোৱাৰোঁ, বেয়া নাপাবি দেই।”

“ধৰিবতো টোপনি। বিজনৰ চিন্তাত চাগৈ ৰাতি টোপনি ক্ষতি?” এইবুলি দুয়োজনী অন্তৰঙ্গ বান্ধবীৰ মাজত ঠাট্টা মস্কৰাৰ মাজেদি কথোপকথন আৰম্ভ হয়। সন্ধ্যাৰ আগে আগে নীলিয়ে সবিতাৰ পৰা বিদায় লয়। যাওঁতে বিজনৰ সৈতে তাইক সিহঁতৰ ঘৰলৈ নিমন্ত্ৰণ কৰিবলৈও নেপাহৰিলে।

আজি ৰবিবাৰ। সবিতাৰ অন্তৰত নানা ভাবৰ খৌকিবাথৌ। খুব সোনকালে গা ধুই উঠি তাই গোঁসাই ঘৰত এগছি বন্তি জ্বলাই প্ৰাৰ্থনা কৰিলে বিজনৰ কুশলাৰ্থে। তাইৰ মনত এটাই মাত্ৰ কথা আজি যে বিজন আহিব। আহি পোৱাৰ লগে লগে তাই বাৰু কি ক’ব? তাই আনিবলৈ কোৱা শাড়ীখন নিশ্চয় আনিব। আৰু আনিব এবুকু কেঁচা মৰম। কিযে ভাল লাগিব তাইৰ বিজন আহিলে। হঠাৎ কিবা এটা মনত পৰাৰ লগে লগে তাই ফুলনীখনলৈ বেগাই খোজ দিলে। আৰু বিজনে ভালপোৱা ৰঙা গোলাপ কেইপাহ মান আনি ফুলদানীটোত সজাই থলে। চাই চাই তাই নিজেই তৃপ্তিৰ হাঁহি মাৰিলে। তাৰ পিছত তাই ড্ৰেচিং গ্লাচখনৰ আগত বহিল। মুখত সামান্য প্ৰসাধন কৰি মূৰটো আঁচুৰি ললে। বিজনে ভালপোৱা ভায়লেট ৰঙৰ শাড়ীখনো পিন্ধিলে। ঘড়ীটোলৈ সঘনে চাইছে, বাৰটা নেবাজেহে নেবাজে। কাৰণ আগদিনাখন বিজন কলিকতাৰ পৰা আহি গুৱাহাটীত থকাৰ কথা। আৰু ৰাতিৰ ৩ নং এক্সপ্ৰেছ ট্ৰেইনখনত আহি পুৱা ৬ বজাত তেজপুৰ পাবহি। তাৰ পিছত অসম চৰকাৰৰ পৰিবহন নিগমৰ বাছখনত আহি দিনৰ ১২ বজাত লক্ষীমপুৰ পাবহি। সিহঁতৰ ঘৰটো আছিল লক্ষীমপুৰ ট্ৰেন্সপোৰ্ট ষ্টেচনৰ কাষতে। সেয়ে তাইৰ চকুযুৰি বাহিৰতেই আবদ্ধ আছিল এখন বাছৰ অপেক্ষাত, যিখনত তাইৰ স্বামী দেৱতা আহিব। বাৰ বাজি বিশ মিনিট-যোৱাৰ লগে লগে বাছখন আহি ৰ’লহি। সবিতা চঞ্চল হৈ পৰিল। হৃৎপিণ্ডৰ গতি সঘনে উঠা নমা কৰিবলৈ ধৰিলে। বাছৰ পৰা এজন এজনকৈ যাত্ৰীসকল নামিল। কিন্তু সেইসকলৰ মাজত সবিতাৰ অনুসন্ধানী দৃষ্টিয়ে এজন লোকৰ এযোৰ মৰমলগা চকু অনুসন্ধান কৰি উলিয়াব নোৱাৰিলে। যাত্ৰীসকলৰ মুখত কেৱল একেটাই কথা— এক্সিডেন্ট আৰু এক্সিডেন্ট---।

এক অজান আশঙ্কাত সবিতাৰ বুকুখন দুৰু-

দুকুকৈ কঁপিবলৈ ধৰিলে। তাইৰ অজানিতে দুই নয়নেদি বাগৰি আহিল বিৰামহীন বাৰিষাৰ প্লাৱন। তাই হাতযোৰ কৰি ভগবানক স্মৰণ কৰিবলৈ ধৰিলে। কিন্তু তাই বুজা নাছিল, নিয়তিয়ে যে তাইৰ ফালে চাই অট্টহাস্য কৰিছিল। তাইৰ মনত এটাই মাত্র চিন্তা বিজন কিয় নাহিল? তাৰিখটো ভুল হোৱা বুলি ভাবি অতি সযতনে বাকচত ভৰাই থোৱা চিঠিখন উলিয়াই চালে। কিন্তু ক'তা ভুলতো হোৱা নাই। তেন্তে তেওঁ কিয় নাহিল? কিন্তু কোনে উত্তৰ দিব তাৰ??

এদিন দুদিনকৈ আজি তিনিদিন হ'ল। তথাপি বিজনৰ দেখা-দেখি নাই। চিন্তাত সবিতা কিবাজনী হৈ পৰিছে। পৰিস্থিতিয়ে তাইক খোৱা-শোৱাৰ পৰা বঞ্চিত কৰিছে। তিনিদিনৰ দিনা আবেলি পাঁচ বজাত সিহঁতৰ পদূলিত এখন টেক্সি ৰ'লহি। তাই উধাতু খাই বাহিৰলৈ ওলাই আহিল। কিজানি বিজন আহিছে? তাই ওলাই অহা দেখি টেক্সীৰ পৰা বিজনৰ অন্তৰংগ বন্ধু অনিমেষ চলিহা নামি আহিল। তাই চলিহাক হাঁহিৰে সম্ভাষণ জনাই তেওঁৰ কাষ পালেহি; যদিও তাইৰ হাঁহিটো আছিল নিস্প্ৰভ। সবিতাৰ সম্ভাষণৰ প্ৰত্যুত্তৰত চলিহা মৌন হৈ ৰ'ল। তেওঁক বৰ বিষণ্ণ দেখাইছিল। সবিতাৰ সৰ্ব শৰীৰত হঠাৎ বিজুলীৰ প্ৰবাহৰ দৰে গৰম তেজৰ সোঁত এটা মূৰৰ পৰা ভৰিলৈকে প্ৰবাহিত হ'ল। চলিহাৰ এনে মৌন ব্যৱহাৰে সবিতাক বাউলি কৰি তুলিলে। তাইৰ অন্তৰাত্মা কঁপি উঠিল। চলিহাক কি সুধিব তাই নিজেই বিচাৰি নাপালে। তথাপিও সেপ ঢুকি কলে, "কি হ'ল মিঃ চলিহা? তেনেদৰে ৰ'লযে?"

প্ৰত্যুত্তৰত চলিহাই একে উশাহে কলে-- "যোৱা ২৯ তাৰিখ ৰবিবাৰে গুৱাহাটীৰ পৰা অহা ৩ নং এক্সপ্ৰেছখনত বিজন ঘৰলৈ আহিছিল। কিন্তু দুৰ্ভাগ্যবশতঃ নিশা এক বাজি ৩৫ মিনিটত বৌতা আৰু ওদালগুৰিৰ মাজত বানপানীৰ প্ৰভাৱত ট্ৰেইনখন এক্সিডেন্ট হ'ল আৰু---"

এইবুলি গাড়ীৰ পিছৰ চিটৰ দৰ্জাখন খুলি আঘাতপ্ৰাপ্ত বিজনৰ মৃতদেহটো উলিয়াই দিয়ে। ইমান সময় সবিতা শিলৰ মূৰ্তিৰ দৰে বৈ আছিল। বিজনৰ মৃতদেহ দেখাৰ লগে লগে তাই মৃতদেহটো সজোৰে সাৱটি বাউলি হৈ চিঞৰি দিছিল--বি-জু"। লগে লগে চেতনা হেৰুৱাই অজ্ঞান হৈ পৰিল।

দূৰৈত তেতিয়া শুনা গৈছিল,

"জীৱন ঘড়ীৰ প্ৰতিটো পল
যেন গলি গলি গ'ল
নিঃসঙ্গতাৰ পৰুৱা এটি
মাথো তাতে পৰি ৰ'ল।"

০০০

## জানানে?

- পৃথিৱীৰ ভিতৰত পাতল মানুহজনী আছিল মেক্সিকোৰ লুছিয়া জাৰাতে। জন্মৰ সময়ত তাইৰ ওজন আছিল মাত্র ২½ পাউণ্ড আৰু ২০ বছৰ বয়সত হ'লগৈ ১৩ পাউণ্ড।

[ আলেখ্য ]

# লুইতক ৰুধিব কোনে ?

শ্ৰীচন্দ্ৰিকা কোঁৱৰ,
প্ৰাক্তন ছাত্ৰী।

প্ৰস্তাৱনা ঃ লুইত বৈ আছে। হিমালয়ৰ পাদদেশৰ পৰা ওলাই অসমৰ বক্ষ বিদাৰি ক্ষিপ্ৰ স্ৰোতেৰে স্ৰোতসিনী অমোঘা নন্দন লুইত। উত্তাল তৰঙ্গৰে তৰঙ্গিত ঝিৰ্ ঝিৰ্ চলাৎ চলাৎ শব্দেৰে প্ৰবাহিত ব্ৰহ্মাৰ তনয় বৰ লুইতক ৰুধিব কোনে? ৰুধিব কোনে?? ৰুধিব কোনে???

অসমী ঃ গীতৰ মূৰ্চ্ছনাৰে, সুৰৰ ঝঙ্কাৰে, কল্ কল্ ধ্বনিৰে মোৰ বক্ষত প্ৰবাহমান লুইত আজি উন্মাদ। উন্মত্ত। দেওধনিৰ নৃত্যৰ তালে তালে লুইতে আজি নাচিছে। লুইতৰ নিজান পাৰৰ কহুৱাই আজি সাৰ পাইছে। সাৰ পাই গাইছে—

"অতন্দ্ৰ চেতনাৰে লুব্ধ মোৰ মন
জাগ্ৰত প্ৰতনু অনুভূতি
(সেয়েহে) মোক ৰুধিব কোনে ?"

কথা ঃ লুইতৰ উন্মাদ গতিক প্ৰতিহত কৰিবলৈ আগবাঢ়ি আহিল ভাৰতী। কণ্ঠত ন্যায্য প্ৰাপ্য লৈ প্ৰভজন সৃষ্টি কৰা অসমীক দুহাতেৰে ঠেলিবলৈ কুণ্ঠাবোধ নকৰিলে। নকৰিলে স্বীকাৰ সাংবিধানিক গণতান্ত্ৰিক আন্দোলনক। গণতন্ত্ৰক ভৰিৰে মোহাৰি ন্যায্য অধিকাৰৰ পৰা অসমীক বঞ্চিত কৰিলে।

ভাৰতী ঃ "তোৰ প্ৰাপ্য নিদিও যা
কি কৰ কৰিবিচোন
মিলিটাৰী আনি দমন
কৰিম কেনেকৈ চাবিচোন।"

কথা ঃ তেত্ৰিশটা বিষাক্ত হায়েনাৰে ক্ষত-বিক্ষত অসমীয়ে উচুপি উচুপি কান্দিলে। কান্দি কান্দি চকুলোৰ নিৰ্ঝৰ সৃষ্টিৰ কৰিলে। তথাপিও নহ'ল ব্ৰহ্মপুত্ৰৰ দ্বিতীয় দলং। ব্ৰডগজ লাইন। শিক্ষাৰ মাধ্যম আঞ্চলিক ভাষা কৰা স্বত্বেও বেঙ্গলী অধ্যুষিত জিলা কাছাৰত শিক্ষাৰ মাধ্যম অসমীয়া নহ'ল। তাৰ পৰিবৰ্তে অসমীৰ অস্তিত্বক বিদাপন্ন কৰি, অসমীয়া জাতিক বিপদসঙ্কুল কৰি ৫০ লাখ বিদেশীয়ে অসমত অবৈধভাবে অনুপ্ৰবেশ কৰিলে। কেন্দ্ৰীয় চৰকাৰে উদাসীনতা নীতি অবলম্বন কৰিলে।

কিন্তু অসমী জানো শুই থাকিল? লুইত জানো তন্দ্ৰাভিভূত হ'ল। নহ'ল। সেইবাবে চাৰি বছৰীয়া শিশুৰ পৰা নব্বৈ বছৰীয়া ককাহঁত, আইতাহঁত হাঁহি হাঁহি ৰাজপথলৈ ওলাই আহিল।

সংগ্ৰামী ঃ "তোৰ গৰ্ব খৰ্ব হ'ব
হাতত আছে লাচিতৰ হেংডাং
শৰাইঘাটৰ তূৰ্য্য।
সন্মুখত এক নতুন প্ৰতীতি ;
কুচক্ৰী দলৰ হাড়েৰে—
ভীষ্মৰ শৰশয্যা সজাৰ।"

কথা ঃ স্বাধীনতাৰ এইবোৰ বছৰত অসমীয়ে পালে কেৱল শোষণ-উৎপীড়ণ। এই অত্যাচাৰ চৰমত কৈ চৰম হ'ল যেতিয়া অসমী অস্তিত্ব

বিলোপৰ সন্দেহেৰে সন্দিহান হ'বলগীয়া হ'ল। অনিশ্চিত ভবিষ্যতৰ আশঙ্কাৰে ভীত বিহ্বল হ'বলগীয়া হ'ল। তাৰেই পৰিপ্ৰেক্ষিতত খৰ্গেশ্বৰ তালুকদাৰ, বাধনা ওৰাঙ, দিলীপ চক্ৰবৰ্তীকে ধৰি বহুতো ফুল কুমলীয়া ছাত্ৰ, বহুতো কৰ্মচাৰী আৰু দীপচান্দ ৰাজখোৱাকে ধৰি বহুতো লোক পুলিচ, চি-আৰ-পিৰ অমানবীয়তা পাশবিক অত্যাচাৰৰ বলি হ'ব লগা হ'ল। ৰাজপথ ৰাঙলী হৈ পৰিল। উত্তৰ কামৰূপ, নগাঁৱত নাৰী নিৰ্য্যাতন চলিল। দুলিয়াজান, উত্তৰ লক্ষীমপুৰ জালিয়ানাৱাগত পৰিণত হ'ল। শত শ্বহীদৰ আত্মাই সজোৰেৰে চিঞৰি উঠিল--

শ্বহীদ ঃ "বিক্ষুব্ধ মনত মোৰ
উদীপ্ত চেতনা।
বজ্ৰ নিনাদেৰে আকাশ বতাহ
ধ্বনিত হয় কেৱল এটা শব্দেৰে
মই জয়ী হ'ম। মই জয়ী হ'ম।
মোৰ এই মন, এই কণ্ঠ
এই প্ৰজ্ঞা আজি
প্ৰতি দলিত পীড়িতজনৰ কাৰণে।"

কথা ঃ ফলস্বৰূপে অসমক অশান্ত অঞ্চল বুলি ঘোষণা কৰা হ'ল। ৰাষ্ট্ৰপতিৰ শাসন চলিল। কৰ্মচাৰীৰ ওপৰত অত্যাচাৰ চলিল। অত্যাৱশ্যকীয় সেৱা অধ্যাদেশ জাৰি কৰিলে। বহুতো কৰ্মচাৰীৰ চাকৰি গ'ল। বহুতক কামৰ পৰা বৰ্খাস্ত কৰিলে। মুঠতে এক অৰাজকতা। এই অৰাজকতাৰ সম্পূৰ্ণ সুযোগ গ্ৰহণ কৰিলে কিছুমান ঘৰ বিভীষণে। কিছুমান বদনে। সিহঁতে চুকত থাকি বুদ্ধুত গুৰিয়াবলৈ উদ্যত হ'ল। ৰাইজে হাড়ক মাটি কৰি তেজক পানী কৰি সজোৱা দিশপুৰৰ গাদীখনত বহি বিলাসী জীৱন যাপন কৰাৰ সপোন দেখিলে সেইজাক বদনৰ মাজৰে এজাক ধূৰ্ত শিয়ালে।

বিভীষণ ঃ "মোৰ হৃদয় বজ্ৰৰ দৰে কঠিন।
দয়া নাই, মমতা নাই।
ৰাবণৰ বৰঘৰত এদিন
মইয়ে জুই জ্বলাইছিলো।
আজিও জ্বলাম। জ্বলায়ে থাকিম।"

বদন ঃ "বদন মই।
দেশলৈ মান মইয়ে
আনিছিলো। এতিয়াও আনিম।
কৰিম সোণৰ অসম
ছাৰখাৰ।
মই সুবিধাবাদী খঙ্কুৰাৰ দল।
দমন পশুপাত অস্ত্ৰেৰে
তহঁতক জিনিমেই।
জিনিমেই মই।"

কথা ঃ বদন বিভীষণৰ কথাই অসমীক টলাব নোৱাৰিলে। শত শ্বহীদৰ কণ্ঠৰে উত্তাল হৈ পৰিল অসমী। উন্মাদ হৈ ৰ'ল লুইত। তেজাল পুৱাৰ গীত গাই গাই অসমবাসী ওলাই আহিল। ওলাই আহিল মৃত্যুপণ সংকল্প লৈ--অসমৰ অস্তিত্ব বিলোপ হ'বলৈ নিদিয়ে। অসমীয়াৰ সংহতি বিনাশ হ'বলৈ নিদিয়ে।

"মৰি মৰি মৰি যাম
সোণৰ অসম গঢ়ি যাম।"

সেয়েহে লুইতক ৰুধিব নোৱাৰে কোনেও। আবহমান কালৰ পৰা অসমৰ বুকুত ঢৌৰে ঢৌৰে ঢৌ খেলি লুইত বৈ আছে। বৈ থাকিব অপ্ৰতিহত গতিৰে চিৰপ্ৰবাহমান হৈ, অসমৰ সুৰে সুৰে নিগৰি নিগৰি, নিজৰি নিজৰি-- ।০০

# ছয়দুৱাৰ মহাবিদ্যালয়ৰ বিভাগীয় সম্পাদকসকলৰ প্ৰতিবেদন

## সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ঃ

অসম আৰু অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ্থে আজি দীৰ্ঘদিন ধৰি যি আন্দোলন চলি আছে, এই আন্দোলনত মৃত্যুক সাৱটি লোৱা শ্বহীদ বীৰ-বীৰাঙ্গনাসকলৰ মহান আত্মাৰ প্ৰতি মোৰ প্ৰতিবেদনৰ প্ৰাৰম্ভণিতে শ্ৰদ্ধাঞ্জলি যাচিছোঁ।

ছয়দুৱাৰ মহাবিদ্যালয়ৰ ছাত্ৰ সংসদৰ কাৰ্য্য-নিৰ্বাহকলৈ ১৯৮০-৮১ চনৰ বাবে এই অভাজন বিনা প্ৰতিদ্বন্দ্বিতাৰে সহকাৰী সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হওঁ। কিন্তু সৌভাগ্য নে দুৰ্ভাগ্য নাজানো, মই সহকাৰী সাধাৰণ সম্পাদক হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কেইদিনমান পিছতে জানুৱাৰীৰ ৩০ তাৰিখে ছাত্ৰ সংসদৰ সংবিধান অনুযায়ী সাধাৰণ সম্পাদকৰ দায়িত্ব ভাৰ গ্ৰহণ কৰিবলগীয়া হয়। ছয়দুৱাৰ মহাবিদ্যালয়ৰ ছাত্ৰ সংসদৰ সাধাৰণ সম্পাদক হিচাপে মোৰ ওপৰত ন্যস্ত হোৱা গধুৰ দায়িত্ব মই কিমান নিয়াৰিকৈ পালন কৰিছো, তাক এই প্ৰতিবেদনত লিখাৰ সাহস মোৰ নাই। এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু সদাশয় অধ্যাপক-অধ্যাপিকা সকলে তাক বিচাৰ কৰিব। তথাপি এই প্ৰতিবেদনত মোৰ কাৰ্য্যকালৰ এটি চমু খতিয়ন দিব ওলাইছো।

বুৰৈ নদীৰ পৰা হাৱাজানলৈ বিস্তৃত দৰং জিলাৰ সীমামূৰীয়া এই ছয়দুৱাৰ বৃহৎ অঞ্চলটিৰ মাজত এই মহাবিদ্যালয়খনেই একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান। এনে এখন মহাবিদ্যালয়ৰ ছাত্ৰ সংসদৰ সাধাৰণ সম্পাদকৰ দায়িত্ব প্ৰকৃততে গধুৰ। এই অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলক নেতৃত্ব দিয়াৰ উপৰিও কলেজখনৰ সৰ্বাঙ্গীন উন্নতি তথা কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ ন্যায্য দাবীবোৰ পূৰণ কৰাত মই চেষ্টাৰ অলপো ত্ৰুটি কৰা নাই। কিন্তু মোৰ কাৰ্য্যকাল খুউব চমু হোৱা বাবে বিশেষ চকুত লগা একো কাম কৰিব নোৱাৰিলো। তথাপি আশা ৰাখিছো আমাৰ আধৰুৱা কাৰ্য্যখিনি আমাৰ পৰৱৰ্তী কাৰ্য্যনিৰ্বাহকে সমাধা কৰিব।

গৌৰৱ সহকাৰে লিখিব ওলাইছোঁ—সদৌ অসম ছাত্ৰসন্থা আৰু সদৌ অসম গণসংগ্ৰাম পৰিষদৰ নেতৃত্বত আজি প্ৰায় আঢ়ৈ বছৰ ধৰি বিদেশী বিতাড়ণৰ দাবীত যি অভূতপূৰ্ব গণ-আন্দোলন চলি আছে, সেই গণ-আন্দোলনৰ বিভিন্ন কাৰ্য্য-সূচীত আমাৰ ছাত্ৰ-সংসদে সক্ৰিয় অংশ গ্ৰহণ কৰি সেই কাৰ্য্যসূচীসমূহৰ এই অঞ্চলত আমি সফল ৰূপায়ণ কৰিছোঁ।

মোৰ কাৰ্য্যকালত সৰ্বপ্ৰথম বাৰৰ বাবে আমাৰ মহাবিদ্যালয়ত যোৱা জুলাই মাহৰ ২ তাৰিখে বৃক্ষৰোপণ কাৰ্য্যসূচী পালন কৰা হয়। আৰু তাত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে যোগদান কৰে। ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অধীনত আমাৰ মহাবিদ্যালয়ৰ ৫০ জনীয়া ছাত্ৰ-ছাত্ৰীৰ দল এটাই এই অঞ্চলৰ ৰাঙলীয়াল নামৰ ঠাইত যোৱা ২৬।৫।৮১ তাৰিখৰ পৰা ৩।৬।৮১ তাৰিখলৈকে প্ৰায় ১০ দিন জোৰা কাৰ্য্যসূচীৰে এটি শ্ৰমদান শিবিৰ অনুষ্ঠিত কৰি সেই অঞ্চলৰ মাজত সমাজ-সেৱা আগবঢ়াই প্ৰশংসা অৰ্জন কৰিছে।

গতানুগতিকভাৱে এইবাৰো আমাৰ মহা-বিদ্যালয়ত যোৱা ৯ ফেব্ৰুৱাৰী তাৰিখে সৰস্বতী পূজা পালন কৰা হয় আৰু যোৱা ৩১ আগষ্ট তাৰিখে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ তিথি মহা পয়োভৰেৰে পালন কৰা হয়।

ছয়দুৱাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে

স্থানীয় অঞ্চলত বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতাত বিশেষকৈ ফুটবল প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি সুনাম অৰ্জন কৰিছে।

মোৰ কাৰ্য্যকালত ছাত্ৰ সংসদৰ মুঠ ৬ খন কাৰ্য্য নিৰ্বাহক অনুষ্ঠিত হয় আৰু সেইবোৰত আন্তঃ কলেজ ফুটবল প্ৰতিযোগিতাত আৰু আন্তঃ কলেজ যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়ে যোগদান কৰা ; কলেজৰ অসম্পূৰ্ণ পুথিভঁৰালটি প্ৰয়োজনীয় সা-সুবিধা সহ সম্পূৰ্ণ কৰা, কলেজৰ নতুন বিল্ডিঙত ফেনৰ ব্যৱস্থা কৰা, ছাত্ৰী আৰু ছাত্ৰ নিবাসৰ অৱস্থা উন্নত কৰা, ছাত্ৰ ও ছাত্ৰীৰ জিৰণি কোঠাৰ উন্নত কৰা, ছাত্ৰ সংসদৰ বাবে সুকীয়া কাৰ্য্যালয়ৰ ব্যৱস্থা কৰা আদি গুৰুত্বপূৰ্ণ বিষয়বোৰৰ ওপৰত আলোচনা কৰি কলেজ কৰ্তৃপক্ষক এই সম্পৰ্কত বিহিত ব্যৱস্থা লবলৈ দাবী জনোৱা হয়। উল্লেখযোগ্য যে কলেজ কৰ্তৃপক্ষই ইয়াৰে কেইবাটাও দাবী পূৰণ কৰিছে আৰু বাকী থকাখিনিও যথাসম্ভৱ সোনকালে সম্পূৰ্ণ কৰিব বুলি আমি আশা ৰাখিছোঁ।

ছাত্ৰ সংসদৰ বিভিন্ন বিভাগৰ সম্পাদক-সম্পাদিকাসকল তেওঁলোকৰ বিভাগীয় কাৰ্য্যসমূহ পৰিচালনা কৰাত সফল হৈছে। মোৰ কাৰ্য্যকালত তেওঁলোকে মোক আগবঢ়োৱা সহায়-সহযোগৰ বাবে তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

মোৰ কাৰ্য্যকালত বিভিন্ন প্ৰকাৰে মোক দিহা-পৰামৰ্শৰে সহায় কৰা বাবে অধ্যক্ষ শ্ৰীযুত ভৰত মিশ্ৰ ভাগৱতীদেৱ, উপাধ্যক্ষ শ্ৰীযুত গজেন বৰুৱা-দেৱ আৰু অধ্যাপক শ্ৰীযুত ৰিপুণ বৰাদেৱ, শ্ৰীযুত মাণিক গগৈদেৱ, শ্ৰীযুত প্ৰদীপ দত্তদেৱকে আদি কৰি সকলো অধ্যাপকবৃন্দলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনালো।

ছাত্ৰ-ছাত্ৰীসকলৰ ফালৰ পৰা সৰ্বশ্ৰী ৰঞ্জন গোস্বামী, যজ্ঞেশ্বৰ গগৈ, পুলক হাজৰিকা, অতুল শইকীয়া, জীতেন বৰুৱা, গোলাপ গগৈ, দীপক দত্ত, জয়শ্ৰী গোঁহাঞি, অৰ্চনা শৰ্মা, কুসুম বৰা, সুৰমা বৰা, মামনি হাজৰিকা আদি কৰি সকলো ছাত্ৰ-ছাত্ৰীৰ সহায় সহযোগ কৃতজ্ঞতাৰে সুঁৱৰিছো।

মোৰ কাৰ্য্যকালৰ জ্ঞাত আৰু অজ্ঞাত ভুল-ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণিত ছাত্ৰ-ছাত্ৰীসকলৰ দৃষ্টি আকৰ্ষণ কৰি ক'ব খুজিছো যে অসম আৰু অস-মীয়াৰ অস্তিত্ব ৰক্ষাৰ্থে দীৰ্ঘদিন ধৰি চলি থকা আন্দোলনক ব্যৰ্থ কৰিবলৈ এচাম কু-চক্ৰী প্ৰতি-ক্ৰিয়াশলী ৰাজনৈতিক দালালে অহৰহ প্ৰচেষ্টা চলাই আছে। সেই প্ৰচেষ্টাক যাতে আমি প্ৰতিহত কৰিব পাৰো। কিছুমান ৰাজনৈতিক দালালে সিহঁতৰ ন্যস্ত স্বাৰ্থ চৰিতাৰ্থ কৰিবলৈ শিক্ষানুষ্ঠানসমূহত ৰাজ-নীতিৰ বীজ ৰোপণ কৰি মহান ছাত্ৰ শক্তিৰ মাজত বিভাজন আনিব ধৰিছে। এইবোৰ চক্ৰৰ প্ৰতি যাতে আমি সদায় সতৰ্ক থাকি দলীয় ৰাজনীতিৰ উৰ্দ্ধত যাতে ছাত্ৰ সংসদখনক ৰাখিব পাৰো, সেইয়া সকলোৰে কাম্য হোৱা উচিত।

সদৌ শেষত ভগবানৰ ওচৰত প্ৰাৰ্থনা জনাইছো যাতে জাতি আৰু ৰাষ্ট্ৰ গঠনত ছাত্ৰৰ যি মহান ভূমিকা তাক পালনত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল অগ্ৰণী হওক, প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত উজ্জ্বল হওক, ছয়দুৱাৰ মহাবিদ্যালয়ৰ ছাত্ৰ সংসদ দীৰ্ঘজীৱি হওক।

ছয়দুৱাৰ মহাবিদ্যালয় ছাত্ৰ সংসদ জিন্দাবাদ।

সদৌ অসম ছাত্ৰ সন্থা জিন্দাবাদ।

শ্ৰীউৎপল মহন্ত,
সাধাৰণ সম্পাদক, ১৯৮০-৮১ চন।

## সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ

জয় জয়তে ছয়দুৱাৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো। মই ১৯৭৯-৮০ চনৰ ছাত্ৰ একতা সভাৰ

সমাজ সেৱা বিভাগৰ সম্পাদক হিচাবে নিৰ্বাচিত হওঁ। তেতিয়াৰে পৰা এই অনুষ্ঠানটোৰ উন্নতি-কল্পে চেষ্টা চলাই আহিছো।

ফেব্ৰুৱাৰী মাহৰ ১০ তাৰিখে আমাৰ মহাবিদ্যালয়ৰ চৌহদ পৰিষ্কাৰ আৰু চেপ্তেম্বৰ মাহৰ ৮ তাৰিখে মহাবিদ্যালয়ৰ খেল-পথাৰ মেৰামতি কৰিবলৈ সমাজ সেৱা কাম দিয়া হয়। ইয়াৰ উপৰিও ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ জৰিয়তে বৃক্ষ-ৰোপণ কৰা হয়।

এই বছৰটোৰ উল্লেখযোগ্য কাম হ'ল 'ৰাষ্ট্ৰীয় সেৱা আঁচনি'ৰ জৰিয়তে মহাবিদ্যালয়ৰ ওচৰে-পাজৰে থকা পিছ পৰা অঞ্চলসমূহত ৰাস্তা নিৰ্মাণ, ৰাজহুৱা অনুষ্ঠানসমূহত সেৱামূলক কাম আগ-বঢ়োৱা ইত্যাদি।

এই আঁচনিৰ জৰিয়তে ১৯৮১ চনৰ ২৫ মে তাৰিখৰ পৰা ৯ দিনীয়া কাৰ্য্যসূচীৰে অতি উলহ-মালহেৰে আমাৰ মহাবিদ্যালয়ৰ পৰা ৮ কিলোমিটাৰ নিলগত ৰাওলিয়াল নামে গাঁৱত এটি সেৱা শিবিৰ অনুষ্ঠিত কৰা হয়। ৫০ জন কৰ্মী ছাত্ৰ-ছাত্ৰীয়ে শিবিৰ মুকলি কৰিবলৈ দৰং জিলাৰ উপায়ুক্তক আমন্ত্ৰণ কৰা হৈছিল কিন্তু বিশেষ কাৰণত তেখেত উপস্থিত থাকিব নোৱাৰাত আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ডাওৰীয়াই শিবিৰ উদ্বোধন কৰে।

এই শিবিৰৰ উল্লেখযোগ্য কাম হ'ল—ৰাওলিয়াল নিম্ন মাধ্যমিক স্কুলৰ ঘৰৰ নিৰ্মাণ, মহিলা সমিতিৰ ভেটি আৰু ঘৰৰ নিৰ্মাণ, ৰাস্তা-ঘাট, খেল-পথাৰ মেৰামতি। ইয়াৰ উপৰিও প্ৰত্যেক গাঁৱতে আদৰ্শ হিচাবে ৩ টাকৈ শৌচাগাৰ, ফিল্টাৰ সাজি দিয়া হয়। লোক-পিয়ল এই শিবিৰৰ এটা উল্লেখযোগ্য কাম। লোক-পিয়লৰ তথ্য সমূহৰ পৰা দেখা গৈছিল এই গাঁওসমূহৰ জীৱন-ধাৰণৰ মানদণ্ড অতি নিম্নস্তৰৰ আৰু শোচনীয় অৱস্থাৰ। লোক-পিয়লৰ তথ্যপাতি চৰকাৰৰ দৃষ্টিগোচৰ কৰা হৈছে।

শিবিৰত প্ৰত্যেক দিনাই বাইজ আৰু শিবিৰাৰ্থী মিলিত হৈ এখোখন কৈ আলোচনা চক্ৰ পতা হয়। এই আলোচনাচক্ৰত অংশগ্ৰহণ কৰে দৰং জিলাৰ শাৰীৰিক চৰ্চা পৰিদৰ্শক শ্ৰীযুত হৰিৰাম শইকীয়া, অসম পঞ্চায়তীৰাজ প্ৰশিক্ষণ কেন্দ্ৰৰ অধ্যক্ষ শ্ৰীযুত ৰেৱনাথ ভট্টাচাৰ্য্য, চাৰিআলি সংমণ্ডলৰ মৌন বিষয়া মাননীয় শ্ৰীআতাউৰ ৰহমান, প্ৰাপ্ত-বয়স্ক শিক্ষা আঁচনিৰ দৰং জিলাৰ প্ৰাধিকাৰী মাননীয় শ্ৰীমোহদৰ শৰ্মা, ছয়দুৱাৰ উন্নয়ণ খণ্ডৰ কৃষি সম্প্ৰসাৰণ বিষয়া শ্ৰীযুত যদু বৰা, ছয়দুৱাৰ উন্নয়ণ খণ্ডৰ পশুপালন সম্প্ৰসাৰণ বিষয়া শ্ৰীযুত হিৰা হাজৰিকা আৰু গহপুৰ প্ৰাথমিক চিকিৎসা-লয়ৰ ডাঃ ৰেৱতী হাজৰিকাই। তেখেত সকলে বহু কষ্ট স্বীকাৰ কৰি তেখেতসকলৰ বহুমূলীয়া বক্তব্য দাঙি ধৰে। আমি তেখেতসকলৰ ওচৰত চিৰকৃতজ্ঞ।

এই শিবিৰটো চলাই নিয়াত ৰাওলিয়ালৰ ৰাইজে যিখিনি সহায় সহযোগ আগবঢ়ালে আমি কেতিয়াও পাহৰিব নোৱাৰো।

শিবিৰৰ শেষৰ দিনা ৰাওলিয়াল গাঁৱৰ উদীয়মান শিল্পী আৰু শিবিৰাৰ্থীসকল মিলিত হৈ এটি সাংস্কৃতিক সন্ধিয়া পতা হয়।

এই শিবিৰটোৰ নেতৃত্ব বহন কৰে অধ্যাপক শ্ৰীমাণিক গগৈদেৱে। অধ্যাপক শ্ৰীপ্ৰদীপ দত্তদেৱে আমাৰ মাজতে থাকি শিবিৰ পৰিচালনা কৰাত সহায় সহযোগ আগবঢ়ায়। তেখেতসকলৰ সমাজ সেৱাৰ প্ৰতি থকা অকৃত্ৰিম শ্ৰদ্ধা সঁচাকৈ আদৰ্শনীয়। তেখেতসকললৈ মোৰ আন্তৰিক শুভেচ্ছা যাচিছো।

ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ আন দিশ হৈছে প্ৰাপ্ত বয়স্ক শিক্ষা দান। আমাৰ মহাবিদ্যালয়ে ওচৰ পাজৰে থকা অনুন্নত জনজাতি আৰু পিছ পৰি থকা ঠাইসমূহত প্ৰাপ্তবয়স্ক শিক্ষাৰ কাৰণে ১০টা অনুষ্ঠান পাতি দিয়ে। আমাৰ মহাবিদ্যালয়ৰ কেইজনমান সমাজপ্ৰেমী ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা দান দি আছে। এই অনুষ্ঠানকেইটা অধ্যাপক

শ্ৰীগোলক ভূঞাদেৱে পৰিচালনা কৰি আছে।

সমাজক সেৱা কৰাটো সকলোৰে কৰ্তব্য। মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে যাতে ভবিষ্যতে মহাবিদ্যালয়খনৰ উন্নতিৰ হকে কাম কৰি যায় লগতে আমাৰ সমাজখন উন্নত কৰাত সহায় সহযোগ আগবঢ়ায় এয়ে মোৰ কামনা।

সদৌ শেষত ছয়দুৱাৰ মহাবিদ্যালয়ৰ প্ৰবক্তা-বৃন্দ আৰু সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰি মোৰ বছেৰেকীয়া প্ৰতিবেদন সামৰিলো। ইতি—

শ্ৰীগোলাপ গগৈ,
সম্পাদক, সমাজ সেৱা বিভাগ।

## বহিঃ ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ প্ৰাৰম্ভণিতে যিসকল ছাত্ৰ-ছাত্ৰী বন্ধুৰ আন্তৰিক মৰম আৰু সহায় সহানুভূতিৰ বাবে মই ১৯৮০-৮১ চনৰ ছয়দুৱাৰ মহাবিদ্যালয়ৰ ছাত্ৰ সংসদৰ ক্ৰীড়া বিভাগৰ (বহিবিভাগ) সম্পাদকৰ গধুৰ দায়িত্বটো গ্ৰহণ কৰি সেৱা আগবঢ়াবলৈ সুযোগ পালোঁ, তেখেতসকললৈ মোৰ আন্তৰিক ধন্যবাদ জনাইছো। আৰু বিভিন্ন সু-পৰামৰ্শেৰে যিসকল শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰী বন্ধুৱে মোক অকুণ্ঠ সহায় আগবঢ়ালে তেখেতসকলকো এই সুযোগতে কৃতজ্ঞতাৰে স্মৰণ কৰিছো।

১৯৮০-৮১ চনৰ ছয়দুৱাৰ মহাবিদ্যালয়ৰ বহিঃ ক্ৰীড়া বিভাগৰ সম্পাদক হোৱা দিনৰ পৰাই সমগ্ৰ অসমতে জাতীয় অস্তিত্ব ৰক্ষাৰ গণ আন্দোলন আৰম্ভ হ'ল। সাংবিধানিক আৰু ন্যায়সঙ্গতভাৱে অসমৰ বিদেশী বহিষ্কাৰ আন্দোলনত স্কুল-কলেজৰ পৰা ধৰি অসমৰ সকলো জনসাধাৰণ কম-বেছি পৰিমাণে জড়িত থাকিবলগাত পৰো। সেয়ে কেইটামান দিনৰ ভিতৰত মই ছাত্ৰ-ছাত্ৰী বন্ধুসকলক খেলা-ধূলাত কি সুবিধা দিব পাৰিলো তাকে জনাব বিচাৰিছো।

অধ্যয়ন আৰু ক্ৰীড়া ছাত্ৰ জীৱনৰ দুটি উজ্জ্বল-ময় দিশ, পুথিগত শিক্ষাই যেনেকৈ মানসিক উৎকৰ্ষ সাধনত সহায় কৰে, তেনেকৈ শাৰীৰিক সৌন্দৰ্য্য বিকাশত প্ৰয়োজন হয় খেল-ধেমালি আৰু শৰীৰ চৰ্চ্চাৰ। সেয়েহে বৰ্তমানৰ আধুনিক জগতখনৰ প্ৰবাহমান গতিৰ লগত ৰজিতা খুৱাই প্ৰাথমিক পৰ্য্যায়ৰ পৰা আন্তৰ্জাতিক মানদণ্ডলৈকে বিভিন্ন ক্ৰীড়া বিভাগ জড়িত হৈ থাকে।

আমাৰ ছয়দুৱাৰ মহাবিদ্যালয়তো এনে এটা ক্ৰীড়া বিভাগ আছে; কিন্তু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে প্ৰদৰ্শন কৰা খেল-ধেমালিৰ মানদণ্ড সন্তোষ-জনক নহয়। ইয়াৰ বাবে মহাবিদ্যালয়ৰ ক্ৰীড়া বিভাগ আৰু ছাত্ৰ-ছাত্ৰীসকল যুক্তভাবে দায়ী। মহাবিদ্যালয়ত খেল-ধেমালিৰ বাবে প্ৰয়োজনীয় খেল পথাৰৰ অভাব আৰু লগতে সা-সৰঞ্জামৰ অভাব পৰিলক্ষিত হৈছে।

ছাত্ৰ-ছাত্ৰীৰ মাজত ক্ৰীড়াসুলভ মনোবৃত্তিৰ অভাৱ—যাৰ বাবে নিয়মিত ক্ৰীড়া চৰ্চ্চাৰ পৰা তেখেতসকল বিৰত থাকে। অভ্যাস আৰু সাধনা নহলে কোনো প্ৰকাৰৰ খেল-ধেমালিতেই পাৰদৰ্শী হোৱা সম্ভৱ নহয়।

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ খেল-ধেমালিৰ মানদণ্ড নিম্ন স্তৰত থকা বাবেই হওক বা আন্তঃ মহাবিদ্যালয়ৰ প্ৰতি গুৰুত্ব নিদি-য়াৰ বাবেই হওক আজিলৈকে আন্তঃ মহাবিদ্যালয় পৰ্য্যায়ত কোনো প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিব পৰা নাই। ছাত্ৰ-ছাত্ৰী বন্ধুসকলৰ ক্ৰীড়াৰ মানদণ্ড উন্নতিৰ কাৰণে আৰু নিয়মীয়া অভ্যাসৰ কাৰণে কৰ্তৃপক্ষই ব্যৱস্থা লোৱা প্ৰয়োজন। ছাত্ৰ-ছাত্ৰী সকলে একমাত্ৰ প্ৰতিযোগিতাৰ সময়ৰ বাহিৰে বাকী সময়ত খেলা-ধূলা নকৰে বা খেলাৰ সুবিধা নাপায়। যি কেইজন ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰে, সেই কেইজনো কলেজৰ ছাত্ৰ-

ছাত্ৰীৰ তুলনাত নিচেই কম।

মোৰ কাৰ্য্যকালৰ ভিতৰত প্ৰথমে আমাৰ মহাবিদ্যালয় খেল পথাৰতে অনুষ্ঠিত হোৱা "পূৰ্ণেশ্বৰী শ্বীল্ড" প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা হয়। কিন্তু দুৰ্ভাগ্য যে আমাৰ 'ক' আৰু 'খ' শাখা দুয়োটাই পৰাজয় বৰণ কৰে। ১৯৮০-৮১ চনৰ আন্তঃ মহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিবলৈ যোগাযোগ কৰিছিলো কিন্তু আমাৰ দুৰ্ভাগ্য যে আমি অংশ গ্ৰহণ কৰাৰ সুবিধা নাপালো। পৰৱৰ্তী বহিঃ খেল বিভাগৰ সম্পাদকলৈ অনুৰোধ থাকিল যেন আধা হোৱা কামবোৰ সম্পূৰ্ণ কৰে। দ্বিতীয়তে, ১৯৮০-৮১ চনৰ এই বছৰৰ মহাবিদ্যালয়ৰ "মহাবিদ্যালয় সপ্তাহ" পতা হয় আৰু মহাবিদ্যালয় সপ্তাহত বিভিন্ন ধৰণৰ খেলা অনুষ্ঠিত কৰা হয়। আৰু বহুতো ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীসকলে এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰে। বিভাগীয় তত্বৱধায়কৰ পৰামৰ্শক্ৰমে ভুল-শুদ্ধৰ মাজেৰে কলেজ সপ্তাহ পাৰ হৈ যায়। কম দিনৰ ভিতৰতে যিখিনি কাম কৰিলো তাত বহুতো ভুল হ'ব পাৰে, গতিকে মাননীয় অধ্যক্ষ মহোদয় তথা শিক্ষাগুৰু সকল আৰু মৰমৰ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধবী সকলৰ ওচৰত মোৰ ভুলৰ বাবে মাৰ্জনা বিচাৰিলো। শেষত মোৰ সকলো কাম সুচাৰুৰূপে পৰিচালনাত সহায়-সহানুভূতি আগবঢ়োৱাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত ভৰত মিশ্ৰ ভাগৱতী আৰু বিভাগীয় তত্বাৱধায়ক অধ্যাপক শ্ৰীযুত প্ৰদীপ দত্তদেৱলৈ মোৰ হিয়া ভৰা কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে বিশেষ কেইজনমান বন্ধু শ্ৰীনিৰ্মল চাবুকধৰা, মহেন্দ্ৰ কাকতি, চহান মিনজ্ আৰু যজ্ঞেশ্বৰ গগৈ দেৱে মোক অকুণ্ঠ সহায় কৰিলে তেখেত সকললৈ মোৰ হিয়া ভৰা অভিনন্দন জ্ঞাপন কৰিলো।

শ্ৰীতোলন বৰা,
সম্পাদক, বহিঃ খেল বিভাগ।

## আন্তঃ খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন:

প্ৰতিবেদনৰ পাতনিতে মই অসমৰ অস্তিত্ব ৰক্ষা সংগ্ৰামৰ সংগ্ৰামী বীৰ শ্বহীদসকললৈ অশ্ৰু-অঞ্জলি যাচিলো। আৰু আন্দোলনৰ নেতাবৰ্গলৈ মোৰ বৈপ্লৱিক অভিনন্দন ও আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। তাৰপাছত মই ছয়দুৱাৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক বিনা প্ৰতিদ্বন্দ্বিতাৰে ভিতৰ চ'ৰাৰ খেল বিভাগৰ সম্পাদক ৰূপে নিৰ্বাচিত কৰা বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

১৯৭৯ চনৰ মই ভিতৰ চ'ৰা খেল সম্পাদক হিচাপে নিৰ্বাচিত হওঁ যদিও মই ৭৯-৮০ আৰু ৮১ৰ মাজ ভাগলৈকে খেলা সম্পাদক হিচাবে কাৰ্য্য চলাই যাব লগা হয়। ৭৯-৮০ চনত কোনো খেল-ধেমালি অনুষ্ঠিত কৰিব পৰা নহ'ল। তাৰ কাৰণ বিদেশী বিতাৰণৰ আন্দোলন। এই আন্দোলনত লাগি অসমৰ ছাত্ৰ সমাজে এটা বহুমূলীয়া বছৰ তেওঁলোকৰ হিচাবৰ পৰা বাদ দিব লগা হ'ল। এই অপূৰণীয় ক্ষতি অসমৰ ছাত্ৰ সমাজ নালাগে অইন কোনেও ইয়াক পূৰণ কৰিব নোৱাৰে।

এতিয়া আহো মহাবিদ্যালয়ৰ খেলা-ধূলাৰ বিষয়লৈ। আমাৰ মহাবিদ্যালয়ত খেলা-ধূলাৰ সুবিধা অপৰ্য্যাপ্ত পৰিমাণে আছে। মোৰ বিভাগৰ ভিতৰুৱা কেৰম, ডাবা, টেবুল টেনিছ, বেডমিন্টন, ভলীবল আমাৰ মহাবিদ্যালয়ত আছে। অৱশ্যে টেবুল টেনিছৰ বৰ্ত্তখন যথেষ্ট পুৰণা হৈ যোৱাত ই সঘনাই ঠেং-খুৰা ভাগি পৰি থাকিব লগা হয়। আৰু লগে লগে খেলুৱৈ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা দিনক দিনে বাঢ়ি যোৱাত আৰু এখন নতুন বৰ্ডৰ আৱশ্যকতা ছাত্ৰ-ছাত্ৰীসকলে অনুভৱ কৰিছে। অতি দুখৰ বিষয় মোৰ আগৰ সম্পাদক তথা ছাত্ৰ-ছাত্ৰীসকলে আৰু এখন বৰ্ডৰ কাৰণে কৰ্তৃ-

পক্ষক অনুৰোধ কৰা স্বত্বেও কর্তৃপক্ষই অৱহেলাহে কৰা দেখা যায়। কিন্তু তাতোকৈ দুখৰ বিষয় টেবুল টেনিছ খেলা ৰূম আৰু ছাত্ৰ জিৰণি কোঠা একেটা হোৱা কাৰণে খেলাৰ ক্ষেত্ৰত যথেষ্ট অসুবিধাৰ সৃষ্টি হয়। গতিকে ইয়াৰ বাবে এটা আছুতীয়া কোঠাৰ ব্যৱস্থা কৰিবলৈ মই মহাবিদ্যালয় কর্তৃপক্ষক অনুৰোধ জনালো। আনহাতে ভলী ও ফুটবলৰ খেল পথাৰৰ অৱস্থা অতি শোচনীয়। এদিন বৰষুণ দিলেই খেল পথাৰত পানী জমা হয়, ফলত খেলা-ধূলাত বাধাৰ সৃষ্টি হয়। এইবিলাক ক্ষেত্ৰলৈ মহাবিদ্যালয় কর্তৃপক্ষই চকু দিয়ে যেন। ভলীবল, বেডমিন্টন আদি খেলৰ অনুশীলনত আমাৰ ছাত্ৰ সমাজৰ অনাগ্ৰহতাৰ দুখৰ বিষয়। আনকি সময়ত ভলীবল খেলা পথাৰখন ঠিক কৰিবলৈকো কাকো বিচাৰি পোৱা নাযায় ছাত্ৰ সমাজৰ পৰা। এইখিনিতে উনুকিয়াই দিয়া উচিত হ'ব যে ছাত্ৰ সমাজৰ তুলনাত ছাত্ৰী সমাজৰ খেলুৱৈৰ সংখ্যা অতি নগণ্য। বৰ্তমান সময়ত অসমৰ অন্যান্য মহাবিদ্যালয়ৰ ছাত্ৰীসকলে টেবুল টেনিছ, বেডমিন্টন আদিত পাৰদৰ্শিতা দেখুৱাই বিদেশলৈ যোৱাৰ সুবিধা পাইছে। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীসকলে খেল পথাৰলৈ গৈ খেলাতো দূৰৰ কথা খেল পথাৰলৈ গৈ খেল চাবলৈ ইচ্ছা প্ৰকাশ নকৰাটো বৰ পৰিতাপৰ কথা। সাধাৰণতে দেখা যায় নিৰ্দিষ্ট কেইজনমান ছাত্ৰ-ছাত্ৰীয়েহে খেলত অংশ গ্ৰহণ কৰে। এইটো লক্ষ্য কৰিবলগীয়া কথা যে—কিয় আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে খেলত অংশ গ্ৰহণ নকৰে। খেলাধূলাত অকল পুৰস্কাৰ পোৱাটোৱেই মুখ্য উদ্দেশ্য বুলি নলৈ অংশ গ্ৰহণ কৰাটো মুখ্য উদ্দেশ্য হিচাবে ললে, মই ভাবো আমি খেলা-ধূলাত যথেষ্ট আগুৱাই যাব পাৰিম। যিহেতু খেলা বিষয়টো শিক্ষাৰেই এক অংশ, গতিকে প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়েই ইয়াত অংশ গ্ৰহণ কৰাটো উচিত। আজিকালি চৰকাৰেও নানা সুবিধা আগবঢ়াইছে।

আমাৰ মহাবিদ্যালয়ৰ ১৯৭৯-৮০ চনৰ মহাবিদ্যালয় সপ্তাহ পালন কৰিব পৰা নহ'ল। গতিকে এইবাৰ আগতীয়াকৈ চলিত বছৰৰ চেপ্তেম্বৰ মাহত ৫ দিনীয়া কাৰ্য্যসূচীৰে মহাবিদ্যালয় সপ্তাহটি উদযাপন কৰা হয়। বতৰৰ অৱস্থা শোচনীয় হোৱাৰ কাৰণে কেবাটাও খেলা বাদ দিবলগীয়া হয়। যদিও যথেষ্ট সংখ্যক খেলা অনুষ্ঠিত হয়। অংশ গ্ৰহণকাৰীৰ সংখ্যা যিটো অনুপাতে হ'ব বুলি ভবা গৈছিল তাতোকৈ কম সংখ্যক খেলুৱৈকহে খেল পথাৰত দেখা গৈছিল। সেয়ে মই অধ্যক্ষ মহোদয়ক অনুৰোধ জনাওঁ যাতে অহা বছৰৰ পৰা সকলো প্ৰতিযোগিতাতে আমাৰ মহাবিদ্যালয়ৰ প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰাৰ ব্যৱস্থা কৰে যেন।

প্ৰতিবেদনৰ সামৰণিত অধ্যক্ষ শ্ৰীযুত ভৰত চন্দ্ৰ মিশ্ৰ ভাগৱতী, উপাধ্যক্ষ শ্ৰীগজেন বৰুৱা, খেল বিভাগৰ পৰিচালক প্ৰৱক্তা শ্ৰীপ্ৰদীপ দত্ত, প্ৰৱক্তা শ্ৰীবিপুণ বৰা আৰু মডাৰ্ণ ড্ৰাগ হাউচৰ শ্ৰীকাবুল শইকীয়া মহোদয়ে দিয়া মূল্যবান উপদেশ আৰু সহায়ৰ কথা শ্ৰদ্ধাৰে সুঁৱৰি তেখেতসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। ইয়াৰোপৰি মোক সকলো সময়তে সহায়-সহানুভূতি আগবঢ়োৱা বন্ধুসকল দিগন্ত, বুদ্ধেশ্বৰ, পুলক, যজ্ঞেশ্বৰ, এন্থনি, তোলনদা, লক্ষেশ্বৰদা, নিৰ্মলদালৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। লগতে ল'ৰা ছাত্ৰনিবাসৰ সমূহ ছাত্ৰ আৰু খেলুৱৈসমূহ আৰু মহাবিদ্যালয়ৰ চকীদাৰ চোকৰা, কাঞ্চা কাই আদিলৈ মই ধন্যবাদ যাচিছো।

মই আশা ৰাখিছো আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰপৰা ভাল খেলুৱৈ ওলাওক এয়ে মোৰ কামনা। সদৌ শেষত ছয়দুৱাৰ মহাবিদ্যালয়ৰ ভিতৰ চ'ৰা খেল বিভাগৰ সৰ্বাঙ্গীন উন্নতি আৰু মহাবিদ্যালয়ৰ আলোচনীখনৰ উজ্জ্বল ভৱিষ্যত কামনাৰে—

শ্ৰীঅৰূপ ৰাজখোৱা।

সম্পাদক, খেলবিভাগ (ভিতৰ চ'ৰা)।

॥ ছপা ঃ জনতা প্ৰেছ, তেজপুৰ ॥